# পৰিৱৰ্তনৰ সোঁত

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৩

**PORIBORTONOR SONT**
A collection of Assamese article written by **Gopal Jalan**
and published by **Bishal Prakashan**,
Chandmari, Guwahati- 3.
First Edition : December, 2025, Price : Rs. 200/- only

---

**ISBN :** 978-93-82587-88-0

# পৰিৱৰ্তনৰ সোঁত

## গোপাল জালান

গ্ৰন্থস্বত্ব ঃ **লেখক**
ফোন ঃ ৯৪৩৫১ ০৩৯৭৭
প্ৰকাশক ঃ **বিশাল প্ৰকাশন**
চানমাৰি, গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ **ডিচেম্বৰ, ২০২৫ চন**
মূল্য ঃ **২০০/- টকা**
বেটুপাত ঃ **নীহাৰ কাশ্যপ**
অংগসজ্জা ঃ **দুৰ্গাপ্ৰসাদ হাজৰিকা**
মুদ্ৰণ ঃ **বিশাল অফছেট**
গুৱাহাটী- ৩

# অৰ্পণ

মা-দেউতাৰ পৱিত্ৰ স্মৃতিত...

…

# একান্ত ব্যক্তিগত

অসম আৰু অসমীয়া জাতিৰ বাবে জীৱনৰ অমূল্য সময় আৰু অমূল্য অৱদান দি যোৱা মানুহৰ অভাৱ নাই। চুকাফাই বৰঅসম গঢ়ি গ'ল। শংকৰদেৱে একশৰণ নৱবৈষ্ণৱ ধৰ্মৰে জাতিটোক বান্ধি ৰাখিলে। গোপীনাথ বৰদলৈয়ে অসমক অসম কৰি ৰখাত অহোপুৰুষাৰ্থ কৰিলে। অসমৰ বিভিন্ন ক্ষেত্ৰৰ লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, হোমেন বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, ভূপেন হাজৰিকা, ভবেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱা, জুবিন গাৰ্গকে ধৰি এনে বহু অসমীয়াৰ নাম ল'ব লাগিব— যিসকলৰ নিজৰ নিজৰ ক্ষেত্ৰখনত দি যোৱা অৱদানে অসমীয়া জাতিক শ শ বছৰলৈ জীয়াই ৰাখিব।

এইসকলৰ ভিতৰত এই গ্ৰন্থৰ বেছিভাগ ঠাই আৱৰি আছে সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু সূৰ্যকণ্ঠ জুবিন গাৰ্গে। লগতে আছে মহাপুৰুষ শংকৰদেৱে দি যোৱা সত্ৰ-নামঘৰ আৰু বৈষ্ণৱ ধৰ্মৰ বহু অমূল্য সম্পদ। ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গে অসমৰ কেবাটাও প্ৰজন্মক সঞ্জীৱনী সুধা দি গৈছে। সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱে বাৰু জীৱনৰ চাৰি কুৰি বছৰ পালেই। কিন্তু জুবিন গাৰ্গে বহু দিলে, বহু পাবলৈ থাকিল, মাত্ৰ আঢ়ৈ কুৰি বছৰ অতিক্ৰম কৰোঁতেই আমি হেৰুৱাব নালাগিছিল। এটা কথা ঠিক যে দুয়োগৰাকীয়ে অসম আৰু অসমীয়া জাতিক বিশ্বত চিনাকি কৰাই দিলে।

ভ্ৰমণ জীৱনৰ অংগ। অসমৰ বিভিন্ন ঠাইলৈ গৈছোঁ— ব্যক্তিগত কাৰণতেই হওক বা সামাজিক কৰ্মতেই হওক। অৱশ্যে ধৰ্মীয় অনুষ্ঠানলৈহে বেছিকৈ যোৱা হয়। অসমৰ বিভিন্ন স্থানত থকা সত্ৰসমূহলৈ গৈ ধৰ্মীয় নীতি-নিয়মৰ মাজত একাত্ম হোৱাৰ সুবিধা লাভ কৰোঁ। দেশৰ অন্যান্য বিখ্যাত ধৰ্মানুষ্ঠানলৈ যোৱাৰ বিৱৰণো

ইয়াত পঢ়ুৱৈসকলে পাব। যাবলৈ আগ্ৰহ থকাসকলে বুজিব পাৰিব— কেনেকৈ যাব, ক'ত থাকিব আদি কথা।

সি যি নহওক, পূৰ্বে প্ৰকাশিত গ্ৰন্থকেইখনৰ ক্ষেত্ৰত কোৱাৰ দৰে এইবাৰো কওঁ— ইয়াত অন্তৰ্ভুক্ত লেখাসমূহ বুদ্ধিদীপ্ত বিশ্লেষণৰ লেখা নহয়। নিজস্ব অনুভৱ, নিজস্ব দৃষ্টিভংগীৰে লিখিবলৈ চেষ্টা কৰিছোঁ। এজন সাধাৰণ জনতাৰ দৃষ্টিৰে চাইছোঁ। ইয়াত কোনোধৰণৰ বিতৰ্কৰ অৱতাৰণা কৰিবলৈ বিচৰা নাই। 'যোগাত্মক' অথবা 'ঋণাত্মক' দৃষ্টিভংগীৰে ফঁহিয়াই চাইছোঁ। এয়া মোৰ নিজস্ব দৃষ্টিভংগীহে। পঢ়ুৱৈ সমাজৰ হাতত 'পৰিৱৰ্তনৰ সোঁত তুলি দিলোঁ। মোৰ পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে এইখনো আদৰি ল'লে শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। কৃতজ্ঞতা জনালোঁ— মোৰ এই লেখাসমূহ প্ৰকাশ কৰা দৈনিক বাতৰি কাকত কেইখনৰ সম্পাদক তথা সম্পাদনা সমিতিক। লগতে কৃতজ্ঞতা জনালোঁ— বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ তথা কৰ্মচাৰীবৃন্দক।

**গোপাল জালান**

# সূচীপত্ৰ


- আন্তৰ্জাতিক বঁটা প্ৰদান কৰা হওক সুধাকণ্ঠৰ নামত ৯
- সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত চচলত চৰকাৰে স্থাপন কৰক সংগ্ৰহালয় ১১
- প্ৰধানমন্ত্ৰী মোদীক অসমীয়াৰ আৱেগে বান্ধিলে ১৩
- সংগীতেৰে জুবিন গাৰ্গে সলনি কৰিছিল অসমৰ ছবিখন ১৬
- কিয় মুম্বাই এৰি অসমত আছিল জুবিন ১৮
- প্ৰকৃতিয়ে কান্দিছে জুবিন গাৰ্গৰ মহাপ্ৰয়াণত ২১
- জুবিন গাৰ্গৰ সম্পদ সংৰক্ষণ আৰু আমাৰ দায়িত্ব ২৩
- মহনায়কৰ জীৱনৰ অন্তিম ছবি আৰু অভিলেখৰ বন্যা ২৬
- অতীতক পাহৰি ভৱিষ্যতৰ ৰেঙনি কাঢ়িয়াই ফুৰা কয়দী ২৮
- প্ৰকৃতি জীয়াই ৰাখিবলৈ সকলোৱে লওক সংকল্প ৩০
- আমি প্ৰতিগৰাকী মানসিকভাৱে সুস্থনে? ৩৩
- প্লাষ্টিকমুক্ত পৃথিৱী এখন কল্পনা কৰিব পাৰোনে? ৩৬
- জীৱনত ক্ষমাৰ গুৰুত্ব অপৰিসীম ৪০
- সাধুকথাতকৈ ডাঙৰ শক্তি নাই ৪৪
- নাৰীৰ সুৰক্ষা ঃ সলনি কৰিব লাগিব মানসিকতা ৪৭
- গুৰু-শিষ্যৰ সম্পৰ্ক আৰু পৰম্পৰা ৫০
- ভূমিস্খলন আমিয়ে প্ৰতিৰোধ কৰিব লাগিব; কিন্তু কেনেকৈ? ৫২
- অসমীয়া শিপিনীয়ে সপোন ৰচা তাঁতশালখন ৫৬
- গৰুবিহুৰ পৰম্পৰা আৰু প্ৰাসংগিক চিন্তা ৫৯
- বনৰ কপৌ ফুলিছে বাগিচাত ৬৪
- বিহুমঞ্চত বিতৰ্ক কিয়? ৬৮

■ অসমক এখোজ আগুৱালে মেগা সন্মিলনে ৭১
■ এতিয়া গ্লেমাৰ হ'ব ঝুমইৰ ৭৬
■ হোলী ঃ হোলিকা দাহন আৰু আবিৰ খেলাৰ আনন্দ ৭৯
■ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অবিহনে অসমীয়া সমাজৰ কল্পনা অসম্ভৱ ৮১
■ অপাৰেচনত সেন্দূৰত ভাৰতৰ লাভ আৰু পাকিস্তানৰ ভিক্ষাৰ জোলোঙা ৮৪
■ সন্ত্ৰাসবাদৰ বিৰুদ্ধে চীনত ভাৰতৰ আন এখোজ ৯০
■ সন্ত্ৰাসবাদীৰ আক্ৰমণে প্ৰভাৰ পেলাব কাশ্মীৰৰ পৰ্যটন ক্ষেত্ৰত ৯৪
■ এছিয়াৰ তিনি ৰাষ্ট্ৰৰ যুৱ বিদ্ৰোহৰ আঁৰৰ কথা ৯৯
■ আমেৰিকাৰ আকাশলংঘী শুল্কই ভাৰতৰ কিমান ক্ষতি কৰিব? ১০২
■ আমেৰিকাৰ দুমুখীয়া নীতিৰ আঁৰত আছে কি? ১০৬
■ ভাৰতৰ বাবে হৰমুজ গুৰুত্বপূৰ্ণ কিয়? ১১০
■ ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ড মেঘালয়ক অপমান কিয়? ১১৩
■ ড'নাল্ড ট্ৰাম্পৰ সংস্কাৰ নীতি ঃ ভাৰতৰ কিমান লাভ হ'ব? ১১৬
■ বৈষ্ণোদেৱীৰ পাহাৰত দুদিন ১১৯
■ নীলাচলৰ বুকুত ভক্তই কিয় কৰে ভিৰ? ১২২
■ মহাকুম্ভ ঃ আস্থা আৰু বিশ্বাস ১২৬
■ মহাকালেশ্বৰ-ওমকাৰেশ্বৰ জ্যোতিৰ্লিংগ মন্দিৰ দৰ্শন ১৩০
■ মনৰ প্ৰশান্তি বিচাৰি কেদৰানাথত ১৩৫
■ খটৰা সত্ৰৰ পাচেতি উৎসৱ ১৪২
■ চূণপোৰা ভিঠি থান ঃ আমিয়ে কৰিব লাগিব প্ৰচাৰ ১৪৫
■ বিশ্বায়নে কাঢ়িলে পূজাৰ কাপোৰ কিনাৰ আনন্দ ১৪৭
■ হৰিশিঙাৰ শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰৰ পালনাম ১৫০
■ সত্ৰৰ সমস্যা সমাধানৰ বাবে সুন্দৰীদিয়া সত্ৰৰ পদক্ষেপ ১৫২
■ হৰেকৃষ্ণ মহন্ত বাপৰ অৱৰ্তমানতো পালনামৰে মুখৰিত বৰঙাজুলি সত্ৰ ১৫৪
■ পঞ্চতীৰ্থ নগৰীৰ ধূলিকণাই কয় ইতিহাসৰ কথা ১৫৭
■ এদিনতে ধনী হোৱাৰ সপোন দেখিলেই বিপদ নিশ্চিত ১৫৯

# আন্তৰ্জাতিক বঁটা প্ৰদান কৰা হওক সুধাকণ্ঠৰ নামত

সুধাকণ্ঠ ভূপেন হাজৰিকাক অসমৰ অন্যতম মূল্যৱান সম্পদ বুলি আখ্যা দিয়া হয়। অসমৰ সাংস্কৃতিক জগতখনৰ ভোটাতৰা হৈ জিলিকি থকা ভূপেন হাজৰিকাৰ অৱদান তুলানাবিহীন। এনে এগৰাকী মহান গণশিল্পীক আমি সকলোৱে সদায় শ্ৰদ্ধা জনাই আহিছো। অসমৰ প্ৰতিগৰাকী জনতাই সুধাকণ্ঠৰ নাম শুনাৰ লগে লগে মনতে হ'লেও শ্ৰদ্ধা জনায়। অসমৰ প্ৰতিগৰাকী সংস্কৃতিৱান লোকে এই নামটো শুনাৰ লগে লগে গৌৰৱ অনুভৱ কৰে। কাৰণ সুধাকণ্ঠৰ পৰিধি বিশ্বব্যাপী আছে। বহু দেশত সুধাকণ্ঠৰ লাখ লাখ অনুৰাগীও আছে। অসমৰ সাংস্কৃতিক জগতখনৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ শিল্প হিচাপে স্বীকৃতি লাভ কৰা এইগৰাকী কিংবদন্তি শিল্পীৰ মৃত্যুত অসমৰ যিমান ক্ষতি হৈছে সেয়া হয়তো কোনোকালেই পূৰণ নহ'ব। কাৰণ মহান শিল্পীৰ বহু সাধনাৰ চেষ্টাতহে জন্ম হয়। যেতিয়া এইগৰাকী কিংবদন্তি শিল্পীয়ে সৃষ্টি কৰিছিল তেতিয়া সীমিত সুবিধাহে আছিল। গতিকে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈ তেওঁ সংগীত জগতৰ বাবে যি অৱদান আগবঢ়াই গৈছে সেয়া সকলোৱে স্বীকাৰ কৰিছে। গতিকে আমি সকলোৱেই এইগৰাকী কিংবদন্তি শিল্পীৰ অৱদানক সন্মান জনাই সৃষ্টিৰাজি জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগিবই। শিল্পীগৰাকীৰ মহান অৱদানক বিশ্ববাসীৰ মাজত সজীৱ কৰি ৰাখিবলৈ নতুন নতুন চিন্তা-চৰ্চা আৰম্ভ কৰাৰ সময় আহি পৰিছে। এইক্ষেত্ৰত উৎসাহ যোগাব

পৰাকৈ প্ৰতিগৰাকী অসমীয়াই আন্তৰ্জাতিক প্ৰেক্ষাপটৰ কথা চিন্তা কৰিব লাগিব।

সুধাকণ্ঠৰ নামত এটা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰাৰ চিন্তা-চৰ্চাৰ সময় আহি পৰিছে। ইতিমধ্যে বিশ্বৰ বিভিন্ন দেশত মহান শিল্পীৰ মৃত্যুৰ পিছত তেওঁলোকৰ নামত আন্তৰ্জাতিক বঁটা প্ৰদান কৰিছে। এনে কৰিলে শিল্পীগৰাকীৰ অৱদানক সন্মান জনোৱাৰ লগতে অন্য দেশৰ লোক সকলোৰে আৰু অধিক জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিব। এনেদৰেই এটাৰ পিছত আনটো পদক্ষেপে সফলতা লাভ কৰিবলৈ সক্ষম হ'ব। আমি সকলোৰে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে অসম চৰকাৰৰ লগতে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ক হেঁচা প্ৰয়োগ কৰিব লাগিব। প্ৰথমতে আমি সংশ্লিষ্ট কৰ্তৃপক্ষক এই বিষয়ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই প্ৰচাৰ কৰি সকলোকে একগোট কৰিব লাগিব। সঘনাই যেতিয়া হেঁচা প্ৰয়োগ কৰিলে এসময়ত এনে বঁটা প্ৰদান কৰিবলৈ বাধ্য হৈ পৰিব। বঁটা প্ৰদান অনুষ্ঠান আদি বছৰত এবাৰকৈ অনুষ্ঠিত হৈ থাকিলে সকলোবোৰ বিষয়েই চৰ্চা হৈ থাকে। সংবাদ মাধ্যমত এই সন্দৰ্ভত প্ৰকাশিত বাতৰিয়ে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি কৰিব।

আমি এই বিষয়ে প্ৰথমে অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিলে সুফল পোৱা যাব। পিছুৱাই থাকিলে নহ'ব। এইবাৰ সুধাকণ্ঠৰ জন্মদিনৰ দিনা অসম চৰকাৰৰ পৰা এনে এক প্ৰস্তাৱ কেন্দ্ৰলৈ পঠিওৱাৰ পৰিকল্পনা কৰক। যদি লতা মংগেশকাৰ, কিশোৰ কুমাৰৰ নামত বঁটা প্ৰদান কৰা হয়, তেনেহ'লে সুধাকণ্ঠৰ নামত আন্তৰ্জাতিক বঁটা প্ৰদানৰ আৰম্ভণি কৰিব নোৱাৰাৰ কোনো কাৰণ নাই।

# সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত চচলত চৰকাৰে স্থাপন কৰক সংগ্ৰহালয়

২০২৪ চনৰ ৫ নৱেম্বৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী ৰাজ্যজুৰি পালন কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ চচলত অৱস্থিত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ 'সমলয়'ৰ প্ৰাংগণত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে সৰ্বধৰ্ম প্ৰাৰ্থনাৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী পালন কৰে। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বিশিষ্ট লেখক অৱসৰপ্ৰাপ্ত আয়ুক্ত থানেশ্বৰ মালাকাৰে বন্তি প্ৰজ্বলন কৰে। এই অনুষ্ঠানটোত সাতগাঁও মছজিদৰ ইমাম চাহাব, পাণবজাৰ বেপ্তিছ চাৰ্চৰ পাষ্টাৰ, ভেটাপাৰা গুৰুদ্বাৰাৰ জ্ঞানীজী আৰু দিছপুৰ নামঘৰৰ আতৈসকলে নাম-প্ৰসংগেৰে সৰ্বধৰ্ম প্ৰাৰ্থনাত অংশগ্ৰহণ কৰে।

ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই তেওঁৰ অধ্যক্ষতাত ২০০৯ চনতে প্ৰতিষ্ঠা কৰিছিল "ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস"। এই সাংস্কৃতিক ন্যাসৰ নামত আবণ্টিত ভূমিত তেওঁ নামকৰণ কৰি যোৱা 'সমলয়'ৰ প্ৰাংগণত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। উপস্থিত থকা সুধাকণ্ঠৰ অনুগামী বিশিষ্ট ব্যক্তিসকলে আনন্দ প্ৰকাশ কৰি মাটিখিনিত তেওঁৰ সোঁৱৰণত প্ৰকল্প আঁচনি গ্ৰহণৰ বাবে বক্তব্য আগবঢ়ায়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদক মঞ্জুলা হাজৰিকাই ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে চচলৰ এই ভূমিত কিছু

প্ৰকল্প হাতত লোৱাৰ কথা সদৰী কৰে যদিও ৰাইজৰ ফালৰ পৰা আৰু চৰকাৰৰ ফালৰ পৰা কিছু সহায়-সহযোগিতা, বিশেষকৈ আৰ্থিক সহায় পালে অতিশীঘ্ৰে ভূপেনদাৰ জন্ম শতবৰ্ষৰ মাজতে এই প্ৰকল্পৰ কামত আগবঢ়াবলৈ সম্ভৱ হ'ব। এইগৰাকী কিংবদন্তি শিল্পীৰ জন্ম শতবাৰ্ষিকী সকলোৱে মনত ৰখাকৈ পালন কৰিব লাগে। নিশ্চয় আমাৰ সকলোৱেই মৰমৰ শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰিবৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচীৰ আয়োজন কৰিব।

চচলৰ ভূপেন হাজৰিকাৰ চৰকাৰী মাটিখিনি বিগত কেইবাবছৰ এনেয়ে পৰি থাকিল। এগৰাকী মহান ব্যক্তিৰ নামত থকা মাটিখিনি এনেয়ে অব্যৱহাৰ হৈ আছে। কিন্তু এই ভূমিত যদি শিল্পীগৰকীক জীৱন্ত ৰূপত ৰখা হয় তেনেহ'লে তেওঁৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰা হ'ব। ইয়াত যদি এটা সাংস্কৃতিক ন্যাসৰ দ্বাৰা সংগ্ৰহালয় স্থাপন কৰা হয় তেতিয়া একেলগে সকলোখিনি লাভ কৰিব পাৰিব। তাত এটি আকৰ্ষণীয় প্ৰেক্ষাগৃহৰ লগতে সকলোখিনি থাকিলে সদায়  দৰ্শকৰো সোঁত ব'ব। এইক্ষেত্ৰত কেৱল ন্যাসৰ কাম-কাজেই যথেষ্ট নহয়, সমান্তৰালভাৱে চৰকাৰ আৰু ৰাইজৰ সহযোগিতাও প্ৰয়োজনীয়। জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰাৰ পূৰ্বে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিলে নিশ্চয় এই চৰকাৰী মাটিখিনিয়ে নতুনকৈ প্ৰাণ লাভ কৰিব।

# প্ৰধানমন্ত্ৰী মোদীক অসমীয়াৰ আৱেগে বান্ধিলে

ৰাজনৈতিক ক্ষেত্ৰখনৰ পৰা আঁতৰাই সকলোৱে সমবেত হৈছিল যোৱা ১৩ ছেপ্টেম্বৰত খানাপাৰাত। লক্ষ্য এটাই ভাৰতৰত্ন ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কি কয়। প্ৰধানমন্ত্ৰীয়েও কাকো নিৰাশ নকৰিলে। অসমৰ ৰাইজৰ আগত পোনপ্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে অৰাজনৈতিক ভাষণ দিয়ে। সুধাকণ্ঠৰ গানৰ সুৰতেই ভাষণ প্ৰদান কৰিলে প্ৰধানমন্ত্ৰীয়ে। সুধাকণ্ঠৰ চাৰিটা কালজয়ী গানৰ বাখ্যা আগবঢ়োৱাৰ লগতে কৈ গ'ল ভূপেন হাজৰিকাৰ মহান অৱদানৰ কথা। তদুপৰি এগৰাকী প্ৰধানমন্ত্ৰীৰ মুখত শুনিবলৈ পোৱা গ'ল এগৰাকী মহান নায়কৰ কথা। ভূপেন হাজৰিকা একতা আৰু অখণ্ডতাৰ মহান নায়ক আছিল বুলি মোদীয়ে কৰা মন্তব্যৰ পৰাই অনুমান কৰিব পাৰি সুধাকণ্ঠ অসমীয়া জাতিৰ বাবে কি আছিল?

সুধাকণ্ঠ ভূপেন হাজৰিকা আমাৰ মাজত নাই যদিও তেখেতৰ গীতৰ স্বৰ আজিও ভাৰতৰ বিকাশৰ যাত্ৰাৰ সাক্ষী হৈ আছে আৰু শক্তি দি আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। তেখেতৰ সংগীতৰ সাধনাই আমাক স্পৰ্শ কৰিলে আৰু সংকল্পই সমাজক নতুন দিশৰ সন্ধান দিলে বুলি উল্লেখ কৰি কয় যে সেইবাবেই তেখেতৰ গীত মোদীৰ বাবে বিশেষ। সকলো গায়ক, শিল্পীৰ সৃষ্টিত বিশ্বজনীন ৰূপটো বিচাৰি পোৱা নাযায়। সাধাৰণতে যিসকল শিল্পীৰ মাজত বিশ্বজনীন ৰূপটো সোমাই থাকে তেওঁলোককহে

সকলোৱে গণশিল্পী হিচাপে গণ্য কৰে। প্ৰধানমন্ত্ৰীয়েও সেই কথাকেই ব্যাখ্যা কৰি গ'ল। আনকি প্ৰধানমন্ত্ৰী মোদীয়ে এই পৱিত্ৰ অনুষ্ঠানটোত উপস্থিত থকাটো তেওঁৰ বাবে সৌভাগ্যৰ কথা বুলি উল্লেখ কৰি ভূপেন হাজৰিকাৰ গীতত 'মা ভাৰতীৰ প্ৰতি প্ৰেম আছিল' বুলি কয়। অসমৰ বুকুৰ পৰাই যে এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ ভাবনা সৃষ্টি হৈছে সেই কথা প্ৰধানমন্ত্ৰীয়েও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। ব্ৰহ্মপুত্ৰৰ সোঁতে গতি দিয়া ভূপেনদাক গংগাই প্ৰৱাহ দিছিল। তেখেতে মানুহে মানুহৰ বাবে নাভাবিলে কোনে ভাবিব সেই কথা গীতৰ মাজেৰে কৈছিল। এই চিন্তাই কিমান প্ৰেৰণা দিয়ে। এই বিচাৰ লৈ আমি আগুৱাই যাব লাগিব বুলি প্ৰধানমন্ত্ৰীয়ে সকলোকে আহ্বান জনাইছে।

১৯৬২ চনৰ যুদ্ধৰ সময়তো ভূপেনদাৰ কণ্ঠই শক্তি দিছিল বুলি প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে। ইয়াৰ পূৰ্বে কোনে এগৰাকী প্ৰধানমন্ত্ৰীয়ে এইবোৰ উল্লেখ কৰা নাছিল। ভূপেন হাজৰিকা একতা আৰু অখণ্ডতাৰ মহান নায়ক আছিল বুলি উল্লেখ কৰিছে স্বয়ং প্ৰধানমন্ত্ৰীয়ে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলক লৈ গীত গাইছিল— য'ত আছিল একতাৰ ভাবধাৰা। তেখেতৰ সপোনক আগুৱাই নিয়াৰ বাবে আমাৰ চৰকাৰে কাম কৰি আছে। আজি পূৰ্বোত্তৰ দ্ৰুতগতিত বিকাশৰ দিশত আগুৱাই গৈছে। দেশৰ বিভিন্ন পৰিস্থিতিৰ সময়ত ভূপেনদাই গীতৰ মাজেৰে নিজৰ ভাবনা প্ৰকাশ কৰিছিল।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে পূৰ্বোত্তৰক বাদ দি মহান ভাৰতৰ কল্পনা কৰিব নোৱাৰো। অথচ এসময়ত জৱাহৰলাল নেহৰুৱে ভাৰতৰ মানচিত্ৰৰ পৰা অসমক চীনৰ হাতত গতাবলৈ আগবাঢ়িছিল কেৱল নিজৰ ব্যৰ্থতা ঢাকিবলৈ। আজি মোদীয়ে কৈছে অসমৰ ইতিহাস উদ্‌যাপন কৰিলেহে ভাৰতৰ ইতিহাস সম্পূৰ্ণ হয়। অসমৰ গামোচাৰ প্ৰধানমন্ত্ৰীয়ে নিজেই ব্ৰেণ্ডিং কৰে বুলি কৈছে। সুধাকণ্ঠৰ সুৰৰে সুৰ মিলাই প্ৰধানমন্ত্ৰীয়ে অসমৰ গুণ-গৰিমা বৰ্ণনা কৰি গৈছিল। সুধাকণ্ঠৰ গীতেৰে প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণ আগবঢ়োৱাতো আছিল আন এক উল্লেখযোগ্য দিশ। মোদীয়ে বুজি পায় ভূপেনদাৰ সৈতে থকা প্ৰতিগৰাকী অসমীয়াৰ আৱেগ-অনুভূতি।

মঙলদৈত ভাষণৰ মাজতে প্ৰধানমন্ত্ৰীয়ে বিভিন্নজনে তেওঁলৈ মৰমৰ চিনস্বৰূপে আগবঢ়োৱা উপহাৰৰ প্ৰতিও দৃষ্টি দিয়ে। প্ৰধানমন্ত্ৰীয়ে

নিৰাপত্তাৰক্ষীৰ যোগেদি বিভিন্নজনে আগবঢ়োৱা তেওঁ আৰু তেওঁৰ মাতৃৰ চিত্ৰ, গামোচা আদি মৰমৰ উপহাৰ গ্ৰহণ কৰে। উপহাৰ দিয়াসকলক প্ৰধানমন্ত্ৰীয়ে পিছফালে নিজৰ নাম আৰু ঠিকনা দিয়াৰ বাবে আহ্বান জনায়। যাতে প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক চিঠিৰ মাধ্যমেৰে উত্তৰ দিব পাৰে। বিশেষভাৱে সক্ষম লোকৰপৰাও প্ৰধানমন্ত্ৰীয়ে কেমেৰামেনৰ যোগেদি উপহাৰ সংগ্ৰহ কৰে আৰু এছ পি জিক সেই উপহাৰ লোৱাৰ বাবে আহ্বান জনায়। এই অকৃত্ৰিম মৰমৰ উপহাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে সকলোকে ধন্যবাদ জনায় আৰু ইয়াক নিজৰ সৌভাগ্য আখ্যা দিয়ে। ইয়াৰ পৰাই প্ৰধানমন্ত্ৰীয়ে যে সভাৰ মাজতেই তেওঁৰ অনুৰাগীৰ প্ৰতি গুৰুত্ব প্ৰদান কৰে প্ৰমাণ কৰিলে। প্ৰধানমন্ত্ৰী মোদীয়ে নুমলীগড়ত ইথানল প্ৰকল্পটো মুকলি কৰাৰ পিছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন জনসভাত অংশগ্ৰহণ কৰি প্ৰথমতে অসমীয়াতেই আগতীয়াকৈ শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত লাভ কৰা মৰম-চেনেহৰ কথা উল্লেখ কৰি আৱেগিক হৈ পৰে। এয়াই অসমৰ জনগণৰ সন্মান।

# সংগীতেৰে জুবিন গাৰ্গে সলনি কৰিছিল অসমৰ ছবিখন

সংগীতে কথা কয়। সংগীতে পৃথিৱীখন সলনি কৰিব পাৰে। কাৰণ পৃথিৱীত কেৱল সংগীতেই মানুহক সলনি কৰিব পাৰে। জুবিন গাৰ্গ আছিল তেনে এগৰাকী মহান শিল্পী আছিল। সেইবাবেই জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ শুনাৰ পিছতেই স্তব্ধ হৈ পৰে জনজীৱন। এই পৰিৱেশ ইয়াৰ পূৰ্বে সৃষ্টি হৈছিল ২০১৯ চনত বিশ্বজুৰি হোৱা ক'ভিডকালীন পৰিস্থিতিৰ সময়ত। তাৰ পিছত এই বাতৰি লাভ কৰাৰ লগে লগে আপোনা-আপুনি বন্ধ হৈ পৰে দোকান-পোহাৰৰ পৰা আৰম্ভ কৰি সকলো কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আদি। ৰিক্সা, ঠেলা, অট', পাণদোকান আদিও নিজে নিজেই বন্ধ কৰিছিল সকলোৱে। এনেদৰে বন্ধ হোৱা আমি ইয়াৰ পূৰ্বে কাহানিও দেখা পোৱা নাছিলো আৰু ভৱিষ্যতেও হয়তো নোলাব। ৰাজধানী চহৰ গুৱাহাটী মহানগৰীৰ লগতে প্ৰতিখন জিলাতেই স্তব্ধ হৈ পৰে সকলো কাম-কাজ। পুৱাৰে পৰাই সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখা হয়। আপোনৰো আপোন শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ব্যৱসায়ীসকলে বন্ধ কৰে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান। আনকি ঠেলাচালক, ৰিক্সাচালক আদিয়েও নিজৰ নিজৰ ঠেলা, ৰিক্সা আদিত আপোন শিল্পীজনক হেৰুৱাই মৰ্মাহত হৈ জুবিন গাৰ্গৰ ফটো লৈ ৰাস্তাই ৰাস্তাই কিমান দূৰ ঘূৰি ফুৰিছে তাৰ হিচাপ নাই। সেই গধুৰ মন লৈ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই স্তব্ধ হৈ পৰে ৰাজ্য।

স্বতঃস্ফূৰ্তভাৱে বন্ধ ৰাখিছে সকলো দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান। অসম চেম্বাৰ্ছ অৱ কমাৰ্চে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি দুদিনৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখাৰ আহ্বান জনাইছিল যদিও সেই আহ্বানৰ পূৰ্বেই জুবিন গাৰ্গৰ মৃত্যুৰ খবৰত শোকস্তব্ধ হৈ ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখা হৈছিল আপোনা-আপুনি। সকলোৰে মৰমৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰাখে। ইফালে, ৰাজ্যৰ এনে এখন স্থান নাছিল— য'ত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি লগাই শ্ৰদ্ধাঞ্জলি জনোৱা নাই। ঠায়ে ঠায়ে জনতাই জনতাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁৰ গীতেৰেই শ্ৰদ্ধা নিবেদন কৰে। সাধাৰণতে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে এনে বন্ধৰ আহ্বান জনালে দোকান-পোহাৰ বন্ধ হৈ পৰে, সেয়া ভয়-ভাবুকিত; কিন্তু জুবিনৰ মৃত্যৰ পিছত সকলোবোৰ আপোনা-আপুনি বন্ধ হৈ পৰে।

জাতি-ধৰ্মতকৈ ঊৰ্ধ্বত আৱেগ আছিল সেই কথাই জনসমুদ্ৰই প্ৰমাণ কৰিছে। আমি এগৰাকী শিল্পীৰ মৃত্যুত এনেয়ে শোক নকৰো— কাৰণ আমি তেওঁলোকক চিনি পাওঁ, আমাক নিজকে চিনি পোৱাত সহায় কৰা বাবেহে তেওঁলোকৰ কাৰণে আমি শোক কৰো। এয়াই আছিল জুবিন গাৰ্গৰ গুণ। সেইবাবেই জনসুমুদ্ৰৰ সৃষ্টি হৈছে।

# কিয় মুম্বাই এৰি অসমত আছিল জুবিন

ইচ্ছা কৰিলেই জুবিন গাৰ্গে মুম্বাইত থাকি বলিউডত দপদপাই থাকিব পাৰিলেহেঁতেন। দুৰন্ত প্ৰতিভা থকা বাবে সুযোগ পায়ো তেওঁ মুম্বাইত নাথাকিল। কাৰণ জুবিন গাৰ্গৰ অসমপ্ৰেম আছিল দুৰন্ত। তেওঁ যে অসমক হাড়ে-হিমজুৰে ভাল পাইছিল তাৰ প্ৰমাণ আজি ৰাইজেই দাঙি ধৰিছে। ছিংগাপুৰত মৃত্যু হোৱাৰ বাতৰি বিয়পি পৰাৰ পিছতেই তেওঁক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ সমৱেত হোৱা জনতাই বুজাই দিলে জুবিন গাৰ্গ অসমৰ বাবে কিমান অপৰিহাৰ্য আছিল। অসমৰ অতিকৈ গুৰুত্বপূৰ্ণ সম্পদক হেৰুৱাই আজি অসমবাসীয়ে কান্দিছে। কাৰণ জুবিন আছিল অসমপ্ৰেমী। কেঁকোৰা দীঘল চুলিৰ যুৱকজনক জুবিন গাৰ্গ হিচাপে অসমবাসীৰ হাৰ্টথ্ৰ'ব হ'ল ১৯৯২ চনত 'অনামিকা'ই মুক্তিলাভ কৰাৰ পিছতে।

জুবিন গাৰ্গ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংগীত জগতৰ এক বিশেষ ব্যক্তিত্ব বুলি আখ্যা দিয়া হয়। তেওঁ অসমীয়া সংস্কৃতিৰ প্ৰতি গভীৰ প্ৰীতি আৰু দায়বদ্ধ আছিল বাবেই ৩৮ হাজাৰ গান ৪০টা ভাষাত গাবলৈ সক্ষম হৈছিল। যি কাম মানুহে এশ বছৰত কৰিব নোৱাৰে সেয়া জুবিনে ৩০ বছৰতেই কৰি থৈ গ'ল। তেওঁ অসমীয়া ভাষাৰ লগতে বিভিন্ন উত্তৰ-পূৰ্বাঞ্চলৰ ভাষাত সংগীত পৰিৱেশন কৰি এক সুকীয়া স্থান অধিকাৰ

কৰিছিল। তেওঁৰ গীত, বাদ্য আৰু নিজস্ব সংস্কৃতিৰ প্ৰতি থকা আকৰ্ষণ অসমপ্ৰীতিৰ এক উজ্জ্বল নিদৰ্শন।

জুবিনে অসমীয়া ভাষাৰ উপৰি হিন্দী, বাংলা, বিভিন্ন জনজাতীয় ভাষাত সুন্দৰভাৱে গীত পৰিবেশন কৰিবলৈ সক্ষম হৈছিল। সেইবাবেই সকলোৰে মাজত সমানেই জনপ্ৰিয় আছিল। অসমৰ বিভিন্ন জনজাতীয় ভাষাত গান গাই অসমীয়া সংস্কৃতিৰ প্ৰতি নিজৰ প্ৰেম প্ৰকাশ কৰিছে। তেওঁৰ গানত অসমৰ প্ৰাকৃতিক শোভা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতিফলন দেখা যায়, ফলত অসমীয়া সংগীতৰ এক সুকীয়া ধাৰা সৃষ্টি হৈছে। অসমত এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল এইগৰাকী মহান সংগীত শিল্পীয়ে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পিছত অসমীয়া সংগীতত নতুন মাত্ৰা প্ৰদান কৰা শিল্পীগৰাকীয়ে হৈছে জুবিন গাৰ্গ।

জুবিনৰ নিজস্ব সংগীতশৈলীৰ জৰিয়তে অসমীয়া সংগীতজগতক এক নতুন দিগন্তত লৈ গৈছে। সংগীতৰ মাধ্যমেৰে জুবিন গাৰ্গ এই অসমপ্ৰীতি অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে।

মৃত্যুৰ পিছত ৰাজ্যৰ আকাশে-বতাহে কেৱল জুবিন গাৰ্গৰ জয়গান। সৰ্বত্ৰে শিল্পীগৰাকীৰ অমৰ সৃষ্টি বাজি উঠিছে। ঠায়ে ঠায়ে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ ওলাই আহিছে জনতা। সৃষ্টিৰ বিশালতাৰে প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত বিশেষ স্থান লাভ কৰা অসমবাসীৰ অতি হেঁপাহৰ আৰু আপোনৰো আপোন শিল্পীগৰাকীৰ মৃত্যুৱে জোকাৰি গৈছে ৰাজ্য। অসমবাসী আজি শোকস্তব্ধ। কাৰণ আপোন শিল্পীগৰাকী আজি আমাৰ মাজত নাই। সকলোতে বাজি উঠিছে কেৱল শিল্পীগৰাকীৰ গীত। চকুলোৰে সকলোৱে যাচিছে শ্ৰদ্ধা। কল্পনা কৰিব পৰা নাছিল যে সোণেৰে সজোৱা পঁজা খহাই দুনাই সাজিব নোৱৰাকৈ অসমবাসীৰ হিয়াৰ আমঠু জুবিন অনন্ত ধামলৈ গতি কৰিব।

মৃত্যু চিৰন্তৰ সত্য...। কিন্তু এই চিৰন্তৰ সত্যই যেন মানি ল'ব বিচৰা নাই অসমবাসীয়ে। শুকুৰবাৰৰ দিনটোত কোনেও শুনিব নোখোজা সেই অকল্পনীয় খবৰটো অহাৰ পাছৰে পৰা হাহাকাৰ সৃষ্টি হৈছিল প্ৰতিগৰাকী অসমীয়াৰ মাজত। ইমান মানুহে একেলগে শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ

হিল-দ'ল ভাঙি ওলাই অহাটোৱেই প্ৰমাণ কৰিছে জুবিন গাৰ্গে অসম আৰু অসমবাসীক অন্তৰেৰে কিমান ভাল পাইছিল। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সংগীতক দেশবাসীৰ মাজত জনপ্ৰিয় কৰা শিল্পীগৰাকীয়ে আছিল জুবিন গাৰ্গ। অসমীয়া গানৰ এটা নতুন ধাৰাৰ সৃষ্টি কৰা শিল্পীগৰাকীৰ নামেই আছিল জুবিন। আচলতে জুবিনে অসমক ইমানেই ভাল পাইছিল যে মুম্বাই এৰি অসমত সংগীতানুষ্ঠান পৰিবেশন কৰিবলৈ গুচি আহিছিল। সময়ত তেওঁ মুম্বাই আদিত অনুষ্ঠান পৰিৱেশন কৰিছিল যদিও বাৰে বাৰে মনটোৱে অসমলৈ উৰা মাৰিছিল। যাৰ অসমীয়াৰ বাবে কিবা এটা কৰাৰ ইচ্ছা থাকে তেওঁ বাহিৰত থাকিবই নোৱাৰে। এসময়ত বহুতে প্ৰশ্ন কৰিছিল— জুবিনে কিয় বলিউড এৰি অসমত খোপনি পুতিছিল। এতিয়া সেই প্ৰশ্নৰ উত্তৰ সকলোৱে লাভ কৰিছে। শিল্পীগৰাকীক অন্তিম সময়ত বিদায় দিবলৈ যি জনসমুদ্ৰৰ সৃষ্টি হ'ল সেয়াই প্ৰমাণ কৰিছে জুবিনে কিয় বলিউডত দপদপাই থকাৰ সলনি অসমৰ চুকে-কোণে অনুষ্ঠান পৰিৱেশন কৰিছিল। এসময়ত ভূপেন হাজৰিকাই অসমীয়া জাতিৰ বাবে সংগীতেৰে সকলো কৰিছিল। পৰৱৰ্তী কালত বহুতো শিল্পীৰ জন্মগ্ৰহণ কৰে যদিও ইয়াৰ ভিতৰত একমাত্ৰ জুবিন গাৰ্গেহে সকলোকে অসমীয়া গান শুনিবলৈ বাধ্য কৰালে একমাত্ৰ তেওঁৰ কণ্ঠ আৰু অসমপ্ৰীতিৰে। অসমীয়া সংগীতত একপ্ৰকাৰ ছুনামীৰ সৃষ্টি কৰিনে জুবিনে। সীমাৰ পৰিধি ভাঙি বিশ্বব্যাপী জনপ্ৰিয়তা অৰ্জন কৰাৰ পিছতো অসম এৰা নাছিল এইগৰাকী শিল্পীয়ে। এয়াই জুবিন। এয়াই অসমপ্ৰীতি। জুবিনৰ গগনচুম্বী অৱদানক এতিয়া আমি সকলোৱে জীয়াই ৰখাৰ দায়িত্ব। নহ'লে বিশ্ববাসীয়ে ক'ব অসমীয়া জাতি অকৃতজ্ঞ।

# প্ৰকৃতিয়ে কান্দিছে জুবিন গাৰ্গৰ মহাপ্ৰয়াণত

জুবিন গাৰ্গক সকলোৱে এগৰাকী শিল্পী হিচাপে ভাল পায়। লাখ লাখ অনুৰাগীয়ে নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পায় জুবিনক। অসমৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় শিল্পীগৰাকীৰ অনুৰাগীৰ অন্ত নাই। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে ভাল পোৱা শিল্পীগৰাকীয়ে হৈছে জুবিন। ৩৮ হাজাৰ গান ৪০টা ভাষাত গোৱা শিল্পীগৰাকীৰ মৃত্যুত শোকস্তব্ধ ৰাজ্য। এইগৰাকী শিল্পীক সকলো শ্ৰেণীৰ লোকে কিয় ইমান ভাল পাইছিল? আজি তেওঁক শেষ বিদায় দিবলৈ লাখ লাখ অনুৰাগীয়ে কিয় ভিৰ কৰিছে? অসমত বহুত জনপ্ৰিয় শিল্পী আছে, তথাপি সকলোৱে জুবিনক লৈ পাগল কিয়? তেওঁ শিল্পীৰ লগতে আছিল এগৰাকী সহজ-সৰল মনৰ ব্যক্তি। মনত এক আৰু মুখত এক কথা কোৱা শিল্পী নাছিল জুবিন। সকলো কথাই খোলাখুলিকৈ সকলোৰে আগত প্ৰকাশ কৰিছিল। উপাৰ্জন কৰা ধন সদায় দুখীয়াক সহায় কৰিবলৈ খৰচ কৰিছিল। অসমীয়া জাতিৰ যিকোনো সমস্যাৰ সময়ত সদায় ৰাইজৰ পক্ষত থিয় দিয়া শিল্পীগৰাকীয়ে আছিল জুবিন। এই শিল্পীগৰাকীৰ আন সকলো গুণৰ লগতে প্ৰকৃতিপ্ৰেমী আছিল। বন ধ্বংসৰ বিৰুদ্ধে সদায় মাত মাতিছিল তেওঁ। গুৱাহাটীত গছ কটাৰ সময়ত জুবিনে কৰিছিল প্ৰতিবাদ। দীঘলীপুখুৰী পাৰৰ গছকেইজোপা কটাৰ কথা ওলাওঁতেও জুবিনে প্ৰতিবাদ কৰিছিল। কেৱল সেয়াই নহয় তেওঁ যে প্ৰকৃতিপ্ৰেমী আছিল সেই কথা তেওঁৰ শৈশৱৰ এজোপা গছৰ সৈতেও জড়িত হৈ আছে।

এজোপা পাইন গছক নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পাইছিল জুবিনে। তেওঁ সদায় গছ ৰোপণ কৰি খুব আনন্দ লাভ কৰিছিল। যোৰহাট জিলাৰ বঙালপুখুৰীত শৈশৱ অতিবাহিত কৰা জুবিনৰ ঘৰখনৰ চৌহদতেই আছিল এইজোপা গছ। সেয়ে যোৰহাটৰফালে আহিলেই পাইন গছজোপাক এবাৰ চাই যায় জুবিনে। তেওঁ সাবটি ধৰিছিল মৰমৰ গছজোপাক।

তেওঁ ৰোপণ কৰা পাইন গছজোপা চাবলৈ দৌৰি আহিছিল। কেৱল সেয়াই নহয় তেওঁ ইমানেই ভাল পাইছিল যে গছজোপাৰ লগতেই পাতিছিল কথা। গছজোপা ধুমুহাত ভাঙি গৈছিল। সেই ঠাইতেই অন্য এজোপা পাইন গছ ৰুবলৈ অহাৰ কথা আছিল জুবিনৰ। শৈশৱৰ বঙালপুখুৰীৰ পূজাস্থলীয়ে এইবাৰ এশ বছৰ সম্পূৰ্ণ কৰিব আৰু এই পূজালৈ অহাৰ কথাও কৈছিল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি এই গছজোপাৰ সৈতে তেওঁৰ শৈশৱত সম্পৰ্ক আছিল কেনেকুৱা। যিসময়ত মানুহে ঘৰ বনাবলৈ আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে গছ-গছনি কাটি পেলাবলৈ ধৰিছে সেই সময়ত জুবিনে এজোপা গছৰ বাবে শৈশৱৰ স্মৃতি থকা ঘৰখনলৈ দৌৰি গৈছিল। এই মৰমত নাছিল কোনো কৃত্ৰিমতা। সেইবাবে জুবিন গাৰ্গে কৈছিল, "মই গ'লে এই গছজোপাও নাথাকিব।"

জুবিন গাৰ্গ এগৰাকী জনপ্ৰিয় শিল্পী হোৱাৰ উপৰি এগৰাকী প্ৰকৃতিপ্ৰেমী আছিল সেই কথা হয়তো বহুতেই জ্ঞাত নহয়। প্ৰকৃতিৰ সৈতে এক গভীৰ আধ্যাত্মিক সম্পৰ্ক আছিল তেওঁৰ। তেওঁৰ ব্যক্তিগত জীৱনতো প্ৰকৃতিৰ মনোৰম সৌন্দৰ্যৰ সৈতে এক নিবিড় সম্পৰ্ক গঢ়ি তুলিছিল। সেইবাবে মন গ'লেই নিজৰ পছন্দৰ ঠাইখনলৈ ফুৰিবলৈ গৈছিল। জুবিন গাৰ্গে প্ৰকৃতিৰ সৈতে এক আধ্যাত্মিক সম্পৰ্ক গঢ়ি তুলিছিল— যি তেওঁৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল। তেওঁক মানুহৰ লগতে প্ৰকৃতিও ভাল পায় আৰু এই কথা তেওঁৰ বিভিন্ন কামত প্ৰমাণিত হৈছে। তেওঁৰ বহু গীতত প্ৰকৃতিৰ বৰ্ণনা দেখা যায়, বিশেষকৈ তেওঁৰ 'প্ৰকৃতিৰ জীয়ৰী' নামৰ গীতটোৱে তেওঁৰ প্ৰকৃতি প্ৰেমৰ এক উমৈহতীয়া প্ৰকাশ। ধেমাজি জিলাৰ একমাত্ৰ পবা বৰ্ষাৰণ্যক বন্যপ্ৰাণী অভাৰণ্য হিচাপে সংৰক্ষণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছিল শিল্পীগৰাকীয়ে।

কোনে ভাল নাপাইছিল জুবিন গাৰ্গক সেই প্ৰশ্ন কোনোবাই কৰিলে হয়তো সকলোৰে আচৰিত নোহোৱাকৈ নোৱাৰে। মানুহৰ কথাততো বেলেগেই— পশু-পক্ষী, চৰাই-চিৰিকটি সকলোৰে প্ৰিয় আছিল জুবিন। প্ৰকৃতিক অকৃত্ৰিমভাৱে খুব ভাল পাইছিল এইগৰাকী শিল্পীয়ে। বহু সময়ত জুবিনে ৰাজহুৱাকৈ গছ নাকাটিবলৈ আহ্বান জনাইছিল। সেইবাবে আজি তেওঁৰ মৃত্যত প্ৰকৃতিয়েও কান্দিছে। এয়াই জুবিন।

# জুবিন গাৰ্গৰ সম্পদ সংৰক্ষণ আৰু আমাৰ দায়িত্ব

জুবিন গাৰ্গৰ মৃত্যুৰ পিছত বহুতো লোকে আৱেগৰ বশৱৰ্তী হৈ মহান শিল্পীগৰাকীৰ নামত সকলো কৰিবলৈ মন্তব্য কৰিছে। বিশেষকৈ সামাজিক মাধ্যমত বহুতেই অসমৰ সংগীত জগতৰ মহানায়কগৰাকীৰ বাবে কি কি কৰিব লাগে বুলি মন্তব্য আগবঢ়াইছে। আনকি কিছুমান লোকে এইগৰাকী শিল্পীৰ বাবে হুৰমূৰকৈ সাজিছে প্ৰতিমূৰ্তি। কিন্তু অতি কম সময়ৰ ভিতৰত এনে মূৰ্তি কৰিবলৈ যোৱাৰ ফলত বিকৃতও হৈছে। এনে কৰাটো একেবাৰে অনুচিত। কাৰণ এই কাৰ্যৰ দ্বাৰা শিল্পীগৰাকীৰ মহান ব্যক্তিত্বত আঘাত কৰা হ'ব। এনেধৰণৰ প্ৰতিযোগিতাই তেওঁৰ শিল্পীসত্তাত আঘাত হনাৰো আশংকা থাকিব। আমি জুবিন গাৰ্গক শুদ্ধ ৰূপত জীয়াই ৰাখিব লাগিব। তেওঁৰ কোনো এটা সৃষ্টিয়ে যাতে কোনোৱে বিকৃত নকৰে তাতহে সকলোৱে তীক্ষ্ণ নজৰ দিব লাগিব। জুবিন গাৰ্গৰ সৃষ্টিৰাজি কোনোধৰণে বিকৃত কৰা উচিত নহয়, কাৰণ তেওঁৰ সৃষ্টিবোৰ তেওঁৰ অৱদানৰ এক অমূল্য অংশ। তেওঁৰ সৃষ্টিসমূহৰ প্ৰতি শ্ৰদ্ধা জনোৱা উচিত, আৰু তেওঁৰ কামক বিকৃত কৰা বা ভুল ব্যাখ্যা কৰা অনুচিত। জুবিন গাৰ্গে বহু ভাষাত বহু ধৰণৰ সৃষ্টি কৰি গৈছে, যাৰ ভিতৰত আছে গান, সংগীত পৰিচালনা, অভিনয় আৰু চলচ্চিত্ৰ পৰিচালনা। তেওঁৰ সৃষ্টিৰাজিৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনোৱা উচিত। কাৰণ এতিয়াৰ পৰাই যদি আমি শিল্পীগৰাকীৰ অমূল্য সৃষ্টিৰাজি শুদ্ধ ৰূপত সংৰক্ষণ নকৰোঁ তেনেহ'লে ভৱিষ্যতে এইবোৰে নেতিবাচক প্ৰভাৱ পেলাব। এগৰাকী শিল্পীক সঠিকভাৱে জীয়াই ৰাখিবলৈ হ'লে প্ৰতিযোগিতামুখী হোৱাৰ মানসিকতা

সলনি কৰিব লাগিবই। জুবিন গাৰ্গক সদায় সহজ-সৰল মনৰ জুবিন হৈয়ে থাকিব দিয়ক। নকল জুবিন অৰ্থত মিমিক্ৰি কৰা অপৰিপক্কসকলক এতিয়াই নিয়ন্ত্ৰণ কৰিব লাগিব। কাৰণ একাংশই জুবিন গাৰ্গ জীয়াই থাকোতেই জুবিন হ'বলৈ খুজিছিল। জুবিন গাৰ্গে এইবোৰ মুঠেই ভাল পোৱা নাছিল আৰু পৰোক্ষভাৱে সকীয়াই দিছিল। মহান শিল্পীগৰাকীয়ে জুনিয়ৰ জুবিন হোৱাৰ ঘোৰ বিৰোধ কৰিছিল। কাৰণ শিল্পীয়ে সদায় নিজৰ পৰিচয়েৰে আনৰ আগত পৰিচয় দাঙি ধৰিব লাগে। জুবিন গাৰ্গৰ গান আনে গোৱাত বাধা নাই। যিকোনো গায়কৰ গান আন শিল্পীয়ে গাব পাৰে। সমস্যা কেৱল জুনিয়ৰসকলৰ ক্ষেত্ৰতহে। কোনোবাই এটা না দুটা শিল্পীগৰাকীৰ গান গালেই জুবিন গাৰ্গ হ'ব নোৱাৰে। কিছুমানে আকৌ এনে ভাব দিয়ে যে তেওঁ জুবিন গাৰ্গৰ সমান। সকলোৱে মনত ৰখা উচিত যে জুবিন গাৰ্গ এজনেই। এই মহান শিল্পীগৰাকী বিকল্প নাই আৰু হ'বও নোৱাৰে। গতিকে সকলোৱে এইধৰণৰ নকল জুবিনক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে বহুৱাৰ সংখ্যাই বেছি হ'ব। আকৌ কৈছো জুবিন গাৰ্গৰ গান সকলোৱেই গাব পাৰে, মাথোঁ কোনোৱে জুবিন গাৰ্গ বুলি নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা নকৰিব। লিঅ'নাৰ্ডো দা ভিঞ্চিয়ে অংকন কৰা মনালিছাৰ ছবিখন যিদৰে আজিলৈকে কোনোৱে অঁকা নাই, মাথোঁ ফটোহে তুলিছে, সেইদৰে জুবিন গাৰ্গৰ গান আৰু অমৰ সৃষ্টিতো যাতে আনে হাত দিব নোৱাৰে সেই সম্পৰ্কে আমি সকলোৱে সতৰ্ক কৰিব লাগিব। কোনোৱে যাতে জুবিন গাৰ্গক লৈ ভৱিষ্যতে ব্যৱসায় কৰিবলৈ সুযোগ গ্ৰহণ কৰিব নোৱাৰে তাৰবাবে এতিয়াৰ পৰাই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কাৰণ জুবিনে নিজৰ সৃষ্টিৰজিক লৈ কেতিয়াও বেপাৰ কৰা নাছিল। জুবিনৰ আনক সহায় কৰাৰ যি মানসিকতা আছিল সেয়া আনে গ্ৰহণ কৰিব পাৰিব জানো? সদায় সাধাৰণ মানুহৰ মাজত থাকি ভাল পোৱা শিল্পীগৰাকীয়ে বিভিন্ন অনুষ্ঠানত নিজৰ পকেটৰ ধন খৰচ কৰি সংগীত পৰিৱেশন কৰিছিল। কোনোবাই স্বেচ্ছাই যদি জুবিনৰ গান গাবলৈ আগবাঢ়ি আহে তেন্তে এয়া আদৰণীয় যদিও ধন সংগ্ৰহৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব নালাগিব। বহুতে আৱেগৰ বশৱৰ্তী হৈ এনে কাৰ্যক সমৰ্থন কৰিব পাৰে, কিন্তু এই পদক্ষেপ কোনো কাৰণতে সমৰ্থন কৰিব নোৱাৰি। এনে কৰিলে

আমি জুবিন গাৰ্গৰ অমৰ সৃষ্টিক অপমান কৰাৰ লেখীয়া হ'ব। আৱেগ নহয়, সন্মানেৰে জীয়াই থাকিবলৈ দিয়ক মহান শিল্পীগৰাকীৰ সত্তাক।

জুবিন গাৰ্গৰ প্ৰতিটো অৱদান আমাৰ বাবে মূল্যৱান সম্পদ। এই সম্পদৰাজিক সংৰক্ষণ কৰাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

খৰখেদাকৈ গ্ৰহণ কৰা যিকোনো সিদ্ধান্তৰ পৰিণতি বিষম হোৱাৰ আশংকা থাকে। তাতে আকৌ জুবিন গাৰ্গৰ দৰে মহান শিল্পীৰ সম্পদ সংৰক্ষণ আৰু সন্মান জনোৱা। বিগাত সময়ত আমি দেখিছো যে প্ৰথমতে সকলোৱেই অতি আগ্ৰহেৰে কাম কৰাৰ প্ৰতি আগুৱাই আহে যদিও কেইবছৰমান অতিবাহিত হোৱাৰ পিছত সকলো সলনি হৈ পৰে। সেইবাবে আমি সকলোৱে সতৰ্ক হৈ থাকিব লাগিব।

এতিয়া আহিছো সোণাপুৰৰ সমধিক্ষেত্ৰলৈ। আমি দেশ-বিদেশৰ মহান শিল্পীৰ সমাধিক্ষেত্ৰত যিদৰে নিয়ম আৰু সময় অনুসৰি প্ৰৱেশ কৰো, তেনেদৰে এই জুবিন ক্ষেত্ৰত কৰিলে নিশ্চয় এটা সুন্দৰ পৰিৱেশ আশা কৰিব পাৰো। এই পৱিত্ৰ তীৰ্থস্থান হিচাপে পৰিগণিত হোৱা সমাধি ক্ষেত্ৰত সকলোৱে পৱিত্ৰভাৱে উপস্থিত হৈ চাকি-ধূপ জ্বলাই পৱিত্ৰ আত্মাৰ সদগতি কামনা কৰা উচিত। কাৰণ এনে মহান আত্মাৰ বাৰে বাৰে জন্ম নহয়। মহান শিল্পীৰ মৃত্যু নহয় বুলিয়ে আজিও সকলোৱে বিশ্বাস কৰে। যি শিল্পীয়ে অমৰ সৃষ্টি কৰে তেওঁৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে। জুবিন গাৰ্গৰ প্ৰতিটো অৱদানৰ লগতে সমাধি ক্ষেত্ৰ সুৰক্ষিত কৰাৰ দায়িত্বও সকলোৰে সমানেই আছে। কোনোৱে এই দায়িত্ব আৰু কৰ্তব্য পালনৰ পৰা আঁতৰি থাকিবলৈ নেতিবাচক মনোভাব গ্ৰহণ কৰিব নালাগে। কাৰণ এইবোৰ সংৰক্ষণ নকৰিলে ইতিহাসে কেতিয়াও অসমীয়া জাতিটোক ক্ষমা নকৰে। কিছু ক্ষেত্ৰত আমি অৱেগ পৰিহাৰ কৰি বাস্তৱমুখী স্থিতিও গ্ৰহণ কৰিব লাগিব। জুবিন গাৰ্গ আমাৰ সকলোৰে হৃদয়ত আছে আৰু ভৱিষ্যতেও এইদৰে ৰাখিব পাৰিলেহে মহান শিল্পীগৰাকীৰ প্ৰতি যথোচিত শ্ৰদ্ধা-সন্মান প্ৰদৰ্শন কৰা হ'ব।

# মহনায়কৰ জীৱনৰ অন্তিম ছবি আৰু অভিলেখৰ বন্যা

মৃত্যুৰ পিছতো তেওঁ মহানায়ক হৈয়ে ৰ'ল। ৯০ বছৰীয়া অসমীয়া ছবিৰ যুগান্তকাৰী যাত্ৰাৰ সৰ্বকালৰ অভিলেখ ৰচিলে জুবিন গাৰ্গৰ ১৭ বছৰীয়া সাধনাৰ সপোনৰ প্ৰকল্পই। অসমবাসীয়ে ইয়াৰ পূৰ্বে এই দৃশ্য কাহানিও দেখা নাছিল আৰু হয়তো ১০০ বছৰেলৈয়ো দেখা নাপাব। অসমীয়া ছবিৰ বৰ্ণিল ইতিহাসত প্ৰথমবাৰৰ বাবে এদিনতে প্ৰায় ৮০০টা প্ৰদৰ্শনী হয় সংগীতৰ মহানায়কৰ জীৱনৰ অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'ৰ। মুক্তিৰ লাভ কৰাৰ কেইঘণ্টামানৰ ভিতৰতেই কেৱল গুৱাহাটী মহানগৰীৰ ৩৬খন স্ক্ৰীনত সুকলমে প্ৰদৰ্শিত হয় ২৫০টা দৰ্শনী। অভিলেখ বুলি ক'লে ভুল হ'ব, এয়া এক মহাঅভিলেখ। এগৰাকী অনুৰাগী হিচাপে ছবিখন চোৱাৰ পিছত মনত এনে লাগিল এয়া ছবি নহয়, এটা সঁচা কাহিনীহে।

সকলোৰে অপেক্ষা আছিল ৩১ অক্টোবৰ পুৱা ৪.২৫ বজালৈ। সূৰ্যদেৱে পূব আকাশত ভুমুকি মৰাৰ পূৰ্বে মহানগৰীৰ মেট্ৰিক্স ছবিগৃহত প্ৰথমটো দৰ্শনী আৰম্ভ হোৱাৰ পিছত সৰ্বকালৰ অভিলেখ ভংগ কৰি পুৱতিনিশা প্ৰথমবাৰৰ বাবে ৰাজ্যৰ ছবিগৃহত প্ৰদৰ্শিত হয় জুবিন গাৰ্গৰ এই ছবিখন। পুৱতি নিশা দৰ্শকৰ এনে ভিৰ আমি কাহানিও দেখা পোৱা নাছিলো। ৰাজ্যৰ প্ৰতিটো ছবিগৃহতে প্ৰথমবাৰৰ বাবে অন্য ছবি প্ৰদৰ্শন নকৰাকৈ একমাত্ৰ প্ৰদৰ্শন কৰা হ'ল 'ৰৈ ৰৈ বিনালে'। অসমীয়া ছবিৰ ক্ষেত্ৰত এই ছবিখন কোনোৱে কল্পনাও কৰিব পৰা নাছিল। সমান্তৰালভাৱে দেশজুৰি ১৮৬টা ছবিগৃহত প্ৰদৰ্শিত হয় প্ৰাণৰ শিল্পীগৰাকীৰ ছবিখন। এই ছবিখনে গঢ়িলে আন এক অভিলেখ। ইয়াৰ

পূৰ্বে অন্য কোনো অসমীয়া ছবি এনেদৰে ৰাজ্যৰ বাহিৰত প্ৰদৰ্শিত হোৱা নাছিল।

প্ৰথমটো দিনতেই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৯২টা ছবিগৃহত মুক্তিলাভ কৰিছে ছবিখনে। দেশৰ অন্যান্য ৰাজ্যসমূহৰ ভিতৰত ৯৪টা ছবিগৃহত মুক্তিলাভ কৰে ছবিখনে। ৰাজ্যৰ ভিতৰত গুৱাহাটী মহানগৰীত সৰ্বাধিক প্ৰদৰ্শনী হৈছে ছবিখনৰ। মুক্তিৰ দিনটোৰ গুৱাহাটী মহানগৰীৰ ১৪টা ছবিগৃহত ৩৬টা স্ক্ৰীনত ছবিখন প্ৰদৰ্শন কৰা হয়। গুৱাহাটীৰ পাছতে তেজপুৰত সৰ্বাধিক প্ৰদৰ্শনী হয়। জুবিন গাৰ্গৰ শেষৰখন ছবি উপভোগ কৰিবলৈ আহি উচুপি উঠে চলচ্চিত্ৰপ্ৰেমী দৰ্শক। জয় জুবিনদা আৰু আমাৰ হাৰ্থথ্ৰ'ব জুবিন গাৰ্গে ন্যায় পাব লাগিব, মায়াবিনী ৰাতিৰ বুকুত... গাই সকলোৱে ছবিগৃহত প্ৰৱেশ কৰে। কোনোজনে ছবিখন উপভোগ কৰাৰ পূৰ্বেই উচুপি উঠে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গ অভিনীত অন্তিমখন ছবিয়ে মুক্তি লাভ কৰি ইটোৰ পিছত সিটো অভিলেখ স্থাপন কৰিবলৈ সক্ষম হ'ল। কায়িকভাৱে শিল্পীগৰাকী অসমবাসীৰ মাজত নাথাকিলেও তেওঁৰ অন্তিমখন ছবিয়ে বাক্‌ৰুদ্ধ কৰি তোলে প্ৰতিগৰাকী দৰ্শক-অনুৰাগীক। হিল-দ'ল ভাঙি শদিয়াৰ পৰা ধুবুৰীলৈ জুবিন অনুৰাগীয়ে উপভোগ কৰে 'ৰৈ ৰৈ বিনালে' শীৰ্ষক ছবিখন। এয়াই হৈছে জুবিন গাৰ্গৰ শক্তি। জীয়াই থাকোতেই সংগীতানুষ্ঠানত যিমান দৰ্শক হৈছিল তেওঁৰ মৃত্যুৰ পিছত তাতকৈ বেছি অনুৰাগীয়ে ভিৰ কৰে তেওঁৰ ছবিখন উপভোগ কৰিবলৈ। এই ছবিখনে অসমৰ ছবি উদ্যোগটোক এক নতুন গতি প্ৰদান কৰিলে। জীয়াই থাকোতে তেওঁ যি কৰিব বিচাৰিছিল মৃত্যুৰ পিছতো তাকেই কৰি দেখুৱালে। এখন ছবিতেই অসমৰ চলচ্চিত্ৰ জগতৰ সকলো অভিলেখ ভংগ হোৱাতো কম কথা নহয়। এয়া জুবিন গাৰ্গৰ বাবেহে সম্ভৱ হৈছে। এই অভিলেখ ভংগ কৰিবলৈ অসম্ভৱ বুলি নকওঁ; কিন্তু আগন্তুক ১০০ বছৰলৈয়ো অক্ষত থাকিব বুলি নিশ্চিত।

# অতীতক পাহৰি ভৱিষ্যতৰ ৰেঙনি কঢ়িয়াই ফুৰা কয়দী

কাৰাগাৰত থকা কয়দীসকল কোনো নহয় কোনো অপৰাধ সংঘটিত কৰি কাৰাবন্দী জীৱন অতিবাহিত কৰে। কোনো কাৰণত এইসকল লোকে অপৰাধ সংঘটিত কৰে। বিচাৰ প্ৰক্ৰিয়াৰ অন্তত তেওঁলোকৰ অপৰাধ অনুযায়ী শাস্তি প্ৰদান কৰা হয়। এই অপৰাধীসকলৰ মাজত বহুতো লেখক, সাহিত্যিক, গায়ক, শিল্পী, খেলুৱৈ তথা বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা লোকো থাকে। তদুপৰি এনে কিছু অপৰাধী থাকে— যিসকলে অপৰাধ সংঘটিত কৰাৰ পিছত তেনে কাৰ্যৰ বাবে অনুশোচনা কৰে। অনুশোচনাত দগ্ধ লোকসকলে পৰৱৰ্তী সময়ত আত্মশুদ্ধিৰে সমাজৰ মূল সুঁতিৰ সৈতে মিলি যাব খোজে। যিসকলে অতীতক পাহৰি নিজৰ জীৱনটো আগুৱাই নিয়াৰ লগতে পূৰ্বে কৰা অপৰাধৰ পৰা আঁতৰি আহি নিজৰ লগতে আনৰ বাবে কাম কৰিব খোজে তেওঁলোকৰ বাবে কাৰাগাৰৰ ভিতৰতেই আজিকালি কৰ্তৃপক্ষই কিছুমান পদক্ষেপ হাতত লৈছে। এনে পদক্ষেপৰ অংশ হিচাপে যোৱা ১৮ নৱেম্বৰত মৰিগাঁও জিলা কাৰাগাৰ জেইল ৰিফৰ্ম এণ্ড প্ৰিজম স্মাৰ্ট প্ৰগ্ৰেমৰ আয়োজন কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানটোত অংশগ্ৰহণ কৰে আৰ্ট অৱ লিভিং নামৰ আধ্যাত্মিক ভাবধাৰাৰে গঠিত সংগঠনটোৱে।

সিদিনা মৰিগাঁও জিলা কাৰাগাৰত ৰিফৰ্ম এণ্ড প্ৰিজম স্মাৰ্ট প্ৰগ্ৰেমত অংশগ্ৰহণ কৰিবলৈ সুযোগ লাভ কৰিছিলো। এই অনুষ্ঠানটোত উপস্থিত হৈ খুব ভাল লাগিল। এই কাৰণে যে কাৰাগাৰৰ কয়দীসকলৰ বিষয়ে আমি যি ভাবো তেনে এখন ছবিৰ পৰিৱৰ্তে আন এখন প্ৰতিচ্ছবিহে দেখিবলৈ পালো। অনুষ্ঠানটোৰ আৰম্ভণিতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানটোত অসমৰ সংগীত জগতৰ মহানায়ক ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছত

কয়দীসকলে থিয়নাম, জুবিন গাৰ্গৰ গীত গাই সকলোকে আপ্লুত কৰে। আৰ্ট অৱ লিভিঙৰ মৌচুমী বৰপূজাৰীয়ে কয়দীসকলক মানসিকভাৱে অপৰাধ জগতখনৰ পৰা আঁতৰি আহি ভৱিষ্যতে যাতে এটা সুস্থ মনৰ অধিকাৰী হৈ সমাজত আন দহজন মানুহৰ দৰে জীয়াই থাকিব পাৰে তাৰ বাবে যোগাসন আদিৰ আয়োজনৰ কথা উল্লেখ কৰে। তেওঁ ইতিমধ্যে কেবাখনো জিলা কাৰাগাৰত এনে অনুষ্ঠান আয়োজন কৰি আহিছে। এনে সজাগতা অনুষ্ঠান আয়োজন কৰি কয়দীসকলৰ মাজত মানসিক প্ৰশান্তিৰে জীয়াই থকাৰ বাবে প্ৰস্তুত কৰা পদক্ষেপ দেখি মনত খুব ভাল লাগিল। কাৰাগাৰৰ ভিতৰত নিজৰ শাস্তিৰ সময় অতিবাহিত কৰি অতীতক পাহৰি ভৱিষ্যতৰ ৰেঙনি দেখিবলৈ পোৱাৰ পথ প্ৰশস্ত কৰিবৰ বাবে আৰ্ট অৱ লিভিং নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপ আমি সকলোৱে প্ৰশংসা কৰিবই লাগিব। কাৰাগাৰ কৰ্তৃপক্ষই এইসকল লোকৰ বাবে এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰিছে। আমিও কাৰাগাৰৰ লাইব্ৰেৰীত কেইখনমান গ্ৰন্থ আগ বঢ়াইছিলো।

এই অনুষ্ঠানটোত জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ লগতে ন্যায়াধীশ, প্ৰশাসনৰ বিষয়া, জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব পাঞ্চালী শ্যাম, কাৰাগাৰৰ অধীক্ষক নীলোৎপল কাকতি উপস্থিত থাকে। বক্তাসকলে এই লোকসকলক নিজৰ নিজৰ শাস্তি কটোৱাৰ পিছত কাৰাগাৰৰ পৰা মুক্ত হৈ সমাজত যেতিয়া প্ৰৱেশ কৰিব তেতিয়াহে নিজে হীনমন্যতাত ভুগিব লগীয়া নহয় তাৰবাবে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ সুযোগ গ্ৰহণৰ পৰামৰ্শ আগবঢ়ায়। কাৰাগাৰত আবদ্ধ লোকসকলক আত্মশুদ্ধি হোৱাৰ সুযোগ প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

মৰিগাঁও জিলা কাৰাগাৰত ভিতৰভাগত ফুলি আছে নানাৰঙৰ ফুল। কাৰাগাৰ কৰ্তৃপক্ষই ফুলনি বাগিচা সাজি ভিতৰভাগত ইমান সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰিছে যে আমি প্ৰশংসা নকৰি নোৱাৰো। কাৰাগাৰৰ ভিতৰত যে ইমান সুন্দৰ পৰিৱেশ থাকিব পাৰে সেয়া নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। ৰাজ্যৰ প্ৰতিখন জিলা কাৰাগাৰত ভিতৰত এনে পৰিৱেশ গঢ়ি তুলিবলৈ সকলোৱে পদক্ষেপ হাতত লোৱা উচিত। ইতিমধ্যে কেইবাজনো কাৰাগাৰৰ ভিতৰতেই কেইবাজনো লোকে লিখি উলিয়াইছে কিতাপ। সৃষ্টি কৰিছে গীত আৰু সুৰ। এনে ধৰণৰ পদক্ষেপে বহুতৰ জীৱনলৈ নিশ্চয় কঢ়িয়াই আনিব আশাৰ ৰেঙনি।

# প্ৰকৃতি জীয়াই ৰাখিবলৈ সকলোৱে লওক সংকল্প

প্ৰকৃতি জীয়াই আছে বাবেই আমি জীয়াই আছো। প্ৰকৃতি আৰু মানুহ জীয়াই থাকিবলৈ ইটোৱে আনটোৰ ওপৰত নিৰ্ভৰশীল। কিন্তু এই কথা যেন মানুহে দিনক দিনে পাহৰি যাবলৈ ধৰিছে। বনাঞ্চল ধ্বংসৰ লগতে প্ৰদূষণ আদিয়ে এই পৃথিৱীখনক মানৱ সমাজক আৰু এখোজ বিপদৰ পিনে ঠেলি নিছে। সেয়ে এই পৰিৱেশক সুৰক্ষা দিয়ৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে ৫ জুনৰ দিনটো 'বিশ্ব পৰিবেশ দিৱস' হিচাপে পালন কৰা হয়।

আমাৰ শিশু আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক উন্নত আৰু সুৰক্ষিত পৰিৱেশ নিশ্চিত কৰাৰ দিশত পৰিৱেশ সুৰক্ষা এক গুৰুত্বপূৰ্ণ পদক্ষেপ। মানুহৰ আৰু পৰিবেশৰ গভীৰ সম্পৰ্ক বুজি পোৱাটো গুৰুত্বপূৰ্ণ। তেতিয়াহে মানুহে ইয়াৰ প্ৰতি নিজৰ দায়িত্ব বুজিব। সকলোৱে বুজি পোৱা উচিত যে এটি সুন্দৰ পৰিৱেশতহে জীৱকুল বৰ্তি থাকিব পাৰে। প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰাটো আমাৰ প্ৰত্যেকৰে দায়িত্ব তথা কৰ্তব্য। তেহে উত্তৰ প্ৰজন্ম শান্তিৰে থাকিব পাৰিব।

১৯৭২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে মানৱ পৰিৱেশ সম্পৰ্কীয় ষ্টকহ'ম সন্মিলনত ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰাৰ প্ৰস্তাৱ গৃহীত কৰে। ইয়াৰ পিছত প্ৰতিবছৰে এই দিৱস পালন কৰিবলৈ

আৰম্ভ কৰে। ১৯৭৩ চনত প্ৰথম বিশ্ব পৰিবেশ দিৱস “কেৱল এখন পৃথিৱী” শীৰ্ষক বিষয়বস্তুৰ আধাৰত পালন কৰা হৈছিল। তেতিয়াৰ পৰাই প্ৰতি বছৰেই এই দিৱস পালন কৰি অহা হৈছে। ছুইডেনৰ ৰাজধানী ষ্টকহ'মত এই দিৱস পালন কৰা হয় আৰু প্ৰায় ১১৯খন দেশে ইয়াত অংশগ্ৰহণ কৰে। প্ৰতিবছৰে এই দিৱসটো বেলেগ বেলেগ চহৰত, বেলেগ বেলেগ প্ৰতিপাদ্য বিষয় লৈ পালন হয়। উত্তৰ গোলাৰ্ধত দিৱসটো বসন্তত আৰু দক্ষিণ গোলাৰ্ধত শৰতত পালিত হয়।

প্ৰদূষণৰ সমস্যা ভাৰতকে ধৰি আন বহু দেশত দেখা গৈছে। নিত্য বৃদ্ধি পোৱা প্ৰদূষণ কেৱল মানুহৰ বাবেই নহয় আমাৰ প্ৰকৃতিৰ বাবেও বিপজ্জনক। সুস্থ আৰু পৰিষ্কাৰ প্ৰকৃতি মানুহৰ জীৱনৰ আধাৰ। প্ৰকৃতিয়ে আমাক জীৱন যাপন কৰিবলৈ প্ৰয়োজনীয় সকলো বস্তু যোগান ধৰে। এনে পৰিস্থিতিত ইয়াৰ শোষণে আমাৰ জীৱনত প্ৰভাৱ পেলাব পাৰে। প্ৰদূষণ আৰু অন্যান্য ভাবুকিৰ পৰা প্ৰকৃতিক ৰক্ষা কৰাৰ লক্ষ্যৰে পৰিৱেশ দিৱস উদ্‌যাপন আৰম্ভ কৰা হয়। নিজৰ আশা-আকাংক্ষাৰ মাজতে যদি মানৱকুলে এখন্তেকৰ বাবেও পৰিবেশৰ হিতৰ কথা চিন্তা কৰে, তেন্তে নিশ্চয়কৈ মানুহৰ বাসোপযোগী এখন সেউজী ধুনীয়া ধৰণী হৈ থাকিব। সকলোৰে সামূহিকভাৱে বন্যপ্ৰাণী, উদ্ভিদ আদি সংৰক্ষণৰ বাবে সম্ভৱ অনুসৰি চেষ্টা কৰিব লাগে। ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৃথিৱীখনত অধিক উন্নত গ্ৰহ হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰিব লাগে।

উল্লেখ্য যে, ১৯৭৩ চনৰ পৰাই প্ৰতিবছৰে ৫ জুনৰ দিনটো ‘বিশ্ব পৰিৱেশ দিৱস’ ৰূপে পালন কৰি অহা হৈছে। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সম্পৰ্কত বিশ্বজুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। বিশ্ব পৰিৱেশ দিৱস প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ আৰু ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আঁচনিয়ে ১৯৭২ চনৰ ৫-১৬ জুনলৈকে অনুষ্ঠিত মানৱ পৰিৱেশ সন্মিলনত আৰম্ভ কৰিছিল। বহুতো সম্প্ৰদায়, চৰকাৰ আৰু বেচৰকাৰী সংস্থাই, বিশ্বৰ পৰিৱেশ সমস্যা আৰু সমাধানৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্যে বিভিন্ন সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰি উদ্‌যাপন কৰে। কনচাৰ্ট, পেৰেড, ৰেলী, প্ৰচাৰ আদি বিভিন্ন দেশত বিভিন্ন ধৰণেৰে বিশ্ব

পৰিবেশ দিৱস পালন কৰা হয়। ভাৰততো পৰিৱেশ পৰিষ্কাৰ কৰি ৰখাৰ বাবে আইন প্ৰণয়ন কৰা হৈছে। ১৯৮৬ চনৰ ১৯ নৱেম্বৰত পৰিৱেশ সুৰক্ষা আইন প্ৰণয়ন কৰা হয়। এতিয়া দেশত ক্ষুদ্ৰ ক্ষুদ্ৰ কাৰ্যসূচী আৰু আঁচনিৰ অধীনত পৰিৱেশ সুৰক্ষাৰ বাবে উদ্যোগ গ্ৰহণ কৰা হৈছে আমাৰ পৃথিৱীত প্ৰদূষণ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। প্ৰতিদিনে বিশ্বত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পাইছে। ক্ৰমাৎ বৃদ্ধি পোৱা প্ৰদূষণৰ মাত্ৰা প্ৰকৃতিৰ বাবে বিপজ্জনক। পৰিবেশ পৰিষ্কাৰ কৰি ৰখাটো এটা ডাঙৰ প্ৰত্যাহ্বান তথা এয়া আমাৰ দায়িত্ব। সেয়ে পৰিবেশ পৰিষ্কাৰ কৰি ৰাখিবলৈ মানুহক সজাগ কৰাৰ উদ্দেশ্যে আমি সকলোৱে সদায় সতৰ্ক হ'ব লাগিব। পৰিৱেশজনিত সমস্যা সৃষ্টি কৰা বিভিন্ন কাৰক বা উপাদানবোৰৰ ক্ষেত্ৰত আমি সচেতন হোৱাৰ পৰিৱৰ্তে নীৰৱ দৰ্শকৰ ভূমিকাতহে অৱতীৰ্ণ হৈ আহিছো। ফলত ক্ৰমশঃ পৃথিৱীখনৰ পাৰিপাৰ্শ্বিক অৱক্ষয়ে আজি এক ভয়াৱহ ৰূপ ধাৰণ কৰি প্ৰতিটো জীৱলৈ চৰম সংকট কঢ়িয়াই আনিছে। সমাজৰ প্ৰতিগৰাকী ব্যক্তি নিজৰ চৌপাশৰ পৰিৱেশৰ প্ৰতিটো উপাদান সম্পৰ্কে যদি সময় থাকোতেই সচেতন আৰু সজাগ নহয়, তেন্তে অতি কম দিনতে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব। কেৱল এই বিশেষ দিনটোত সজাগতা সভা আৰু বৃক্ষৰোপণ কৰি ধৰিত্ৰীক প্ৰদূষণমুক্ত কৰি ৰখাটো সম্ভৱ নহয়। পৰিৱেশজনিত সমস্যা সৃষ্টি কৰা বিভিন্ন কাৰক বা উপাদানবোৰৰ ক্ষেত্ৰত আমি সচেতন হোৱাৰ পৰিৱৰ্তে নীৰৱ দৰ্শকৰ ভূমিকাতহে অৱতীৰ্ণ হৈ আহিছো। ফলত ক্ৰমশঃ পৃথিৱীখনৰ পাৰিপাৰ্শ্বিক অৱক্ষয়ে আজি এক ভয়াৱহ ৰূপ ধাৰণ কৰি প্ৰতিটো জীৱলৈ চৰম সংকট কঢ়িয়াই আনিছে। সমাজৰ প্ৰতিগৰাকী ব্যক্তি নিজৰ চৌপাশৰ পৰিৱেশৰ প্ৰতিটো উপাদান সম্পৰ্কে যদি সময় থাকোতেই সচেতন আৰু সজাগ নহয়, তেন্তে অতি কম দিনতে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব।

সচেতনতাৰ নামত গছ ৰুই যদি তাক প্ৰতিপালন কৰা নহয় তেতিয়া বৃক্ষ ৰোপণৰ কিবা অৰ্থ থাকিব জানো? মনত ৰখা উচিত বিপদ আহিলে সকলোৱে জীৱনলৈ আহিব। সেয়ে আমি সকলোৱে ধৰিত্ৰীক বিপন্ন কৰাৰ পৰা ৰক্ষা কৰিব লাগিব।

# আমি প্ৰতিগৰাকী মানসিকভাৱে সুস্থনে ?

অতিসম্প্ৰতি সমাজখনত হত্যা-হিংসা পাৰিবাৰিক সংঘাতৰ দৰে ঘটনাবোৰ দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। সাম্প্ৰতিক সময়ত পৰিয়ালকেন্দ্ৰিক সংঘাত বৃদ্ধি পাইছে। মানুহৰ মানসিকতা এনে পৰ্যায় পাইছেগৈ যে কোনোবাই পিতৃ-মাতৃক হত্যা কৰিছে, আন কোনোবাই আকৌ সন্তানক হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আপোনজনো হৈ পৰিছে অচিনাকি। এনেবোৰ ঘটনা পূৰ্বতে আমাৰ সমাজত দেখিবলৈ পোৱা নগৈছিল যদিও এতিয়া এনেবোৰ ঘটনা সঘনাই দেখিবলৈ পোৱা গৈছে।

মানসিক স্বাস্থ্য সকলো মানুহৰ বাবে এক মৌলিক মানৱ অধিকাৰ। যিয়েই য'তেই নাথাকক কিয় মানসিক স্বাস্থ্যৰ সৰ্বোচ্চ প্ৰাপ্তিযোগ্য স্তৰ লাভৰ অধিকাৰ আছে। মানসিক স্বাস্থ্যৰ বিপদাশংকাৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰ, উপলব্ধ, সুলভ, গ্ৰহণযোগ্য আৰু উন্নত মানৰ যত্নৰ অধিকাৰ আৰু মুক্ত থকাৰ, স্বাধীনভাৱে থকা আৰু সমাজত অন্তৰ্ভুক্তিৰ অধিকাৰ সকলোৱে ভোগ কৰিব পাৰে। এই অধিকাৰত কোনোৱেই বাধা প্ৰদান কৰিব নোৱাৰে।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, মানসিক স্বাস্থ্যৰ সমস্যা কেতিয়াও এজন ব্যক্তিক তেওঁলোকৰ মানৱ অধিকাৰৰ পৰা বঞ্চিত কৰা বা তেওঁলোকক তেওঁলোকৰ নিজৰ স্বাস্থ্যৰ বিষয়ে সিদ্ধান্ত লোৱাৰ পৰা বাদ দিয়াৰ কাৰণ হ'ব নালাগে। মানসিক স্বাস্থ্যৰে যুঁজি থকা লোকসকলে বিভিন্ন ধৰণৰ মানৱ অধিকাৰ উলংঘনৰ অভিজ্ঞতা লাভ কৰি আহিছে। বহুতক সামূহিক জীৱনৰ পৰা বাদ দিয়া হয়। আনকি কেতিয়াবা কেতিয়াবা বৈষম্যমূলক ব্যৱহাৰো কৰা হয়। আনহাতে বহুতে তেওঁলোকৰ প্ৰয়োজনীয় মানসিক স্বাস্থ্য সেৱা লাভ কৰিব নোৱাৰে নাইবা কেৱল তেওঁলোকৰ মানৱ অধিকাৰ উলংঘন কৰা ধৰণৰ যত্ন পায়।

হিংসা, হত্যা, অপৰাধপ্ৰৱণতা পূৰ্বেও আছিল যদিও আগতে ঘটনাবোৰৰ বিষয়ে গম পোৱা যোৱা নাছিলে; কিন্তু বৰ্তমান ঘটনাৰ ৰূপ স্বৰূপ সাংঘাতিকভাৱে সলনি হ'ব ধৰিছে। বিগত কেইবাদশক ধৰি সমগ্ৰ বিশ্বতে মানসিক চাপ অভূতপূৰ্ব ভাৱে বৃদ্ধি পাইছে। উদ্বেগজনিত ৰোগ, হতাশা, বিষাদগ্ৰস্ততা বাঢ়িছে। তদুপৰি অন্যান্য ৰোগ বৃদ্ধি পাইছে। মানসিক চাপৰ ফলত মানুহৰ মাজত অপৰাধপ্ৰৱণতা বাঢ়িছে। ফলত সকলোৰে সহনশীলতা গুণ নোহোৱা হোৱা বুলি কলেও অত্যুক্তি কৰা নহ'ব। হত্যা, আত্মহত্যা, অপৰাধ আদি বৰ্ধিত মানসিক চাপৰ ফলত বৃদ্ধি পাইছে। মানুহৰ মাজত আগতে যে মানসিক চাপ নাছিলে তেনে নহয়। আগতেও মানুহে আত্মহত্য কৰিছিল যদিও প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল। মোকাবিলা কৰি পৰিস্থিতিৰ সৈতে খাপ খাইছিল। এতিয়া পিছে এই ছবিখনৰ সলনি হোৱা দেখা যায়।

যিকোনো সমস্যা সমাধান কৰাৰ বাবে পৰ্যাপ্ত সময় লাগে। বিগত কিছু দশক ধৰি মানসিক চাপ বৃদ্ধি হোৱাৰ আন এটা কাৰণ হৈছে সমাজত প্ৰযুক্তিৰ বিকাশ। এই বিকাশে আমাৰ জীৱনশৈলীৰ গতিত সাংঘাতিকভাৱে প্ৰভাৱ পেলাইছে। দ্ৰুতগতিত হোৱা পৰিৱৰ্তনে মানুহৰ জীৱনলৈ প্ৰত্যাহ্বান আনিছে। সেইবাবে মানসিক চাপৰ লগত খাপ খাবলৈ পৰ্যাপ্ত সময় নোপোৱা হৈছে। ফলত অপৰাধপ্ৰৱণতা সমাজত বৃদ্ধি পাইছে। দ্ৰুতগতিত প্ৰযুক্তিৰ পৰিৱৰ্তন ঘটাৰ লগতে সামাজিক মাধ্যমে আমাৰ জীৱনশৈলী নিয়ন্ত্ৰণ কৰিবলৈ ধৰিছে। বিভিন্ন সামাজিক মাধ্যমৰ লগত আসক্ত হৈ পৰিছে। আনৰ লগত তুলনা বাঢ়িছে। নিজৰ তাগিদা চাহিদাৰ নিজস্বভাৱে মূল্যায়ন নকৰি আনৰ লিপ্ত মূল্যায়ন কৰিছে। যাৰ বাবে মানুহৰ মাজত হতাশা হিংসাই স্থান পাইছে। আমাৰ সমাজত কল্পনা কৰিব নোৱৰা ঘটনা মাতৃয়ে পৰকীয়া প্ৰেমৰ বাবে সন্তানক হত্যা কৰাৰ দৰে ঘটনা সংঘটিত হ'বলৈ ধৰিছে।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, আনুমানিক ১৫ শতাংশ কৰ্মৰত প্ৰাপ্তবয়স্কৰ যিকোনো সময়তে মানসিক বিকাৰ হয়। মানসিক স্বাস্থ্যৰ স্থিতিৰ ৰাজহুৱা স্বাস্থ্য সমস্যাৰ আকাৰ ইয়াৰ সমাধানৰ বাবে কৰা বিনিয়োগৰ পৰিমাণতকৈ অধিক। বিশ্ব স্বাস্থ্য সংস্থাই কয় যে দুৰ্বল মানসিক স্বাস্থ্যই এজন ব্যক্তিৰ বৌদ্ধিক, আচৰণগত, আৱেগিক, সামাজিক আৰু সম্পৰ্কীয় সুস্থতা আৰু কাৰ্যকলাপ, তেওঁলোকৰ শাৰীৰিক স্বাস্থ্য, তেওঁলোকৰ ব্যক্তিগত পৰিচয় আৰু কামৰ সৈতে সম্পৰ্কিত সুস্থতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলায়। উৎপাদনশীলতা আৰু প্ৰদৰ্শন হ্ৰাস,

সুৰক্ষিতভাৱে কাম কৰাৰ সামৰ্থ্য হ্ৰাস, কাম পোৱা বা বজাই ৰখাত অসুবিধাৰ ফলস্বৰূপে এজন ব্যক্তিৰ কামত অংশগ্ৰহণ কৰাৰ ক্ষমতা ক্ষতিগ্ৰস্ত হ'ব পাৰে।

মানসিক চাপৰ পৰা পৰিত্ৰাণ পাবলৈ কিশোৰ-কিশোৰী শিশুক মানসিক স্বাস্থ্য গঠনৰ বাবে চেষ্টা কৰিব লাগিব। মানসিক চাপৰ লগত কেনেকৈ প্ৰত্যাহ্বান গ্ৰহণ কৰিব কৰিব হতাশা-বিষাদগ্ৰস্ততা, উদ্বিগ্নতা আহিলে কেনেধৰণৰ পদক্ষেপ ল'ব লাগে তাৰ বাবে সজাগ হোৱাৰ লগতে পাঠ্যক্ৰমৰ জৰিয়তেও শিকোৱাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত আমি পিছপৰি আছো। শিশু, কৈশোৰ অৱস্থাৰ পৰা অভিভাৱক বা শিক্ষক-শিক্ষয়িত্ৰীয়ে এইবোৰ শিক্ষা দিলে ডাঙৰ হ'লে এইবোৰ সমস্যাৰ পৰা নিজকে বিৰত ৰাখিব পাৰিব।

পৰিয়ালকেন্দ্ৰিক সংঘাত বৃদ্ধি হোৱা বুলি কব নোৱাৰি যদিও মানুহৰ মাজত আত্মীয়তাৰ বান্ধোন সোলোক-ঢোলোক হ'ব ধৰিছে। বিভিন্ন কাৰকে আমাৰ জীৱনশৈলীৰ মাজত ইমান প্ৰভাৱ পেলাইছে যে মানুহৰ মাজত বিসংগতি দেখা গৈছে। এইবোৰ কাৰণতে উদ্বেগজনিত ৰোগ, পেনিক এটেক আদি বৃদ্ধি পাইছে। আগতে যিদৰে সম্পূৰ্ণবোৰ গাঢ় আছিল এতিয়া স্বামী-স্ত্ৰী, পিতৃ-মাতৃ আৰু সন্তানৰ সম্বন্ধৰ মাজত সংঘাত দেখা পোৱা যায়। তদুপৰি সামাজিক মাধ্যমৰ বাবে সম্পৰ্কৰ গভীৰতা হ্ৰাস পাইছে। মান-অভিমান খং আদিয়ে যথেষ্ট পৰিমাণে ঠাই পাইছে। ফলত সংঘাত বাঢ়িছে। বিবাহৰ আগত বা পিছত বিচ্ছেদ বাঢ়িছে। বিচ্ছেদে হতাশা, বিষাদগ্ৰস্ততালৈ ঠেলি দিছে। ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে উপায় হৈছে মানসিক স্বাস্থ্য গঠন কৰা।

প্ৰতি বছৰে ১০ অক্টোবৰত পালন কৰা হয় বিশ্ব মানসিক স্বাস্থ্য দিৱস। এই দিৱসে সমগ্ৰ বিশ্বত মানসিক স্বাস্থ্যৰ সমস্যাবোৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰে আৰু মানসিক স্বাস্থ্যৰ সমৰ্থনত চলোৱা প্ৰচেষ্টাবোৰ ত্বৰান্বিত কৰে। ই মানসিক স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে কাম কৰা সকলো অংশীদাৰক তেওঁলোকৰ কামৰ বিষয়ে কথা পাতিবলৈ সুযোগ প্ৰদান আৰু বিশ্বজুৰি মানুহৰ বাবে মানসিক স্বাস্থ্য সেৱা বাস্তৱত পৰিণত কৰিবলৈ কি কৰণীয় সেয়া আলোকপাত কৰে। ইয়াৰ পিছতো এই সমস্যা হ্ৰাস পোৱা নাই। এয়া এক চিন্তনীয় বিষয় হৈ পৰিছে।

# প্লাষ্টিকমুক্ত পৃথিৱী
# এখন কল্পনা কৰিব পাৰোনে ?

আমাৰ চৌপাশ প্লাষ্টিক মুক্ত কৰাৰ উদ্দেশ্যে ২০১৭ চনৰ ৩ জুলাইত প্লাষ্টিক বেগ বৰ্জনৰ বাবে এই দিৱসৰ আৰম্ভ কৰা হৈছিল। এতিয়াও প্লাষ্টিকবিহীন এখন পৃথিৱীও সম্ভৱ। প্ৰয়োজন মাথোঁ মানসিকতাৰ সলনি কৰাটো। কিছু কিছু ক্ষেত্ৰত আমি সকলোৱে দৃষ্টিভংগী সলনি কৰিব লাগিব। সেয়ে প্লাষ্টিক বেগৰ বিকল্প আন বেগৰ জৰিয়তেও পূৰণ কৰাৰ লক্ষ্যৰে এই দিনটোত সজাগতামূলক কাৰ্যসচী গ্ৰহণ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় প্লাষ্টিক বেগমুক্ত দিনৰ জৰিয়তে বিশ্বত প্লাষ্টিক ব্যৱহাৰৰ ফলত হ'বলগীয়া বিভিন্ন অনিষ্টক লৈ সচেতনতাৰ এক প্ৰয়াস চলোৱা হয়। মানৱ জাতিৰ বাবে অভিশাপ হৈ পৰা প্লাষ্টিকৰ পৰা এই ধৰিত্ৰীক ৰক্ষা কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰিলেও সকলোৱে জানো সজাগ হৈছে?

দৈনন্দিন জীৱনৰ লগত যাৰ আছে ওতপ্ৰোত সম্পৰ্ক সেয়া হৈছে প্লাষ্টিক। সাম্প্ৰতিক সময়ত প্লাষ্টিকে পৰিৱেশৰ প্ৰতি তীব্ৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে যদিও ইয়াৰ ব্যৱহাৰ ইমান বেছি হৈছে যে কোনোৱে এৰি চলিবই নোৱৰা হৈছে। এইখিনিতে উল্লেখ কৰিব লাগিব যে প্লাষ্টিকৰ পৰা হোৱা প্ৰদূষণ মানৱসৃষ্ট। আজিকালি প্ৰতিটো ক্ষেত্ৰতেই প্লাষ্টিকৰ ব্যৱহাৰ ব্যাপক ৰূপত হৈছে। নিতৌ প্ৰায় ৫০০ বিলিয়ন প্লাষ্টিক বেগ সমগ্ৰ বিশ্বত ব্যৱহাৰ হয়। ইয়ে মানৱৰ স্বাস্থ্যৰ লগতে বন্যপ্ৰাণীৰ জীৱনতো বিৰূপ প্ৰভাৱ পেলায়।

বিশেষভাৱে সাগৰীয় পৰিস্থিতি তন্ত্রত ব্যাপক প্রভাৱ বিস্তাৰ কৰিছে। প্রায় ৩১টা সামুদ্রিক স্তন্যপায়ী প্রজাতি প্লাষ্টিকৰ দ্বাৰা ক্ষতিগ্রস্ত হৈছে যদিও অতি কমেও ১০০টা সামুদ্রিক জৈৱ প্রজাতিৰ জীৱন-ধাৰণত ইয়াৰ প্রভাৱ পৰিছে।

প্লাষ্টিক উদ্ভাৱন কৰিছিল ১৯০৭ চনত। নিউয়ৰ্ক চহৰত লিউ হেনডিক বেকলেণ্ড নামৰ বিজ্ঞানী এজনে। সেয়ে প্রথমে প্লাষ্টিকক বেক্‌লাইট নামে জনা গৈছিল। মানুহৰ কল্যাণৰ বাবে তেওঁ এই প্লাষ্টিক উদ্ভাৱন কৰে। ইয়াক সহজে তৈয়াৰ কৰিব পৰা গুণ লগতে উৎপাদনৰ খৰচ কম হোৱা বাবে দামো কম আৰু অদ্রৱণীয় গুণৰ কাৰণে পৃথিৱীৰ সকলো লোকৰ বাবে ই গ্রহণীয় হৈ পৰিল। ১৯০০ চনত জাৰ্মান বিজ্ঞানী হনচ্ ভন্ পেচমেনে প্রথমে পলিথিনৰ উদ্ভাৱন কৰে যদিও কাৰ্যক্ষেত্রত ই ব্যৱহাৰৰ উপযোগী নহ'ল। ১৯৩৩ চনৰ ২৭ মাৰ্চত ইংলণ্ডৰ এৰিক ফচেত আৰু ৰেজিনাল্ড গিবচন্ নামৰ দুজন বিজ্ঞানীয়ে আকস্মিকভাৱে পলিথিন উদ্ভাৱন কৰে। মানৱ জাতিৰ উপকাৰৰ বাবে ব্যৱহাৰ কৰা এই উদ্ভাৱনে সৃষ্টিকৰ্তাৰ লাহে লাহে বিন্দনীয়া সৃষ্টিত বিভিন্ন দিশত প্রভাৱ পেলাবলৈ ধৰিলে। বিশ্বত প্লাষ্টিকৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ফলত পৰিৱেশত ইয়াৰ আৱৰ্জনাও বৃদ্ধি পাইছে। প্লাষ্টিকৰ পৰিমাণ হ্রাস নকৰিলে ই ২০৬০ চনলৈ তিনিগুণলৈ বৃদ্ধি হ'ব। যাৰ বাবে ডিচেম্বৰত বিশ্বজুৰি ৰাষ্ট্রসমূহে প্লাষ্টিকৰ ব্যৱহাৰ হ্রাস কৰিবলৈ এক চুক্তিত সন্মত হোৱাৰ সম্ভাৱনা আছে। সাম্প্রতিক সময়ত পৰিৱেশৰ প্রতি তীব্র প্রত্যাহ্বান সৃষ্টি কৰিছে এই প্লাষ্টিকৰ ব্যৱহাৰেৰে। পৰিৱেশ পৰা আৰম্ভ কৰি আমাৰ শাৰীৰিক-মানসিক স্বাস্থ্যৰ প্রতি তীব্র প্রত্যাহ্বান সৃষ্টি প্লাষ্টিকৰ ব্যৱহাৰে।

অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়ন সংস্থাই উল্লেখ কৰা মতে, ১৯৫০ৰ দশকৰ পৰা প্লাষ্টিকৰ নিৰ্মাণ খণ্ড গঠন কৰা সংশ্লেষিত পলিমাৰৰ বিশ্বব্যাপী উৎপাদন ২৩০ গুণ বৃদ্ধি পাইছে। ২০০০ আৰু ২০১৯ৰ ভিতৰত মুঠ উৎপাদন দুগুণ হৈ ৪৬০ নিযুত টন হৈছে, যি ষ্টীল, এলুমিনিয়াম বা চিমেণ্টৰ দৰে সামগ্রীৰ তুলনাত অধিক। ২০৬০ চনলৈ যদি ইয়াক নিয়ন্ত্রণ কৰা নহয় তেনেহ'লে সেই পৰিমাণ প্রায় তিনিগুণ বৃদ্ধি হৈ ১.২ বিলিয়ন টন হ'ব। এই সংস্থাটোৰ মতে, প্লাষ্টিক উৎপাদনৰ বৃদ্ধি মুখ্যতঃ আমেৰিকা, মধ্য প্রাচ্য আৰু চীনত হৈছে। ক'ভিড-১৯ মহামাৰী আৰু তাৰ পিছত হোৱা অৰ্থনৈতিক

সংকটবোৰে প্লাষ্টিক ব্যৱহাৰত দুটা উল্লেখযোগ্য প্ৰভাৱ পেলাইছে। প্ৰথমটো হৈছে— স্বাস্থ্যসেৱা, খাদ্য খুচুৰা আৰু ই-কমাৰ্চত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ বৃদ্ধি। দ্বিতীয়টো হ'ল— মুদ্ৰাস্ফীতিৰ দ্বাৰা প্ৰভাৱিত খণ্ডবোৰৰ হ্ৰাস আৰু বিশ্বব্যাপী অৰ্থনৈতিক মন্দাৱস্থা যেনে স্বয়ংচালিত আৰু নিৰ্মাণ উদ্যোগ।

তথ্য অনুসৰি বিশ্বজুৰি উৎপাদিত প্লাষ্টিকৰ আৱৰ্জনাৰ পৰিমাণ ২০ বছৰত দুগুণতকৈয়ো অধিক হৈছে। ২০০০ চনত ১৫৬ নিযুত টনৰ পৰা ২০১৯ চনত ৩৫৩ নিযুত টনলৈ বৃদ্ধি হৈছে। ২০৬০ চনৰ ভিতৰত ই প্ৰায় তিনিগুণ অৰ্থাৎ এক বিলিয়ন টনতকৈ অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই আৱৰ্জনাৰ দুই-তৃতীয়াংশতকৈয়ো অধিক সামগ্ৰীত ব্যৱহাৰ হয়, যাৰ সময়সীমা ৫ বছৰতকৈ কম। যেনে— প্লাষ্টিক পেকেজিং, উপভোক্তা সামগ্ৰী আৰু বস্ত্ৰ আদি। ২০১৯ চনত ২২ নিযুত টন প্লাষ্টিক পৰিৱেশত প্ৰৱেশ কৰিছিল, যাৰ ভিতৰত আছে নদী, হ্ৰদ আৰু মহাসাগৰত ৬ নিযুত টন। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচী (ইউএনইপি) অনুসৰি প্লাষ্টিকৰ অংশ হৈছে মুঠ সামুদ্ৰিক আৱৰ্জনাৰ কমেও ৮৫ শতাংশ। পৃথিৱীৰ বেছিভাগ প্লাষ্টিকৰ আৱৰ্জনা দুৰ্বল আৱৰ্জনা ব্যৱস্থাপনাৰ ফলত হয়। অন্যান্য উৎসৰ ভিতৰত আছে— য'তে-ত'তে পেলোৱা আৱৰ্জনা, গাড়ীৰ টায়াৰ আৰু মাইক্ৰ'প্লাষ্টিক।

এই সংস্থাটোৱে ভৱিষ্যদ্বাণী কৰিছে যে ২০৬০ চনলৈ পৰিৱেশত আৱৰ্জনাৰ পৰিমাণ দুগুণ হৈ ৪৪ নিযুত টন হ'ব। বেছিভাগ ডাঙৰ প্লাষ্টিক কিন্তু তাৰ ভিতৰত অতি ক্ষুদ্ৰ কণাও আছে। পৃথিৱীৰ মাত্ৰ ৯ শতাংশ প্লাষ্টিক আৱৰ্জনা পুনৰ ব্যৱহাৰ কৰা হয়; ১৯ শতাংশ জ্বলাই দিয়া হয় আৰু প্ৰায় ৫০ শতাংশ নিয়ন্ত্ৰিত কৃষিভূমি বা মাটি মিহলি হৈ যায়। বাকী ২২ শতাংশ অবৈধ ডেম্পত পৰি থাকে। যিবোৰ মুকলি আকাশত জ্বলাই দিয়া হয় বা পৰিৱেশত এৰি দিলে মানুহৰ স্বাস্থ্যৰ প্ৰতি বিপদ মাতি আনিব। সেইবাবে সকলোৱে সজাগ হোৱা উচিত। নহ'লে নিজৰ বিপদ নিজেই মাতি অনাৰ দৰে হ'ব।

প্লাষ্টিক আজিকালি সকলোতে আছে। মানুহে ইয়াক কেৱল তেওঁলোকৰ আৰামৰ বাবে অন্তহীনভাৱে ব্যৱহাৰ কৰি আছে। অৱশ্যে কোনেও অনুভৱ নকৰে যে ই আমাক কেনেদৰে ক্ষতি কৰিছে। পৰাপক্ষত শিশুসকলক প্লাষ্টিক ব্যৱহাৰ নকৰিবলৈ তেওঁলোকৰ শৈশৱৰ পৰা শিকোৱা উচিত। ইয়াৰ ব্যৱহাৰ

কম বয়সতে নকৰিলে বা ইয়াৰ প্ৰতি আকৰ্ষিত নকৰিলে ভৱিষ্যতে প্লাষ্টিকৰ পেকেট ব্যৱহাৰৰ ইচ্ছা প্ৰকাশ নকৰিব। একেদৰে প্ৰাপ্তবয়স্কসকলে একেটা বিষয়ত ইজনে সিজনক পৰীক্ষা কৰিব লাগিব। তদুপৰি চৰকাৰে প্লাষ্টিক প্ৰদূষণ অতি পলম হোৱাৰ আগতে বন্ধ কৰিবলৈ কঠোৰ ব্যৱস্থা ল'ব লাগিব।

প্লাষ্টিকৰ পৰা সৃষ্টি হোৱা এই ভয়াৱহতাসমূহৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বজুৰি চৰকাৰৰ লগতে বিভিন্ন সংস্থাসমূহে প্লাষ্টিকমুক্ত পৃথিৱীৰ গঢ়িবলৈ বিশেষভাৱে কাম কৰি আহিছে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন সজাগতাৰো।

যিসমূহ প্লাষ্টিক এবাৰ ব্যৱহাৰ হয় সেইসমূহে প্ৰদূষণৰ লগতে জনমানসত বিশেষভাৱে প্ৰভাৱ পেলায়। কাৰণ এবাৰ ব্যৱহাৰযোগ্য এইসমূহ প্লাষ্টিকৰ মূল্যও কম বা সহজলভ্য, যাৰ বাবে এই ধৰণৰ প্লাষ্টিকৰ ব্যৱহাৰ বেছি হোৱা দেখা যায়। উৎসৱ-পাৰ্বণৰ লগতে বিয়া-সবাহ, বিভিন্ন অনুষ্ঠান আদিত এতিয়া প্লাষ্টিকৰ ব্যৱহাৰ বেছি বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ঘৰুৱা সৰু-সুৰা মানুহে এইসমূহ এবাৰ ব্যৱহাৰৰ পাছত পেলাই দিয়ে বাবে জুইত পুৰি পেলায়। যাৰ ফলত পৰিৱেশ প্ৰদূষণ হয়। আমি ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে এনেবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিবই লাগিব। সতৰ্কতা নিজৰ ঘৰখনতে আৰম্ভ কৰা উচিত। যদি সকলোৱে চিন্তা কৰে তেতিয়া এয়া সম্ভৱ নোহোৱাকৈ নাথাকে। পৃথিৱীখন যদি এনেদৰে প্লাষ্টিকৰে ভৰি পৰে তেনেহ'লে এদিন মানুহৰ বসবাসৰ বাবে অনুপযুক্ত হৈ পৰিব।

# জীৱনত ক্ষমাৰ গুৰুত্ব অপৰিসীম

প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনটো মসৃণ পথেৰে আগুৱাই নিবলৈ হ'লে দৈনন্দিন ক্ষেত্ৰত কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিবই লাগিব। যদি আপুনি আপোনাৰ আশে-পাশে থকা মানুহখিনিৰ সৈতে সদায় সু-সম্পৰ্ক বজাই ৰাখি জীৱনটো উপভোগ কৰিব বিচাৰে তেন্তে আন বিষয়ৰ লগতে যিটো কথাত মনোযোগ দিব লাগিব সেইটো হৈছে ক্ষমা। প্ৰতিটো ধৰ্মতে কোৱা হৈছে ক্ষমাৰ কথা। মহান ঋষি-মুনিসকলেও ক্ষমাৰ কথা কৈ গৈছে। ক্ষমাই মানুহক মহান কৰে আৰু সকলোকে এক ইতিবাচক বাৰ্তা দিয়ে। ক্ষমা কৰিব পৰা গুণটো সকলোৰে নাথাকে। যিসকলৰ এনে গুণ থাকে তেওঁলোকে বহুতো ক্ষেত্ৰত সমস্যা সমাধানৰ পথো প্ৰশস্ত কৰি ল'ব পাৰে। মানুহে এনে গুণেৰে নিজকে জুকিয়াই চোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই প্ৰতিবছৰ ৭ জুলাইত বিশ্ব ক্ষমা দিৱস পালন কৰা হয়। ১৯৯৪ চনত খ্ৰীষ্টিয়ান এম্বেচাদৰ অৱ খ্ৰীষ্টে বিশ্ব ক্ষমা দিৱসৰ আয়োজন কৰিছিল। প্ৰথমে কানাডাত আৰম্ভ হৈছিল যদিও সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা লাভ কৰাৰ লগে লগে ইয়াৰ নাম সলনি কৰা হয় বিশ্ব ক্ষমা দিৱস। এই বিষয়টো ভাবিলে অলপ আচহুৱা যেন নালাগেনে? এনেকুৱা দিৱস এটাও থাকেনে? এই দিনটো ব্যক্তিগতভাৱে আৰু বিশ্বজুৰি উভয় ক্ষেত্ৰতে ইতিবাচক পৰিৱৰ্তনৰ অনুঘটক হিচাপে ক্ষমাৰ গুৰুত্বৰ ওপৰত প্ৰতিফলন কৰিবলৈ সকলোকে উৎসাহিত কৰা হয়। প্ৰত্যকৰে জীৱনত ক্ষমাৰ গুৰুত্ব আছে। ক্ষমা অবিহনে কোনো মানুহে জীৱনৰ গতিপথত আগুৱাই

যাব নোৱাৰে। যদিহে সহজেই কাৰোবাক ক্ষমা কৰি দিব পাৰে তেনেহ'লে তেওঁৰ মনত অশান্তি কম হয়। শৰীৰ আৰু মনৰ মাজত ভাৰসাম্য প্ৰতিষ্ঠা হ'ব।

কোনো মানুহে এশ শতাংশ শুদ্ধ নহয়। সেইবাবে দৈনন্দিন জীৱনত কোনো নহয় কোনো সময়ত ভুল কৰা বা নকৰিবলগীয়া কাম কৰে। আনৰ গ্ৰহণযোগ্য কাম অথবা কথা নোকোৰা বাবে কিছুমানৰ সৈতে মনোমালিন্য ঘটে।

পুৰণি মতানৈক্য নিষ্পত্তি কৰা, অভিযোগ বা আঘাতৰ বাহিৰলৈ গৈ নতুনকৈ আৰম্ভ কৰাৰ এইটো এটা উপযুক্ত সুযোগ বুলি কোৱা হয়। সৰু ভুল এটাই আমাৰ সম্পৰ্কত ব্যাঘাত জন্মাব পাৰে। ঘৃণাৰ সৃষ্টি হয়, আনুগত্য নোহোৱা হয়। গতিকে এটা সৰু ভুলৰ বাবে কাৰোবাৰ প্ৰতি খং উঠিলে যদি ক্ষমা কৰি দিয়া হয় তেতিয়া মনত অশান্তি নাথাকে। ঋষিসকলে ক্ষমাক এক মহান গুণ বুলি কৈছে।

অতীতৰ তিক্ত সম্পৰ্কবোৰ পাহৰি ক্ষমা কৰিলে নিজৰ লগতে আনজনৰ মনতো ভাল ভাবৰ সৃষ্টি হ'ব। ক্ষমা যিহেতু এক উদাৰ গুণ সেয়েহে আমিও ইচ্ছা কৰিলে দিনটো পালন কৰিব পাৰো। এবাৰ ক্ষমা কৰাটো স্থায়ী শান্তি আৰু সুখৰ চাবিকাঠি হ'ব পাৰে। ক্ষমা কৰাটোৱেই হয়তো মানুহৰ আটাইতকৈ ইতিবাচক গুণ আৰু এই গুণটো লাভ কৰাটো কঠিন। সকলোৰে এই গুণটো নাথাকে, মাত্ৰ কিছুমানৰহে থকা দেখা যায়। ক্ষমাৰ বাৰে মাত্ৰ অলপ ইচ্ছাশক্তিৰ প্ৰয়োজন। ক্ষমা সকলো ধৰ্মৰ অন্যতম প্ৰধান শিক্ষা। সকলো ধৰ্মই মানুহক ক্ষমা কৰিবলৈ কয়। বিশ্ব ক্ষমা দিৱস উদ্‌যাপন কৰাটো এজন ব্যক্তিৰ পছন্দ অনুসৰি সহজ বা জটিল হ'ব পাৰে।

বিচ্ছিন্ন বন্ধু বা পৰিয়ালৰ সদস্যৰ সৈতে যোগাযোগ কৰিবলৈ চেষ্টা কৰি পুৰণি ঘা ভাল কৰাৰ নিখুঁত দিনটো হ'ল বিশ্ব ক্ষমা দিৱস। আভ্যন্তৰীণ খং এৰি দিয়ক আৰু ব্যক্তিজনক জনাওক যে তেওঁলোকক ক্ষমা কৰা হৈছে। যদিও এইটো নিশ্চিতভাৱে যিকোনো দিনতে হ'ব পাৰে আৰু বিশেষ দিনৰ বাবে অপেক্ষা কৰাৰ প্ৰয়োজন নাই, তথাপি বিশ্ব ক্ষমা দিৱসে প্ৰকৃততে ইয়াক সম্ভৱ কৰি তুলিবলৈ আৰম্ভণিৰ বিন্দু বা প্ৰেৰণা হিচাপে কাম কৰিব পাৰে।

ক্ষমাৰ প্ৰয়োজন হোৱা বন্ধু বা পৰিয়ালৰ সদস্যজনৰ লগত ভালদৰে কথা-বতৰা আৰম্ভ কৰিলে কাম হ'ব। ইয়াৰ বাবে ক্ষমা কৰিব পৰা মানুহৰ তালিকা এখন বনাওক। এইবোৰ হয়তো বৰ্তমান আপোনাৰ জীৱনৰ অংশ, কিন্তু আপুনি কেতিয়াও লগ নোপোৱা মানুহো হ'ব পাৰে। আপোনাৰ বৰ্তমানৰ জীৱনত প্ৰভাৱ পেলোৱা মানুহও হ'ব পাৰে। এইবোৰ হয়তো অতীতৰ বিশ্বৰ নেতা বা ৰাজনীতিবিদ যিয়ে হয়তো যুদ্ধ বা ধ্বংসৰ সৃষ্টি কৰিছিল বা হয়তো এনেকুৱা মানুহ আছে— যিয়ে পাৰমাণৱিক বোমা বা বন্দুক উদ্ভাৱন কৰি সমাজত নেতিবাচক প্ৰভাৱ পেলাইছে। পূৰ্বৰ প্ৰজন্মৰ মানুহকো ক্ষমা কৰাৰ প্ৰয়োজন আছে।

ক্ষমা কৰিব লগা এই লোকসকলৰ নাম আছে, বা কোনো বিশেষ গোটৰ প্ৰতি দাসত্ব, বৰ্ণবাদ, বা ঘৃণাৰ দৰে কিবা এটাৰ দায়িত্ব লোৱা সাধাৰণ মানুহ হ'ব পাৰে। অভিজ্ঞতা আৰু ক্ষমাৰ কাহিনী শ্বেয়াৰ কৰক।

ব্লগ, ছ'চিয়েল মিডিয়া পোষ্ট, বা কাৰোবাক পোনপটীয়াকৈ কোৱাৰ জৰিয়তে ক্ষমাৰ কাহিনী শ্বেয়াৰ কৰিলে জীৱনটো কিমান চুটি আৰু ক্ষমা কৰাটো কিমান ভাল লাগে তাৰ সোঁৱৰণি হ'ব পাৰে।

তদুপৰি এই অনুভৱ আনৰ আগত প্ৰকাশ কৰিলে তেওঁলোকৰ জীৱনত কাৰোবাক ক্ষমা কৰিবলৈ উৎসাহিত হ'ব পাৰে। ফলত তেওঁলোকে নিজৰ বোজা লঘু হ'ব আৰু প্ৰতিদিনে সুখী আৰু সুস্থ জীৱন যাপন কৰিব।

যিসকলক বন্ধু বা পৰিয়ালৰ কোনো সদস্যই ক্ষমা কৰিছে, তেওঁলোকে হয়তো ক্ষমাশীল ব্যক্তিজনৰ ফটো শ্বেয়াৰ কৰিব বিচাৰিব, কেৱল ক্ষমাৰ গ্ৰাহক হোৱাৰ বাবে তেওঁলোক কিমান কৃতজ্ঞ সেই কথা উল্লেখ কৰিব পাৰে।

শিশুসকলক ক্ষমাৰ গুৰুত্ব শিকাব লাগে। কিছুমান মানুহে ক্ষমাৰ গুৰুত্ব বুজি নোপোৱাকৈয়ে জীৱনৰ দশক দশক পাৰ কৰে। অতি কম বয়সতে শিশুক ক্ষমাৰ দক্ষতা শিকালে বহু কষ্টৰ পৰা ৰক্ষা পৰিব পাৰে।

আচলতে কিছুমান স্বাস্থ্যৰ অধ্যয়নত দেখা গৈছে যে যিসকল লোকে নিজকে, বা আনক ক্ষমা কৰিবলৈ ইচ্ছুক তেওঁলোকৰ সুখী আৰু সুস্থ হোৱাৰ সম্ভাৱনা ক্ষমা কৰিবলৈ অস্বীকাৰ কৰাসকলতকৈ বহু বেছি। ক্ষমাকেন্দ্ৰিক জীৱন যাপন কৰাৰ এইটো এটা ডাঙৰ কাৰণ।

ক্ষমাৰ পথ বিচাৰি উলিওৱাটো কেতিয়াবা প্ৰত্যাহ্বানজনক হ'ব পাৰে। আনৰ লগত কথা পতা, নিজৰ অনুভৱ লিখা, আনকি পেছাদাৰী এজনৰ লগত কথা পতাও সহায় কৰিব পাৰে। বিভিন্ন দৃষ্টিভংগীয়ে আমাক ক্ষমা কৰাৰ উপায় দেখিবলৈ সহায় কৰে। বেদনা আৰু ক্ষোভৰ বোজা কঢ়িয়াই জীৱনটো আগুৱাই নিয়ে যদিও ই সদায় মিলনৰ দিশত আগুৱাই নিব নোৱাৰে। সেইবাবে ক্ষমা কৰিব শিকিব বা চেষ্টা কৰিব লাগে। তেতিয়া সমাজৰ পৰা অসহিষ্ণু কিছু পৰিমাণে হ'লেও নোহোৱা হ'ব। সকলোৱে উপলব্ধি কৰিব লাগে আৰু বিপদত পৰাৰ পূৰ্বে উদ্ধাৰৰ বাট বিচৰা উচিত। ক্ষমাক আমি কেৱল ধৰ্মীয় পৰিসৰৰ মাজত আবদ্ধ কৰি ৰাখিলে বিষয়টো সংকীৰ্ণ হৈ থাকিব। মানুহৰ মনত ধন-সোণে শান্তি আনিব নোৱাৰে। এনে হোৱাহেঁতেন সকলোৱে সুখী হ'ব পাৰিলেহেঁতেন। মানসিক সুখৰ বাবে কঠোৰ সংগ্ৰাম তথা তপস্যা নকৰিলেহেঁতেন। গতিকে জীৱনত ক্ষমাৰ গুৰুত্ব অপৰিসীম।

# সাধুকথাতকৈ ডাঙৰ শক্তি নাই

এই পৃথিৱীত সাধুকথাতকৈ ডাঙৰ শক্তি নাই। আমেৰিকাৰ বিখ্যাত লেখিকা লিব্বা ব্ৰেইৰ এই উক্তিটোৰ পৰাই অনুমান কৰিব পাৰি পৃথিৱীৰ প্ৰতিখন দেশৰ লগতে অঞ্চলত প্ৰচলিত সাধুকথাসমূহৰ গুৰুত্ব কিমান। নৈতিক শিক্ষা প্ৰদানৰ লগতে মানসিক বিকাশ আৰু বুদ্ধিৰ ভঁৰাল হৈছে আইৰ মুখত শৈশৱতে শুনা সাধুকথা। অপৈণত শিশু মনত জীৱনৰ আদিপাঠ দিয়াৰ সবাতোকৈ সৰল আৰু উত্তম মাধ্যম হৈছে সাধুকথা। সাধাৰণতে যিসকল শিশুৱে সৰুতে বেছিকৈ সাধুকথা শুনে তেনে শিশুৰ মানসিক বিকাশ ভালদৰে হয়। তদুপৰি নীতিকথা বা নৈতিকতাৰ গজালি অংকুৰিত হ'লে চৰিত্ৰ গঠনটো উজু হোৱা দেখা যায়।

শিশুৰ মন উকা কাগজৰ দৰে পৰিষ্কাৰ আৰু ফুলৰ পাপৰিৰ দৰে সুকোমল বাবে এই সময়ত যি শিক্ষা দিয়া হয় সেইবোৰে স্থায়ী ৰূপ লোৱাৰ সম্ভাৱনাই অধিক। বেছি অনুভূতিপ্ৰৱণ আৰু আৱেগিক হোৱা বাবে শিশুমনত যিকোনো কথাই সহজতে সাঁচ বহুৱাব পাৰে। শিশুৰ শাৰীৰিক বিকাশৰ বাবে যিদৰে পুষ্টিকাৰক খাদ্যৰ প্ৰয়োজন, তেনেদৰে মানসিক বিকাশৰ বাবেও মানসিক খাদ্য যোগান ধৰিবই লাগিব। আমি এইক্ষেত্ৰত যদি আলোচনা কৰো তেতিয়াহ'লে দেখা পাম যে শিশুসকলক সাধুকথা, ওমলা গীত, খেল-ধেমালি আদিৰ জৰিয়তে মানসিক খাদ্যৰ যোগান ধৰিব পাৰি। যিসকল শিশুৱে

বুজিব পৰা হোৱাৰে পৰাই মা, ককা-আইতাৰ মুখৰ পৰা সাধুকথা শুনিছে তেনে শিশুৰ মানসিকতা অন্য শিশুতকৈ অলপ হ'লেও পৃথক হোৱা দেখা যায়।

আগতে জোনাক নিশাত ঘৰৰ আগ বা ভিতৰ চোতালত ঢাৰি-পাটি পাৰি ককাইদেউতা বা আইতাকে নাতি-নাতিনীক কোলাত শুৱাই বা কাষতে বহুৱাই লৈ সাধুকথা পৰিৱেশন কৰিছিল। তেওঁলোকে সাধুকথাৰ সংলাপৰ লগতে পৰম্পৰাগত সুৰেৰে গীত-নাটকীয় ভংগিমাৰে অতিকৈ মনোগ্ৰাহী কৰি তুলিছিল। আজৰি সময়ত এইবোৰ সাধু শুনিবলৈ সকলোৱে আগ্ৰহী হৈ আছিল।

সাধুকথা হৈছে পৃথিৱীৰ লোকসাহিত্যৰ এটি অংশ। লোকসাহিত্যৰ অন্যান্য বিভাগৰ দৰে সাধুকথাৰো সৃষ্টি কেতিয়াৰ পৰা হ'ল সেয়া আজিলৈকে কোনো লোকে ঠাৰৰ কৰিব পৰা নাই। পৃথিৱীৰ সকলো সাধুৰে একোটা মিল দেখা যায়।

আধুনিক সাহিত্যত মনস্তত্ত্বৰ বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ বুলি কোৱা হয়। এই মনস্তত্ত্বৰ ধাৰণাটো প্ৰথমে সাধুকথাত উন্মেষ হৈছিল। সাধুত ৰাজতন্ত্ৰ, সমাজতন্ত্ৰ, মানুহৰ স্বাভাৱিক প্ৰবৃত্তি আদিৰ চিত্ৰণ থাকে। এইবোৰে জনসমাজৰ মনত চেতনা জাগ্ৰত কৰে। সাধু হয়তো শিশুৰ মনোৰঞ্জনৰ বাবেই আদিতে জন্ম হৈছিল; কিন্তু ইবোৰৰ মাজত অংকিত চৰিত্ৰ, সামাজিক চিত্ৰণ আদিয়ে পৰৱৰ্তীকালত মানুহক জীৱন সম্বন্ধে অধিক সচেতন কৰি তুলিলে।

সময় বাগৰিল। আধুনিকতাৰ ধামখুমীয়াত লাহে লাহে হেৰাই যাব ধৰিছে সাধুকথা। বিপন্ন শৈশৱত সাধুকথাবোৰ অপ্ৰাসংগিক হৈ পৰিল। যৌথ পৰিয়াল ভাঙি একক পৰিয়ালৰ ধাৰণাই গা কৰি উঠাৰ পিছত সাধুকথা ক'ৰবাত হেৰাই গ'ল। এইবোৰৰ উপৰি সাম্প্ৰতিক সময়ত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ নিত্য-নতুন আৱিষ্কাৰৰ ওচৰত সাধুকথাবোৰৰ গুৰুত্ব যেন ক্ৰমাৎ হ্ৰাস পাইছে। আজিকালি প্ৰয়ভাগ অভিভাৱকে শিশুক পঢ়াৰ উপৰি নাচ-গান, খেলা-ধূলা সকলোতে আগবঢ়াই নিবলৈ বিচাৰে। স্কুলৰ পৰা ঘৰলৈ অহাৰ পাছত এইবোৰত সময় দিবলগীয়া হয়। সেইবাবে সাধু শুনিবলৈ সময় নাথাকে। তদুপৰি একক পৰিয়ালত নাথাকে ককা-আইতা। আগতে যৌথ পৰিয়ালত ককা-আইতা

আদিয়ে সন্ধিয়া বা নিশা পঢ়া শেষ হোৱাৰ পিছত চোতালত অথবা বাৰাণ্ডাত বহি সাধু কৈছিল। এতিয়া চহৰত ভালকৈ উশাহ ল'বলৈ ঠাইৰ অভাৱ। চোতাল বা বাৰাণ্ডাৰ কথাটো কল্পনাই কৰিব নোৱাৰি। পঢ়াৰ বোজাৰ উপৰি এইবোৰত লাগি থাকোতে সিহঁতৰ আজৰি সময় বুলিবলৈ নাথাকেই। যিখিনি সময় পাই সেই সময়খিনিত আজিকালি শিশুৱে সাধু শুনাতকৈ ম'বাইল, ভিডিঅ' গেম, কাৰ্টুন, ফেচবুক, ইউটিউব আদিত ব্যস্ত থাকে। তদুপৰি কম্পিউটাৰতহে ব্যস্ত থাকি ভাল পায়। কংক্ৰিটৰ পৃথিৱীত থাকি থাকি শিশু মনবোৰো যান্ত্ৰিক হৈ পৰাৰ লগতে আজিকালি সন্তানে সাধুকথা পঢ়িলে পুৰণিকলীয়া হৈ পৰে বুলি ভাবে। কিন্তু তেওঁলোকে ভাবি নাচায় যে সাধুকথা অবিহনে জীৱনৰ আদিপাঠ পঢ়িব নোৱাৰে। ডাক্তৰ-ইঞ্জিনিয়াৰ হোৱাটোৱেই জীৱনৰ সাফল্য লাভ নহয়, ভাল মানুহ হ'বলৈ সাধুকথাৰ পৰাই বহুতো শিকিব পাৰি।

আগৰ দিনত বেছিভাগ পৰিয়ালেই যৌথ পৰিয়াল আছিল বাবে ভাই-ভনীৰ সংখ্যাও সৰহ আছিল। গৰমকালি সন্ধিয়া পৰত ঢাৰি পাৰি বহি আইতাকৰ মুখেৰে সাধু শুনি এখন বেলেগ জগতত বিচৰণ কৰিছিল তেতিয়াৰ শিশোৱে। এইবোৰ এতিয়া নষ্টালজিয়া। স্মৃতিশক্তি বৃদ্ধি কৰাৰ অন্যতম কৌশল সাধুকথা। শিশুক এটা কাহিনী কৈ অলপ পিছত বা দুদিনমানৰ পিছত সেই কাহিনীটো সিহঁতক ক'বলৈ দিব লাগে। ইয়াৰ দ্বাৰা সিহঁতৰ মনোযোগ আৰু স্মৃতিশক্তিৰ উমান পোৱা যায়।

আইৰ মুখৰ ভাষা আৰু সাধুকথা দুয়োটাৰে মাজত আছে মধুৰ সম্পৰ্ক। এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি কোৱা হয়। কাৰণ এটাক বাদ দি আনটোৰ কথা ভাবিব নোৱাৰি। সাধুকথাৰ গুৰুত্ব আগতে আছিল। এতিয়া সেইবোৰ কাগজৰ ছপা শব্দ হৈহে আছে। আমি সকলোৱে সন্তানক সাধুকথা পঢ়িবলৈ দিব লাগিব। নহ'লে সন্তানে পিছত পিতৃ-মাতৃক অপ্ৰয়োনীয় বুলি গণ্য কৰি থৈ আহিব কোনোবা বৃদ্ধাশ্ৰমত।

# নাৰীৰ সুৰক্ষা ঃ
# সলনি কৰিব লাগিব মানসিকতা

দেশৰ বিভিন্ন প্ৰান্তৰ দৰে অসমতো অতিসম্প্ৰতি অপৰাধজনিত ঘটনা সংঘটিত হৈ আহিছে। হত্যা, ধৰ্ষণ, অপহৰণ আদি ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। নেচনেল ক্ৰাইম ব্যুৰ'ৰ তথ্য অনুসৰি দেশত নিতৌ ৮৬ টাকৈ মহিলা নিৰ্যাতনৰ ঘটনা সংঘটিত হৈ আছে। কাৰোবাৰ যদি শ্লীলতা হানিৰ চেষ্টা কৰিছে, আন কাৰবাক আকৌ ধৰ্ষণ কৰি হত্যা কৰাৰ পিছত জ্বলাই দিয়াৰ দৰে ঘটনা সংঘটিত হৈছে। কেইদিনমান পূৰ্বে কলকাতাৰ মেডিকেল কলেজত এগৰাকী চিকিৎসকক ধৰ্ষণ কৰাৰ পিছত হত্যা কৰাৰ ঘটনাই দেশজুৰি প্ৰতিবাদৰ জোৱাৰ তোলাৰ সময়তে অসমতো সদায় হত্যা, ধৰ্ষণৰ দৰে ঘটনা সংঘটিত হৈছে। এইবাৰ ধিঙত এগৰাকী কিশোৰীক ধৰ্ষণ কৰি পথৰ কাষৰ পেলাই থোৱাৰ পিছতে ৰাজ্যখনৰ চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠিছে। এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হৈ থকাটো মানৱ সমাজৰ বাবে খুব এটা ভাল লক্ষণ বুলি ক'ব নোৱাৰি। কাৰণ দেশত যদি নাৰীসকল সুৰক্ষিত হৈ থাকিব নোৱাৰে তেন্তে প্ৰগতি সম্ভৱপৰ নহয়। প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰতিটো কামতে মহিলাসকল জড়িত হৈ থাকে।

নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৱে (এনচিআৰবি) বাৰ্ষিক অপৰাধ প্ৰতিবেদন প্ৰকাশ কৰি অপৰাধৰ উদ্বেগজনক তথ্য প্ৰকাশ কৰিছে। ইয়াৰ পিছত দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৱে (এনচিআৰবি) বাৰ্ষিক অপৰাধ প্ৰতিবেদন প্ৰকাশ কৰি ভাৰতত মহিলাৰ সুৰক্ষাৰ এক ভয়ানক ছবি প্ৰতিফলিত কৰিছে। তথ্য অনুসৰি ২০২২ চনত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ৪,৪৫,২৫৬টা গোচৰ প্ৰকাশ পাইছে। অৰ্থাৎ ইয়াৰ পৰাই অনুমান কৰিব পাৰি দেশত নাৰী সুৰক্ষিত হয় নে নহয়। এই তথ্য অনুসৰি দেশত প্ৰতি ঘণ্টাত ৫১টা

গোচৰ। ২০২১ চনত ৪,২৮,২৭৮ আৰু ২০২০ চনত ৩,৭১,৫০৩ৰ তুলনাত এই সংখ্যা লক্ষণীয়ভাৱে বৃদ্ধি হৈছে। যিখন দেশত নাৰীক দেৱীৰ লগত তুলনা কৰা হয় সেইখন দেশতে আজি নাৰীসকলে নিজৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱাটো নিশ্চয় এক চিন্তনীয় বিষয়।

আমি সকলোৱে সদায় নাৰীৰ সুৰক্ষাৰ কথা কৈ আছো। ইয়াৰ মাজতে নাৰীৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰা আৰু কঠোৰ আইনৰ বাবে যুঁজ। এতিয়া কথা হৈছে সমাজত এই ধৰণৰ কাৰ্য কোনে সম্পাদন কৰিছে? কিহে এনে কামৰ বাবে উৎসাহ যোগাই আহিছে।

এনচিআৰবিৰ তথ্যত প্ৰতি লাখ জনসংখ্যাৰ অপৰাধৰ হাৰ ৬৬.৪ শতাংশ। এনে গোচৰত অভিযোগনামা দাখিলৰ হাৰ ৭৫.৮। আচৰিত কথাটো হ'ল যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ অধিকাংশই স্বামী বা তেওঁৰ আত্মীয়ই নিষ্ঠুৰতা ৩১.৪ শতাংশ। এনে ঘটনাৰ পিছত অপহৰণ ১৯.২ শতাংশ। তদুপৰি ক্ষোভৰ উদ্দেশ্যে আক্ৰমণ কৰা ১৮.৭ শতাংশ আৰু ধৰ্ষণ ৭.১ শতাংশ। সাধাৰণতে মহিলাসকল সুৰক্ষিত নহয় বুলি ক'লে আৰু নাৰী নিৰ্যাতন বুলি কোৱাৰ লগে লগে বহুতে কেৱল ধৰ্ষণ, বলৎকাৰৰ কথাকে বুজে। কিন্তু নিৰ্যাতন প্ৰসংগত আমি পৰিসৰ বৃদ্ধি কৰিহে বিষয়টো বিশ্লেষণ কৰিব লাগিব। তেতিয়া বিষয়টো বিশ্লেষণ কৰিলে বিভিন্ন বিষয়ে স্থান লাভ কৰিব।

মহিলাক চলোৱা নিৰ্যতনৰ ক্ষেত্ৰত এটা কথা স্পষ্ট হৈ পৰে যে এনে কাৰ্য সম্পাদন কৰা বেছিভাগ লোকেই আত্মীয় অথবা চিনাকি লোক। ওচৰ-চুবুৰীয়াৰ দ্বাৰাও এনে কাৰ্য সম্পাদন কৰাৰ অভিযোগ প্ৰায়ে উত্থাপিত হয়। তদুপৰি আজিকালি বন্ধুৰ দ্বাৰাও নিৰ্যাজিত হোৱাৰ বাতৰি প্ৰকাশ পাইছে। আনহাতে, মহিলাৰ নিৰ্যাতন প্ৰসংগত মহিলাই মহিলাৰ শত্ৰু হোৱা বিষয়টোও সময়ে সময়ে চৰ্চা হৈ আছে। বিশেষকৈ কাৰোবাৰ স্বাৰ্থসিদ্ধি অথবা শত্ৰুতা বা আখেজ পূৰণৰ বাবে একাংশ মহিলাই মহিলাৰ শত্ৰু হৈ পৰে। শেহতীয়া ঘটনা প্ৰবাহে এই ছবিখনে দাঙি ধৰিছে। সি যি নহওক, অপৰাধ সদায় অপৰাধেই। অপৰাধীক কোনো কাৰণতে সহজভাৱে লোৱা উচিত নহয়। কাৰণ অপৰাধীয়ে সদায় অপৰাধ সংঘটিত কৰিবলৈ সুযোগ বিচাৰি থাকে। সেইবাবে এনে লোকৰ বিৰুদ্ধে সকলো সময়তে সতৰ্ক থকা উচিত। কোনোবা আপোন হ'লেও অপৰাধীক কোনো কাৰণতে সমৰ্থন কৰিব নালাগে।

আজিকালি অপৰাধীয়ে কৌশল সলনি কৰি চিনেমাৰ কায়দাৰে এই ধৰণৰ কাৰ্য সম্পাদন কৰিব ধৰিছে। অপৰধীয়ে এতিয়ে মহিলাসকলৰ বিৰুদ্ধে যি ভয়ংকৰ জাল পেলাইছে আৰু এইখনৰ জালত কোনোবা যদি পৰিছে তেনেহ'লে ওলাই অহাটো সম্ভৱ নহয়। দেশৰ বিভিন্ন প্ৰান্তত এতিয়া সামাজিক মাধ্যমৰ লগতে ভিন্ন প্ৰযুক্তি ব্যৱহাৰ কৰি অপৰাধ সংঘটিত কৰিছে। গতিকে সকলোৱে এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিব লাগিব।

যিকোনো এটা ঘটনা সংঘটিত হ'লে চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠে। এই জোৱাৰ দেখিলে মনত এনে ভাব হয় যে এইটোৱে শেষ ঘটনা হ'ব। ইয়াৰ পিছত এনে অপৰাধ সংঘটিত কৰিবলৈ সকলোৱে ভয় কৰিব। কেইদিনমানৰ পিছত আকৌ একেধৰণৰ ঘটনা ঘটিবলৈ ধৰে। অপৰাধীয়ে আগৰ ঘটনাটো অন্যফালে ঢাল খুৱাবলৈ আন এটা ঘটনা সংঘটিত কৰে। বিগত দুটা দশকত দেশৰ লগতে অসমত যিমান ঘটনা সংঘটিত হৈছে তাৰ দুই-এটা ঘটনাহে মানুহৰ মনত আছে। অৰ্থাৎ বেছিভাগ ঘটনাই মানুহে সময়ত পাহৰি যায়। কোনো এটা ঘটনা সংঘটিত হোৱাৰ পিছত হৈ চৈ কৰাটো এক গতানুগতিক কথা। কিন্তু ইয়াক বিচাৰৰ অন্তিম পৰ্যায়লৈ নিয়াটোহে ডাঙৰ কথা। বহু ঘটনাৰ তদন্ত কিমান আগবাঢ়িল সেই কথা কেইগৰাকী মানুহে খবৰ ৰাখে। সেইবাবে কৈছো যে আমি বেছি আৱেগিক হোৱাৰ পৰিৱৰ্তে বাস্তৱমুখী হ'বলৈ শিকিব লাগিব। নিৰ্যাতন বলি হোৱা নাৰীগৰাকীৰ পৰৱৰ্তী সময়ত কেনে পৰিস্থিতিৰ মাজেৰে জীয়াই থাকিবলগীয়া হয় তাৰ হিচাপ কোনোবাই ৰাখিছে জানো? আনকি ধৰ্ষণৰ বলি হোৱা যুৱতীগৰাকীৰ বিয়াৰ বয়স হ'লে বিয়া হোৱাত কেনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হয় সেইবোৰ বিষয় কেতিয়াবা আলোচনা কৰিছো জানো? নাই কৰা। মহিলাই নিৰ্যাতনৰ বলি হোৱাৰ পিছত তেওঁলোকক বক্ৰ দৃষ্টিৰে চোৱা লোকো আমাৰ সমাজতে আছে। মহিলাৰ নিৰ্যাতনৰ বিৰুদ্ধে কাম কৰা কিছুমানে নিজৰ ল'ৰাৰ বিয়াৰ সময় আহি পৰিলে আচল চৰিত্ৰ ফুটি উঠে। যেতিয়ালৈকে আমাৰ নাৰীৰ প্ৰতি থকা মানসিকতাৰ সলনি নহয় তেতিয়ালৈ নাৰীৰ সুৰক্ষাৰ বিষয়টো এনেকৈয়ে থাকিব। প্ৰতিজন পুৰুষে প্ৰতিগৰাকী নাৰীক সুৰক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে সুৰক্ষিত হ'ব নাৰী সমাজ। মহিলাসকলেও আত্মৰক্ষাৰ বাবে সাজু থকা উচিত। নিজকে দুৰ্বল বুলি ভাবি থাকিলে নহ'ব। নহ'লে দুৰ্বল বুলি ভবা নাৰী সদায় পুৰুষৰ নিৰ্যাতনৰ বলি হৈ থাকিব লাগিব।

# গুৰু-শিষ্যৰ সম্পৰ্ক আৰু পৰম্পৰা

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই গুৰু আৰু শিষ্যৰ সম্পৰ্ক পৱিত্ৰ বুলি গণ্য কৰি অহা হৈছে। কাৰণ গুৰুৰ পৰা লাভ কৰা জ্ঞান আৰু নৈতিক শিক্ষাই শিষ্যক এই জগতত আগুৱাই যাবলৈ চালিকা শক্তি বৃদ্ধি কৰে। গুৰু অবিহনে লাভ কৰা শিক্ষাই কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে। অৰ্থাৎ কোনোবাই যদি নিজৰ গুণৰ বলতো জ্ঞান আহৰণ কৰে তাত কৰবাত সুৰুঙা থাকি যায়। ক'ৰবাত উজুটি খাবই ।বনৰ মাজত একলব্যই দ্ৰোণাচাৰ্যৰ মূৰ্তি সাজি শিক্ষা লাভ কৰিছিল। যদিও পিছলৈ গুৰুই একলব্যৰ পৰা গুৰুদক্ষিণা হিচাপে হাতৰ বুঢ়া আঙুলি কাটি দিবলৈ আদেশ দিছিল, তথাপি একলব্যই গুৰুক হতাশ কৰা নাছিল। অভিশাপ দিলেও কৰ্ণই সদায় গুৰুকেই আগস্থান দিছিল। এয়াই ভাৰতীয় পৰম্পৰাত গুৰু আৰু শিষ্যৰ সম্পৰ্ক।

গুৰুৰ সন্মুখত কোনো শিষ্যই উচ্চ আসনত নবহে। শিষ্য ই যিমানেই উচ্চ পদাধিকাৰী নহওক কিয়,গুৰুক দেখিলেই বহাৰ পৰা উঠি সন্মান জনাবই। গুৰু কোনোদিনে দুখীয়া নহয়। কাৰোবাৰ ধন নাথাকিলেও মান সদায় উচ্চ। ধনে মানুহক জ্ঞানী ব্যক্তি কৰি নোতোলে। ধন থাকিলেও জ্ঞান নাথাকিব পাৰে। আনহাতে, জ্ঞান থাকিলে ধন নাথাকিব পাৰে। গতিকে এই ক্ষেত্ৰত কেনেধৰণৰ বিষয় জড়িত হৈ থাকিব পাৰে সেই কথা স্পষ্ট হৈ আছে। পিতৃ-মাতৃৰ পিছতে আমি যাক বেছিকৈ সন্মান জনাওঁ তেৱেঁই হৈছে শিক্ষাগুৰু। গুৰুকুল আশ্ৰমৰ পৰা আৰম্ভ কৰি এতিয়াৰ বৰ্ডিং স্কুললৈ সেই কথাই প্ৰমাণ কৰে। আগতে গুৰুকুল আশ্ৰমত থাকি শিক্ষা লাভ কৰিছিল আৰু এতিয়া বৰ্ডিং স্কুলত। এই সমগ্ৰ প্ৰক্ৰিয়াত ইন্ধন তথা মুখ্য চৰিত্ৰটো হৈছে শিক্ষক। অৰ্থাৎ শিক্ষক অবিহনে শিক্ষাদানৰ প্ৰক্ৰিয়া আগবঢ়াই নিয়াটো অসম্ভৱ। সেইবাবে পিতৃ মাতৃৰ সমানেই গুৰুক শ্ৰদ্ধা কৰা হয়। শ্ৰদ্ধা অবিহনে শিক্ষণ অসম্ভৱ। যিদৰে তেল নোহোৱাকৈ চাকি জ্বলাব নোৱাৰি তেনেদৰে শিক্ষক অবিহনে কোনো কাৰণতে সমগ্ৰ প্ৰক্ৰিয়া আগুৱাই নিব নোৱাৰি।

শিক্ষক হৈছে এডাল মমৰ দৰে। বুকু জ্বলি যোৱাৰ পিছতো মমে পোহৰ বিলোৱাৰ দৰে আনক জ্ঞান বিলাই বিলাই এদিন এই পৃথিৱীৰ পৰা বিদায় লয় আৰু সময়ৰ সোঁতত হেৰাই যায়। যিসকলে এগৰাকী গুৰুৰ পৰা জীৱনৰ আদিপাঠ গ্ৰহণ কৰিছে তেওঁলোকে যদি শিক্ষাগুৰুৰ স্মৃতি সজীৱ কৰি ৰাখিব খোজে তেতিয়াও নৱ প্ৰজন্মৰ মাজত তেওঁৰ আদৰ্শ জীয়াই থাকিব।

সাম্প্ৰতিক সময়ত বহুতে গুগল আদিৰ পৰা সকলোধৰণৰ তথ্য লাভ কৰিবলৈ ধৰিছে। সেইবাবে বহুতৰে মনত ভ্ৰান্ত ধাৰণাই খোপনি পুতিবলৈ ধৰিছে যে এতিয়া শিক্ষক গৌণ হৈ পৰিছে। সকলো গুগলত বিচাৰিলেই পোৱা যায়। পিছে এই ধাৰণাই বহুতৰে ক্ষতিহে কৰিছে। কাৰণ সকলোৱে ইয়াৰ পৰা তথ্যহে পাব পাৰে, জ্ঞান নহয়। জ্ঞান সদায় শিক্ষাগুৰুৰ পৰাহে লাভ কৰাটো সম্ভৱ। ঘৰত শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰিলেও এই শিক্ষাই তেতিয়াহে পূৰ্ণতা লাভ কৰে যেতিয়া শিক্ষাগুৰুৰ ওচৰত দীক্ষা লয়। আগতে গুৰুকুল শিক্ষা প্ৰক্ৰিয়াটোত ছাত্ৰই প্ৰথমে গুৰুৰ পৰা শিষ্যত্ব গ্ৰহণ কৰাটো নিয়ম আছিল। যিসকলে গুৰুৰ পৰা শিষ্যত্ব গ্ৰহণ কৰি তেওঁৰ প্ৰিয়ভাজন হৈছিল তেওঁকেই নাম-যশে স্পৰ্শ কৰিব পাৰিছিল। এতিয়া আমি এইবোৰ কল্পনা কৰিব নোৱাৰো। তথাপি যেতিয়া বিদ্যালয়ত নামভৰ্তি কৰা হয় তেতিয়া শিষ্যত্ব গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয় বুলি কোৱা হয়। তদুপৰি এতিয়াও কিছুমান বিদ্যালয়ত নামভৰ্তি কৰাৰ পিছতেই আৰম্ভ হোৱা পাঠদানৰ সময়ত শিক্ষকৰ দৃষ্টিত পৰে ভাল শিক্ষাৰ্থীগৰাকী। এনেকৈ আৰম্ভ হয় জ্ঞান আহৰণ প্ৰক্ৰিয়া। গতিকে আমি কোনোৱে গুৰুৰ অপৰিসীম গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰো। আগতে বিজ্ঞান শিক্ষাৰে শিক্ষাজীৱন আৰম্ভ হোৱা নাছিল যদিও শিক্ষাগুৰুৱে প্ৰতিটো বিষয়ে অধ্যয়ন কৰি জ্ঞান বিলাই দিছিল। কঠোৰ অনুশাসন তথা নিয়মৰ মাজেদি শিক্ষা লাভ কৰিছিল। এতিয়াও কিন্তু প্ৰকৃত জ্ঞান আহৰণ কৰিবলৈ কষ্ট কৰিবলগীয়া হৈছে।

আমি যিমানেই বিশ্বমুখী নহ'লেও সকলোতে গুৰুৰ আশীৰ্বাদ লাগিবই। কোনোবাই হয়তো বিষয়টো অস্বীকাৰ কৰিব পাৰে। আমি কেতিয়াও সন্তানৰ সন্মুখত শিক্ষাগুৰুৰ সন্মান লাঘৱ হ'ব পৰা কথা ক'ব নালাগে। তদুপৰি আমি সকলোৱে কেৱল ৫ ছেপ্টেম্বৰৰ দিনটো আহিলেই শিক্ষকক সন্মান কৰাৰ মানসিকতা সলনি কৰিব লাগিব। কাৰণ গুৰু-শিষ্যৰ পৱিত্ৰ সম্পৰ্ক সদায় একেই থাকে। এই পৱিত্ৰ সম্পৰ্ক বজাই ৰাখিবলৈয়ো সকলোৱে নিজৰ কৰ্তব্য পালন কৰা উচিত। পৰম্পৰা অনুসৰি আমি সকলোৱে গুৰুক উচ্চ আসনত বহুৱাবই লাগিব।

# ভূমিস্খলন আমিয়ে প্ৰতিৰোধ কৰিব লাগিব; কিন্তু কেনেকৈ ?

পাহাৰীয়া অঞ্চলত ভূমিস্খলন এক জ্বলন্ত সমস্যা হিচাপে চিহ্নিত হৈ আহিছে। বিশেষকৈ পাহাৰে আগুৰি থকা মহানগৰ, চহৰ, নগৰ অঞ্চলত সঘনাই ভূমিস্খলন হোৱা দেখা যায়। সাধাৰণতে এপ্ৰিল মাহৰ পৰা আৰম্ভ কৰি আগষ্টলৈকে ভূমিস্খলনৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰে। এই সময়ত হোৱা প্ৰবল বৃষ্টিপাত, বতাহ, ধুমুহা আৰু বানপানীৰ বাবেই এনে ভূমিস্খলন বেছি হোৱা দেখা যায়। পৰিকল্পনাৰ অভাৱৰ লগতে একাংশ অবিবেচক লোকৰ কাৰ্যকলাপ, পাহাৰত অবাধ খনন, বনাঞ্চল ধ্বংস, সংকীৰ্ণ মনোভাব, অবিজ্ঞাসন্মতভাৱে গৃহ নিৰ্মাণ, পাহাৰত ঘৰ বনাওঁতে আনৰ কথা নাভাবি কেৱল স্বাৰ্থসিদ্ধিত গুৰুত্ব আৰোপ কৰাৰ ফলত আজি ভূমিস্খলনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। তদুপৰি কিছুমান পাহাৰ একেবাৰে থুনুকা বাবে বৰষুণত সহজতে খহি পৰে। এনে পাহাৰত অলপ খনন কৰিলেই বিপদত আশংকা থাকে। অসমৰ পাহাৰীয়া অঞ্চলত এনে আশংকা থাকে যদিও গুৱাহাটী মহানগৰীত ভূমিস্খলন বেছি হোৱা দেখা যায়। সম্প্ৰতি ৰাজ্যৰ প্ৰায়ভাগ ঠাইতে আৰম্ভ হৈছে ভূমিস্খলন। ৰাজ্যৰ আন অঞ্চলৰ কথা বাদ দি গুৱাহাটী মহানগৰীৰ পাহাৰসমূহৰ ব্যাপক অবক্ষয়ৰ বাবেই কৃত্ৰিম বানকে ধৰি ভূমিস্খলন তীব্ৰতৰ হৈ পৰিছে। সৰু-বৰ ১৮খন পাহাৰেৰে আগুৰি থকা গুৱাহাটী মহানগৰীৰ বেছিভাগ পাহাৰেই জনবসতিপূৰ্ণ। মহানগৰীত প্ৰতিবছৰে বাৰিষাৰ

সময়ছোৱাত সংঘটিত হৈ আহিছে ভূমিস্খলনৰ ঘটনা। বিগত কেবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত মহানগৰীৰ কেবাটাও পাহাৰীয়া অঞ্চলত ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱাত কেইবাজনো ব্যক্তিয়ে হেৰুৱাইছে প্ৰাণ। মহানগৰীৰ পাহাৰ অঞ্চলত জধে-মধে কৰা খনন, অবাধ বসতি স্থাপন তথা সুপৰিকল্পনাৰ অভাৱ আৰু বিজ্ঞানসন্মতভাৱে পাহাৰসমূহত সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিণতিত  পাহাৰে পাহাৰে ভূমিস্খলন হোৱাৰ সম্ভাৱনা অধিক বৃদ্ধি পোৱাত শংকিত হৈছে সাধাৰণ জনতা। বিগত কেইটামান বছৰত মহানগৰীত হোৱা এনে ঘটনাৰ পাছতে ইতিমধ্যে মহানগৰীত মহানগৰ জিলা প্ৰশাসনে কেইবাটাও স্থান ভূমিস্খলনপ্ৰৱণ অঞ্চল হিচাপে চিহ্নিত কৰিছে। কেৱল বাৰিষাতেই যে অঞ্চলত আশংকা থাকে তেনে নহয়, আন সময়তো হ'ব পাৰে। প্ৰশাসনৰ তথ্য অনুসৰি ফটাশিলৰ পাঁচটা স্থান, গড়ভাঙাত ৯টা, গোটানগৰত ছটা, খানাপাৰাত ৩৩টা, নুনমাটি পাহাৰত ৪০টা, নাৰেংগীত ৩১টা, শান্তিপুৰত ২০টা স্থানকে ধৰি মহানগৰীৰ মুঠ ৩৯২টা স্থান ভূমিস্খলনপ্ৰৱণ অঞ্চল হিচাপে চিহ্নিত কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ তথ্য অনুসৰি ২০১৪ চনৰ পৰা ২০২৩ চনলৈ গুৱাহাটী মহানগৰীত ভূমিস্খলনত ৩৯ গৰাকী লোকৰ মৃত্যু হৈছিল। ইয়াৰ ভিতৰত ২০১৪ চনত গুৱাহাটী মহানগৰীত ভূমিস্খলনত ১৬ গৰাকীৰ মৃত্যু হৈছিল। সেইদৰে ২০১৬ চনত ৬জন, ২০১৭ চনত এজন, ২০১৮ চনত তিনিজন, ২০১৯ চনত এজন, ২০২০ চনত চাৰিজন, ২০২১ চনত দুজন, ২০২২ চনত ৫জন আৰু ২০২৩ চনত এজন লোকৰ ভূমিস্খলনত মৃত্যু হৈছিল।

ইয়াৰ পৰাই অনুমান কৰিব মহানগৰীত কিমান ভয়াবহ হৈ আছে এই সমস্যা। চৰকাৰী তথ্য মতেই এনে ছবি ফুটি উঠে তেন্তে প্ৰকৃত ছবিখন কিমান ভয়াবহ হব পাৰে সেয়া এবাৰ অনুমান কৰকচোন।

মহানগৰীৰ চৌপাশ আগুৰি থকা পাহাৰসমূহত দিনক দিনে বৃদ্ধি পাইছে বসবাস কৰা লোকৰ সংখ্যা। বহুতো ঠাইত জনসংখ্যা ইমান বেছি যে বেজীৰ সমান ঠাই মুকলি নাই। কেবাখনো পাহাৰত হকে-বিহকে খনন কৰি একাংশ লোকে ঘৰ বন্ধাৰ বাবেও ভূমিস্খলনৰ সমস্যাই ক্ৰমাৎ গুৰুতৰ ৰূপ ধাৰণ কৰিছে। সকলোৱে জানি-বুজিও বিপদৰ সম্ভাৱনা থকা ঠাইত বসবাস কৰিব

লৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ভূমিস্খলন ৰোধৰ বাবে কেতবোৰ ব্যৱস্থা ঘোষণা কৰে যদিও সময়ত এইসমূহ কাৰ্যকৰী নকৰাৰ বাবে ভূমিস্খলনে প্ৰতিবছৰে মহানগৰীত ত্ৰাসৰ সৃষ্টি কৰিছে। এতিয়া এনে এটা পৰ্যায় পাইছে গৈ যে মানুহৰ অত্যাচাৰ সহ্য কৰিব নোৱৰা হৈছে পাহাৰসমূহে। সকলোৱে কেৱল নিজৰ কথাহে ভাবে। বছৰৰ পাছত বছৰ ধৰি গুৱাহাটীৰ পাহাৰসমূহত চলা অবৈধ খনন আৰু অপৰিকল্পিত নিৰ্মাণৰ ফলত পাহাৰসমূহৰ ব্যাপক অৱক্ষয় হোৱাত এজাক বৰষুণ দিলেই পাহাৰসমূহে পানী বহন কৰিব নোৱৰা হয়। ফলত বৰষুণৰ পানীৰ সৈতে তললৈ নামি আহে পাহাৰৰ বোকা আৰু শিলাময় মাটি। গুৱাহাটীৰ ভয়াৱহ কৃত্ৰিম বানৰো অন্যতম এটা কাৰণ পাহাৰৰ ব্যাপক অবক্ষয়। আজি কালি এজাক বৰষুণ দিলেই পাহাৰৰ মাটিৰে নলা-নৰ্দমাসমূহ নিমিষতে ভৰি পৰে। নলাৰে পানী যাব নোৱৰাৰ ফলত মানুহৰ ঘৰ পানীত ডুব যায়।

গুৱাহাটীৰ অতি বিপদসংকুল পাহাৰীয়া এলেকাসমূহত বসবাস কৰা লোকসকল দৰিদ্ৰ আৰু যাৰ বাবে তেওঁলোকে সেই ঠাই এৰি যাব নিবিচাৰে। প্ৰতি বছৰে বাৰিষাৰ সময়ছোৱাত এই ভূমিস্খলনপ্ৰৱণ অঞ্চলত তথা ইয়াৰ নামনিত বসবাস কৰা লোকসকলে শংকাৰে জীৱন-যাপন কৰি আহিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগে ২০১২ চনতে গুৱাহাটীৰ ভূমিস্খলনৰ ভয়াৱহ সমস্যা সমাধান কৰাৰ বাবে মহানগৰীৰ পাহাৰসমূহ সংৰক্ষণ কৰা, গছ-গছনি ৰোপণ কৰা, পাহাৰ খনন বন্ধ কৰাকে ধৰি কেতবোৰ পৰামৰ্শ চৰকাৰলৈ আগবঢ়াইছিল। কিন্তু এই পৰামৰ্শসমূহ বছৰ বছৰ ধৰি ফাইলতে আবদ্ধ হৈ থাকিল। চৰকাৰী তথ্য মতে, গুৱাহাটী মহানগৰীৰ পাহাৰ অঞ্চলৰ ২৬ শতাংশ এলেকাত কোনো গছ-গছনি নাই। আগতে থাকাখিনিকে সকলোৱে কাটি তহিলং কৰিছে। আনহাতে ৩৮ শতাংশ পাহাৰ এলেকাত নাই ঘাঁহনি। মানুহে ঘাঁহনি কাটি তাত পকী গৃহ অথবা আন কিবা নিৰ্মাণ কৰিছে। তেনেস্থলত পাহাৰসমূহৰ ব্যাপক অৱক্ষয় হৈছে আৰু ফলত ভূমিস্খনৰ আশংকা বৃদ্ধি পাইছে। যাৰ বাবে বৰষুণ আহিলেই পাহাৰীয়া অঞ্চল আৰু ইয়াৰ নামনিৰ বাসিন্দা আতংকিত হৈ পৰে।

একেলগে কেইবাটাও কাৰক বা অকলেই এটা কাৰকৰ বাবেও হ'ব পাৰে

ভূমিস্খলন। প্ৰাকৃতিক কাৰণসমূহ বুলিলে সাধাৰণতে আমি বৰষুণৰ পানী মাটিৰ ভিতৰলৈ সোমাই যোৱা, বৰফ গলা বা হিমবাহ গলি যোৱাৰ ফলত পানীৰ পৰিমাণ বৃদ্ধি বা পৰিপূৰ্ণ হোৱাকে বুজো।

ভূগৰ্ভস্থ পানী বৃদ্ধি বা ছিদ্ৰৰ পানীৰ চাপ বৃদ্ধি, ফাট আদি অন্যতম কাৰক বুলি কোৱা হয়। ভৌতিক আৰু ৰাসায়নিক বতৰৰ পৰিৱৰ্তন ভূমিকম্পৰ ফলত মাটিত হোৱা কম্পনৰ উপৰি আগ্নেয়গিৰিৰ বিস্ফোৰণ, বনাঞ্চল ধ্বংস, খেতি আৰু নিৰ্মাণকাৰ্য, যন্ত্ৰপাতি বা যাতায়াতৰ পৰা হোৱা কম্পন, ব্লাষ্টিং আৰু মাইনিং, অগভীৰ মাটিত গভীৰ শিপা থকা গছ-গছনি কৃষি বা বনজ কাৰ্যকলাপ আদি অন্যতম বুলি গণ্য কৰা হয়। অৱেশ্যে গুৱাহাটীত এই কাৰণ সমূহৰ ভিতৰত অন্যতম হৈছে জধে-মধে গছ কটা আৰু পাহাৰ ধ্বংস কৰা। এই বিষয়ে জানিব পৰিলে বহুতো ঘটনা প্ৰতিৰোধ কৰিবলৈ সক্ষম হলহেঁতেন। পাহাৰ ধ্বংস কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও বহুতেই এই কাৰ্য সম্পন্ন কৰি আছে। আমি সদায় চৰকাৰ আৰু প্ৰশাসনক দোষাৰোপ কৰিলে নহ'ব। সকলোৰে এই ক্ষেত্ৰত সতৰ্ক আৰু সাৱধান হোৱা উচিত।

# অসমীয়া শিপিনীয়ে সপোন ৰচা তাঁতশালখন

অসমৰ বাপাতি সাহোন ৰঙালী বিহুৰ সৈতে সংপৃক্ত হৈ আছে ফুলাম গামোচাখনি। এই গামোচাখনৰ লগত জড়িত আছে তাঁতশালখন। আজিও অসমীয়া মহিলাৰ গৰ্বৰ কাৰণ হৈ আছে তাঁতশালখন। ইয়াতে অসমীয়া মহিলাসকলে তাঁত বিহু অসমীয়া চহা জীৱনৰ সৈতে সম্পৰ্ক থকা এক অন্যতম উৎসৱ। কিয়নো, অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচে। সাতবিহুৰ প্ৰত্যেক দিনৰে আছে একোটাকৈ পৃথক নাম। অতীতৰ পৰাই সাতবিহুৰ চতুৰ্থ দিনটো উচৰ্গা কৰা হয় তাঁতশালখনৰ নামত।

তাঁতশালখন অসমীয়া সংস্কৃতিৰ স'তে ওতপ্ৰোতভাৱে জড়িত। অসমীয়া শিপিনীসকলৰ হাতৰ চানেকিয়ে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই দৃষ্টিৰ আঁৰত আছে তাঁতশালখন। ভাৰত ত্যাগ আন্দোলনৰ সময়ত মহামানৱ মহাত্মা গান্ধীয়ে শুৱালকুছিলৈ আহোতে অসমীয়া শিপিনীসকলে বোৱা বস্ত্ৰ দেখি অভিভূত হৈ পৰিছিল। প্ৰতিঘৰতে এসময়ত তাঁতশালৰ মাকোৰ শব্দই খলকনি তুলিছিল। বসন্তৰ আগমনৰ লগে লগে মাকোৰ শব্দৰ গতিও বৃদ্ধি পাইছিল। কাৰণ আপোনজনক এখন মৰমৰ বিহুৱান দিবলৈ হ'লে তাঁতশালৰ মাকোৱে গতি লাভ কৰিবই লাগিব। তদুপৰি নিজ হাতেৰে বৈ দিয়া বিহুৱানখনি আনতকৈ যাতে ধুনীয়া হয় তাৰেই যেন অঘোষিত প্ৰতিযোগিতাত নামি পৰিছিল। মহিলাসকল ব্যস্ত হোৱাৰ মাজতে বিশেষকৈ যুৱতীসকলে ভালপোৱাজনক এখন সুন্দৰ বিহুৱান উপহাৰ দিবলৈ দিনে-নিশা একাকাৰ কৰি কাপোৰ বোৱাত

ব্যস্ত হৈ পৰিছিল। এই বিহুৱানখনি পিন্ধি বিহু গাবলৈ অথবা বাহিৰলৈ ওলাই গ'লে আন দহজনে বস্ত্ৰখনি ভাল লগা বা আকৰ্ষণীয় বুলি ক'লে প্ৰেমিকেও গৰ্ববোধ কৰিছিল। আগতে আজিকালিৰ দৰে বজাৰৰ পৰা কিনি আনি আনক উপহাৰ দিয়া নাছিল।

তাঁতশালত বৈ উলিওৱা হয় নিত্যপ্ৰয়োজনীয় বস্ত্ৰ সম্ভাৰৰ লগতে বিহুৰ বাবে অপৰিহাৰ্য 'বিহুৱান' আৰু বিহুৱতীৰ বাবে মুগা মেখেলা-চাদৰ তথা ৰিহাখন। তাঁত বিহুৰ দিনা শিপিনীসকলে নিজৰ নিজৰ তাঁতশালখন পৰিষ্কাৰ কৰি নতুন বছৰৰ বাবে ইয়াক সাজু কৰে। পৰম্পৰা অনুসৰি চাকি-বন্তি, ধূপ-ধূনা, তামোল-পাণ, নৈবেদ্যৰে তাঁতশালখনলৈ সেৱা আগবঢ়াই আহিছে। কিয়নো আধুনিক যুগৰ যন্ত্ৰচালিত শালৰ মাজতো এই তাঁতশালখনেই বহুতৰ জীৱিকাৰ একমাত্ৰ সম্বল হৈ আছে। এই তাঁতখনৰ লগত অসমৰ মহিলাসকলৰ জীৱন অতি নিবিড়ভাৱে সংপৃক্ত হৈ আছে বুলি কোৱা হয়। তাঁতশালখন যেন তেওঁলোকৰ হিয়াৰ আমঠু। শিপিনীসকলে এই তাঁতশালখনক ইমানেই সন্মান কৰে যে গা-নোধোৱাকৈ বা অশুচি গাৰে তাঁতৰ কোনো কামকে নকৰে। আনকি তাঁতৰ সঁজুলি পৰ্যন্ত স্পৰ্শ নকৰে। তদুপৰি শনি আৰু মঙলবাৰে তাঁতত কোনো নতুন কাম আৰম্ভ নকৰে।

বিহুত ব্যৱহৃত অসমীয়াৰ গামোচাখনক কোৱা হয় বিহুৱান। বিহুৰ আগে আগে এই বিহুৱান যাতে তাঁতত বৈ উলিয়াব পাৰে তাৰ বাবে ফাগুন-চ'ত মাহৰ পৰাই গাঁৱৰ প্ৰতিগৰাকী জীয়ৰী-বোৱাৰীৰ গাত তৎ নাইকিয়া হয়।

তাঁতশাল অবিহনে অসমীয়া নাৰীৰ ছবিখন অসম্পূৰ্ণ। ছাঁতে শুকোৱা, মুঠিতে লুকুওৱা বস্ত্ৰ প্ৰস্তুত কৰিব জানে অসমীয়া শিপিনীয়ে। এৰাতিৰ ভিতৰতে সূতা কাটি, কাপোৰ বৈ স্বামীক যুদ্ধক্ষেত্ৰলৈ পঠিওৱা অসমীয়া মহিলাসকলৰ হাতৰ চানেকিয়ে বিশ্বৰ যিকোনো প্ৰান্তৰ শিপিনীয়ে প্ৰস্তুত কৰা বস্ত্ৰৰ স'তে ফেৰ মাৰিব পাৰে। এখন তাঁতশালৰ পৰা প্ৰস্তুত কৰা বস্ত্ৰ পৰিধান কৰি বিশ্বদৰবাৰত জিলিকা অমসীয়া লোকৰ সংখ্যাও কম নহ'ব। আধুনিক দৃষ্টিভংগীৰে বিষয়টোৰ স'তে গ্লেমাৰ জড়িত থকা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিছু বছৰ আগলৈকে আমাৰ সমাজত শাল ববলৈ নজনা মহিলাক ঘৰৰ বোৱাৰী হিচাপে কোনোৱে গ্ৰহণ কৰিব খোজা নাছিল। আজৰি

সময়ত মহিলাসকল ব্যস্ত আছিল তাঁতশালত। সূতা কটা, মহুৰা লোৱাৰ পৰা আৰম্ভ কৰি বস্ত্ৰ বোৱালৈকে সকলো ক্ষেত্ৰতেই পাকৈত আছিল। বিহুৰ বতৰত তাঁতশালৰ মাকোৰ শব্দই বহুতৰ টোপনি হৰিছিল। শিপিনীসকলে বিহুৱান আদি বিক্ৰী কৰি দুপইচা আয়ো কৰিছিল। মহিলাসকলৰ কৰ্মপটুতাৰ নিৰ্দশন দাঙি ধৰা তাঁতশালখনে নাৰীৰ মৰ্যাদা ৰক্ষা কৰিছিল। অসমীয়া শিপিনীৰ কৰ্মপটুতা দেখি মহাত্মা গান্ধীয়ে কৈছিল— 'অসমীয়া শিপিনীয়ে কাপোৰত পৰীৰ সাধু ৰচনা কৰে।'

চ'ত মাহৰ ভিতৰত বৈ উলিয়াব নোৱৰা গামোচা যদি তাঁতশালখনত ৰৈ যায়, সেয়া ঘৰখনৰ বাবে অমংগলৰ চিন বুলি ধৰি লোৱা হয়। শালৰ পৰা কটা প্ৰথমখন বিহুৱান সদায় আগবঢ়ায় গোঁসাই থাপনাৰ বাবে। নিজহাতে তাঁতশালখনত বৈ উলিওৱা বিহুৱানখনৰ প্ৰতিডাল সূতাৰ আঁহে আঁহে যেন মিহলি হৈ থাকে শিপিনী গাভৰু-বোৱাৰীগৰাকীৰ দেহৰ শ্ৰম আৰু অন্তৰৰ সৰল  প্ৰেম-ভালপোৱা।

তাঁতশালত প্ৰস্তুত কৰা বস্ত্ৰৰ আজিও আদৰ কমা নাই। অৱশ্যে চাহিদা অনুপাতে উৎপাদন হ্ৰাস পোৱা বাবে ইয়াৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। সেয়ে শালত বোৱা কাপোৰ এতিয়া আভিজাত্যৰহে প্ৰতীক হৈছে। দুখীয়া মানুহৰ বাবে এনেধৰণৰ কাপোৰ ক্ৰয় কৰাতো একপ্ৰকাৰ অসম্ভৱ হৈ পৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। দৰাচলতে অতিসম্প্ৰতি তাঁতশালৰ ব্যৱহাৰ সীমিত হৈ পৰিছে। কম দামতে পোৱা ছিন্থেটিক কাপোৰ ক্ৰয় কৰাতহে গুৰুত্ব দিয়া হৈছে। তদুপৰি আজিকালি মহিলাসকল ঘৰৰ চাৰিবেৰৰ মাজতেই সীমাবদ্ধ থাকিব নোখোজে। উচ্চ শিক্ষা-দীক্ষা লাভ কৰি চাকৰি কৰাৰ লগতে চহৰমুখী যাত্ৰাই তাঁতশালৰ প্ৰচলনত ব্যাঘাত জন্মাইছে। আধুনিকতাৰ নামত বহুতো মহিলাই পৰম্পৰাক বাদ দি পশ্চিমীয়া সংস্কৃতিক আঁকোৱালি লোৱাত তাঁতশালৰ চাৰিখুঁটি উঠিল চাঙত। আজিৰ প্ৰজন্মই তাঁতশাল মানে কি নাজানে। বহুতেই আনকি ছবিতো দেখা নাই তাঁতশাল। ই এতিয়া আপুৰুগীয়া সম্পদ হৈছে। তাৰ মাজতো একাংশ মহিলাই অসমৰ গৌৰৱক ধৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে। গামোচাই লাভ কৰিছে ভৌগোলিক স্বীকৃতি বা জি আই। অসমীয়াৰ স্বাভিমানক কাঢ়ি নিব নোৱাৰে।

# গৰুবিহুৰ পৰম্পৰা আৰু প্ৰাসংগিক চিন্তা

ব'হাগ বিহুৰ বিভিন্ন অনুষ্ঠানৰ স'তে সাঙোৰ খাই আছে অসমীয়া জাতীয় জীৱনৰ ঐতিহ্য। বিহুগীত আৰু বিহুনৃত্যৰ স্বকীয়ৰূপে ব'হাগ বিহুক দিছে এটি মাত্ৰা। ব'হাগ বিহুক কেৱল নৃত্য গীতৰ উৎসৱ বুলি ক'লে ইয়াৰ পৰিসৰ সীমিত কৰাহে হ'ব। আমি এই উৎসৱটোৰ পৰিসৰ এটা নিৰ্দিষ্ট পৰিসীমাৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰো। যদিও বিহুৰ বৈশিষ্ট্য বুলিলে প্ৰকৃতিৰ বুকু কঁপোৱা গীত-নৃত্যকে সূচায়, তথাপি ইয়াৰ সমান্তৰালভাৱে আছে কিছু অন্য দিশ। অসমৰ বিভিন্ন প্ৰান্তত এই বিহুটি বেলেগ বেলেগ ৰূপত প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে। ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ স্বকীয় ৰূপত প্ৰকাশ পোৱা বিহুৱে বৰঅসমখনক সোণত সুৱগা কৰিছে। বিহুগীতত আছে প্ৰকৃতিৰ বৰ্ণনা, ভাল পোৱা ডেকা-গাভৰুৰ মনৰ কথা।

আগতে বিহুৰ সময়ত গছক সেৱা-প্ৰাৰ্থনা কৰা হৈছিল। গছত নৰা আৰু তৰা বান্ধিছিল। আধুনিক যুগতো মানুহৰ মাজত গৰু বিহুৰ গুৰুত্ব হ্ৰাস পোৱা নাই। অতীতৰ পৰাই মানুহে গো-পূজা কৰি আহিছে। সেইবাবে ব'হাগ বিহুৰ প্ৰথমটো দিনতেই পুৱাই সাতাম পুৰুষীয়া পৰম্পৰা ৰক্ষা কৰিবলৈ সাজু হয়। পৰম্পৰা অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৈ-পুখুৰী, বিল আদিত গোধনক গা ধুওৱা হয়। গোধনসমূহক গা ধুৱাই পৰম্পৰাগতভাৱে 'চাত' মাৰি বছৰটোৰ

বাবে কৃষিজীৱী ৰাইজৰ কৃষিকৰ্ম আৰু উৎপাদনৰ অংশ গৰুৰ কুশল কামনা কৰা হয়। কাৰণ বছৰটো যদি কৃষকৰ উপাৰ্জনৰ একমাত্ৰ সম্বল গৰুহাল ভালে নাথাকিলে পৰিয়ালটোলৈ নামি আহিব বিপৰ্যয়।

গৰুবিহুৰ পুৱাৰ পৰম্পৰা অনুসৰি গোৱা হয় এই বুলি—

লাও খা, বেঙেনা খা,
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ বৰ গৰু

—এইদৰে কৈ বা গাই আজিৰ দিনটোত ঘৰৰ গৰুক পুৱাই মূৰ, শিং আৰু গাত পিচি থোৱা মাহ-হালধি সানি আদৰ কৰা হয়। গৰুৰ গা, খুৰা আৰু শিঙত মিঠাতেল দি মাহ-হালধি সনা পৰ্বক নোওৱা বুলি কোৱা হয়। গৰুক নোওৱাৰ পিছত নৈ-বিল, পুখুৰী আদিলৈ নি গা ধুওৱা হয়। গা ধুওৱা সময়তেই লাও, বেঙেনা, থেকেৰা, হালধি আদি সৰু সৰুকৈ চকলিয়াই গৰুৰ গাত মৰমেৰে কুশল কামনা কৰি দলিয়াই দলিয়াই মৰা হয়। বাঁহৰ সৰু সৰু কামিত লাও, বেঙেনা, থেকেৰা, হালধি আদি শালি লৈ পূৰ্বৰে পৰা সাজু কৰি ৰখা হয় গৰুৰ গা ধুওৱা পৰ্বৰ পূৰ্বে। ইয়াক চাত বোলা হয়। কোনো কোনো ঠাইত চাক বুলিও কোৱা হয়। বেলেগ বেলেগ ঠাইত ইয়াক বেলেগ নামেৰেও জনা যায়। জনবিশ্বাস অনুসৰি এইদৰে লাও, বেঙেনা, থেকেৰা। হালধি আদিৰে চাত মাৰিলে গৰুৰ বছৰটোলৈ সুস্থ হৈ থাকে। মাৰি-মৰক আদিৰ পৰা আতৰি থাকিব পাৰে পশুধন। চাত মৰাৰ পিছত গা ধুই গৃহস্থ নাইবা গৰুৰ লগত লাগি থকা পৰিয়ালৰ লোকে আনৰ লগত চাতৰ সাল-সলনি কৰাৰ পৰম্পৰা আজিও কিছুমান ঠাইত বৰ্তি আছে।

সুস্থ-সবল গৰু থকা লোকৰ লগতহে এই চাত সলনি কৰাৰ চেষ্টা কৰা হয়। বিশ্বাস কৰা হয় যে এনেদৰে চাত সলনি কৰিলে গৰুৰ সু-স্বাস্থ্যৰ শক্তি সঞ্চালিত হয়। কেৱল যে পৰম্পৰা অনুসৰি চাতেই সলনি কৰে এনে নহয়। সেইদিনা গৰু কোবোৱা দীঘলতী, মাখিয়তি আদিও বেলেগৰ লগত সলনি কৰি আনি পুনৰ গোহালিৰ চালত থৈ দিয়া হয়। এনে কৰিলে বোলে গোহালিৰ গৰুবোৰে বছৰটোৰ বাবে কোনো বেমাৰ-আজাৰৰ পৰা হাত সাৰি থাকিব

পাৰে। লগতে গা ধুৱাবলৈ নিওতে পূৰ্বেই যোগাৰ কৰি থোৱা মাখিলতী আৰু দীঘলতীৰে গৰুৰ গাত মৃদুকৈ কোবোৱা হয়। তেতিয়া চহা লোক সকলে গায়—

দীঘলতীৰ দীঘল পাত
মাখি মাৰো জাক জাক
মাখিয়তিৰ মাখিপাত
মাখি মাৰো জাক জাক।

গৰু বিহুৰ দিনা এইদৰে দীঘলতী আৰু মাখিয়তিৰে কোবালে আৰম্ভ হ'বলগীয়া বছৰটোৰ পৰৱৰ্তী দিনবোৰ মহ-দাহ আদিৰ আক্ৰমণৰ পৰা আঁতৰি থাকিব পাৰি গৰু-ম'হ আদি। স্থানভেদে এই জনবিশ্বাস আৰু পৰম্পৰা বেলেগ বেলেগ।

এই বছৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে নিজ নিজ পৰম্পৰা অনুসৰি উলহ-মালহেৰে পালন কৰা হব গৰু বিহু। এই গৰু বিহুৱে বহন কৰি আহিছে অসমীয়া চহা জীৱনৰ বিভিন্ন লোকবিশ্বাস।

গৰু বিহুৰ দিনাই পৰম্পৰা অনুসৰি কাহিলীপুৰাতে গৃহস্থই গৰু গোহালিলৈ আহি গৰুবোৰ শুই আছে নে থিয় হৈ আছে লক্ষ্য কৰে। জনবিশ্বাস অনুসৰি গোহালিৰ গৰুবোৰ থিয় হৈ থকা দেখে তেন্তে সেই বছৰটোত বানপানী হোৱাৰ সম্ভাৱনা থাকে। আনহাতে যদিহে গৰুবোৰ শুই থকা দেখে তেন্তে বানপানী নহয় বুলি এক বিশ্বাস চলি আহিছে।

গৰু বিহুৰ এক এৰাব নোৱৰা পৰম্পৰা হ'ল জাগ দিয়া পৰম্পৰা। কিছুমান ঠাইত ইয়াক ধোঁৱা দিয়া বুলিও কোৱা হয়। গৰুক গা ধুওৱাৰ পিছৰে পৰা প্ৰস্তুতি আৰম্ভ হয় গৰুক জাগ দিয়াৰ। সাধাৰণতে কৃষকে গৰুক ধুৱাই বাহিৰে বাহিৰে নৈৰ পাৰ বা সমীপৱৰ্তী অঞ্চলৰ পৰা জাগ দিবলৈ বিভিন্ন প্ৰাকৃতিক গছ-বন আদি সংগ্ৰহ কৰে।

তৰা গাজ, অগৰা, বেহু আদি সংগ্ৰহ কৰি আনে ঘৰলৈ। সন্ধিয়াৰ পূৰ্বে গোহালিৰ সন্মুখত ধান খেৰ, তুঁহ, মাখিয়তিৰ লগতে তৰা গাজ, অগৰা, বেহু আদি জাপি এটা সৰু দ'ম কৰা হয়। এই দমটোত জুই লগাই দি গোহালিত ধোঁৱা দিয়া হয়। ইয়াক জাগ দিয়া বোলা হয়। এনে কৰিলে ঘৰৰ গৰুকেইটা

মহ, ডাঁহ, মাখি আদিৰপৰা বছৰটোলৈ ৰক্ষা পৰাৰ লগতে গৰুবোৰ চৰ্ম ৰোগৰ পৰা বাচি থাকিব পাৰি বুলি এক জনবিশ্বাস আছে। ইয়াৰ পিছত পৰম্পৰাগতভাৱে গৰু বিহুৰ দিনা সলোৱা হয় গোহালিৰ সকলো পুৰণি গৰু বন্ধা পঘা। মৰাপাতেৰে প্ৰস্তুত কৰা নতুন পঘা দিয়া হয়। অৰ্থাৎ কৃষিজীৱী পৰিয়ালৰ সদস্য জ্ঞান কৰি গৰুক নতুন পঘা দিয়া হয়। গৰু বিহুৰ দিনা সন্ধিয়া জাগ দিয়া চাফ-চিকুণ কৰি ৰখা গোহালিত নতুন পঘাৰে গৰু বন্ধা হয়। তাৰ পিছতেই গৰুক কেঁচা পিঠাগুড়িৰে প্ৰস্তুত কৰা লাড়ু সদৃশ পিঠা মৰমেৰে খুওৱা হয়। কিছুমান ঠাইত এই পৰম্পৰা দেখা পোৱা নাযায়।

টিকনি বৰুৱা হ'ল এবিধ কাঁইটীয়া মধ্যমীয়া শকত লতাজাতীয় ঔষধি গছ। ঘৰৰ দুৱাৰডলিত এই লতাৰ অংশ কাটি আনি গৰু বিহুৰ দিনা আঁৰি দিয়া হয়। বিশ্বাস কৰা হয় যে এইদৰে টিকনী বৰুৱা আঁৰিলে ঘৰত আহি থকা গৰমৰ দিনকেইটাত সাপ আদিৰ প্ৰৱেশ নঘটে।

গৰু বিহুৰ দিনা অসমীয়া সমাজত এবিধ শাকৰ আঞ্জা খোৱাৰ পৰম্পৰা চলি আহিছে। গৰু বিহুৰ দিনা পথাৰ আৰু বাৰীৰ পৰা বুটলি অনা এশ এবিধ শাক খোৱাৰ পৰম্পৰা চলি আহিছে।

এই দিনটোত খোৱা শাকৰ নাম হৈছে— সৰু মানিমুনি, বৰ মানিমুনি, মচন্দৰী, নৰসিংহ, তিতা ভেঁকুৰী, পনৌনৌৱা, ঢেঁকীয়া, তিতামৰা, টেঙেচি, চজিনা, কালমেঘ, জিলমিল, কচুঠুৰি, কলমৌ শাক, কেঁহৰাজ, খুতুৰা শাক, কাঁটা খুতুৰা, গাজৰ, লাইজাবৰি, শুকলতি, দহিকচু, ওলকচু, টিকনিবৰুৱা, ধনিয়া পাত, চুকাশাক, দোৰোণবন, নেফাফু, পদিনা, পুৰৈ শাক, পালেং, পাতেগজা, পানী টেঙেচি, ব্ৰাহ্মী শাক, বাহক তিতা, ভাঙৰ পাত, মহাভৃংগৰাজ, মটৰ মাহ, মহানিম, মেথিশাক, মাটিকাঁদুৰি, মূলা, মালভোগ শাক, মৰিচা শাক, মানকচু, সৰিয়হ শাক, কাচকল, বনজালুক, টেঙামৰা, তিতাফুল, চেংমৰা, মধুসোলেং, তিতা কেৰেলা, কপৌঢেঁকীয়া, বেতগাজ, তেজপাত, তিঁয়হ, চিৰতা, কেঁচা জলকীয়া, কালজিৰা, উৰহী, পচলা, কঁঠাল, অমিতা, ৰঙালাউ, মৰলীয়া, বাবৰিশাক, হেলচি শাক, শুহনিবন, তিতাফুল, মোৱা আলু, বকফুল, ভাতকেৰেলা, আদা, হালধি, ভূতমলা, ফুটকলা, জেতুলীপকা, কলডিল, বিলাহী, চয়াবিন, নহৰু, পিঁয়াজ, জালুক, ৰঙাআলু,

আলু, পানীলাউ, ৰঙা মৰিচা, ভোট জলকীয়া, কাঁজিনেমু, শেৱালি ফুল, বেঙেনা, জিকা, ভোল, ফেচবিন, ভেন্দি, মানধনিয়া, লেচেৰামাহ, ভুঁই আমলখি, ধঁপাত তিতা আদি।

এই আঞ্জাত গৰুৰ চাতত দিয়া লাও, বেঙেনা, হালধি, থেকেৰা আদিও দিয়া হয়। বিশ্বাস কৰা হয় যে এনেকৈ এশ এবিধ শাক খালে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়।

পূৰ্বৰ সময়ত বহুলোকে গৰু বিহুৰ দিনা পৰম্পৰাগতভাৱে নাহৰ পাতত এক মন্ত্ৰ লিখি ঘৰৰ চালত গুঁজি থৈছিল। এতিয়াও বহু লোকে এই ৰীতি পালন কৰে। লোকবিশ্বাস আছে যে নাহৰ পাতত লিখা এনে মন্ত্ৰই বছৰটোত ধুমুহা, ঢেৰেকনি, বজ্ৰপাত আদিৰ পৰা ঘৰখনক বচাই ৰাখে। মূলতঃ বিপদৰ সময়ত ত্ৰাণকৰ্তা বুলি বিশ্বাস কৰা শিৱলৈ প্ৰাৰ্থনা জনাই নাহৰ পাতৰ ভিতৰৰ ফালে লিখা হয় এইদৰে—

"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ।
বাত বৃষ্টি হৰংদেৱ মহাদেৱ নমস্তুতে।"

অসমীয়া কৃষিজীৱী লোকৰ সংখ্যা দিনক দিনে হ্ৰাস পাই আহিছে। হ্ৰাস পাই আহিছে খেতিৰ ভূমি। হ্ৰাস পাই আহিছে ঘৰত গৰু পোহা কাৰ্য।

গাঁওবোৰত এতিয়া চহৰৰ প্ৰভাৱ। কিছুমানে গৰু পুহিলে আনৰ দৃষ্টিত সৰু হৈ যাব বুলি গণ্য কৰি গোধন নোপোহা হৈছে। তথাপি গৰু বিহুৰ দিনা সকলোৰে গৰু ধুৱাবলৈ উৎসুক হৈ থাকে।

# বনৰ কপৌ ফুলিছে বাগিচাত

পাহাৰে ভৈয়ামে ঘূৰিনো ফুৰিছো
কপৌ ফুল এপাহিৰ বাবে,
কপৌ ফুল নাপালে বিহুকে নানাচে
প্ৰতিজ্ঞা কৰিছে ধনে....

ব'হাগ মানেই কপৌফুল, ব'হাগ মানেই দুহাতত জেতুকাৰ বোল। প্ৰাণচঞ্চলা প্ৰকৃতিয়ে ন-সাজেৰে দিয়ে ব'হাগৰ বতৰা। ঢোল-পেঁপাৰ শব্দত ৰজন জনাই থাকে ৰাজ্য। বাৰী কাষৰ আমজোপায়ো মলিয়াবলৈ ধৰিছে। গছৰ ডালত পৰি কুলি-কেতেকীয়েও দিয়ে ব'হাগৰ বতৰা। কপৌ, নাহৰ, তগৰ, খৰিকাজাঁইৰ সুবাসত চৌদিশ হয় আমোলমোল। প্ৰকৃতিয়েও দিছে অসমীয়াৰ আয়ুস ৰেখা হেঁপাহৰ ব'হাগৰ আগজাননী। ব'হাগত আপোনজনক এখনি বিহুৱান দিবলৈ তাঁতশালত ব্যস্ত হয় গাঁৱৰ জীয়ৰী-বোৱাৰীসকল। ব'হাগৰ বতাহত কঁপে ন-কুঁহিপাত। ঢোল-পেঁপা-গগনাই কওক অথবা ঢেঁকীয়েই হওক, কেউফালে গা-মন ৰাইজাই কৰা শব্দ। তথাপি জানো বসন্তৰ চিনাকি কপৌফুলপাহিৰ অবিহনে সম্পূৰ্ণ হ'ব ব'হাগ! ৰঙালী বিহু বুলিলেই অসমীয়াৰ চকুত ভাহি থকা কপৌপাহি। কপৌ পিন্ধিলেহে বিহুৱতী চেনাইক অতিকৈ ধুনীয়া দেখি। বিহুগীতত এইদৰে প্ৰকাশ ঘটিছে—

নেঘেৰি খোপাতে কপৌফুল এপাহি
সোণৰ সুৰগা চৰে তোমাৰ মুখলৈ চাবকে

নোৱাৰি দেহা মোৰ কেনেবা কৰে।
দেহা মোৰ কেনেবা কৰে।।

ব'হাগৰ সাতবিহুৰ ভিতৰতে মনৰ জোখাৰ গাভৰুজনীক কপৌফুল যাচি প্ৰেম নিবেদন কৰিবৰ বাবে ডেকাই বনৰ পৰা কপৌফুল বিচাৰি আনে আৰু তাৰে এনেদৰে প্ৰকাশ ঘটে বিহুগীতত—

পাহাৰ বগাই বগাই কপৌফুল আনিছো
তোমাক দিবলৈ বুলি মোৰ চেনাই ঐ
তোমাক দিবলৈ বুলি...

কপৌ ফুলক ইংৰাজী Foxtail Orchid বুলি কোৱা হয়। ইয়াৰ বৈজ্ঞানিক নাম হৈছে Rhynchostylis retusa আৰু ই এবিধ ভান্দা গোটৰ আকৰ্ষক অৰ্কিড প্ৰজাতি। এই অৰ্কিডৰ ফুল প্ৰায় এশতকৈয়ো অধিক বগা ৰঙৰ ওপৰত গুলপীয়া ফুট ফুট থকা ফুলৰ এক সমষ্টিৰ ৰূপত পোৱা যায়।

বিহুগীতত কপৌ ফুলৰ বিষয়ে এনেদৰে গোৱা হয়—

ৰিঙেকৈ পহুৰে শিঙে মোৰ মইনা ৰিঙেকৈ পহুৰে শিং
চতাই পৰে বতৰ কপৌফুল আনিছো
খোপাতে পিন্ধায়ে দিম।

বিহুগীতসমূহত থকা কপৌফুলৰ বৰ্ণনাই ইংগিত দিয়ে অসমীয়াৰ অন্তৰত তথা আমাৰ জাতীয় জীৱনত কপৌফুল পাহিৰ আদৰ আৰু গুৰুত্ব কিমান, ই হৈছে সৌন্দৰ্য আৰু প্ৰেমৰ প্ৰতীক। ডেকাই গাভৰুৰ খোপাত কপৌফুল এপাহি গুঁজি প্ৰেম নিবেদন কৰে, মৰমৰ গভীৰতা প্ৰকাশ কৰে। চেনাই ধনে খোপাত গুঁজি দিয়া কপৌফুল পিন্ধি নাচনী গাভৰুৱে বিহু নাচে।

কপৌ ফুল এপ্ৰিল আৰু মে' মাহত ফুলে। অৰ্থাৎ ব'হাগ বিহু সময়ত এই ফুল জাতিষ্কাৰ হৈ পৰে। কপৌ ফুল সমগ্ৰ বিশ্বৰ প্ৰায়ভাগ দেশৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চল, বিহাৰ, হিমাচল প্ৰদেশ, বেংগালুৰু আদি ঠাইত বেছিকৈ পোৱা যায়। কিন্তু ঠাইভেদে ইয়াৰ নাম, ৰূপ, ৰং আৰু আকাৰ ভিন্ন হোৱা দেখা যায়। প্ৰায় ৭৬বিধ কেৱল অসমতে উপলব্ধ। অসমৰ পাহাৰ, ভৈয়াম সকলোতে কপৌফুল পোৱা যায়। জামু, নাৰিকল, কঁঠাল, আম আদি গছত কপৌ ফুলে প্ৰাণ পাই উঠে। ইয়াৰ ৰং সাধাৰণতে

বগা, পাতল গুলপীয়া, বেঙুনীয়া হয়। বিশ্বৰ বিভিন্ন ঠাইত কপৌ ফুলৰ নাম বেলেগ বেলেগ হয়। ফৰাচী ভাষাত 'নাৰ্ডিলিয়া', ইংলণ্ডত 'লিন', চীনদেশত 'লেন' বুলি কয়। পোৱা যায়। প্ৰায় ৭৬বিধ কেৱল অসমতে উপলব্ধ। অসমত আকৌ এইবিধ ফুলৰ আদৰ বেছি। যদিও ব'হাগ মাহত কপৌ ফুলৰ আদৰ বেছি তথাপি বছৰৰ বাৰ মাহতে ইয়াৰ গুৰুত্ব আছে। সৌন্দৰ্য আৰু মিঠা সুবাসত ভিত্তি কৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, কইনাৰ কেশসজ্জা, বিয়া-বাৰু আদিত ব্যৱহাৰ কৰাৰ পৰম্পৰা চলি আহিছে। সেইবাবে অসমত কপৌ ফুলৰ চাহিদা আজি বিশ্বায়নৰ যুগতো কমা নাই, বৰং বৃদ্ধি পাইছে।

ব'হাগ বিহু আৰু কপৌফুলৰ সম্বন্ধ গভীৰ আৰু সেয়ে বিহুগীতত হোৱা হয়—

চেনাই তই আনিবি কপৌফুল এপাহি
খোপাতে গুঁজি ল'ম মই
আঁহতৰ তলতে মই হ'ম নাচনী ঢুলীয়া হ'বিগৈ তই...।

আজিকালি কপৌ ফুলৰপৰা বিভিন্ন চাবোন, প্ৰসাধন সামগ্ৰী, তেল, মলম আদি প্ৰস্তুত কৰাত ইয়াৰ চাহিদাও বাঢ়িছে। বৈদিক যুগৰপৰাই এই ঈশ্বৰপ্ৰদত্ত পৰাশ্ৰয়ী উদ্ভিদজোপা বিভিন্ন পূজা-পাতল আদিৰ লগতে ৰোগ প্ৰতিষেধক বনৌষধি হিচাপে ব্যৱহৃত হৈ আছে।

ব'হাগ বিহু বুলি ক'লেই প্ৰতিজন অসমীয়াৰ গা সাতখন আঠখন হয়। মন হৈ পৰে উগুল-থুগুল। কুলি-কেতেকীৰ সুৰীয়া মাত, নাহৰ-কপৌফুল আদিয়ে লৈ আনে ব'হাগৰ বতৰা। বসন্তৰ আগমনৰ লগে লগে ধৰণী হৈ পৰে উৰ্বৰা, সেউজী কোমল-কুঁহিপাতৰ ওৰণি লৈ প্ৰকৃতি যেন হৈ পৰে চঞ্চলা, যৌৱনা। ব'হাগ বিহুৰ লগত কপৌফুলপাহিৰ সম্পৰ্ক ওতপ্ৰোত। কিন্তু কেৱল ব'হাগ বিহু বা অসমীয়া লোক-সংস্কৃতিৰ দিশৰ পৰাই নহয়, স্বাস্থ্য সম্পৰ্কীয় দিশৰ পৰাও কপৌফুল অতি গুৰুত্বপূৰ্ণ। কপৌফুল দেখিবলৈ যিদৰে ধুনীয়া, সেইদৰে ই নানাবিধ ঔষধি গুণেৰেও পৰিপুষ্ট।

প্ৰতিজন অসমীয়াৰ দেহ-মন শিহৰিত আৰু পুলকিত কৰা এটি নাম। বসন্ত ঋতুৰ আগমনৰ লগে লগে চ'ত-ব'হাগ মাহত ফুলি উঠা কপৌপাহিয়ে যেন লৈ আহে ব'হাগৰ বতৰা আৰু সজাই তোলে প্ৰকৃতিক ন-ৰূপত। এই

সময়ত কপৌপাহিয়েও যেন অধীৰ আগ্ৰহেৰে বাট চাই বয় কোনোবা নাচনী গাভৰুৰ কলডিলীয়া খোপা শুৱনি কৰিবলৈ। অসমীয়াৰ জাতীয় জীৱনত কপৌফুলপাহি অতি আদৰৰ। ঋতুৰাজ বসন্তত অপৰূপ সৌন্দৰ্যৰে আত্মপ্ৰকাশ কৰা এই কপৌফুল জীৱন্ত প্ৰেমৰ প্ৰতীক।

অসমীয়াৰ হিয়াৰ আমঠু ব'হাগ বিহুৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে কপৌফুল।। বিহুৰ দিনা স্বামীয়ে নিজৰ স্ত্ৰীৰ খোপাত প্ৰেম, বিশ্বাস, মৰমৰ চিনস্বৰূপে কপৌফুল গুঁজি দিয়ে। ই প্ৰজননৰ প্ৰতীক হিচাপেও সমাজত সমাদৃত। আজিকালি অসমৰ বিভিন্ন ঠাইত এনে কপৌ ফুলৰ খেতি কৰা হৈছে বৈজ্ঞানিকভাৱে। আগতে বনত ফুলা ফুলবিধ এতিয়া বাগিচাত ফুলিছে। অৰ্থাৎ এই ফুলবিধৰ গুৰুত্ব কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। আনকি বহুত দিনলৈ সংৰক্ষিত কৰি ৰাখিব পৰাৰ ব্যৱস্থাও হৈছে।

হিয়া উজাৰি প্ৰেম বিনিময় কৰাৰ অপাৰ অভিলাষ জাগ্ৰত হয় আৰু আনন্দত আত্মহাৰা হৈ বিহুৱা ডেকাদলে গায়-কু-উ-কু-উ কৰি কুলিয়ে বিনালে—

গছে-বনে সলালে পাত
নাহৰ ফুলিলে কপৌ ফুলিলে
ততে নাইকিয়া গাত...।

# বিহুমঞ্চত বিতৰ্ক কিয় ?

শিল্পীক অপমান আৰু মঞ্চত অসমীয়া সাজ পোচাক পৰিধান কৰা বিষয়ক লৈ বিগত কিছুদিন ধৰি হোৱা বিতৰ্কক লৈ উত্তাল হৈ আছে ৰাজ্য। বিহুৰ মঞ্চত অসমীয়া সাজ-পোছাক পৰিধান কৰি সংগীত বা অনুষ্ঠান পৰিবেশন কৰাক লৈ হোৱা বিতৰ্ক নতুন নহয়। বিগত কেইটামান বছৰত এই বিতৰ্ক অব্যাহত আছে। বিশেষকৈ সাতবিহুৰ সময়ত। এই দিনকেইটাত সকলোৱে অসমীয়া সাজ-পোচাক পৰিধান কৰাক লৈ একাংশ সৰৱ হৈ পৰে। এইখিনিতে এটা কথা কওঁ যে আমি কোনো আয়োজক সমিতিয়ে নিয়ম বান্ধি দিয়া আৰু অসমীয়া সাজ-পোচাক পৰিধান কৰা বিষয়টোৰ বিৰোধিতা কৰা নাই। বৰঞ্চ সকলোৱে এই বিষয়ত সন্মানহে জনাব লাগে। মাথোঁ বিহু মঞ্চত সঘনাই হৈ থকা বিতৰ্কৰ প্ৰসংগতহে মনলৈ অহা কেইটামান বিষয় উল্লেখ কৰিব খুজিছো।

বছৰৰ আন সময়ত কথা বাদেই— বিহুৰ দিন কেইটাত অসমীয়া খাদ্যৰ পৰিৱৰ্তে বিদেশী খাদ্য খোৱা একাংশ লোক এই সময়ত অসমীয়া সাজ-পোচাক পৰিধান কৰা বিষয়ৰ প্ৰবক্তা হৈ পৰে। নিজৰ ল'ৰা-ছোৱালীক অৰ্ধনগ্ন কৰি বিহু মঞ্চৰ আগত বহুৱাই গৰ্ব অনুভৱ কৰা একাংশ তথাকথিত অসমীয়াই মঞ্চত উঠিলে ধূতি, চুৰিয়া, পাঞ্জাবী পিন্ধি ডিঙিত এহাতমান ফুল থকা গামোচা পিন্ধা লোকৰ সংখ্যা কম নহয়। ৰঙালী বিহুৰ কেইদিনতো ঘৰত পশ্চিমীয়া সাজ-পোচাক পৰিধান কৰি পিজ্জা, ইড্‌লি, নান, ৰুমালি ৰুটি, কফি হাউচত বহুজাতিক কোম্পানীৰ দ্বাৰা উৎপাদিত খাদ্য গ্ৰহণ কৰি গধূলি বিহুমঞ্চত অসমীয়া সাজ পৰিধান কৰা লোকসকলেই এতিয়া অসমীয়া সাজ-পোচাকৰ

প্ৰবক্তা হৈ পৰিছে। আয়োজক কমিটীৰ সভাপতি আৰু সাধাৰণ সম্পাদকে অসমীয়া সাজ পৰিধান কৰে যদিও কমিটীখনৰ আন কেইজন বিষয়ববীয়াই কেনে পোচাক পিন্ধে সেয়া সকলোৰে জ্ঞাত। কেৱল শিল্পীসকলে বিহুমঞ্চত অসমীয়া সাজ-পোচাক পৰিধান কৰিলে নহ'ব, মঞ্চৰ সন্মুখত থকা দৰ্শক সকলে এই পোচাক নিপিন্ধিলে কিবা লাভ আছে জানো? বাৰু মানি লোৱা হ'ল যে মঞ্চৰ সন্মুখত কেৱল অসমীয়া মানুহেই নাথাকে, আন জাতিৰ লোকসকলেও অনুষ্ঠান উপভোগ কৰে বাবে সকলোৰে নিজৰ ইচ্ছামতে কাপোৰ পিন্ধিব পাৰে। কিন্তু শিল্পীসকলক কেইখন আয়োজক সমিতিয়ে অসমীয়া খাদ্যৰে বিহু মঞ্চৰ পিছফালে আপ্যায়ন কৰে? তেতিয়া অসমীয়া পোচাক সন্দৰ্ভত মন্তব্য দিয়া তথাকথিত প্ৰবক্তাসকলৰ মাত নোলায় কিয়? আয়োজক কমিটীয়ে বিহুমঞ্চৰ আশে-পাশে যিবোৰ দোকান দিবলৈ অনুমতি প্ৰদান কৰে সেইবোৰত অসমীয়া খাদ্য বিক্ৰী কৰেনে? এই ক্ষেত্ৰত প্ৰবক্তা সকলো নিমাত। মঞ্চত কেৱল শিল্পীসকলে অসমীয়া পোচাক পৰিধান কৰিলেই বিহুৰ পৰম্পৰা ৰক্ষা নহ'ব। অসমীয়া সাজ-পোচাক পৰিধান কৰি মঞ্চত উঠাৰ আগত অথবা পিচত আয়োজকসকলে বিদেশী খাদ্য খাই অসমীয়া লোকৰ অভিভাৱক হ'ব পাৰে জানো? কেৱল বিহুৰ কেইদিন অসমীয়া সাজ-পোচাক পৰিধান কৰিলেই যে বিহুৰ পৰম্পৰা ৰক্ষা হ'ব তেনে কোনো কথা নাই।

কোনো এখন বিহুৰ আয়োজক কমিটীয়ে কেৱল শিল্পীৰ পোচাকৰ ক্ষেত্ৰত নিয়ম বান্ধি দিলেই অসমীয়া জাতিৰ সন্মান ৰক্ষা নপৰে। আন বিষয়সমূহো চালি-জাৰি চাব লাগিব। বিগত সময়ত অসমৰ কেইবা ঠাইত একাংশ আয়োজকে মদ্যপান কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। আনহাতে একাংশ শিল্পীয়েও সুৰাৰ ৰাগীত ভালদৰে অনুষ্ঠান পৰিৱেশনেই কৰিব নোৱৰা পৰিস্থিতিৰো সৃষ্টি হোৱা দেখা গৈছে।

বিহুমঞ্চৰ বিতৰ্ক নতুন নহয়। কেতিয়াবা যদি হিন্দী গীত পৰিৱেশন কৰাক লৈ বিতৰ্ক, আন কেতিয়াবা পোচাক বিতৰ্ক। কেতিয়াবা যদি বিহুনৃত্যক লৈ বিতৰ্ক, আন কেতিয়াবা শিল্পীৰ মাননি বন্দোৱস্তি মতে নিদিয়াকলৈ হুলস্থুল। আনকি শিল্পীয়ে কান্দিও অভিযোগ কৰাৰ ঘটনা বিহুৰ মঞ্চতেই ঘটিছে। বিগত কেইটামান বছৰত এই বিতৰ্কই চৰম পৰ্যায় অতিক্ৰম কৰিছে।

শিল্পী আৰু আয়োজকসকলৰ মাজত সদায় সমন্বয় ৰক্ষা কৰিবলৈ চেষ্টা কৰা উচিত। কাৰণ মঞ্চ এখনত এটা অনুষ্ঠান সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ দুয়োপক্ষৰ বুজাবুজিৰো প্ৰয়োজন। যদি দুয়োপক্ষই নিজৰ নিজৰ স্থিতিত আঁকোৰগোজ হৈ থাকিলে বিতৰ্ক বাঢ়ি গৈহে থাকিব। এনে কাৰ্যই এটা নেতিবাচক বাৰ্তাহে সমাজলৈ প্ৰেৰণ কৰিব। কাৰণ আজিকালি যিকোনো ঘটনাই মিনিটৰ ভিতৰতেই ৰাষ্ট্ৰ হৈ পৰে। যদিহে এনে বাৰ্তা ৰাজ্যৰ বাহিৰৰ লোকৰ মাজলৈ যায় তেতিয়া ৰঙালী বিহুৰ অনুষ্ঠান সম্পৰ্কে নিশ্চয় এক নেতিবাচক বাৰ্তাহে যাব। তদুপৰি আয়োজক সমিতিৰ লগত শিল্পীৰ মাজত থকা সম্পৰ্কৰ ব্যৱধান যিমানেই বৃদ্ধি পাব সিমানেই সমাজত নেতিবাচক বাৰ্তা বাঢ়িলে নৱ প্ৰজন্মৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব।

দায়বদ্ধতা সকলোৰে আছে। কেৱল শিল্পীৰেই নহয়— আয়োজক-দৰ্শক সকলোৰে। এক হৈ থাকিলেহে আমি আমাৰ সাংস্কৃতিক ধৰি ৰাখিব পাৰিম। কোনোবাই যদি নিয়ম বান্ধি দিয়ে সেই কথা সকলোকে জ্ঞাত কৰিব লাগিব। চিনাকি কোনো শিল্পীয়ে বিহু উপভোগ কৰিব আহিল বুলিয়েই মঞ্চত নি গান গাব দিব সেই অপমানো শিল্পীক নকৰিব। আনহাতে শিল্পীক সমিতিয়ে অনুষ্ঠান পৰিৱেশনৰ বাবে ধন দিলে বুলিয়ে যে নিজৰ ইচ্ছামতে নিশা দুপৰত মঞ্চত তুলিব, দুৰ্ব্যৱহাৰ কৰিব সেয়া হ'ব নোৱাৰে। এনে নহয় যে শিল্পীসকল দায়বদ্ধ নহয়। তেওঁলোকো সমানেই দায়বদ্ধ। সেইবাবেই দৰ্শকক নিৰাশ নহ'বৰ বাবে নিজৰ বাদ্যযন্ত্ৰী দুৰ্ঘটনাত পতিত হোৱাৰ পিছতো জুবিন গাৰ্গে সংগীত অনুষ্ঠান পৰিৱেশন কৰিছে। জুবলি বৰুৱাই ভাতৃ আই চি ইউত থকাৰ সময়তে ৰাইজৰ মাজত গীত গাইছে। মনত বেদনা থাকিলেও ৰাইজৰ মনত দুখ দিয়া নাই। গতিকে সকলোৰে দায়বদ্ধতাৰে সমাজখন আগুৱাই নিয়াত প্ৰত্যক্ষভাৱে সহায় কৰিব লাগিব। কেৱল ৰঙালী বিহু বুলিয়ে নহয়; অসমীয়া সংস্কৃতি জীয়াই ৰাখিবলৈ সকলোৰে সমানেই দায়বদ্ধ হ'ব লাগিব। কোনো মঞ্চত বিতৰ্ক হ'ব নালাগে। ডাঙৰ শিল্পী, সৰু শিল্পী, সৰু কমিটী, ডাঙৰ কমিটী বুলি কোনো কথা নাই। সকলো মানুহে সমান, সকলো কমিটী একে ডাঙৰ-সৰু আমিহে কৰিছো। সকলোৰে সন্মান পাব লাগে।

# অসমক এখোজ আগুৱালে মেগা সন্মিলনে

ৰাষ্ট্ৰ অথবা ৰাজ্য এখনৰ আৰ্থ-সামাজিক উত্থানত নিৰ্ভৰ কৰে বিনিয়োগৰ ভিত্তিত। মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰতো বিনিয়োগ আদিৰ গুৰুত্ব অপৰিসীম। বৃহৎ পৰিমাণৰ বিনিয়োগ অবিহনে সামগ্ৰিকভাৱে আগুৱাই যোৱাৰ পথ মসৃণ নহয়। এই বিনিয়োগ নিজ ৰাজ্য, দেশ তথা বিদেশৰ পৰা হ'লে বিকাশৰ গতি হয় দ্ৰুত। যি দেশ বা ৰাজ্যত বিনিয়োগ বেছি সেইবোৰ ৰাজ্যই বিকাশৰ দিশত কোনো বাধা নোহোৱাকৈ আগুৱাই যাবলৈ সক্ষম হয়। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত গুজৰাট, দিল্লী, মহাৰাষ্ট্ৰ আদিত বিদেশী ৰাষ্ট্ৰ আদিয়ে যিদৰে বিগত সময়ত বিনিয়োগ কৰি আহিছে অসমৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত ছবি এখন প্ৰতিফলিত হৈ আহিছে। বিগত সময়ত অসমত বিনিয়োগ কৰিবলৈ আগবাঢ়ি অহা কোম্পানী, প্ৰতিষ্ঠান, গ্ৰুপৰ সংখ্যা আছিল আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। কিন্তু বিগত সময়ত অসমত বিনিয়োগকাৰীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। অসমত নতুন চিন্তাৰে প্ৰগতিশীল মুখ্যমন্ত্ৰী হিচাপে পৰিচিত হিমন্ত বিশ্ব শৰ্মাই যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়াই ইতিহাস ৰচনা কৰিলে। এডভাণ্টেজ অসমৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে যি কাৰ্য সম্পাদন কৰিছে সেয়া অসমৰ নিবনুৱা সমস্যা সমাধানৰ লগতে অৰ্থনৈতিক উন্নয়নত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। এইবাৰ এডভাণ্টেজ অসমত দেশ-বিদেশৰ বহুতো বিনিয়োগকাৰী আগবাঢ়ি আহিছে। অসমৰ ইতিহাসত ইয়াৰ পূৰ্বে ইমান

বিনিয়োগকাৰী লগ হোৱাৰ নজিৰো নাই। মুখ্যমন্ত্ৰীৰ এই পদক্ষেপ ইতিহাসৰ পৃষ্ঠাত সদায় জিলিকি থাকিব। প্ৰায় পাচ লাখ কোটি অধিক টকা এডভাণ্টেজ অসম ২.০ত বিনিয়োগ হোৱাৰ বাবে চুক্তি স্বাক্ষৰ কৰা হৈছে। বিৰোধীয়ে যিয়েই নকওক কিয় মুখ্যমন্ত্ৰীৰ পদক্ষেপক প্ৰশংসা কৰিবই লাগিব। এতিয়া বহুতে আগুৱাই আহিব বিনিয়োগ কৰিবলৈ। এইবাৰ সবাতোকৈ উল্লেখযোগ্য দিশ হৈছে যে দেশৰ বহুতো উদ্যোগপতি আগুৱাই আহিছে বৃহৎ পুঁজি বিনিয়োগ কৰিবলৈ।

অসম চৰকাৰৰ বিনিয়োগৰ মহা সন্মিলন এডভাণ্টেজ অসম ২.০ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী জ্যোতিয়াদিত্য সিন্ধিয়া, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা, ৬২খন দেশৰ ৰাষ্ট্ৰদূত, দেশ-বিদেশৰ উদ্যোগপতি তথা ঔদ্যোগিক ক্ষেত্ৰৰ প্ৰতিনিধি আৰু অসম চৰকাৰৰ মন্ত্ৰী পৰিষদৰ উপস্থিতিত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। একেখন মঞ্চতে ইমানসংখ্যক ৰাজনৈতিক নেতা আৰু বিনিয়োগকাৰী উপবিষ্ট হোৱাতো কম কথা নহয়। অসমত ইয়াৰ পূৰ্বে এনে পদক্ষেপ গ্ৰহণ কৰাৰ নজিৰ নাই।

এই সন্মিলনত টাটা ছন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনে ৫০ হাজাৰ কৌটি টকাৰ আৰ্থিক ব্যয়ৰ সৈতে জড়িত ম'বাইল মেনুফেকচাৰিং ইউনিট স্থাপনৰ কথাও সদৰী কৰাৰ বাবে চুক্তি সম্পাদন কৰিছে। ইপিনে ৩০,০০০ কোটি টকাৰে ৰাজ্যৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন লাভ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সহায় কৰিব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ আৰু উন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিআদিত্য সিন্ধিয়াক ব্ৰহ্মপুত্ৰৰ মাজেৰে বংগোপসাগৰৰ পৰা অপটিকেল ফাইবাৰ অনাৰ সম্ভাৱনীয়তা সন্দৰ্ভত অধ্যয়ন কৰিবলৈ অনুৰোধ জনাইছে। এই পৰিকল্পনা এবাৰ বাস্তৱায়িত হ'লে ই অসমত

দ্ৰুত আৰু নিৰ্ভৰযোগ্য তথ্য লাভৰ ক্ষেত্ৰত গেম চেঞ্জাৰ হিচাপে প্ৰমাণিত হ'ব সেয়া নিশ্চিত। এয়া অসমৰ বাবে এক উল্লেখযোগ্য দিশ বুলি গণ্য কৰিব পাৰি।

দেশৰ অন্যতম শীৰ্ষ উদ্যোগী গ্ৰুপ ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ অধ্যক্ষ মুকেশ আম্বানীয়ে অসমৰ বিশেষকৈ প্ৰযুক্তি আৰু ডিজিটেল খণ্ডত ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ দীৰ্ঘম্যাদী দায়বদ্ধতাত গুৰুত্ব আৰোপ কৰি আগন্তুক পাঁচ বছৰত অসমত ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰিব বুলি সদৰী কৰে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে দুটা বায়'গেছ ইউনিট, কৃষি উৎপাদন বৃদ্ধিৰ বাবে মেগা ফুড পাৰ্ক, ৭ তাৰকাযুক্ত হোটেল নিৰ্মাণ কৰাৰ উপৰি অসমত ৰিলায়েন্স ৰিটেইল ষ্ট'প বৰ্তমানৰ ৪০০ৰ ঠাইত দুগুণ কৰি ৮০০খনলৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। এই বিনিয়োগে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে ১০,০০০ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলিও আশা প্ৰকাশ কৰা হৈছে। আমাৰ ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ পথো এইটোৱেই প্ৰশস্ত কৰিব। যিখন ৰাজ্যত নিবনুৱা সমস্যা সমাধানৰ বাবে অহৰহ চেষ্টা চলাই থকা হৈছে সেইখন ৰাজ্যত ইমানসংখ্যক লোক নিয়োজিত হ'বলৈ সুযোগ লাভ কৰাৰ পথ মসৃণ হোৱাতো নিশ্চয় এক ইতিবাচক বাৰ্তা বুলি গণ্য কৰিব পাৰি।

ইফালে আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়ে ৰাজ্যত ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ কথা ঘোষণা কৰি বিমানবন্দৰ আৰু পথকে ধৰি একাধিক খণ্ডত এই বিনিয়োগ কৰা হ'ব বুলি ঘোষণা কৰে। আদানী গ্ৰুপে অসমত ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ফলত অসমত বিনিয়োগ বিমানবন্দৰ, এৰো-চিটি, চহৰৰ গেছ বিতৰণ, ট্ৰেন্সমিছন, চিমেণ্ট, পথ প্ৰকল্প আদিলৈ সম্প্ৰসাৰিত হ'ব। এইবোৰে কোনো এখন দেশৰ প্ৰগতিৰ ক্ষেত্ৰত ইতিবাচক দিশৰ সূচনা কৰে। কাৰণ এইবোৰৰ দ্বাৰাহে দেশ বা ৰাজ্যৰ প্ৰগতি সম্ভৱপৰ হয়গৈ।

ইতিমধ্যে বৃহৎ জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্পত ২৭,০০০ কোটি টকা বিনিয়োগ কৰা টাটা গ্ৰুপে এডভাণ্টেজ আছামত নৱীকৰণযোগ্য শক্তি খণ্ডত বিনিয়োগৰ কথা ঘোষণা কৰিছে। অসমত বিভিন্ন ক্ষেত্ৰত সুদীৰ্ঘকাল বহু বিনিয়োগ কৰি অহা টাটা গ্ৰুপে ছেমিকণ্ডাক্টৰ খণ্ডৰ উপৰি ম'বাইল ফোন

প্ৰযুক্তি সুবিধাত বিনিয়োগ আৰু ৰাজ্যত ৩০,০০০ চাকৰি সৃষ্টি কৰাৰ পৰৱৰ্তী পৰিকল্পনাৰ সম্পৰ্কে ঘোষণা কৰে টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে। এয়া নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে নিশ্চয় সু-খবৰ।

উদ্বোধনী অনুষ্ঠানত বেদান্ত গ্ৰুপৰ অনিল আগৰৱালা, জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দাল, এছ আৰ গ্ৰুপৰ অধ্যক্ষ প্ৰশান্ত ৰুইয়া আদিয়ে এডভাণ্টেজ আছামৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাটো উল্লেখযোগ্য দিশ বুলি কব পাৰি। বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালাই নিজৰ ভাষণত মন্তব্য কৰে যে আগন্তুক দুবছৰত অসমত ১,০০,০০০ বেৰেল তেল উৎপাদন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালে অসমত চিমেণ্ট আৰু শক্তি খণ্ডৰ নৱীকৰণ আৰু থাৰ্মেল দুয়োটা খণ্ডতে বিনিয়োগ কৰিব।

আনহাতে, নুমলীগড় ৰিফাইনেৰী লিমিটেডে ছালফাৰ গ্ৰেনুলেচন প্লাণ্ট, যোগীঘোপাৰ মাল্টি ম'ডেল টাৰ্মিনেল, পঞ্চগ্ৰামত ৰে'ল-ফেড টাৰ্মিনেল, গুৱাহাটীত প্ৰডাক্ট টাৰ্মিনেল আৰু এল পি জি বটলিং ফেচেলিটি, এ টি এফ উৎপাদনৰ বাবে মেৰক্স ইউনিট (৪০০ কে টি পি এ), মিথানলৰ পৰা ডাইমিথাইল এমাইন, ভাপ মিথেন (এছ এম আৰ) গেছৰ পৰা চি অ', গ্ৰীন হাইড্ৰ'জেন ইউনিট (১০ কে টি পি এ), চি অ'২ লিকুইফিকেচন প্ৰকল্প, বহনক্ষম বিমান পৰিবহণ টাৰ্বাইন ইন্ধন (৩০ কেটিপিএ), পলিপ্ৰ'পিলিন ইউনিটৰ বাবে বিনিয়োগৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

গ্ৰীনকো এনাৰ্জিছ প্ৰাইভেট লিমিটেডে ৫৮৫০ কোটি টকাৰ বিনিয়োগৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। ৰেলস্পান ৱৰ্ল্ডে চিণ্টেক্স বি এ পি এল লিমিটেডৰ অধীনত উচ্চমানৰ পাইপ আৰু পানী সংৰক্ষণ টেংক উৎপাদনৰ বাবে ৩৫০ কোটি টকা বিনিয়োগ কৰিব।

ইন্দ্ৰধনুষ পাৱাৰ গ্ৰীড লিমিটেডে দুলীয়াজানক উত্তৰ-পূব গেছ গ্ৰীডৰ সৈতে সংযোগ কৰিবলৈ বিনিয়োগ কৰিব ১২০০ কোটি টকা। সেইদৰে লীলাৱতী ফাউণ্ডেচন এল এল পিয়ে চিকিৎসা ক্ষেত্ৰত বিনিয়োগ কৰিব ১৫০ কোটি টকা। বায়' ফ্ৰেইগুছে ২৬০ কোটি টকাৰ বুজাবুজিৰ চুক্তি কৰিছে। এই প্ৰতিষ্ঠানটোৱে ডিব্ৰুগড়ৰ নামৰূপত ৮০,০০০ টি পি ৱাই ক্ষমতাৰ নতুন

ডাইমিথাইল ইথাৰ প্লাণ্ট স্থাপন কৰিব। ছিংগাপুৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰণালয়ৰ সৈতে অসম চৰকাৰৰ বুজাবুজি চুক্তি হৈছে। জাপানৰো এছিয়ান ওৱান কোম্পানী লিমিটেডৰ সৈতেও অসম চৰকাৰৰ বুজাবুজিৰ চুক্তি হৈছে। জাপানৰ ভাষা অসমত শিকোৱাৰ বাবে হৈছে চুক্তি। ইয়াৰ ফলত অসমৰ যুৱক-যুৱতীয়ে জাপানত লাভ কৰিব সংস্থাপন। গোৱেংকা এনাৰ্জিচ প্ৰাইভেট লিমিটেডে ৫,৮৫০ কোটি টকা বিনিয়োগ কৰাৰ বাবে চুক্তি কৰিছে।

সেইদৰে টাটা গ্ৰুপেও অসমত আগন্তুক সময়ত ৩০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰিছে। ইতিমধ্যে টাটা গ্ৰুপে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰি ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডৰ লগতে স্বাস্থ্য বিশেষ ভূমিকা পালন কৰিছে। এইবাৰ টাটা গ্ৰুপে এডভাণ্টেজ আছামত ইলেক্ট্ৰ'নিক্স আৰু ম'বাইলৰ এটা বৃহৎ মেনুফেকচাৰিং প্ৰকল্প অসমত স্থাপন কৰাৰ কথা ঘোষণা কৰিছে সেইদৰে ভূটানৰ পৰা টাটা পাৱাৰে অসমক দিব ৫০০ মেগাৱাট বিদ্যুৎ। লগতে টাটা পাৱাৰে অসমত দিব ৩ লাখ 'প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ'। আগন্তুক ৬-৭ বছৰত প্ৰতিবছৰে অসমত ১ গিগাৱাট নবীকৰণ শক্তি উৎপাদনৰ লক্ষ্য লৈছে টাটা গ্ৰুপে।

টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে সন্মিলনত উল্লেখ কৰা মতে, জাগীৰোডত নিৰ্মাণ কৰি থকা টাটাৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ প্ৰায় সমপৰ্যায়ৰ ধন আগন্তুক ৫ বছৰত অসমত পুনৰ বিনিয়োগ কৰিব। ইতিমধ্যে টাটা পাৱাৰৰ সৈতে অসম চৰকাৰৰ ৩০ হাজাৰ কোটিৰ এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। বেদান্ত গ্ৰুপে ইতিমধ্যে ৫০ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। তদুপৰি বিনিয়োগৰ বহু চুক্তি স্বাক্ষৰিত কৰা হৈছে। এই সকলোবোৰ বিনিয়োগকাৰীক একেখন মঞ্চত থিয় কৰোৱাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা সঁচাকৈয়ে প্ৰশংসা কৰিব লাগিব। বিগত এমাহ কাল দেশ-বিদেশৰ নেতাসকলক লগ ধৰি অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনাইছিল আৰু ইয়াৰ সুফল লাভ কৰিবলৈ সক্ষম হৈছে।

এনে সন্মিলনে অসমৰ থলুৱা উদ্যোগীসকলকো উৎসাহিত কৰিবলৈ সক্ষম হৈছে। ফলত থলুৱা উদ্যোগীসকলকো এতিয়া আগবাঢ়ি আহিব। এনে হোৱাৰ পিছত অসমৰ বিকাশৰ গতি আৰু দ্ৰুত হৈ পৰিব।

# এতিয়া গ্লেমাৰ হ'ব ঝুমইৰ

অসমবাসীয়ে আকৌ এবাৰ প্ৰমাণ কৰিলে অসমীয়াই কৰিব নোৱৰা কোনো কাম নাই। ইমান দিনে অৱহেলিত হৈ থকা চাহ জনগোষ্ঠীৰ সংস্কৃতিক আজি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। যোৱা বৰ্ষত বিহুনৃত্যৰে বিশ্ব অভিলেখ স্থাপন কৰাৰ পিছত এইবাৰ 'ঝুমইৰ বিনন্দিনী'ৰ জৰিয়েতে চাহ বাগিছাৰ সংস্কৃতিক প্ৰতিষ্ঠা কৰিলে অন্য ধৰণে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ উপস্থিতিত বহুকেইগৰাকী ৰাষ্ট্ৰদূত তথা প্ৰসিদ্ধ ব্যক্তিসকলৰ উপস্থিতিত 'ঝুমইৰ বিনন্দিনী'ত ঝুমইৰ নৃত্যৰ তালত সৰুসজাইত গুঞ্জৰিত হৈ উঠে মাদল, ধমচা, বাঁহী, তালৰ সুৰধ্বনি। অসমৰ চাহ বাগিচা-আদিবাসী সমাজৰ সংস্কৃতিৰ পয়োভৰেৰে বৰ্ণিল ৰূপ লয় সৰুসজাই ষ্টেডিয়ামে। মহিলা নৃত্যশিল্পীকে ধৰি পুৰুষ নৃত্যশিল্পীৰ লগতে বাদ্যযন্ত্ৰীসহ ৯ হাজাৰো অধিক শিল্পীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাটো নিশ্চয়কৈ অসমবাসীৰ বাবে গৌৰৱৰ ক্ষণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ উপস্থিতিত বহুকেইগৰাকী ৰাষ্ট্ৰদূত তথা প্ৰসিদ্ধ ব্যক্তিসকল প্ৰত্যক্ষদৰ্শী হয় চাহ জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰাণস্পন্দনৰ। প্ৰধানমন্ত্ৰীয়ে ঝুমইৰ শিল্পীসকলৰে মত বিনিময় কৰাৰ লগতে দৰ্শকক অভিবাদন জনায়। অসমৰ একেবাৰে ভিতৰুৱা অঞ্চলৰ পৰা অহা শিল্পী সকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত এইদৰে নৃত্য প্ৰদৰ্শন কৰি প্ৰমাণ কৰিলে লাচিত, মূলাগাভৰুৰ দেশৰ যুৱশক্তিয়ে কি কৰিব নোৱাৰে। ঝুমইৰ নৃত্যই নিজে এক ৰেকৰ্ড সৃষ্টি কৰিব বুলি কোৱাটোৱে সকলোৰে মনত এক নতুন ভাবৰ সৃষ্টি কৰিছে। অনুষ্ঠানটোত মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তৃতীয় আৰু চতুৰ্থবৰ্গৰ চৰকাৰী চাকৰিত চাহ জনগোষ্ঠীৰ ৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব আৰু চাহ শ্ৰমিকক মাটিৰ অধিকাৰ

দিয়া হ'ব বুলি ঘোষণা কৰাটোৱো এই জনগোষ্ঠীটোৰ লোকসকলৰ মনত আশাৰ সঞ্চাৰ কৰিছে।

অধ্যয়নত সহায়ক হোৱাকৈ প্ৰতিগৰাকী অংশগ্ৰহণকাৰীৰ বেংক একাউণ্টত ২৫ হেজাৰ টকাকৈ দিয়াৰ লগতে ঝুমইৰ নৃত্যৰ বাবে অহা ৮০০খন চাহ বাগিচাৰ প্ৰতিখনতে সাংস্কৃতিক সংঘ স্থাপন কৰিবলৈ ২৫ হেজাৰকৈ টকা দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰাটোৱে আন এক দিশ প্ৰতিফলিত কৰিছে। এনে কাৰ্যৰ জৰিয়তে সকলোকে উৎসাহিত কৰা হৈছে। তেওঁলোকে ভৱিষ্যতে আৰু এখোপ আগুৱাই যোৱাৰ বাবে উৎসাহ লাভ কৰিলে।

আন এক উল্লখযোগ্য দিশ হৈছে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰত দেওবাৰে নিশা কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ নেতৃত্বত ৪৫খন বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি দলটো উপস্থিত হোৱা বিষয়টো। অসমত উপস্থিত হোৱা প্ৰতিনিধি দলটোক যোৰহাট ৰৌৰিয়া বিমানবন্দৰ পৰা পোনে পোনে লৈ যোৱা হয় অসম গৌৰৱ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ। বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি দলটোক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত উপস্থিতিয়ে অসমৰ পৰ্যটন ক্ষেত্ৰত এক নতুন দিগন্ত সূচনা কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। কাৰণ তেওঁলোকে নিজ নিজ ৰাষ্ট্ৰলৈ গৈ এই উদ্যয়ানখনৰ সৌন্দৰ্যৰ বিষয়ে বৰ্ণনা কৰিলে ইয়ালৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব। তদুপৰি যিবোৰ দেশে কিছু ক্ষেত্ৰত অসম ভ্ৰমণত বাধা আৰোপ কৰিছে সেইবোৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব। কাজিৰঙাৰ প্ৰচাৰৰ ক্ষেত্ৰত ইতিবাচক সঁহাৰি লাভ কৰিব পৰা যাব। অসমৰ ইতিহাসত ইমানসংখ্যক ৰাষ্ট্ৰদূতে একেলগে অহা এয়াই প্ৰথম। তদুপৰি এই ঝুমইৰ নৃত্য কেনে সেই বিষয়ে বাহিৰৰ লোকসকলে সঠিক ৰূপত জানিবলৈ সক্ষম হৈছে। অসমৰ চাহ জনগোষ্ঠীৰ অতি আদৰৰ আৰু হেঁপাহৰ লোকনৃত্য। ভাদ মাহৰ শুক্লা একাদশী তিথিত উদ্‌যাপিত চাহ জনজাতিসকলৰ কৰম পূজাৰ অংগৰূপে ঝুমইৰ নৃত্য প্ৰদৰ্শন কৰা হয়। বিশেষকৈ স্ত্ৰীপ্ৰধান হ'লেও পুৰুষেও ঝুমইৰ নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্যত নাচনীসকলে একেলগে হাতত ধৰাধৰি কৰি এটা দীঘলীয়া শাৰীৰ সৃষ্টি কৰে। কিন্তু এই নৃত্যত অংশগ্ৰহণ কৰা শিল্পীসকল প্ৰফেচনেল নহয়।

কিন্তু এইবাৰ নৃত্যত অংশগ্ৰহণ কৰা শিল্পীসকলে শুদ্ধ ৰূপত শিকাৰ পিছত তেওঁলোকে আন লোকসকলক শিকাব পাৰিব। গতিকে এই ধাৰা অব্যাহত থাকিব।

চাহ জনগোষ্ঠীৰ অতি আদৰৰ ঝুমইৰ নৃত্যৰ আছে এক স্বকীয় বৈশিষ্ট্য। চাহ বাগিছাক কেন্দ্ৰ কৰি গঠন হোৱা অসমৰ চাহ জনগোষ্ঠীটো নিজৰ সুকীয়া কলা-সংস্কৃতিৰে মহিমামণ্ডিত। চাহ জনগোষ্ঠীয় লোকসকল অসমতহে চাহ জনগোষ্ঠী হিচাপে পৰিচিত। ১৮ শতিকাতে অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, ঝাৰখণ্ড, ছত্তীশগড়, বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদিত আদিবাসী হিচাপে পৰিচিত তাঁতি, ওৰাং, বাউৰি, মুণ্ডা, ভূমিজ, কৰ্মকাৰ, তেলেঙা, বড়াইক, পানিকা, প্ৰধান, বণিয়া, গণ্ডা, গাজলু, গোবালা, মাঝি, চন্দ, নাগবংশী, তাচা, কৈৰী, ধানোৱাৰ, তেলী, ঘাটোৱাৰ, মলা, ভূএঞা, নানিয়া আদি জাতি-উপজাতি আৰু খেলৰ শ্ৰমিকক অসমত চাহখেতি কৰিবলৈ ব্ৰিটিছসকলে আনিছিল। এনে শতাধিক আদিবাসী জাতি-উপজাতিৰ সংমিশ্ৰণত অসমত কালক্ৰমত সৃষ্টি হ'ল চাহ জনগোষ্ঠী। সেয়ে তেওঁলোকৰ বিভিন্ন গোটৰ নিজা নিজা সংস্কৃতি আছে। অসমত চাহ জনগোষ্ঠীয় লোকসকলৰ মাজত কৰম পূজা, টুচু পৰব, সৰহাই পৰব, ফাগুন পৰব, দুৰ্গা পূজা, গ্ৰাম্য পূজা, মনসা পূজা, ত্ৰিনাথ পূজা আদি প্ৰচলিত হৈ আহিছে।

ঝুমইৰ, ঘেৰা, দমকচ, সাদি, সহৰাই, টুচু, নিচুকনি, ওমলা গীত আদিৰ জৰিয়তে অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বৈচিত্ৰ্যময় জীৱন প্ৰতিফলিত হৈ আহিছে। ব্ৰিটিছৰ দিনত দেশৰ ভিন্ন ৰাজ্যৰ পৰা আনি চাহ বাগান তৈয়াৰ কৰাৰ কামত নিয়োজিত এই লোকসকলে চাহ বাগিচাৰ ভূমিতেই বাস কৰিছিল আৰু এতিয়াও চাহ শ্ৰমিকসকলে বাগানৰ ভূমিতেই বাস কৰি আহিছে। অৱশ্যে সময়ৰ লগে লগে বহুতে চাহ বাগিচাৰ পৰিসৰৰ পৰা ওলাই আহি বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈছে। আগেয়ে এই ঝুমইৰ কেৱল চাহ বাগিছা অঞ্চলতে সীমাবদ্ধ আছিল। বহুতে আনকি শিকিবলৈ কুণ্ঠাবোধ কৰিছিল। বাগানৰ গান বুলি বহুতে ইয়াক শিকিলে মান নাপাব বুলিয়ে ভাবিছিল। তদুপৰি এনে গান -নৃত্যত কোনো গ্লেমাৰ নাই বুলি ভবা সকলে এতিয়া এশবাৰ ভাবিব। এতিয়া অসমৰ চাৰিওফালে হ'ব ঝুমইৰ।

# হোলী ঃ হোলিকা দাহন আৰু আবিৰ খেলাৰ আনন্দ

বসন্তৰ আগমনত জীপাল হৃদয়। মনৰ ৰংবোৰ উৰে আবিৰ হৈ। শিমলু ফুলাৰ বতৰত সৰাপাতে লিখা চিঠিবোৰত সপোন বিয়পে আবিৰ হৈ। ফাগুনে আঁজুৰি নাঙঠ কৰা আঁহতজুপিয়ে সেউজীয়া চোলা পিন্ধিবলৈ লওঁতেই দেহে মনে আবিৰ সানিবলৈ আহিছে ৰঙৰ উছৱ। বসন্ত মানেই ৰংবোৰ ভগাই লোৱাৰ সময়। আবিৰৰ উৎসৱত গুঞ্জৰিছে মধুকৰ, বিয়পি পৰে আবিৰৰ সুবাস। হোলী মানেই মন-প্ৰাণ ৰঙীন হোৱাৰ সময়। হোলীৰ সময়ত হোলিকা দাহন কৰাটো পৰম্পৰা। এই দাহন কাৰ্যৰ সৈতে সম্পৰ্ক আছে অসুৰ ভগ্নীৰ। পূৰ্ণিমা তিথি, প্ৰদোষকাল আৰু ভদ্ৰা নোহোৱা এই তিনিওটা কাম একেলগে ঘটিলে হোলিকা দাহন হোৱাটো অতি বিৰল বুলি গণ্য কৰা হয়। পূৰ্ণিমা তিথিত হোলিকা দাহন হোৱাটো অতি প্ৰয়োজনীয়। পূৰ্ণিমা কালত অৰ্থাৎ ভদ্ৰৰ অন্তিম কালত হোলী জ্বলোৱাটো শুভ বুলি গণ্য কৰি অহা হৈছে।

হিন্দু ধৰ্মৰ মতে, হোলিকা দাহনৰ পৌৰাণিক আৰু ধৰ্মীয় দুয়োটা তাৎপৰ্য আছে। কাৰণ হোলিকা দাহনে অশুভৰ ওপৰত ভালৰ জয়ৰ সূচনা কৰে। ইয়াৰ সমান্তৰালকৈ এই দিনটোত হোলিকা দাহন যথাযথভাৱে পূজা কৰা হয় আৰু সুস্বাস্থ্য আৰু সুখ আৰু সমৃদ্ধিৰ কামনা কৰে। কেৱল এয়াই নহয়, বসন্তক আদৰণি জনোৱাৰ লগতে অগ্নি দেৱতাক ধন্যবাদ জনোৱা হয়।

হোলিকা দাহন সম্পৰ্কে জানিবলৈ হ'লে আমি হিৰণ্যকশিপুৰ কথা জানিব লাগিব। পিতৃ হিৰণ্যকশিপুৰ কথা নুশুনি বিষ্ণুক পূজা কৰা বাবে পুত্ৰ প্ৰহ্লাদক হত্যা কৰিবলৈ পিতৃয়ে বিভিন্ন প্ৰকাৰে চেষ্টা চলায়। এইদৰে চেষ্টা চলাই বিফল হোৱাত এবাৰ হিৰণ্যকশিপুৱে তেওঁৰ ভগ্নী হোলিকাৰ সহায় বিচাৰে। হোলিকাক অগ্নিয়ে পুৰিব নোৱৰা এখন বস্ত্ৰ আছিল। একধৰণৰ বিশেষ কাপোৰ

পিন্ধা বাবে জুইত নুপুৰিছিল। হিৰণ্যকশিপুৱে প্ৰহ্লাদক হোলিকাৰ কোলাত তুলি প্ৰহ্লাদৰ ওপৰত অগ্নিসংযোগ কৰে। হিৰণ্যকশিপুৱে ভাবিছিল এইবাৰ আৰু ৰক্ষা নাই। পুত্ৰৰ মৃত্যু নিশ্চিত। প্ৰহ্লাদ জুইত পুৰি জাহ যাবলৈ হোলিকাই এই বিশেষ কাপোৰ পিন্ধি ল'লে। কিন্তু সেই জুই জ্বলাৰ পিছত হোলিকাৰ শৰীৰৰ পৰা সেই বস্ত্ৰ আপোনা-আপুনি খুলি গৈ প্ৰহ্লাদৰ শৰীৰত আবৃত হয়। ফলত প্ৰহ্লাদৰ জীৱন ৰক্ষা পৰিল যদিও হোলিকা পুৰি নিঃশেষ হয়। হিন্দু ধৰ্মৰ বহুতো পৰম্পৰাত, হোলী উৎসৱৰ আগতে হোলীৰ মৃত্যু উদ্‌যাপন কৰা হয়। এইখিনিতে এটা প্ৰশ্ন মনত উদয় হয় যে হোলী নামটো ক'ৰ পৰা আহিছে। উত্তৰ ভাৰতত হোলীৰ আগদিনা নিশা এই পৰম্পৰা অনুসৰি অগ্নি প্ৰজ্বলন কৰা হয়। ভাৰতৰ কিছু অংশত এই উৎসৱক হোলিকা বুলি কোৱা হয়। প্ৰহ্লাদৰ কাহিনীৰ সৈতে সম্পৰ্ক আছে হোলিকা দাহন।

ব্ৰহ্মাই হোলিকাক জুইত জ্বলি নাযাবলৈ ক্ষমতা দিছিল এই চৰ্তত যে এই শক্তি আন কাৰো ক্ষতি কৰিবলৈ ব্যৱহাৰ কৰা নহ'ব। হোলিকা এগৰাকী ভাল মহিলা আছিল আৰু তেওঁৰ পোছাকৰ বাবে জুই লগোৱাটো সম্ভৱ নাছিল। প্ৰহ্লাদক জ্বলাই হত্যা কৰা হ'ব বুলি জানি তেওঁ প্ৰহ্লাদক কাপোৰ দিছিল আৰু নিজকে জ্বলাই নিজকে বলি দিছিল। যেতিয়া হোলিকা জুইত বহে তেওঁ তেওঁৰ চাদৰ পিন্ধে আৰু প্ৰহ্লাদক তেওঁৰ কোলাত বহিবলৈ দিয়ে। যেতিয়া প্ৰহ্লাদে বিষ্ণুৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰে বিষ্ণুৱে বায়ু প্ৰেৰণ কৰে আৰু হোলিকাৰ চাদৰখন উৰুৱাই প্ৰহ্লাদক ইয়াৰ সৈতে ঢাকি দিয়ে। বহুতেই এই দিনটোৰ অপেক্ষাত থাকে। দিনটো অসত্যৰ বিৰুদ্ধে সত্যৰ জয় বুলি গণ্য কৰে।

হোলিত আকাশত উৰে নানাৰঙী আবিৰ। আকাশ-বতাহ মুখৰিত হয় হোলীগীতৰ সুৰত। আবিৰৰ ৰঙত ৰঙীন হৈ পৰে ৰাজ্যৰ আকাশ-বতাহ মুখৰিত হৈ পৰে মন-প্ৰাণ উতলা কৰা হোলীগীতৰ সুৰেৰে। প্ৰাণৰ উছৱ, মনৰ উছৱ, ৰঙৰ উছৱ দেউলৰ আনন্দ উলাহত মতলীয়া হৈ পৰা প্ৰতিজনৰ কণ্ঠৰ পৰা নিগৰিত হয় হোলীগীতৰ অমিয়া সুৰ। আবিৰৰ ৰং, কৃষ্ণপ্ৰেম আৰু প্ৰকৃতি বন্দনাৰে মুখৰিত হোলীগীতৰ সুৰত বৈকুণ্ঠপুৰীত পৰিণত হৈ পৰে ৰাজ্যৰ বিভিন্ন প্ৰান্ত। বিয়লি দৌলগোবিন্দ মহাপ্ৰভুক ফুৰোৱা দৃশ্য অতিকৈ মনোৰম।

# শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অবিহনে অসমীয়া সমাজৰ কল্পনা অসম্ভৱ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ আন্দোলনৰ জৰিয়তে অসমীয়া জাতি, সাহিত্য আৰু সংস্কৃতিৰ যি ভেটি স্থাপন কৰিছিল তাৰ ফল জাতিটোৱে আজিও লাভ কৰি আছে। মহাপুৰুষজনাৰ সময়ৰে পৰা এই ভেটিয়ে অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ঐক্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। একশৰণ ভক্তি আন্দোলন, নামঘৰৰ প্ৰচলন, ভাওনা আৰু বৰগীতৰ সৃষ্টিৰ লগতে তেওঁৰ নিষ্কাম ভক্তিৰ ধাৰা, মানৱতাবাদ আৰু সামাজিক সম্প্ৰীতিৰ আদৰ্শই আধুনিক অসমীয়া সমাজক প্ৰভাৱিত কৰি আছে। মহাপুৰুষজনাই তেওঁৰ নৱবৈষ্ণৱ আন্দোলনৰ জৰিয়তে অসমীয়া সমাজ আৰু সংস্কৃতিক একত্ৰ কৰিছিল। সেইবাবে তেওঁক অসমীয়া জাতি-সাহিত্য-সংস্কৃতি নিৰ্মাতা বুলি আখ্যা দিয়া হয়। এই আন্দোলনৰ মাধ্যমেৰে তেওঁ সকলো জাতি-ধৰ্মৰ মানুহক একে ঈশ্বৰত বিশ্বাস কৰাৰ বাবে আহ্বান জনাইছিল। সেইবাবে সমাজত শান্তি আৰু সংহতিৰ সৃষ্টি হৈছিল। শ্ৰীমন্ত শংকৰদেৱে প্ৰাক্‌শংকৰী যুগৰ সামাজিক বৈষম্য, গোড়ামি আৰু নিৰক্ষৰতাৰ বিৰুদ্ধে এক বৈপ্লৱিক সমাজ সংস্কাৰৰ সূচনা কৰিছিল। মহাপুৰুষজনাই কৰা এনে সংস্কাৰৰ বাবে আজিৰ এই সমাজখন সম্ভৱ হৈছে।

তেওঁ ভাগৱতৰ একশৰণ নামধৰ্মৰ দ্বাৰা জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো মানুহক একেটা আধ্যাত্মিক মঞ্চত আনি এক জনমুখী ধৰ্মীয়-সাংস্কৃতিক আন্দোলনৰ সূচনা কৰিছিল বাবে আজিও সমাজখনে এই বাটেৰেই খোজ পেলাই আছে। মহাপুৰুষজনাই প্ৰচলন কৰা নামঘৰসমূহে সামাজিক মিলনৰ কেন্দ্ৰ হিচাপে কাম কৰি আহিছে। ইয়াৰ জৰিয়তে মানৱতাবোধ আৰু আধ্যাত্মিকতাৰ এক নতুন দিগন্ত মুকলি কৰা হেতুকে আমাৰ সমাজখন

সুন্দৰভাৱে বৰ্তি আছে। যিসময়ত অসমীয়া সাহিত্য বুলি কোনো ধাৰণাই মানুহে কৰিব পৰা নাছিল সেই সময়তে বৰগীতৰ দৰে আধ্যাত্মিক গীত, অঙ্কীয়া ভাওনাৰ দৰে নাট্যশৈলী আৰু বিভিন্ন সাহিত্যিক ৰচনাৰ মাধ্যমেৰে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছিল।

শংকৰদেৱে জাত-পাতৰ বিভেদ আঁতৰাই সকলো মানুহকে ভাওনাৰ অন্তৰ্ভুক্ত হ'বলৈ শিকাইছিল। যিসময়ত সমাজখন বিভাজিত হৈ আছিল সেই সময়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কোচ আৰু আহোম ৰাজ্যৰ মাজত এক সেতু হিচাপে কাম কৰিছিল। সমাজ বিভাজনৰ পৰিৱৰ্তে সংস্কাৰৰ দ্বাৰা সকলোকে অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ নিষ্কাম ভক্তি, সমাজ সেৱাৰ আদৰ্শ আৰু মানৱতাবাদ আজিও প্ৰাসংগিক। বিশ্বায়নৰ এই যুগতো, অপসংস্কৃতিৰ প্ৰভাৱৰ দিনতো, শংকৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত সাংস্কৃতিক ভঁৰালটোৱে অসমীয়া মানুহৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ভোক-পিয়াহ নিবাৰণ কৰে।

শংকৰদেৱ অসমীয়া জাতিটোৰ বাবে কেৱল ধৰ্মগুৰুৱেই নাছিল, তেওঁ আছিল সাহিত্যিক, কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, বাদক, সংসাৰী, বৈৰাগী, স্থিতপ্ৰজ্ঞ, দাৰ্শনিক, সমাজ বিজ্ঞানী, পণ্ডিত, তাৰ্কিক। এই গুণবোৰৰ বাবে আমি তেওঁক সকলো প্ৰকাৰৰ গুণেৰে বিভূষিত সৰ্বগুণাকৰ আখ্যা দিওঁ। ১৫ শতিকাতেই প্ৰকৃত প্ৰগতিশীল মানসিকতাৰ পৰিচয় দি এক সম্পূৰ্ণ নতুন অসমীয়া সমাজ গঢ়ি তুলিছিল শংকৰদেৱে। জাতি-ধৰ্ম, বৰ্ণ-কৰ্ম নিৰ্বিশেষে সকলো লোকৰেই প্ৰৱেশৰ অনুমতি আছিল নামঘৰত। সেইবাবে অসমীয়া সমাজ-জীৱনত নামঘৰৰ গুৰুত্ব আজিও পূৰ্বৰ দৰেই অব্যাহত আছে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তন ঘটিছে। বিশেষকৈ আধুনিকতাৰ প্ৰভাৱ বিস্তাৰ হোৱাৰ পিছত তেওঁৰ চিন্তা-চৰ্চাৰ মৰ্ম উপলব্ধি কৰাত ব্যৰ্থ আজিৰ অসমীয়াই আওবাটে বাট বুলিবলৈ লোৱা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ধৰ্ম বুলি অধৰ্মৰ শৰণাপন্ন হৈছে। বিজতৰীয়া সংস্কৃতিত নিজকে বিলীন কৰি দি একাংশ অসমীয়াই নিজকে ধন্য মানিবলৈয়ো কুণ্ঠাবোধ নকৰা হৈছে। শংকৰদেৱে যিখন বৰ অসমৰ সপোন ৰচিছিল সেয়া আজি খণ্ড-বিখণ্ড হৈ পৰিছে। সমাজবিৰোধী লোকে জাত-পাত, গোষ্ঠী-

ধৰ্মৰ নামত সৃষ্টি কৰা বিভাজনে আজি মানুহক বিপথে পৰিচালিত কৰিছে। সৃষ্টি কৰিছে ভেদাভেদ। সন্দেহৰ কীটে সকলোকে কুটি কুটি খাবলৈ ধৰিছে। সমাজৰ বাবে এনে মনোভাব খুব ভাল সংকেত বুলি ক'ব নোৱাৰি।

শংকৰদেৱে জাতি-জনজাতি, হিন্দু-মুছলমানৰ পৰিধি অতিক্ৰম কৰি অসমক মহামিলনৰ তীৰ্থভূমি হিচাপে গঢ়িব বিচাৰিছিল। তেওঁ নামঘৰৰ সংস্কৃতিৰে যিদৰে ৰাইজক সংগবদ্ধ কৰিব বিচাৰিছিল, তেনেদৰে তামোল-পাণৰ বাৰী, পুখুৰী খন্দা আদিৰে গ্ৰাম্য জীৱনক জীপাল কৰি ৰখাৰ চানেকিও নিৰ্মাণ কৰিছিল। পিছে শংকৰদেৱৰ যুগৰ পাঁচশ বছৰ পিছত সেই সংস্কৃতি, সেই চানেকি লুপ্ত হোৱাৰ উপক্ৰম ঘটিছে একমাত্ৰ মানুহৰ মাজত ঘটা মানসিক পৰিৱৰ্তনৰ বাবে।

শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আধ্যাত্মিকতা, মানবতাবাদ আৰু বাস্তৱবাদৰ এক সংমিশ্ৰণ । ইয়াৰ কেন্দ্ৰবিন্দু হৈছে শৰণ, ভজন আৰু কীৰ্তনৰ দ্বাৰা ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তি। তেওঁৰ দৰ্শনত ভক্তি আন্দোলনৰ গুৰুত্বপূৰ্ণ বিকাশৰ সূচনা হৈছিল— য'ত সকলোৱে, জাতি-ধৰ্ম নিৰ্বিশেষে, একশৰণৰ মাধ্যমেৰে ভগৱানৰ প্ৰতি ভক্তি স্থাপন কৰিব পাৰে। তেওঁৰ এই দৰ্শন সামাজিক একতা, ধৰ্মীয় সমন্বয় আৰু মানৱীয় আদৰ্শক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ হ'ল একত্ববাদ, ভক্তিবাদ, সাম্যবাদ আৰু মানৱতাবাদৰ এক সমন্বিত ধাৰা, যাৰ মাধ্যমেৰে তেওঁ অসমীয়া সমাজক আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক দিশত এক নতুন দিশ দিছিল। তেওঁ জাতি-ধৰ্ম-বৰ্ণ-লিংগৰ ভেদাভেদৰ ঊৰ্ধ্বত মানৱতাবাদ আৰু একশৰণ হৰিনাম ধৰ্মৰ মাধ্যমেৰে সকলোৰে বাবে এক আদৰ্শ সমাজৰ স্বপ্ন দেখিছিল। তেওঁৰ এই আদৰ্শই অসমীয়া জাতি-সাহিত্য-সংস্কৃতিৰ এক বুনিয়াদ গঢ়ি তুলিছে। সেয়া আমি সদায় সকলোৱে ধৰি ৰাখিবৰ বাবে চেষ্টা কৰিব লাগিব। কাৰণ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অবিহনে অসমীয়া সমাজখন একেবাৰে নিশকতীয়া। শ্ৰীমন্ত শংকৰদেৱ অসমীয়া জাতিৰ ৰাজহাড়স্বৰূপ। গতিকে শ্ৰীমন্ত শংকৰদেৱ অবিহনে অসমীয়া জাতিয়ে কেতিয়াও পোনাই থিয় হৈ থাকিব নোৱাৰে। সেইবাবে নৱপ্ৰজন্মই মহাপুৰুষজনাৰ আদৰ্শ সাৰোগত কৰি আগুৱাই যাব লাগিব।

# অপাৰেচনত সেন্দূৰত ভাৰতৰ লাভ আৰু পাকিস্তানৰ ভিক্ষাৰ জোলোঙা

বিগত কেইটামান দশক ধৰি ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আহিছে। বিশেষকৈ পাকিস্তান চৰকাৰৰ দ্বাৰা পালিত আৰু সমৰ্থিত সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে ভাৰতে অহৰহ যুঁজ দিবলগীয়া হৈছে। কাশ্মীৰ দখলৰ লক্ষ্যৰে বিগত সময়ত ইছলামবাদে সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদক ইন্ধন যোগান ধৰি আহিছে। ভাৰতে সদায় ইয়াৰ বিৰুদ্ধে যুঁজ দি বিশ্ববাসীক অৱগত কৰি আহিছে যে পাকিস্তানে এইক্ষেত্ৰত সন্ত্ৰাসবাদীক লালন-পালন কৰি আহিছে। শেহতীয়াভাৱে কাশ্মীৰৰ পেহেলগামত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীয়ে চলোৱা নাৰকীয় হত্যালীলাৰ পিছত ভাৰতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চলোৱা সেন্দূৰ অপাৰেচনত যি সাফল্য লাভ কৰিলে সেয়াই কম্পিত কৰিছে পাকিস্তানক। প্ৰমাণ কৰিছে ভাৰতে নিৰ্মাণ কৰা মিছাইল দেশৰ সুৰক্ষাৰ বাবে উৎকৃষ্ট ব্ৰহ্মাস্ত্ৰ। ইমানদিনে চীনৰ ছত্ৰছায়াত থকা পাকিস্তানে এতিয়া বুজি পাইছে যে অস্ত্ৰ-শস্ত্ৰৰ নামত বন্ধু ৰাষ্ট্ৰখনে ঠগি আহিছে। এই যুদ্ধত আমেৰিকা আৰু চীনৰ চৰিত্ৰও ওলাই পৰিল। সেয়ে ভাৰতে ইয়াৰ পিছতেই আৰম্ভ কৰিলে কূটনৈতিক যুঁজ। সন্ত্ৰাসবাদৰ অন্ত পেলোৱাৰ প্ৰতিশ্ৰুতি পাকিস্তানৰ পৰা প্ৰতিশ্ৰুতি নেপেলোৱালৈকে পাকিস্তানৰ সৈতে হোৱা গুৰুত্বপূৰ্ণ জলচুক্তি স্থগিত থাকিব বুলি ভাৰতে ঘোষণা কৰিছে। চুবুৰীয়া দেশখনে চাৰিদিনীয়া সংঘৰ্ষৰ অন্ত পেলাবলৈ সংঘৰ্ষ বিৰতিত উপনীত হোৱাৰ চাৰিদিন পিছত বৃহস্পতিবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে এইদৰে ঘোষণা কৰিছে।

২২ এপ্রিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে ১৯৬০ চনৰ সিন্ধু জলচুক্তি (আই ডব্লিউ টি) স্থগিত ৰখাৰ কেইসপ্তাহমানৰ পাছত পাকিস্তানে এই সন্ধি সন্দৰ্ভত নতুন দিল্লীৰ দীৰ্ঘদিনীয়া উদ্বেগ সম্পৰ্কে আলোচনা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাৰ ইংগিত দিয়ে।

ভাৰতে ২০২৩ চনৰ জানুৱাৰী আৰু ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত পাকিস্তানক জাননী জাৰি কৰিছিল। বিশ্ব বেংকৰ মধ্যস্থতাত সিন্ধু জলচুক্তিৰ জৰিয়তে ১৯৬০ চনৰ পৰা ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু নদী আৰু ইয়াৰ উপনৈসমূহৰ পানীৰ বিতৰণ আৰু ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা হৈ আছে।

উল্লেখ্য যে সিন্ধু নদী ব্যৱস্থাত মূল নদী সিন্ধু আৰু ইয়াৰ উপনৈসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ৰবি, বিয়াছ আৰু ছুটলেজক সামূহিকভাৱে পূবৰ নদী বুলি কোৱা হয়। আনহাতে, সিন্ধু, ঝেলুম আৰু চেনাবক পশ্চিম নদী বুলি জনা যায়। এই নদী ব্যৱস্থাৰ পানী ভাৰত আৰু পাকিস্তান উভয়ৰে বাবে অতি গুৰুত্বপূৰ্ণ। ভাৰত-পাকিস্তানৰ সংঘাতৰ সময়ত পাকিস্তানে ভুগি থকা বৃহৎ লোকচান যদি কোনোবাই লুকুৱাব বিচাৰে, তেন্তে তেওঁলোকে লুকুৱাব নোৱাৰে বুলি মন্তব্য কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে।

পাকিস্তানে সদায় পাৰমাণৱিক বোমাৰ ভাবুকি দি অহাৰ সময়তে ভাৰতৰ ব্ৰহ্মমোছে অস্ত্ৰ ভাণ্ডাৰৰ ওচৰতে আঘাত কৰাৰ পিছত দেশত হাহাকাৰ লাগিল। ইয়াৰ পিছত শংকাও বৃদ্ধি পায়। বিশ্ব পৰমাণু পৰ্যবেক্ষণ সংস্থা আই এ ই এ(IAEA)য়ে কৈছে যে ভাৰতৰ সৈতে শেহতীয়াকৈ সংঘটিত সামৰিক সংঘৰ্ষৰ সময়ত পাকিস্তানৰ কোনো পৰমাণু কেন্দ্ৰৰ পৰা কোনো ধৰণৰ ৰেডিয়েচন নিৰ্গমন হোৱা নাই।

সামাজিক মাধ্যমত এই সন্দৰ্ভত উত্থাপন কৰা দাবীৰ সময়তে আন্তৰ্জাতিক পৰমাণু শক্তি সংস্থা (International Atomic Energy Agency)ৰ তৰফৰ পৰা এই বিবৃতি আহিছে। উল্লেখ্য যে শেহতীয়াভাৱে সামাজিক মাধ্যমত দাবী উত্থাপিত হৈছে যে ভাৰতৰ সেন্দূৰ অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ পৰমাণু কেন্দ্ৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। ইয়াৰ পূৰ্বে বায়ুসেনাৰ অভিযান সঞ্চালকপ্ৰধান এয়াৰ মাৰ্শ্বেল এ কে ভাৰতীয়ে

এই কথা খণ্ডন কৰিছিল যে ভাৰতে কিৰানা পৰ্বতত আক্ৰমণ কৰিছে। উল্লেখ্য যে এই কিৰানা পৰ্বতেই হৈছে পাকিস্তানৰ পৰমাণু শক্তি কেন্দ্ৰ।

ভাৰতৰ আক্ৰমণত সৰগোধাত থকা এটা বায়ুসেনাৰ ঘাটিক আঘাত কৰিছে আৰু এনে কিছু প্ৰতিবেদন লাভ কৰা হৈছে যে এই বায়ুসেনাৰ ঘাটিটো কিৰানা পৰ্বতস্থিত ভূমিভিত্তিক পৰমাণু কেন্দ্ৰৰ সৈতে সংযোজিত। বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ এই দাবীকো খণ্ডন কৰে যে ভাৰতে দুয়োখন দেশৰ মাজত পৰমাণু যুদ্ধৰ পৰিস্থিতি সৃষ্টি কৰিছে। তেওঁ কয় যে ভাৰতৰ সামৰিক অভিযান পাৰস্পৰিক ক্ষেত্ৰতহে আছিল আৰু তেওঁ পাৰমাণৱিক যুদ্ধৰ আশংকাক খাৰিজ কৰে।

আনহাতে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পাকিস্তানে পাৰমাণৱিক অস্ত্ৰাগাৰ আই এ ই এৰ নিৰীক্ষণ আঁচনিৰ অধীনলৈ অনা উচিত বুলি মন্তব্য কৰিছে। কিয়নো সেইবোৰ এনেধৰণৰ দুষ্টবুদ্ধিৰ ৰাষ্ট্ৰৰ হাতত সুৰক্ষিত নহয়। তেওঁৰ এই মন্তব্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা এই মন্তব্যৰ কিছুদিনৰ পিছত আহিছিল যে ভাৰতে পাকিস্তানৰ দ্বাৰা 'পৰমাণু ব্লেকমেইল'ক সহ্য নকৰে। প্ৰধানমন্ত্ৰীয়ে কৈছিল যে ভাৰতে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদক কঠোৰ শাস্তি দিব। পাকিস্তানে সদায় পাৰমানৱিক বোমাৰ ভয় ভাবুকি দি আহিছে। দুগ্ধপোষ্য শিশুৰ দৰে কথাই কথাই ভাৰতক এই ভাবুকি প্ৰদান কৰি আহিছে।যি পাকিস্তানে ভাৰতত এটাও ড্ৰোন ভাৰতত প্ৰবেশ কৰাবলৈ সক্ষম নহ'ল সেইখন দেশে পাৰমাণৱিক অস্ত্ৰ কিমান প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব সেয়া সময়েহে ক'ব।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সংকল্পৰ শক্তি ইয়াৰ দ্বাৰা স্পষ্ট হৈছে যে ভাৰতে তেওঁলোকৰ পাৰমাণৱিক ব্লেকমেইলিঙকো পৰোৱা কৰা নাই। সম্পূৰ্ণ বিশ্বই প্ৰত্যক্ষ কৰিছে যে কেনেদৰে কেইবাবাৰো পাকিস্তানে দায়িত্বজ্ঞানহীনভাৱে ভাৰতক পাৰমাণৱিক ভাবুকি দিছে। পাকিস্তানে মনত ৰখা উচিত যে যদি দেশখনে এই অস্ত্ৰ প্ৰয়োগ কৰে তেতিয়া ভাৰতে হাত সাৰটি বহি নাথাকে। যোগ্য প্ৰত্যুত্তৰ দিলে পাকিস্তানে জানো বাছি থাকিব পাৰিব।

ইপিনে ভাৰতৰ বৈৰী দেশ পাকিস্তানক ড্ৰোন সৰবৰাহ কৰা বাবে তুৰ্কীৰ

বিৰুদ্ধে ভাৰতে দেশখনৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। ভাৰতত তুৰ্কীৰ আপেলৰ ব্যৱসায় প্ৰায় ১২০০-১৪০০ কোটি টকা আৰু আন ২-৩ বিধ ফলো আমদানি কৰা হয়। যিহেতু তুৰ্কীয়ে পাকিস্তানক সমৰ্থন কৰিছে, সেয়ে ব্যৱসায়ীসকলে তেওঁলোকৰ সৈতে সকলো ব্যৱসায়িক সম্পৰ্ক শেষ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ব্যৱসায়ীসকলে নিবিচাৰে কোনো দেশে ভাৰতৰ সৈতে বাণিজ্যৰ দ্বাৰা লাভৱান হোৱা আৰু তাৰ পিছত আমাৰ বিৰুদ্ধে ব্যৱহাৰ কৰা। এতিয়া তুৰ্কীৰ পৰা আমদানি কৰা সকলো ফল নিষিদ্ধ কৰিছে। দেশতকৈ ব্যৱসায় ডাঙৰ হব নোৱাৰে। তুৰ্কীৰ অন্যতম বেহাৰ দেশ হৈছে ভাৰত। গতিকে ইয়াৰ দ্বাৰা নিশয়কৈ দেশখনে বুজি পাইছে যে ভাৰতৰ শত্ৰু ৰাষ্ট্ৰক সহায় কৰাৰ পৰিণতি কিমান ভয়ংকৰ হ'ব পাৰে।

তুৰ্কীয়ে ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি শত্ৰুতাপূৰ্ণ উগ্ৰ ইছলামিক শাসন আৰু সামৰিক প্ৰতিষ্ঠানৰ সৈতে মিত্ৰতা কৰিছে। শেহতীয়া বছৰবোৰত পাকিস্তানৰ সৈতে তুৰ্কীৰ কৌশলগত প্ৰতিৰক্ষা অংশীদাৰিত্ব তীব্ৰতৰ হৈ পৰিছে। ই এতিয়া পাকিস্তানৰ সশস্ত্ৰ বাহিনীক উল্লেখযোগ্য সামৰিক হাৰ্ডৱেৰ, কাৰিকৰী মঞ্চ আৰু প্ৰশিক্ষণ যোগান ধৰে। সেইবাবে এতিয়া দেশখনে অৰ্থনৈতিক ভাৱে লোকচানৰ সন্মুখীন হোৱাৰ আশংকা প্ৰকট হৈ উঠিছে।

স্বদেশী জাগৰণ মঞ্চই এই মিত্ৰতাক ধিক্কাৰ দি কয় যে ই ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তাক প্ৰত্যক্ষভাৱে বিপদত পেলাইছে। তুৰ্কীয়ে সংকটৰ সময়ত লাভ কৰা ভাৰতৰ সময়োপযোগী মানৱীয় সাহায্য পাহৰি যোৱা যেন লাগে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত এক ভয়াৱহ ভূমিকম্পৰ পিছত ভাৰতে প্ৰথমে 'অপাৰেশ্যন ডোষ্ট' আৰম্ভ কৰা দেশসমূহৰ ভিতৰত অন্যতম আছিল তুৰ্কী— য'ত ১০০ টনৰো অধিক সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছিল, এন ডি আৰ এফৰ দল, সামৰিক চিকিৎসা ইউনিট, ভ্ৰাম্যমাণ হাস্পতাল আৰু অত্যাৱশ্যকীয় সামগ্ৰী প্ৰেৰণ কৰা হৈছিল। কেৱল সেয়াই নহয় ভাৰতে তুৰ্কীৰ কাষত থিয় দিছিল। জি-২০ আৰু ৰাষ্ট্ৰসংঘৰ দৰে বহুপক্ষীয় মঞ্চত ভাৰতে শক্তি সুৰক্ষা আৰু সন্ত্ৰাসবাদবিৰোধী আলোচনাকে ধৰি তুৰ্কীৰ সৈতে সৰ্বাংগীণ সংযোগক ধাৰাবাহিকভাৱে সমৰ্থন কৰিছিল। কিন্তু ইমান সহায়ৰ পিছতো তুৰ্কীয়ে ভাৰতক পিছফালৰ পৰা চুৰি মাৰি আছে।

পাকিস্তানে যে সন্ত্ৰাসবাদীক সুৰক্ষা দিয়াৰ লগতে পৃষ্ঠপোষকতা কৰি আহিছে এই অভিযোগ দীৰ্ঘদিনীয়া। ভাৰতে সময়ে সময়ে ইয়াৰ প্ৰমাণো দি আহিছে। শেহতীয়াকৈ সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা অপাৰেচন সেন্দূৰৰ পিছতো পাকিস্তানৰ সন্ত্ৰাসবাদপ্ৰীতি পুনৰ এবাৰ পোহৰলৈ আহিল। কিয়নো সেই আক্ৰমণত নিহত লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰ আব্দুল ৰৌফৰ অন্ত্যেষ্টিক্ৰিয়াত উপস্থিত আছিল পাকিস্তানৰ কেইবাগৰাকী শীৰ্ষ বিষয়া। ইতিমধ্যে ভাৰতে সেই বিষয়াসকলৰ নামো প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মতে আমেৰিকাই গ্ল'বৈল টেৰ'ৰিষ্ট হিচাপে ঘোষণা কৰা এলইটি কমাণ্ডাৰ আব্দুল ৰৌফৰ দৰে  সন্ত্ৰাসবাদীৰ অন্ত্যেষ্টিক্ৰিয়াও ৰাজহুৱাভাৱে পাকিস্তানত কৰা হৈছে।

সন্ত্ৰাসবাদীটোৰ অন্ত্যেষ্টিক্ৰিয়াত পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশৰ পাকিস্তানী সেনা আৰু আৰক্ষীৰ শীৰ্ষ বিষয়াসকলক দেখা গৈছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ মতে তাত উপস্থিত আছিল লেফটেনেণ্ট জেনেৰেল ফয়াজ হুছেইন, মেজৰ জেনেৰেল ৰাও ইমৰান, প্ৰশাসনৰ পৰা ব্ৰিগেডিয়াৰ মহম্মদ ফাৰকান, পাকিস্তান পাঞ্জাৱৰ বিধায়ক উছমান আনোৱাৰ আৰু মালিক ছোহাইব আহমেদ। এতিয়া আকৌ পাকিস্তান চৰকাৰে এইসকল সন্ত্ৰাসবাদীৰ পৰিয়ালক ক্ষতিপূৰণ দিব বুলি ঘোষণা কৰিছে। এই কাৰ্যৰ দ্বাৰা পুনৰ প্ৰকাশ পাইছে পাকিস্তানৰ সন্ত্ৰাসবাদপ্ৰীতিৰ কথা। উল্লেখ্য যে অপাৰেশ্যন সেন্দূৰৰ অধীনত পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত মুঠ ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ কৰা হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ তথ্য অনুসৰি ২১টা সন্ত্ৰাসবাদীৰ ঘাটি চিনাক্ত কৰা হৈছিল।

২০২৫ চনৰ ৭ মে'ত নিহত সন্ত্ৰাসবাদী খালিদ আবু আকাশ্বা আফগানিস্তানৰ পৰা পাকিস্তানলৈ অস্ত্ৰ, গোলা-বাৰুদ সৰবৰাহৰ লগত জড়িত আছিল। জম্মু-কাশ্মীৰত কাম কৰাৰ লগতে এলইটি সন্ত্ৰাসবাদীসকলক প্ৰশিক্ষণো দিছিল। শেহতীয়াকৈ খালিদ মুৰিদকেত থকা সংগঠনটোৰ মুখ্য কাৰ্যালয়লৈ স্থানান্তৰিত হৈছিল আৰু কেন্দ্ৰীয় সমিতিৰ অংশ আছিল।

আন এটা সন্ত্ৰাসবাদী আছিল এলইটি অপাৰেটিভ আৰু মুৰিডদকে

সন্ত্ৰাসবাদী শিবিৰৰ ভাৰপ্ৰাপ্ত মুদাছিৰ খাদিয়ান খাছ। খাছ আল খিদমাত সমিতিৰ অধ্যক্ষ হাফিজ আব্দুল ৰৌফৰ  নিৰাপত্তাৰ দায়িত্বত আছিল।

অপাৰেশ্যন সেন্দূৰৰ সময়ত লক্ষ্য কৰি লোৱা আন এটা সন্ত্ৰাসবাদী মহম্মদ হাছান খান আছিল মুফতি আছঘৰ খান কাশ্মীৰীৰ পুত্ৰ। হাছানে পূৰ্বে চৈয়দনা বিলাল সন্ত্ৰাসবাদী শিবিৰৰ পৰা মুফতি আছঘৰ খান কাশ্মীৰী আৰু আছিক নেগ্ৰু (জেম ইণ্ডিয়ান ফিজিটিভ)ৰ সৈতে কাম কৰিছিল আৰু ২০১৯ চনৰ পুলৱামা আক্ৰমণৰ সৈতে জড়িত আছিল।

আক্ৰমণত নিহত আন এটা সন্ত্ৰাসবাদী হৈছে হাফিজ মহম্মদ জামিল। সন্ত্ৰাসবাদী সংগঠন জেইএমৰ মুৰব্বী মৌলানা মাছুদ আজহাৰৰ জ্যেষ্ঠ ভাতৃ আৰু উপদেষ্টা। জামিল বাহাৱালপুৰত সংগঠনটোৰ মুখ্য কাৰ্যালয়ৰ সামগ্ৰিক প্ৰভাৰী আছিল। জামিলে ভাৰতৰ বিৰুদ্ধে জেহাদত যোগদান কৰিবলৈ যুৱক-যুৱতীসকলক প্ৰেৰণা যোগাবলৈ আৰু জেইএমৰ বাবে ধন সংগ্ৰহ কৰিবলৈ পাকিস্তান অধিকৃত কাশ্মীৰ ভ্ৰমণ কৰিছিল। গতিকে ইমানবোৰ সন্ত্ৰাসবাদী একেলগে ভাৰতে নিহত কৰাৰ পিছটো পাকিস্তানে ক'ব বিচাৰে যে দেশখনে সন্ত্ৰাসবাদক সমৰ্থন কৰা নাই। আজি বিশ্ববাসীৰ সন্মুখত পাকিস্তানৰ দুমুখীয়া চৰিত্ৰ ওলাই পৰিছে। নিলাজৰ দৰে ভিক্ষা খুজিব লগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ভাৰতৰ বিৰুদ্ধে মাত্ৰ দুদিন যুদ্ধ কৰোতেই দেশে দেশে ভিক্ষাৰ জোলোঙা লৈ ভিক্ষা বিচাৰিছে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে। ইয়াতকৈ চৰম লজ্জাজনক কথা কি হ'ব পাৰে?

# সন্ত্ৰাসবাদৰ বিৰুদ্ধে চীনত ভাৰতৰ আন এখোজ

ভাৰতে সদায় বিশ্ব দৰবাৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাত মাতি আহিছে। বিভিন্ন মঞ্চত সজোৰ দাবী উত্থাপন কৰিছে। সময়ে সময়ে প্ৰতিবাদ কৰি ভাৰতৰ স্থিতিৰ কথা স্পষ্ট কৰি দিছে। ভাৰতে শান্তি বিচাৰে আৰু কোনো কাৰণতে সন্ত্ৰাসবাদীক সমৰ্থন নকৰে। ভাৰতৰ এই স্থিতিৰ বিপৰীত পদক্ষেপ গ্ৰহণ কৰি আহিছে চিৰবৈৰী পাকিস্তানে। কাৰণ পাকিস্তানক সন্ত্ৰাসবাদীক স্থান দিয়া দেশ হিচাপে বিশ্বৰ প্ৰায়ভাগ দেশেই গণ্য কৰি আহিছে। শেহতীয়াভাৱে চীনৰ টিয়ানজিনত অনুষ্ঠিত ২৫সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ ৰাষ্ট্ৰপ্ৰধান পৰিষদৰ পূৰ্ণাংগ অধিবেশনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহলগাম সন্ত্ৰাসবাদী আক্ৰমণক মানৱতাত বিশ্বাস কৰা প্ৰতিখন দেশৰ বাবে মুকলি প্ৰত্যাহ্বান বুলি কৰা মন্তব্যই তাৎপৰ্য বহন কৰিছে। কিয়নো চীনত অনুষ্ঠিত এছ চি অ' শীৰ্ষ সন্মিলনত ভাৰতৰ উপৰি বেলাৰুছ, ইৰাণ, কাজাখস্তান, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান আৰু উজবেকিস্তানৰ নেতাৰ উপস্থিতিৰ সময়তেই প্ৰধানমন্ত্ৰী মোদীয়ে এই বিষয়টো সজোৰে উত্থাপন কৰিছে। পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ সন্মুখতেই ভাৰতে এইদৰে সন্ত্ৰাসবাদীক সকীয়াই দিয়াটো কম কথা নহয়। আনকি পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফেও একেখন মঞ্চতেই ক'বলৈ বাধ্য হৈছে যে পাকিস্তানলৈয়ো সন্ত্ৰাসবাদীয়ে ভাবুকি কঢ়িয়াই আনিছে।

তদুপৰি পাকিস্তানৰ সৈতে শেহতীয়াভাৱে আমেৰিকাৰ ঘনিষ্ঠতা বৃদ্ধি পোৱাত চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙেও ভিতৰি ভিতৰি পাকিস্তানৰ প্ৰতি ক্ষুণ্ণ হৈ আছে। সেই সময়তেই ভাৰতে সুযোগ বুজি সন্ত্ৰাসবাদৰ বিষয়টো সজোৰে উত্থাপন কৰিছে। এই সন্মিলনৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। প্ৰায় ৪৫ মিনিট ধৰি চলা এই বৈঠকত দুয়োগৰাকী নেতাই বহু গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে। সেয়ে চকু কপালত উঠিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ। এই বিষয়ত নতুন দিল্লীৰ শেহতীয়া স্থিতিৰ পৰিৱৰ্তন হ'ব পৰা কথাটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙক কয় যে দুয়োখন দেশেই সন্ত্ৰাসবাদৰ চিকাৰ হৈছে আৰু সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদৰ আক্ৰমণৰ বিৰুদ্ধে যুঁজিবলৈ একেলগে কাম কৰা উচিত। মোদীয়ে সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ বিষয়ত ভাৰতে এছ চি অ'ত চীনৰ বুজাবুজি আৰু সহযোগিতা লাভ কৰাটো আন এক উল্লেখযোগ্য দিশ বুলি ক'ব পাৰি।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাংহাই সহযোগিতা সংস্থাত সন্ত্ৰাসবাদৰ সমৰ্থনত পাকিস্তানক লজ্জিত কৰে। শীতল মস্তিষ্কৰে ২৬ গৰাকী নিৰীহক গুলীয়াই হত্যা কৰা পেহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ কথা উত্থাপন কৰাৰ সময়ত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ সেই আলোচনাতেই উপস্থিত আছিল। তেওঁ এই কঠিন সময়ত ভাৰতৰ সৈতে থিয় দিয়াৰ বাবে বন্ধুসকলক ধন্যবাদ জনায় আৰু আঙুলিয়াই দিয়ে যে কেনেকৈ কিছুমান দেশে সন্ত্ৰাসবাদক মুকলিকৈ সমৰ্থন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে এতিয়া চাৰিটা দশক ধৰি সন্ত্ৰাসবাদৰ বাবে ক্ষতিগ্ৰস্ত হৈ আহিছে। প্ৰধানমন্ত্ৰীয়ে পৰোক্ষভাৱে পাকিস্তানলৈ আঙুলি টোঁৱাই কয় যে নিৰাপত্তা প্ৰতিখন দেশৰ অধিকাৰ আৰু সন্ত্ৰাসবাদ কেৱল ভাৰতৰ বাবেই নহয়, সমগ্ৰ বিশ্বৰ বাবেও এক ডাঙৰ প্ৰত্যাহ্বান। কিছুমান দেশৰ সন্ত্ৰাসবাদৰ প্ৰতি মুকলি সমৰ্থন ভাৰতৰ বাবে কেতিয়াবা গ্ৰহণযোগ্য হ'ব পাৰেনে বুলিও প্ৰশ্ন উত্থাপন কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত কোনোধৰণৰ দ্বৈত মানসিকতা সহ্য কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সকলোকে সকীয়াই দিছে। এতিয়া ভাৰতে কোনো কাৰণতেই সন্ত্ৰাসবাদক সমৰ্থন কৰা দেশৰ সৈতে সম্পৰ্ক নাৰাখে।

ভাৰতসহ পৃথিৱীৰ প্ৰায় সকলো মুখ্য অৰ্থনীতিত প্ৰভাৱ পেলোৱা বিতৰ্কিত আমেৰিকান শুল্কৰ মাজত চীনত অনুষ্ঠিত শিখৰ সন্মিলন অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। প্ৰধানমন্ত্ৰী মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ সৈতে চীনত ছাংহাই সহযোগিতা সংস্থাৰ শিখৰ সন্মিলনত দ্বি-পাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু ঝি জিনপিঙৰ এই বৈঠকত ভাৰত-চীনৰ অৰ্থনৈতিক সম্বন্ধ, পূৰ্বৰ লাডাখ সীমা বিবাদৰ পিছত প্ৰভাৱিত হোৱা সম্বন্ধক সাধাৰণ কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ত আলোচনা কৰা হয়। সকলোৱে ভাবিছিল চীনে সন্ত্ৰাসবাদ প্ৰসংগত ভাৰতৰ সমৰ্থন নকৰিব। কিন্তু মোদীয়ে এই ক্ষেত্ৰত ৰচনা কৰা চালত চীনে ভাৰতক সমৰ্থন কৰিবলৈ বাধ্য হয়। ইমান দিনে পাকিস্তানৰ সমৰ্থনত থকা চীনেও এইবাৰ ভাৰতকেই সমৰ্থন কৰাত নিদ্ৰা হৰণ হৈছে পাক প্ৰধানমন্ত্ৰীৰ।

আনহাতে, ছাংহাই সহযোগিতা সংস্থাই পেহলগাম সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত দ্বৈত মানসিকতা গ্ৰহণযোগ্য নহয় বুলি ভাৰতৰ স্থিতিৰ সৈতে একমত প্ৰকাশ কৰে। চীনৰ বন্দৰ চহৰত দুদিনীয়া বাৰ্ষিক শীৰ্ষ সন্মিলনৰ শেষত উন্মোচন কৰা ঘোষণাত প্ৰভাৱশালী গোটটোৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে নিজৰ দৃঢ় সংকল্পৰ তালিকা প্ৰস্তুত কৰে য'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, ৰাছিয়াৰ ভ্লাদিমিৰ পুটিন আৰু আন বহু বিশ্ব নেতাই অংশগ্ৰহণ কৰে। যোৱা ২২ এপ্ৰিলত পেহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সদস্য ৰাষ্ট্ৰসমূহে তীব্ৰ গৰিহণা দিছিল। পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ খুজদাৰ আৰু জাফাৰ এক্সপ্ৰেছত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণকো গৰিহণা দিয়ে এছচিঅ'ৰ সদস্য ৰাষ্ট্ৰসমূহে। ঘোষণাত আঞ্চলিক নিৰাপত্তা বৃদ্ধিৰ উপায়ৰ কথা উল্লেখ কৰা হৈছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াটো এটা ডাঙৰ প্ৰত্যাহ্বান হিচাপে চিহ্নিত কৰা হৈছে। ইয়াত উল্লেখ কৰা হৈছে যে যোৱা ২২ এপ্ৰিলত পেহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সদস্য ৰাষ্ট্ৰসমূহে তীব্ৰ গৰিহণা দিছিল। কূটনৈতিক পৰ্যায়ত এয়া ভাৰতৰ সফলতাৰ আন এক সাফল্য বুলি ক'ব পাৰি। এছচিঅ'ই সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতি নিজৰ দৃঢ় দায়বদ্ধতাক পুনৰ দৃঢ় কৰাৰ লগতে সন্ত্ৰাসবাদী,

বিচ্ছিন্নতাবাদী আৰু উগ্ৰপন্থী গোটসমূহক ভাড়াতীয়া নিয়োগৰ বাবে ব্যৱহাৰ কৰাৰ প্ৰচেষ্টা অগ্ৰাহ্যতাত গুৰুত্ব আৰোপ কৰিছে।

সন্ত্ৰাসবাদী আৰু উগ্ৰপন্থী ভাবুকি প্ৰতিহত কৰাৰ ক্ষেত্ৰত সাৰ্বভৌম ৰাষ্ট্ৰ আৰু তেওঁলোকৰ যোগ্য কৰ্তৃপক্ষৰ অগ্ৰণী ভূমিকাক স্বীকৃতি দিয়া বুলি এছচিঅ'ই কয়।

এছ চি অ'ই কয় যে ৰাষ্ট্ৰসংঘৰ চনদ আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ নীতি অনুসৰি সংশ্লিষ্ট ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱ আৰু ৰাষ্ট্ৰসংঘৰ বিশ্বব্যাপী সন্ত্ৰাসবাদবিৰোধী কৌশল সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰাৰ কেন্দ্ৰীয় ভূমিকা আছে, যাতে সকলো সন্ত্ৰাসবাদী গোটৰ বিৰুদ্ধে যৌথভাৱে প্ৰতিহত কৰিব পৰা যায়।

ছাংহাই সহযোগিতা সংস্থাৰ আনুষ্ঠানিক অভ্যৰ্থনা অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী কে পি অ'লিক সাক্ষাৎ কৰে। ইয়াৰ উপৰি তেওঁ মালদ্বীপৰ ৰাষ্ট্ৰপতি মুইজজু আৰু ইজিপ্তৰ প্ৰধানমন্ত্ৰী মুস্তাফা মেডবৌলীকো সাক্ষাৎ কৰে। এই সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেলাৰুছৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ লুকাচেংকোক সাক্ষাৎ কৰে। তাজিকিস্তানৰ ৰাষ্ট্ৰপতি ইমোমালি ৰহমান আৰু কাজাখস্তানৰ ৰাষ্ট্ৰপতি কাছিম-জোমাৰ্ট টোকায়েভৰ সৈতেও বাৰ্তালাপ কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। টিয়ানজিনত প্ৰধানমন্ত্ৰী মোদীয়ে ম্যানমাৰৰ চিনিয়ৰ জেনেৰেল মিন আঙৰ সৈতেও আলোচনাত মিলিত হয়। এয়াও ভাৰতৰ বাবে এক সুৱৰ্ণ সুযোগ আছিল।

# সন্ত্ৰাসবাদীৰ আক্ৰমণে প্ৰভাৱ পেলাব কাশ্মীৰৰ পৰ্যটন ক্ষেত্ৰত

অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ কাশ্মীৰ। এই কাশ্মীৰত থুপ খাই আছে প্ৰকৃতি দেৱীয়ে অকৃপণভাৱে উজাৰি দিয়া মনোমোহা সৌন্দৰ্য। ইয়াতে আছে জান-জুৰি, নৈ, মিনি ছুইজাৰলেণ্ড। সেয়ে বিশ্বত প্ৰতিটো প্ৰান্তৰ লোকে কাশ্মীৰৰ সৌন্দৰ্য পান কৰিবলৈ বছৰৰ বিভিন্ন সময়ত ঢাপলি মেলে। ভৌগোলিক স্বীকৃতিয়ে ইয়াৰ বাসিন্দাসকলক নিজৰ ঠাইখনক লৈ গৌৰৱ কৰাৰ সুবিধা দিয়া বুলি ক'ব পাৰি। প্ৰতিবছৰে কাশ্মীৰলৈ আহে লাখ লাখ পৰ্যটক। প্ৰায়ভাগ কাশ্মীৰৰ লোকৰ জীৱন-জীৱিকাৰ উৎস হৈছে পৰ্যটন। ইয়ালৈ অহা পৰ্যটকক ঠাই দেখুওৱাৰ পৰা আৰম্ভ কৰি থকা ঘৰ, হোটেল, ৰেস্তোৰাঁ, গাড়ী, ঘোঁৰা, পাল্কী আদিৰে বহুতে জীৱন নিৰ্বাহ কৰি আহিছে। এই অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰতো পৰ্যটকে বিশেষ ভূমিকা গ্ৰহণ কৰি অহা বিষয়টো সকলোৰে জ্ঞাত। সেইবাবে এই অঞ্চলটোৰ পৰ্যটন উদ্যোগটো বৰ্তাই ৰাখিবৰ বাবে ইয়াৰ জনসাধাৰণে সদায় চেষ্টা অব্যাহত ৰাখিছে। এই কথা শেহতীয়া ঘটনাৰ সময়ত এগৰাকী স্থানীয় ঘোঁৰা চালকে সন্ত্ৰাসবাদীৰ হাতৰ পৰা বন্দুক কাঢ়ি আনি পৰ্যটকক ৰক্ষা কৰিবলৈ নিজৰ বিসৰ্জন দিয়া ঘটনাই প্ৰমাণ কৰিছে।

সাধাৰণতে কাশ্মীৰত শ্ৰীনগৰ, গুলমাৰ্গ, পেহেলগাম, ডাল লেক, সোনমাৰ্গ আদিত পৰ্যটকৰ আগমন বেছি হয়। সেইবাবে এইবোৰত পৰ্যটন কেন্দ্ৰ গঢ়ি উঠিছে। বিগত সময়ত পৰ্যটকক লৈ যিমান উদ্যোগ গঢ়ি উঠিছে

সেয়া কাশ্মিৰী লোকসকলৰ বাবে আশীৰ্বাদ হৈ আহিছে। এই স্থানবোৰক পাক সমৰ্থিত সন্ত্ৰাসবাদী সংগঠনে আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লৈ আহিছে। ইয়াৰ পূৰ্বেও বহুতো ঠাইত সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলাই নিৰীহ লোকক হত্যা কৰিছিল।

অসহনীয়, কাহানিও ভাবিব নোৱৰা এক ঘটনা সংঘটিত হ'ল জম্মু-কাশ্মীৰৰ পহলগামত। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে ভৰা জম্মু-কাশ্মীৰত দেখিবলৈ পোৱা গ'ল কেৱল তেজৰ চেকুৰা। শুনিবলৈ পোৱা গ'ল কেৱল গুলীৰ শব্দ। মালাৰে সজ্জিত বগা ৰঙৰ এই বাকচবোৰৰ দৃশ্যই আগন্তুক বছৰবোৰলৈ সকলো ভাৰতীয়ক ব্যথিত কৰিব। এই বাকচৰ ভিতৰত আছে ১৬খন ৰাজ্যৰ ক্ষত-বিক্ষত লোকৰ শৱদেহ। তেওঁলোক আহিছিল ভূ-স্বৰ্গ হিচাপে পৰিচিত কাশ্মীৰৰ শান্তি আৰু সৌন্দৰ্য উপভোগ কৰিবলৈ। কিন্তু কোনেও সপোনতো কল্পনা কৰা নাছিল যে তেওঁলোক কফিনত ভিতৰত নিশ্চুপ হৈ এনেদৰে নিজৰ ঘৰলৈ উৰা মাৰিব লাগিব। হাঁহিমুখেৰে ঘৰৰ পৰা উলিয়াই পঠিওৱা তেওঁলোকৰ পৰিয়ালৰ লোকে মানি ল'ব পাৰিবনে নিয়তিৰ এই পৰিহাস?

অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰৰ পিছত উদ্ভৱ হোৱা তুলনামূলকভাৱে নতুন সন্ত্ৰাসবাদী সংগঠন দ্য ৰেজিষ্টেন্স ফ'ৰ্চে (টি আৰ এফ) এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। টি আৰ এফক পাকিস্তানভিত্তিক আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাত গঠিত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ (এল ই টি) এটা শাখা বুলি জনা যায়। এই আক্ৰমণটো হৈছে বিগত ছয় মাহত অনা-স্থানীয় নাগৰিকসকলক লক্ষ্য কৰি কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ আক্ৰমণবোৰৰ ভিতৰত এটা। পূৰ্বতে ২০২৩ চনৰ ২০ অক্টোবৰ তাৰিখে গান্দেৰবালত টি আৰ এফে চলোৱা আক্ৰমণৰ ঘটনাৰ দৰে একেধৰণৰ। উক্ত ঘটনাত এগৰাকী স্থানীয় চিকিৎসক আৰু ছয়জন অনা-স্থানীয় কৰ্মচাৰী নিহত হৈছিল। ইয়াৰ লগতে মুছলমান সংখ্যাগৰিষ্ঠ দক্ষিণ এছিয়াৰ দেশসমূহত পৰিৱৰ্তনশীল ৰাজনৈতিক গতিশীলতা, জম্মু-কাশ্মীৰত ৰাজনৈতিক আৰু অৰ্থনৈতিক স্থিৰতা ঘূৰাই অনা আৰু ভাৰতত আভ্যন্তৰীণ সাম্প্ৰদায়িক উত্তেজনাই ঘটনাটোৰ এক সামগ্ৰিক বিশ্লেষণৰ প্ৰমাণ দিয়ে। যদিও সন্ত্ৰাসবাদৰ মূল চালিকা শক্তি হিচাপে

বিচ্ছিন্নতাবাদী আদৰ্শ, ধৰ্মীয় উগ্ৰবাদ আৰু পাকিস্তানৰ প্ৰত্যক্ষ সমৰ্থন স্থিৰ হৈ আছে, জম্মু-কাশ্মীৰত ক্ৰমবিকশিত ৰাজনৈতিক দৃশ্যপট এক গুৰুত্বপূৰ্ণ উত্তেজক কাৰক যেন লাগিছে। ২০১৯ চনত জম্মু-কাশ্মীৰক কেন্দ্ৰীয়শাসিত অঞ্চললৈ পৰিণত কৰা অনুচ্ছেদ ৩৭০ বাতিল হোৱাৰ পিছত সন্ত্ৰাসবাদী কাৰ্যকলাপ যথেষ্ট হ্ৰাস পাইছে।

জম্মু আৰু কাশ্মীৰ বহুতো উপত্যকা থকা এখন প্ৰদেশ যদিও ইয়াৰ মুখ্য উপত্যকাসমূহ কাশ্মীৰ উপত্যকা, তাৱী উপত্যকা, চেনাব উপত্যকা, পুঞ্চ উপত্যকা আৰু সিন্দ উপত্যকা সকলোৰে বাবে পৰিচিত। বিশ্ব যিকোনো পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ প্ৰধান উপত্যকা কাশ্মীৰ ১০০ কিলোমিটাৰ বহল আৰু ইয়াৰ মাটিকালি ১৫,৫২০.৩ বৰ্গ কিলো মিটাৰ। হিমালয় পৰ্বতে কাশ্মীৰ উপত্যকাক লাডাখৰ পৰা পৃথক কৰি ৰাখিছে। আনহাতে পিৰ-পানজল পৰ্বতমালাই কাশ্মীৰ উপত্যকাক উত্তৰ ভাৰতৰ বিশাল সমতলভূমিৰ পৰা পৃথক কৰিছে। হিমালয়ৰ মূল পৰ্বতমালা কাশ্মীৰ উপত্যকাৰ উত্তৰ-পূব অংশজুৰি বিস্তৃত। ঘন জনবসতিপূৰ্ণ আৰু সুন্দৰ কাশ্মীৰ উপত্যকা সাগৰপৃষ্ঠৰ পৰা ১,৮৫০ মিটাৰ উচ্চতাত অৱস্থিত। পিৰ-পানজল পৰ্বতমালাৰ গড় উচ্চতা ৫,০০০ মিটাৰ।

সাগৰপৃষ্ঠৰ পৰা উচ্চতাৰ বিবিধতাৰ বাবে জম্মু আৰু কাশ্মীৰৰ জৈৱ-ভূগোল বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। উত্তৰ-পশ্চিমীয় কাঁইটীয়া বনভূমি, হিমালয়ান উপ-ক্ৰান্তীয় পাইন বন কম উচ্চতাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ দূৰ প্ৰান্তত দেখিবলৈ পোৱা যায়। পশ্চিম হিমালয়ান বহল পাতৰ বনৰ এক বিশাল বনাঞ্চল কাশ্মীৰ উপত্যকাৰ উত্তৰ-পশ্চিম অঞ্চলৰ পৰা দক্ষিণ-পূব অঞ্চললৈকে দেখিবলৈ পোৱা যায়। প্ৰকৃতিৰ ৰম্যভূমি তথা ভাৰতৰ ভূস্বৰ্গ কাশ্মীৰত বছৰি বহুতো দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। আগতে পৰ্যটকৰ আগমণ কম হৈছিল যদিও বিগত কেইটামান বছৰত এই অঞ্চলটোত পৰ্যটকৰ সংখ্যা বৃদ্ধি পায়। জম্মু আৰু কাশ্মীৰৰ পৰ্যটন বিভাগৰ তথ্য অনুসৰি ২০১৯ চনত ১.৬২ লাখ কোটি পৰ্যটকৰ পৰা ২০২৩ চনত ২.১২ কোটি পৰ্যটকলৈ বৃদ্ধি পোৱাৰ বিপৰীতে মে’-জুলাই সময়ছোৱাত সৰ্বাধিক আগমন ৰেকৰ্ড কৰা হৈছে। দেশী পৰ্যটকৰ সংখ্যা ২০১৯ চনত ১.৬১ কোটিৰ পৰা ২০২৪

চনত ২.৩৪ কোটিলৈ যথেষ্ট বৃদ্ধি পায়। ইফালে ২০১৯ চনত বিদেশী পৰ্যটকৰ সংখ্যা ৫৭,৯২০ৰ পৰা ২০২৪ চনত ৬৫,৪৫২লৈ বৃদ্ধি হয়। ২০২৪ চনত কেন্দ্ৰীয়শাসিত অঞ্চলত ২.৩৬ পৰ্যটকৰ শীৰ্ষ স্থান লাভ কৰাটোৱেই ইয়াৰ বাসিন্দাসকলৰ বাবে আছিল আশাব্যঞ্জক খবৰ। কাৰণ জম্মু আৰু কাশ্মীৰৰ জনসাধাৰণৰ জীৱন জীৱিকাৰ প্ৰধান উৎসই হৈছে পৰ্যটন।

জে এণ্ড কেত পৰ্যটনক পুনৰুজ্জীৱিত কৰাৰ চৰকাৰৰ কৌশলৰ অংশ হিচাপে ২০২৩ চনত শ্ৰীনগৰত জি-২০ পৰ্যটন কৰ্মগোটৰ বৈঠক অনুষ্ঠিত হৈছিল। চৰকাৰী পৰিসংখ্যা অনুসৰি জম্মু-কাশ্মীৰত ২০২৪ চনত ২.১১ কোটি আৰু ২০২২ চনত ১.৮৮ কোটি পৰ্যটকৰ তুলনাত ২০২৪ চনত ২.৩৫ কোটি পৰ্যটকৰ ঐতিহাসিক পদাংক ৰেকৰ্ড কৰা হৈছে।

বিভিন্ন অৰ্থনৈতিক জৰীপে পৰ্যটনৰ এই ধাৰাবাহিক বৃদ্ধি জম্মু-কাশ্মীৰলৈ এক আশাৰ বতৰা অনা বুলি উল্লেখ কৰা হৈছিল। উন্নত আন্তঃগাঁথনি, উন্নত সংযোগ, আৰু চৰকাৰী নেতৃত্বত শক্তিশালী প্ৰচাৰ প্ৰচেষ্টাৰ দ্বাৰা এই খণ্ডই লাভৱান হৈছে। কিন্তু পেহেলগাম আক্ৰমণে হয়তো সেই সকলোবোৰ বিপদত পেলাইছে। শেহতীয়া ঘটনা প্ৰৱাহে অঞ্চলটোত পৰ্যটন ক্ষেত্ৰত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ পৰ্যটন বিভাগৰ তথ্য অনুসৰি, বিগত পাঁচ বছৰত ৭ কোটিতকৈয়ো অধিক ভাৰতীয় আৰু বিদেশী পৰ্যটকে জম্মু-কাশ্মীৰ ভ্ৰমণ কৰিছে।

দীৰ্ঘদিন ধৰি উগ্ৰবাদ আৰু সংঘৰ্ষৰ দ্বাৰা ভাৰাক্ৰান্ত অঞ্চলটোৰ বাবে এনে পৰিসংখ্যাই প্ৰগতিক সূচায়। অৱশ্যে সুস্থিৰতা আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ এই পুনৰুত্থান পাকিস্তানীকে ধৰি বিচ্ছিন্নতাবাদী আৰু সন্ত্ৰাসবাদী শক্তিৰ লক্ষ্যৰ পোনপটীয়া বিৰোধিতা কৰে। শেহতীয়াকৈ অনা-স্থানীয় শ্ৰমিক-কৰ্মচাৰী আৰু এতিয়া পৰ্যটকসকলক লক্ষ্য কৰি কৰা আক্ৰমণবোৰে এই উদীয়মান সুস্থিৰতাক মষিমূৰ কৰাৰ বাবে এক পৰিকল্পিত ঘটনা যেন লাগিছে।

পহলগামত টি আৰ এফৰ উদ্দেশ্য প্ৰণোদিতভাৱে পৰ্যটকক হত্যা, লগতে সাম্প্ৰদায়িক হিংসাত আন আন উপাদান জড়িত থকাৰ খবৰ পোৱাৰ লগতে ৰাজনৈতিক আৰু সামাজিকভাৱে দুটা দিশত ভাৰতক অস্থিৰ কৰাৰ এক সমন্বিত প্ৰচেষ্টাক সূচায়। উল্লেখ্য যে পেহেলগামত সংঘটিত আক্ৰমণৰ ঘটনাৰ

পিচত প্ৰায় ৯০ শতাংশ পৰ্যটকে ভ্ৰমণৰ বুকিং বাতিল কৰিছে। পেহেলগামত ২৪ ঘণ্টাৰ ভিতৰত ৯০ শতাংশ হোটেলৰ কোঠা খালী হোৱা বুলি হোটেল কৰ্তৃপক্ষই সদৰী কৰিছে। ৰাজ্যখনত ফুৰিবলৈ যোৱা বহু পৰ্যটকে ইতিমধ্যে কাশ্মীৰ ত্যাগ কৰিছে। ফ্লাইটত উঠি নিজ নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰিছে পৰ্যটকে। উল্লেখযোগ্য যে ২০২৪ চনত ২.৩৫ কোটি পৰ্যটকে কাশ্মীৰ ভ্ৰমণ কৰিছিল। পিছে এই ঘটনাৰ পিছত জম্মু-কাশ্মীৰৰ পৰ্যৰ্যটন খণ্ডত ব্যাপকভাৱে পৰিছে। পেহেলগামত ২৪ ঘণ্টাৰ ভিতৰত ২০,০০০ হোটেলৰ কোঠাৰ ৯০ শতাংশতকৈ অধিক কোঠা খালী হোৱা বিষয়টোৱে ইয়াত পৰা প্ৰভাৱৰ ছবিখন স্পষ্ট ৰূপত দাঙি ধৰিছে। পেহেলগাম হোটেলছ এণ্ড অনাৰ্ছ এছ'চিয়েচনৰ সভাপতি জাবেদ বুজাই এই ঘটনাৰ এদিন পিছতেই বুকিং কৰি ৰখা হোটেলৰ কোঠা বাতিল কৰিবলৈ পৰ্যটকৰ বহু ফোনকল অহা বুলি কয়। পৰ্যটন আৰু পৰ্যটক অবিহনে কাশ্মীৰৰ প্ৰায়ভাগ লোকৰ পাকঘৰৰ চৌকাত জুই নজ্বলে। সেয়ে সকলোৱে চিন্তিত ভৱিষ্যতে এই লোক সকলৰ পোহপাল দিয়াৰ বিকল্প ওলাবনে ?

# এছিয়াৰ তিনি ৰাষ্ট্ৰৰ যুৱ বিদ্ৰোহৰ আঁৰৰ কথা

শেহতীয়াভাৱে অতি কম দিনৰ ভিতৰত এছিয়া মহাদেশৰ তিনিখন ৰাষ্ট্ৰত হোৱা যুৱ বিদ্ৰোহৰ পিছত ইয়াৰ আঁৰত থকা কাৰণ সন্দৰ্ভত হৈছে আলোচনা। ইয়াৰ আঁৰত কেৱল যুৱ বিদ্ৰোহেই নে তৃতীয় শক্তিৰ হাত আছে সেই বিষয়ে কোনোৱে স্পষ্টভাৱে উল্লেখ কৰা নাই যদিও সন্দেহৰ আঙুলি কিন্তু নোটোৱাকৈও নথকা নহয়।

শ্ৰীলংকা আৰু বাংলাদেশৰ পিছত গভীৰ সংকটৰ সন্মুখীন হৈছে এছিয়াৰ তৃতীয়খন দেশ নেপাল। হিমালয়ৰ পাদদেশত অৱস্থিত নেপালত বিগত কিছুদিনত দেশখনৰ যুৱক-যুৱতীৰ নেতৃত্বত চলা প্ৰতিবাদে ভয়ংকৰ ৰূপ লোৱাত সংকটৰ সৃষ্টি হৈছে গৌতম বুদ্ধৰ জন্মস্থানত। এই ভয়াৱহ পৰিস্থিতিৰ বাবে প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে দেশ এৰি ৰাজনৈতিক আশ্ৰয়ৰ বাবে বিদেশলৈ পলায়ন কৰিবলৈ বাধ্য হৈছে। ফিৰিঙতিৰ পৰা কেনেদৰে খাণ্ডৱ দাহন হ'ব পাৰে তাৰেই জ্বলন্ত উদাহৰণ দেখা পোৱা গ'ল এই দেশখনত।

সামাজিক মাধ্যম নিষেধাজ্ঞা জাৰি কৰাৰ পিছত হতাশাৰ প্ৰকাশ হিচাপে আৰম্ভ হয় যুৱ বিদ্ৰোহ। নেপালৰ এক দশকৰো অধিক সময়ৰ ভিতৰতে হোৱা আটাইতকৈ ডাঙৰ নাগৰিক বিদ্ৰোহ হিচাপে আখ্যা দিয়া এই আন্দোলনত বহুতেই হেৰুৱালে প্ৰাণ। যোৱা ৪ ছেপ্টেম্বৰৰ পৰা বহুকেইটা বৃহৎ বৃহৎ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম নিষিদ্ধ কৰাৰ পিচতেই চৰকাৰৰ বিৰুদ্ধে আৰম্ভ হয় বিদ্ৰোহ।

নেপালৰ যুৱ প্ৰতিনিধিৰ বহুতেই যোগাযোগ, বিভিন্ন ধৰণৰ কাৰ্য আনকি জীৱিকাৰ বাবেও ছ'চিয়েল মিডিয়াৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। সেইবাবে চৰকাৰৰ এই সিদ্ধান্তৰ পিচতেই ঘটিল কোনোৱে ভাবিব নোৱৰা এক পৰিস্থিতি। ইয়াৰ কাৰণো নোহোৱা নহয়। ২০২৪ চনতে বিদেশত উন্নত সুযোগৰ সন্ধানত ৭ লাখ ৪১ হাজাৰতকৈ অধিক নেপালীয়ে দেশ এৰি থৈ গৈছিল। প্ৰায় ৩ কোটি জনসংখ্যাৰ দেশৰ পৰা এই মানৱ সম্পদ বিদেশলৈ যোৱাৰ আঁৰৰ কাহিনী কি হ'ব পাৰে সেয়া সকলোৰে জ্ঞাত। সামাজিক মাধ্যমত জাৰি কৰা নিষেধাজ্ঞাই এই জুইৰ তাৎক্ষণিক স্ফুলিংগ হিচাপে কাম কৰিলেও বছৰ বছৰ ধৰি যুৱ শক্তিৰ মনত জ্বলি থকা ক্ষোভৰ বহিঃপ্ৰকাশ বুলিহে ক'ব পাৰি। বিগত সময়ত শ্ৰীলংকাত হোৱা অৰ্থনৈতিক মন্দাৱস্থাৰ মাজতে শক্তিশালী ৰাজাপাকচা শাসন ব্যৱস্থাক উফৰাই পেলোৱাত যুৱচামৰ প্ৰতিবাদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। একেদৰে বাংলাদেশত শিক্ষা সংস্কাৰ আৰু দুৰ্নীতিৰ অভিযোগক লৈ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্বত প্ৰতিবাদ হৈছিল যদিও এই প্ৰতিবাদসমূহ জনগোষ্ঠীয়-ধৰ্মীয় উত্তেজনাৰ সৈতে পিছলৈ অধিক জড়িত হৈ পৰে। এতিয়া এই তালিকাত নেপাল অন্তৰ্ভুক্ত হৈছে বুলি ক'ব পাৰি।

যদিও এই সকলোবোৰ আন্দোলন বিভিন্ন জাতীয় প্ৰেক্ষাপটৰ পৰাই উদ্ভৱ হৈছে, তথাপি ইয়াৰ কাৰণ, গাঁথনি আৰু বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য সাদৃশ্য আছে। শ্ৰীলংকাত অস্থায়ী ঋণ, দুৰ্নীতি, ইন্ধনৰ নাটনিৰ ফলত অৰ্থনীতিৰ পতন হোৱাৰ বাবে গণ প্ৰতিবাদৰ সৃষ্টি হৈছিল আৰু তাৰ ফলতে ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপাকচাই পদত্যাগ কৰিছিল। বাংলাদেশত সংৰক্ষণ ব্যৱস্থা আৰু কথিত বৈষম্যক লৈ ছাত্ৰ-ছাত্ৰীৰ অসন্তুষ্টি ডিজিটেল সক্ৰিয়তা আৰু বিচ্ছিন্ন হিংসালৈ পৰিণত হৈছিল। দুয়োখন দেশতে বাংলাদেশত আমেৰিকা আৰু শ্ৰীলংকাত চীন-আমেৰিকা দুয়োখন দেশৰ দৰে বহিঃশক্তিৰ ভূমিকাক লৈ তীব্ৰ জল্পনা-কল্পনাৰ বিষয় হৈ পৰিছিল। নেপালৰ এই প্ৰতিবাদত যদিও এতিয়ালৈকে বিদেশী প্ৰভাৱৰ স্পষ্ট প্ৰমাণৰ অভাৱ, তথাপি ইয়াক পৃথকে বিশ্লেষণ কৰিব নোৱাৰি। অৱেশ্য নেপালৰ এই অস্থিৰতা বহুলাংশে আভ্যন্তৰীণ কাৰক বুলিহে ক'ব পৰা যায়। অৱশ্যে ভাৰত আৰু চীনৰ মাজত ভূ-ৰাজনৈতিক সম্পৰ্কৰ সামান্যভাৱে উন্নতি হোৱাৰ সময়তে নেপালৰ

কৌশলগত অৱস্থান আৰু ইতিহাসৰ প্ৰতি লক্ষ্য ৰাখি পৰ্দাৰ আঁৰত বিদেশী স্বাৰ্থই নীৰৱে উন্নয়নক গঢ় দিয়াৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নুই কৰিব নোৱাৰি। এইখিনিতে এটা কথা ক'ব পাৰি যে এই অশান্তিৰ অন্যতম কাৰণ দেশখনত শিপাই থকা ৰাজনৈতিক অভিজাত শ্ৰেণীৰ প্ৰতি গভীৰ হতাশা বুলিও আমি ক'ব পাৰো। ২০১৫ চনত নতুন সংবিধান জাৰি কৰাৰ পিছৰে পৰা গণতান্ত্ৰিক একত্ৰীকৰণ আৰু সুশাসনৰ আশা ক্ৰমাৎ হ্ৰাস পোৱাত সকলোৰে ভিতৰি ভিতৰি জ্বলি আছিল। হয়তো তেনে কাৰণতেই যুৱচামৰ ক্ষোভৰ উদ্‌গিৰণ হ'বলৈ ধৰিলে।

নেপাল চৰকাৰৰ সামাজিক মাধ্যমত নিষেধাজ্ঞা কেৱল মত প্ৰকাশৰ স্বাধীনতাৰ কথা নাছিল, বৰঞ্চ এয়া প্ৰব্ৰজিত শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ মাজত বাকী থকা সম্পৰ্ক ভঙাৰ প্ৰয়াস আছিল। এই প্ৰতীকী বিচ্ছিন্নতা আৰু চৰকাৰে দৈনন্দিন বাস্তৱৰ প্ৰতি অৱহেলিত বুলি ধাৰণা কৰাটোৱে প্ৰতিবাদত ইন্ধন যোগাইছিল। এছিয়াৰ নেপাল, শ্ৰীলংকা আৰু বাংলাদেশত সংঘটিত এনে বিদ্ৰোহৰ ক্ষেত্ৰত উল্লেখযোগ্য বিষয়টো হৈছে পৰম্পৰাগত ৰাজনৈতিক দলৰ সৈতে প্ৰায়ে জড়িত নথকা যুৱক-যুৱতীসকলে লোৱা বিশিষ্ট ভূমিকা। তেওঁলোকে ডিজিটেল প্লেটফৰ্ম, ক্ৰাউডছ'ৰ্চিং সম্পদৰ জৰিয়তে সংগঠিত হৈছে। এয়াই ভৱিষ্যতৰ কেনে ইংগিত দিছে সকলোৱে অনুমান কৰিব পাৰিছে। শ্ৰীলংকা আৰু বাংলাদেশৰ শেহতীয়া পৰিঘটনাৰ সমান্তৰালভাৱে নেপালৰ যুৱ নেতৃত্বৰ প্ৰতিবাদে সমগ্ৰ দক্ষিণ এছিয়াত প্ৰতিষ্ঠিত ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি মোহভংগৰ বিস্তৃত ধাৰাক আঙুলিয়াই দিয়ে।

# আমেৰিকাৰ আকাশলংঘী শুল্কই ভাৰতৰ কিমান ক্ষতি কৰিব ?

আমেৰিকাই শেহতীয়াভাৱে আৰম্ভ কৰিছে অৰ্থনৈতিক যুঁজ। বিগত সময়ত বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰখনে বিভিন্ন ক্ষেত্ৰত শীতল মস্তিকৰে আৰম্ভ কৰা অভিযান সফল হোৱাৰ পিছত এইবাৰ মুকলিকৈয়ে আৰম্ভ কৰিছে অৰ্থনৈতিক যুঁজ। হঠাতে বিভিন্ন দেশৰ বিৰুদ্ধে আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত আৰোপ কৰা আকাশলংঘী শুল্কই যেন তৃতীয় বিশ্বযুদ্ধৰহে ইংগিত দিছে। বিশ্বত চীনৰ আধিপত্য খৰ্ব কৰিবলৈ পৰোক্ষভাৱে আমেৰিকাই আৰম্ভ কৰা এই যুঁজখনত কাৰ কিমান লাভ বা লোকচান হ'ব সেই কথা এতিয়াও অনুমান কৰাটো সম্ভৱ নহয় যদিও এটা কথা ঠিক যে এই কাৰ্যৰ দ্বাৰা বহুতো দেশৰ মাজত থকা সম্পৰ্কৰ মাজত ব্যাঘাত জন্মাটো নিশ্চিত।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কংগ্ৰেছৰ যুটীয়া অধিবেশনত তেওঁৰ প্ৰথমটো ভাষণ আগবঢ়োৱাৰ সময়তেই ধুমুহাৰ সৃষ্টি কৰে। এই ভাষণত ড'নাল্ড ট্ৰাম্পে ভাৰত আৰু চীনকে ধৰি অন্যান্য দেশে আৰোপ কৰা উচ্চ শুল্কক সমালোচনা কৰাই নহয়, ইয়াক অতি অন্যায় বুলি আখ্যা দিয়ে। কেৱল সেয়াই নহয়,পাৰস্পৰিক শুল্ক আৰম্ভ কৰিব বুলি ঘোষণা কৰাৰ পিচতেই বিশ্বৰ প্ৰায়ভাগ দেশতে সৃষ্টি হৈছে ধুমুহাৰ।

ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শুল্ক নীতিয়ে ইতিমধ্যে বিশ্বজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘোষণাৰ লগে লগে মন্দাৰস্থাৰ আশংকা বৃদ্ধি

হোৱাত বিশ্বব্যাপী বাণিজ্য ব্যৱস্থাত খলকনি তুলিছে। দ্বিতীয়বাৰৰ বাবে শাসনভাৰ গ্ৰহণ কৰিয়েই বিদেশৰ পৰা আমদানিৰ ওপৰত একে শুল্ক আৰোপ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে যিবোৰ ৰাষ্ট্ৰই আমেৰিকাৰ ৰপ্তানিৰ ওপৰত আৰোপ কৰে। এই নীতিৰ বাবে বিশ্বৰ বজাৰৰ হঠাতে মন্দাৰস্থাৰ সন্মুখীন হয়। ফলত ড'নাল্ড ট্ৰাম্পে হঠাতে বেছিভাগ দেশৰ ওপৰত ৯০ দিনৰ বাবে শুল্ক হ্ৰাস কৰে। পিছে চীনৰ আমদানিৰ ওপৰত কৰৰ হাৰ ১২৫ শতাংশলৈ বৃদ্ধি কৰি এক প্ৰকাৰ শীতল যুদ্ধ আৰম্ভ কৰিছে।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ওপৰত ৰাষ্ট্ৰসংঘৰ COMTRADE তথ্যকোষ অনুসৰি ২০২৪ চনৰ ভিতৰত চীনৰ পৰা আমেৰিকাৰ আমদানি আছিল ৪৬২.৬২ বিলিয়ন মাৰ্কিন ডলাৰ। আমেৰিকাই বিগত কেইটামান দশকত অৰ্থনৈতিক ক্ষেত্ৰত চীনক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে শত্ৰু জ্ঞান কৰি আহিছে। ট্ৰাম্পে চীনৰ বিৰুদ্ধে একপ্ৰকাৰ মুকলিকৈ বিদ্ৰোহ ঘোষণা কৰিছে।

ইয়াৰ মাজতে ট্ৰাম্পে ৯০ দিনৰ শুল্ক স্থগিত ঘোষণা কৰাৰ পিছতে আমেৰিকাৰ শ্বেয়াৰ বজাৰত উথান ঘটে। ৰাষ্ট্ৰপতিগৰাকীয়ে নতুন শুল্ক কাৰ্যকৰী হ'বলগীয়া হোৱাৰ কিছু সময়ৰ পিছতে স্থগিত ৰখাৰ কথা ঘোষণা কৰাৰ পিছতে তিনিওটা প্ৰাথমিক সূচকাংকতে লাভৰ সৈতে আমেৰিকাৰ শ্বেয়াৰ বজাৰ বন্ধ হৈ পৰে।

ট্ৰাম্পৰ শুল্ক নীতিয়ে বিশ্বত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত এই সন্দৰ্ভত বিভিন্ন দেশে অসন্তুষ্টি প্ৰকাশ কৰে। তেনে সময়তে ট্ৰাম্পে সাময়িকভাৱে কিছুমান দেশৰ বিৰুদ্ধে এই উচ্চ শুল্ক ৯০ দিনৰ বাবে স্থগিত ৰাখি একপ্ৰকাৰ ৰং চাইছে। লগে লগে ট্ৰাম্পৰ এই সিদ্ধান্তৰ প্ৰতি সঁহাৰি জনাই ইউৰোপীয় ইউনিয়নেও বিশেষ ঘোষণা কৰিছে। ইউৰোপীয় ইউনিয়নেও আমদানিৰ ওপৰত আৰোপ কৰা শুল্ক ৯০ দিনৰ বাবে স্থগিত ৰাখিব। এই যুঁজখনত আমেৰিকাই গ্ৰহণ কৰা স্থিতিৰ বিৰুদ্ধে ইউৰোপীয় ইউনিয়নে সিদ্ধান্ত লোৱাত খেলখন আকৰ্ষণীয় হৈ পৰিছে।ট্ৰাম্প চৰকাৰে ভাবিছে যে সকলোৱে তেওঁৰ সিদ্ধান্ত বিনাদ্বিধাই মানি ল'ব। কিন্তু এতিয়া আমেৰিকাৰ ৰঙা চকুলৈ ভয় কৰা দেশ নাই। অন্য দেশ যিদৰে কিছুক্ষেত্ৰত আমেৰিকাৰ ওপৰত নিৰ্ভৰশীল, আমেৰিকাও তেনেদৰে বহু বিষয়ত অন্য দেশত নিৰ্ভৰ কৰিবলগীয়া হয়।

সকলো দেশে প্ৰতিটো বস্তু উৎপাদন কৰিব পাৰে যদিও এইক্ষেত্ৰত হোৱা ব্যয়ৰ বাবে আনৰ পৰা আমদানি কৰে। কিছুমান ৰাষ্ট্ৰই কিছুমান দ্ৰব্য কম খৰচত উৎপাদন কৰিব পাৰে। সেই দেশৰ পৰা অন্য ৰাষ্ট্ৰই আমদানি কৰাৰ প্ৰক্ৰিয়া চলি আহিছে। এইবাৰ ট্ৰাম্পৰ শুল্ক নীতিয়ে এই সকলোবোৰ ওলট-পালট কৰিলে।

আমেৰিকাত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নতুন শুল্ক নীতিৰ প্ৰবল জোকাৰণি অনুভূত হৈছে শ্বেয়াৰ বজাৰত। ভাৰতীয় শ্বেয়াৰ বজাৰত যোৱা ৭ এপ্ৰিল পুৱা প্ৰাৰম্ভিক ট্ৰেডিঙতে এক বৃহৎ পতন পৰিলক্ষিত হয়। চীনকে ধৰি কেইবাখনো দেশে দ্ৰুত প্ৰতিশোধ লোৱাৰ লগতে দেশবোৰে শুল্কৰ প্ৰতি কেনেদৰে সঁহাৰি দিব লাগে, সেয়া প্ৰচেষ্টা চলাই আছে। ইয়াৰ মাজতেই হোৱাইট হাউছৰ শীৰ্ষ অৰ্থনৈতিক উপদেষ্টা কেভিন হেছেটে স্বীকাৰ কৰিছে যে আন দেশবোৰে প্ৰতিশোধ লৈছে। তেওঁ আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিৰ কাৰ্যালয়ৰ উদ্ধৃতি দি কয় যে, ৫০খনতকৈয়ো অধিক ৰাষ্ট্ৰ আলোচনা আৰম্ভ কৰিবলৈ হোৱাইট হাউছৰ সঁহাৰিৰ বাবে অপেক্ষা কৰি আছে।

এইখিনিতে এটা প্ৰশ্ন উত্থাপন হয় ভাৰতৰ প্ৰতি বিশেষ দৰদ দেখুৱাইছে নেকি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে? কিয়নো ট্ৰাম্পৰ পাৰস্পৰিক শুল্কত বিশেষ ৰেহাই প্ৰদান কৰিছে ভাৰতক। ভাৰতৰ ওপৰত ২৬ শতাংশ “ৰেহাইযুক্ত পাৰস্পৰিক শুল্ক” ঘোষণা ড'নাল্ড ট্ৰাম্পৰ। ড'নাল্ড ট্ৰাম্পে আমেৰিকান সামগ্ৰীৰ ওপৰত ভাৰতে আৰোপ কৰা উচ্চ শুল্কৰ এখন তালিকা প্ৰস্তুত কৰিছিল। বাণিজ্য মন্ত্ৰণালয়ে ভাৰতৰ ওপৰত আমেৰিকাৰ দ্বাৰা আৰোপ কৰা ২৬ শতাংশ পাৰস্পৰিক শুল্ক বা আমদানি শুল্কৰ প্ৰভাৱ বিশ্লেষণ কৰি আছে বুলি এগৰাকী জ্যেষ্ঠ চৰকাৰী বিষয়াই বৃহস্পতিবাৰে কয়।

ভাৰতে ইতিমধ্যে আমেৰিকাৰ সৈতে দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ আলোচনা কৰি আছে। দুয়োখন দেশে এই বছৰ (ছেপ্টেম্বৰ-অক্টোবৰ) চুক্তিৰ প্ৰথম পৰ্যায় চূড়ান্ত কৰাৰ লক্ষ্য লৈছে। যেতিয়া ট্ৰাম্পে পাৰস্পৰিক শুল্ক কি হ'ব সেয়া ঘোষণা কৰিব, সেই সময়ত কিছু ডাঙৰ প্ৰশ্ন উত্থাপন হ'ব বুলি আশা কৰা হৈছে। ইয়াত আমেৰিকাৰ আমদানি শুল্ক বৃদ্ধি কৰাটো আমেৰিকাৰ সামগ্ৰীৰ ওপৰত আন দেশবোৰে আৰোপ কৰা শুল্কৰ সমান হ'ব। ইয়াৰ দ্বাৰা

কোম্পানীবোৰৰ এই বিষয়ত অধিক স্পষ্ট ধাৰণা হ'ব যে কিমানখন দেশ প্ৰভাৱিত হ'ব আৰু শুল্ক কিমান উচ্চ হ'ব।

তথাপি অৰ্থনীতিবিদসকলে কয় যে আগন্তুক মাহবোৰত বাণিজ্য আৰু শুল্কক লৈ প্ৰশ্ন উঠি থাকিব। অধিক শুল্ক পাইপলাইনত আছে আৰু নিৰ্দিষ্ট উদ্যোগ যেনে ফাৰ্মাচিউটিকেল, তাম আৰু কাঠক লক্ষ্য কৰিব পাৰে। আনহাতে, আমেৰিকাই আন দেশৰ সৈতে চুক্তিত উপনীত হ'ব পাৰে, যিয়ে পাৰস্পৰিক শুল্ক সলনি কৰিব পাৰে। তদুপৰি এনেকুৱা অগণন বিৱৰণো থাকিব, যিয়ে কোনবোৰ আমদানি কৰৰ দ্বাৰা প্ৰভাৱিত হ'ব সেইটো নিৰ্ধাৰণ কৰিবলৈ আৰু সমাধান কৰিবলৈ কেইমাহমান সময় ল'ব পাৰে। বৰ্তমান ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ অৰ্থনীতিবিদ নিকোলাছ ব্লুম আৰু তেওঁৰ দুজন সহকৰ্মীয়ে সৃষ্টি কৰা অৰ্থনৈতিক নীতিৰ অনিশ্চয়তাৰ পৰিমাপ ১৯৮৫ চনত ইয়াৰ আৰম্ভণিৰ পৰা মহামাৰীক বাদ দি ইয়াৰ সৰ্বোচ্চ স্তৰত আছে।

ভাৰতে আমেৰিকাৰ কৃষিজাত সামগ্ৰীত ১০০ শতাংশ শুল্ক আৰোপ কৰে আৰু আন দেশসমূহে লোৱা উচ্চ লেভিৰ বাবে আমেৰিকাৰ সামগ্ৰী সেই দেশসমূহলৈ ৰপ্তানি কৰাটো কাৰ্যতঃ অসম্ভৱ হৈ পৰিছে। বিগত সময়ত আমেৰিকাৰ সৈতে ভাৰতৰ সম্পৰ্ক উন্নত হৈছে যদিও শুল্ক নীতিৰ ক্ষেত্ৰত কিমান ৰেহাই দিয়ে সেয়াহে চিন্তনীয় বিষয়। চীনক বশ কৰিবলৈ আমেৰিকাই ভাৰতৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিব। সেইবাবে হয়তো ভাৰতক কিছু ক্ষেত্ৰত সকাহ দিব পাৰে।

বিশেষজ্ঞসকলে কয় যে এই শুল্ক নীতিৰ ফলত হোৱা বাণিজ্যিক ব্যাঘাত আৰু অন্যান্য মুখ্য বজাৰৰ অস্থিৰতাৰ বাবে ভাৰতীয় বজাৰসমূহে আজি অস্থিৰতাৰ সন্মুখীন হ'ব। ইফালে অৰ্থনৈতিকভাৱে শক্তিশালী দেশসমূহে মানৰ সমৰ্থন আৰু সদিচ্ছা দেখুৱাবলৈ দুৰ্বল ৰাষ্ট্ৰসমূহত বিভিন্ন কাৰ্যসূচীৰ বাবে পুঁজি যোগান ধৰি আহিছে।

# আমেৰিকাৰ দুমুখীয়া নীতিৰ আঁৰত আছে কি ?

হঠাতে ওলোটা খৰ মাৰিলে আমেৰিকাই। ইমান দিনে ভাৰতৰ পৰম বন্ধু বুলি প্ৰচাৰ কৰি অহাৰ পিচত এতিয়া ভাৰতৰ পৰম শত্ৰু পাকিস্তানৰ লগত সু সম্পৰ্ক স্থাপন কৰিবলৈ আগবাঢ়িছে। বিশেষকৈ পেহালগাম কাণ্ডৰ পিচত ভাৰতে চলোৱা সেন্দূৰ অপাৰেচনৰ পিছত অধিক সক্ৰিয় হৈ পৰিছে আমেৰিকা। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধৰ সময়ত পাকিস্তানৰ বিৰুদ্ধে ভাৰতে অভিযান চলোৱাৰ সময়টো আমেৰিকাই ভাৰতক কোনো সহায় কৰা নাছিল। ইয়াৰ বিপৰীতে ৰাছিয়া আৰু ইজৰাইলে ভাৰতক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। শেহতীয়াভাৱে ভাৰতে পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যালয়ত আক্ৰমণ চলোৱাৰ পিছত দুয়োখন দেশৰ মাজত হোৱা উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সময়তে আমেৰিকাই শিখণ্ডিৰ ৰূপত আৱিৰ্ভাৱ হৈ দেশ দুখনৰ মাজত যুদ্ধ বন্ধ কৰাৰ ক্ষেত্ৰত কৃতিত্ব দাবী কৰিছে। পাকিস্তানৰ সেনা প্ৰধান আসীম মুনিৰক আমেৰিকালৈ আমন্ত্ৰণ কৰি হোৱাইট হাউছত দুপৰীয়াৰ আহাৰ খুৱাই একপ্ৰকাৰে ভাৰতক তেওঁলোকৰ স্থিতিৰ কথা স্পষ্ট কৰি দিলে। আমেৰিকাই পাকিস্তানত খোপনি পুতিবলৈ চেষ্টা কৰি এইদৰে সেনাপ্ৰধানক ৰাজ আতিথ্য দিলেও ভাৰতক ভাল বন্ধু বুলি ক'বলৈ নাপহৰিলে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। আচলতে ভাৰতক চাপত ৰাখি আমেৰিকাই দুয়োখন দেশতে বাণিজ্যিক সম্প্ৰসাৰণ কৰিবলৈ ষড়যন্ত্ৰ ৰচনা কৰিছে। এক গুলীত দুই চিকাৰ কৰিব খোজা আমেৰিকাই একে সময়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো

আলোচনাৰ বাবে আমন্ত্ৰণ কৰে। কানাডাত অনুষ্ঠিত জী ৭ সন্মিলনত অংশগ্ৰহণ কৰাৰ পিচত দেশলৈ ওভতাৰ সময়ত মোদীক আমেৰিকালৈ যাবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে কৰা অনুৰোধ ভাৰতৰ প্ৰধনমন্ত্ৰীয়ে কৌশলৰে প্ৰত্যাখ্যান কৰি দেখুৱাই দিলে ভাৰতৰ স্থিতি। আমেৰিকাই একে সময়তে ভাৰতৰ লগতে পাকিস্তানত সমানেই ব্যৱসায় কৰিবলৈ অভিসন্ধি ৰচনা কৰিছে। এই কথা পাকিস্তানে বুজি পোৱা নাই যদিও ভাৰতে ভালদৰে আয়ত্ব কৰিব পাৰিছে। আমেৰিকাই সদায় বন্ধুত্বতকৈ নিজৰ স্বাৰ্থত বেছি গুৰুত্ব আৰোপ কৰি আহিছে। চীন আৰু পাকিস্তানত আছে বিশ্বৰ দুষ্প্ৰাপ্য দ্ৰব্যৰ খনি। যদি ভাৰতৰ লগত ভালে থাকি পাকিস্তানৰ সৈতে সম্পৰ্ক তিক্ত কৰে তেতিয়াহ'লে পাকিস্তানক এই দ্ৰব্য আমেৰিকাক বেছিকৈ নিদিবও পাৰে। সেয়েহে আমেৰিকাই পাক সেনাপ্ৰধানক মাতি নি টোপ দিলে আৰু মুনিৰেও ট্ৰামক শান্তিৰ নোবেল পুৰস্কাৰ প্ৰদান কৰিব লাগে বুলি দাবী জনালে। লক্ষণীয় বিষয় যে পাকিস্তানে ভাৰতৰ বিৰুদ্ধে যুদ্ধ বিৰতি ঘোষণা কৰাৰ ক্ষেত্ৰত ট্ৰাম্পৰ ভূমিকা স্বীকাৰ কৰিছে যদিও ভাৰতে এই দাবী মানি লোৱা নাই। বৰং সেন্দূৰ অপাৰেচন বন্ধ হোৱা নাই বুলিহে আমেৰিকাৰ ৰাষ্ট্ৰপতিক জনাই দিছে। আমেৰিকাৰ বিশ্বৰ প্ৰায়ভাগ দেশত নিজৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ কৰিব বিচাৰে। সেইবাবে যিবোৰ দেশে আমেৰিকাৰ প্ৰস্তবাক গুৰুত্ব নিদিয়ে বা প্ৰত্যাখ্যান কৰে সেইবোৰৰ বিৰুদ্ধে একপ্ৰকাৰ বিদ্ৰোহ ঘোষণা কৰে। আমেৰিকাই নিজৰ স্বাৰ্থৰ বাবে সকলো কৰিব পাৰে। তাৰ প্ৰমাণ এইবাৰ ইজৰাইল আৰু ইৰাণৰ মাজত চলি থকা যুদ্ধৰ সময়তেই আমেৰিকাই ইৰানত কৰা আক্ৰমণেই ইয়াৰ প্ৰমাণ দাঙি ধৰিছে। মধ্যপ্ৰাচত্যৰ তেল ভাণ্ডাৰত সদায় আমেৰিকাই চকু দি আহিছে। আনহাতে বিশ্বৰ আন দেশে যাতে আমেৰিকাতকৈ পাৰমাণৱিক ক্ষেত্ৰত শক্তিশালী হ'ব নোৱাৰে তাৰবাবে বিভিন্ন কূট-কৌশল গ্ৰহণ কৰি আহিছে। বিগত সময়ত আমেৰিকাই বিভিন্ন দেশত চলোৱা আক্ৰমণেই ইয়াৰ প্ৰমাণ দাঙি ধৰিছে।

যি আমেৰিকাই বিশ্বত্ৰাস ওচামা বিন লাডেনক পাকিস্তানৰ ভূমিত গোপনে হত্যা কৰি মৃতদেহ লৈ গৈছিল সেই দেশখনেই আজি ভাৰতে সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ কৰাত পাকিস্তানৰ পক্ষতহে মাত মাতিবলৈ

আগবাঢ়ি আহিছে ড'নাল্ড ট্ৰাম্প। পেহেলগামত পাক মদতপুষ্ট সন্ত্ৰাসবাদীয়ে চলোৱা নাৰকীয় হত্যালীলাৰ পিছত ভাৰতে পাকিস্তানৰ ভূমিত প্ৰৱেশ কৰি কেইবাটাও সন্ত্ৰাসবাদীক নিধন কৰাই নহয়, সন্ত্ৰাসবাদীৰ ঘাটিতো চলাইছিল আক্ৰমণ। এই সময়তেই ভাৰত-পাকিস্তানৰ মাজত চলা যুদ্ধত হঠাতে আৱিৰ্ভাৱ ঘটিল আমেৰিকাৰ। আৰম্ভ কৰিলে দুমুখীয়া নীতি। হোৱাইট হাউছত এফালে পাক সেনাধ্যক্ষক সন্মানিত কৰি নিজৰ স্বাৰ্থ আদায় কৰি লৈছে আৰু আনফালে ভাৰতৰ পৰম বন্ধু বুলি কৈছে ট্ৰাম্পে।

ইৰাণৰ বিৰুদ্ধে আমেৰিকাই সফল অভিযান চলোৱাৰ পিছত সকলোৱে এতিয়া ইয়াৰ আঁৰত পাক সেনাপ্ৰধানৰ হাত থকা বুলি সন্দেহ প্ৰকাশ কৰিছে। কাৰণ ইৰানৰ আণৱিক কেন্দ্ৰৰ লগতে আন বহুতো গোপন তথ্য জানে পাক সেনাধ্যক্ষই। আমেৰিকাই পাক সেনাধ্যক্ষক ৰাজ আতিথ্যই প্ৰদান কৰি ইৰাণৰ বহুতো গোপন তথ্য সংগ্ৰহ কৰিব পাৰে বুলি সকলোৱে সন্দেহ প্ৰকাশ কৰিছে। সেয়েহে এতিয়া ইৰানত পাকিস্তানৰ বিৰুদ্ধে আৰম্ভ হৈছে ক্ষোভ।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰত আৰু পাকিস্তানৰ 'অতি স্মাৰ্ট' নেতাই পাৰমাণৱিক যুদ্ধলৈ পৰিণত হ'ব পৰা সংঘাত অব্যাহত নৰখাৰ সিদ্ধান্ত লৈছে ইতিমেধ্য মন্তব্য কৰিছে। ভাৰত-পাক সংঘাত বন্ধ হোৱাৰ কেইবাসপ্তাহ পিছত প্ৰথমবাৰৰ বাবে তেওঁ দুয়োখন চুবুৰীয়া ৰাষ্ট্ৰৰ মাজত শত্ৰুতা বন্ধ কৰাৰ বাবে নিজক কৃতিত্ব প্ৰদানৰ পৰা আঁতৰত ৰাখে। হোৱাইট হাউছত দুপৰীয়াৰ আহাৰ গ্ৰহণৰ বাবে পাকিস্তানৰ সেনাপ্ৰধান আছিম মুনিৰক আতিথ্য দিয়াৰ পাছত অ'ভাল অফিচত সংবাদ মাধ্যমৰ আগত ট্ৰাম্পে এইদৰে মন্তব্য কৰে। ট্ৰাম্পে লগতে কয় যে মুনীৰক লগ পাই তেওঁ সন্মানিত হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে ভাবিছিল যে ভাৰতৰ সৈতে ৰাছিয়াৰ সম্পৰ্ক দুৰ্বল হৈছে আৰু ইয়াৰ সুযোগ দেশখনে ল'ব পাৰিব। আমেৰিকাৰ এনে মনোভাবৰ সময়তেই ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমৰ পুটিনে ঘোষণা কৰিছে যে ভাৰত আৰু ৰাছিয়াৰ মাজত সম্পৰ্ক মজবুত হৈ আছে আৰু দুয়োখন দেশে আৰ্থিক সহযোগিতাৰ ক্ষেত্ৰত চুক্তিত স্বাক্ষৰ কৰিব।

১০ মে'ৰ পৰা ভাৰত আৰু পাকিস্তানে সামৰিক সংঘাত বন্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পিছৰে পৰা ট্ৰাম্পে বহুবাৰ দাবী কৰি আহিছে যে তেওঁ দুয়োখন

দেশৰ মাজত চলি থকা উত্তেজনা প্ৰশমন কৰাত সহায় কৰিছিল। লগতে তেওঁ পাৰমাণৱিক অস্ত্ৰধাৰী দক্ষিণ এছিয়াৰ প্ৰতিবেশী দেশ দুখনক কৈছিল যে সংঘাত বন্ধ কৰিলে আমেৰিকাই তেওঁলোকৰ সৈতে 'বৃহৎ বাণিজ্য' কৰিব। উল্লেখ্য যে কানাডাৰ কানানাস্কিছত অনুষ্ঠিত জি-৭ নেতাসকলৰ সন্মিলনত মোদী আৰু ট্ৰাম্পৰ পাৰ্শ্বীয় বৈঠক আছিল যদিও আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকী সোনকালে ৱাশ্বিংটনলৈ উভতি যায়। কানানাস্কিছ এৰি যোৱাৰ পূৰ্বে আৰু এটা দশকৰ ভিতৰত প্ৰথম কানাডা ভ্ৰমণৰ সামৰণি পৰাৰ পূৰ্বে মোদীয়ে ট্ৰাম্পৰ সৈতে ৩৫ মিনিট ধৰি টেলিফোনিক বাৰ্তালাপ কৰিছিল। আনহাতে, কানানাস্কিছৰ পৰা ভিডিঅ' বাৰ্তাযোগে বৈদেশিক সচিব বিক্ৰম মিস্ত্ৰীয়ে কয় যে মোদীয়ে ট্ৰাম্পক জনাইছিল যে অপাৰেশ্যন সেন্দূৰৰ সময়ত 'কোনো সময়তে' ভাৰত-আমেৰিকাৰ বাণিজ্যিক চুক্তি বা ভাৰত আৰু পাকিস্তানৰ মাজত আমেৰিকাৰ মধ্যস্থতাৰ কোনো প্ৰস্তাৱত কোনো আলোচনা হোৱা নাছিল, সেয়া লাগিলে যিকোনো স্তৰতে নহওক কিয়। অপাৰেশ্যন সেন্দূৰৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে প্ৰথমবাৰৰ বাবে এই টেলিফোনিক বাৰ্তালাপত কৰে। এই সময়ছোৱাত দুয়োগৰাকী নেতাই বহু গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে। লগতে মোদীয়ে সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰত মতামত দাঙি ধৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পক স্পষ্টকৈ কৈছিল যে এই সমগ্ৰ ঘটনাৰ সময়ত ভাৰত-আমেৰিকাৰ বাণিজ্য চুক্তি আৰু ভাৰত-পাকিস্তানৰ মাজত আমেৰিকাৰ মধ্যস্থতা সম্পৰ্কে কোনো স্তৰতে আলোচনা হোৱা নাছিল। সামৰিক ব্যৱস্থা বন্ধ কৰাৰ আলোচনা ভাৰত আৰু পাকিস্তানৰ মাজত পোনপটীয়াকৈ দুয়োখন সেনাৰ মাজত স্থাপন কৰা বৰ্তমানৰ চেনেলৰ অধীনত হৈছিল, এইটো পাকিস্তানৰ অনুৰোধত হৈছিল। ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ২৬জন লোকৰ মৃত্যু হোৱাৰ প্ৰায় দুসপ্তাহৰ পাছত ভাৰতে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনি লক্ষ্য কৰি অপাৰেচন সেন্দূৰ আৰম্ভ কৰে। সীমান্তৰ দুয়োফালৰ পৰা চাৰিদিন ধৰি ড্ৰ'ন আৰু মিছাইল আক্ৰমণৰ অন্তত ১০ মে'ত ভাৰত আৰু পাকিস্তানে এই সংঘাতৰ অন্ত পেলাবলৈ চুক্তিত উপনীত হয়।

# ভাৰতৰ বাবে হৰমুজ গুৰুত্বপূৰ্ণ কিয় ?

ইজৰাইল আৰু ইৰানৰ শেহতীয়া যুদ্ধৰ সময়ত হৰমুজ প্ৰণালীৰ বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিছিল। আমেৰিকাই মধ্য প্ৰাচ্যত আধিপত্য বিস্তাৰ কৰিবলৈ আৰু এই অঞ্চলৰ কোনো এখন দেশে যাতে শক্তিশালী হ'ব নোৱাৰে তাৰ বাবে ইৰানক বশ কৰিবলৈ যুদ্ধৰ মাজত প্ৰৱেশ ঘটাত হৰমুজ প্ৰণালীৰ কথা চৰ্চালৈ আহে। ইৰানৰ বাবে হৰমুজ কিয় ইমান অমোঘ অস্ত্ৰ হৈ পৰিছে? ভাৰতকে ধৰি বিশ্বৰ প্ৰায়ভাগ দেশৰ বাবে হৰমুজ কিয় গুৰুত্বপূৰ্ণ? ইৰানৰ দৰে দেশ এখনে এই ক্ষেত্ৰত আমেৰিকাৰ দৰে শক্তিশালী দেশক কিয় ভাবুকি দিব পাৰিছে? এই সকলোবোৰ বিষয় জানিবলৈ হ'লে আমি হৰমুজ প্ৰণালী কি সেয়া জানিবই লাগিব।

হৰমুজ প্ৰণালী হৈছে এটা সংকীৰ্ণ জলপথ।এই জলপথটো পশ্চিমে পাৰ্ছী উপসাগৰক, পূবত ওমান উপসাগৰ আৰু আৰব সাগৰৰ সৈতে সংযুক্ত কৰিছে আৰু আৰব উপদ্বীপৰ পৰা ইৰানক পৃথক কৰিছে। ৩৪ কিলোমিটাৰ দীঘল এই প্ৰণালীটো পাৰ্ছী উপসাগৰৰ মাজৰে প্ৰবাহিত হৈ ওমান আৰু ইৰানক সংযুক্ত কৰিছে। সংযুক্ত আৰব আমিৰস্বাহি আৰু ইৰানক পৃথক কৰিছে এই পথটোৱে। এই সামুদ্ৰিক পথটোৰ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। কাৰণ খনিজ তেলবাহী জাহাজৰ যাত্ৰাৰ একমাত্ৰ পথ। বিশ্বজুৰি পেট্ৰ'লিয়াম পৰিবহণৰ প্ৰণালীটোৰ কৌশলগত গুৰুত্ব অতি বেছি। জলপথটোৰ আটাইতকৈ দীঘল অংশৰ দৈৰ্ঘ্য ২১ মাইল আৰু প্ৰস্থ ২ মাইল। এই অঞ্চলৰ পৰা তেল পৰিবহণ নিৰবচ্ছিন্ন ৰাখিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধ জাহাজসমূহে নিয়মীয়াকৈ পহৰা দিয়ে। হৰমুজৰ জৰিয়তে প্ৰৱাহিত তেলৰ বেছিভাগ এছিয়া, যুক্তৰাষ্ট্ৰ আৰু পশ্চিম ইউৰোপৰ বিভিন্ন দেশলৈ যায়। জাপানে আমদানি কৰা তেলেৰে তিনি-চতুৰ্থাংশ হৰমুজৰে নিয়া হয়। চীনৰ আমদানি কৰা তেলৰ অৰ্ধেকেই হৰমুজৰ জৰিয়তে আহে। হৰমুজৰ জৰিয়তে প্ৰতিদিন ২০ লাখ বেৰেলতকৈ অধিক তেলজাত সামগ্ৰী ৰপ্তানি হয়।

ইজৰাইল আৰু ইৰানৰ মাজত যুদ্ধ বন্ধ হ'লেও মধ্যপ্ৰাচ্যত উত্তেজনা অব্যাহত আছে। ইজৰাইল আৰু ইৰানৰ সংঘৰ্ষত আমেৰিকাৰ অংশগ্ৰহণে পুনৰ এবাৰ বিশ্বত যুদ্ধৰ আশংকা বৃদ্ধি কৰিছে। এই সংঘৰ্ষই বিশ্বত বিভিন্ন ক্ষেত্ৰত প্ৰভাৱ পেলোৱাৰ আশংকা কৰা হৈছে। ইৰাণে বিশ্ব শক্তিৰ জটিল চেকপইণ্ট হিচাপে পৰিচিত হৰমুজ ষ্ট্ৰেইটৰ দিশে আগবাঢ়ি অহাৰ লগে লগে শক্তি আমদানি কৰা প্ৰধান দেশসমূহ বিশেষকৈ ভাৰতত আশংকা বৃদ্ধি পাইছে। যোৱা ২২ জুনত তেহৰানত সংসদীয় ভোটদানে আঞ্চলিক উত্তেজনা তীব্ৰতৰ হোৱাৰ সংকেত দিছে। তেল আৰু গেছৰ প্ৰবাহত তীব্ৰ ব্যাঘাত হোৱাৰ আশংকা কৰা হৈছে। এইবাবে ভূ-ৰাজনৈতিক সম্পৰ্কত প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। লগে লগে ভাৰতে শক্তিৰ নিৰাপত্তাহীনতা বৃদ্ধি, বিশ্ব বাণিজ্যিক ব্যাঘাত আৰু মধ্যপ্ৰাচ্যত বহল সামৰিক সংঘৰ্ষৰ ভয়ৰ সন্মুখীন হ'বলগীয়া হৈছে।

উল্লেখ্য যে বিশ্বৰ প্ৰায় ২৫ শতাংশ তেলৰ চালান আৰু উল্লেখযোগ্য এলএনজিৰ পৰিমাণ সৰবৰাহ হোৱা ষ্ট্ৰেইট এতিয়া মুকলি হৈ আছে। যিহেতু সংসদীয় ভোট বাধ্যতামূলক নহয়, সেয়ে চূড়ান্ত সিদ্ধান্ত ইৰানৰ উচ্চতম ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ ওপৰত নিৰ্ভৰশীল, যিয়ে এতিয়াও আলোচনা কৰি আছে। ভাৰতৰ বাবে এই পথটো অতিকৈ গুৰুত্বপূৰ্ণ। কিয়নো ভাৰতে দৈনিক ব্যৱহাৰ কৰা ৫.৫ মিলিয়ন বেৰেল খাৰুৱা তেলৰ ভিতৰত প্ৰায় ১.৫-২ মিলিয়ন বেৰেল হৰমুজ ষ্ট্ৰেইটৰ মাজেৰে আহে। ভাৰতে আন পথৰ জৰিয়তে প্ৰায় ৪ মিলিয়ন বেৰেল তেল আমদানি কৰে। যদিহে কোনো কাৰণত হৰমুজ ষ্ট্ৰেইট বন্ধ হয় তেতিয়া ভাৰতে সমস্যাৰ সন্মুখীন হোৱাতো নিশ্চিত। কিয়নো ইয়াৰ খাৰুৱা তেলৰ প্ৰায় দুই তৃতীয়াংশ আৰু এলএনজি আমদানিৰ আধা অংশ এই পথেৰে সৰবৰাহ হয়। এই পথটো কোনো কাৰণত বন্ধ হ'লে ভাৰতত তেলৰ মূল্য আকাশলংঘী হ'ব। ভাৰতৰ আমদানি বিল তীব্ৰভাৱে বৃদ্ধি পাব। তদুপৰি মুদ্ৰাস্ফীতি বৃদ্ধি পাৰে। এনে হোৱাৰ লগে লগে দেশৰ বিত্তীয় অৱস্থাত হেঁচা পৰিব পাৰে। এনে হ'লে কেৱল ভাৰতৰ শক্তি বজাৰেই নহয়, এছিয়া আৰু ইউৰোপৰ মাজত বহল বাণিজ্য স্থবিৰ হ'ব কেৱল তেলৰ নাটনিয়ে নহয় বিশ্বজুৰি ইয়াৰ ব্যাপক প্ৰভাৱ পৰিব। উপসাগৰীয় অঞ্চলৰ মাজেৰে বাৰ্ষিক প্ৰায় ১.২ ট্ৰিলিয়ন ডলাৰ সামুদ্ৰিক বাণিজ্য প্ৰবাহিত হয়। কাটাৰৰ এল এন জি ৰপ্তানিত ব্যাঘাত জন্মালে ইউৰোপীয় গেছৰ মূল্য তীব্ৰভাৱে বৃদ্ধি পাব। আনহাতে শক্তি, ৰাসায়নিক পদাৰ্থ, সাৰ, ধাতু আৰু খাদ্য সামগ্ৰীৰ বাবে বিশ্বব্যাপী যোগান

শৃংখলৰ ওপৰত নিৰ্ভৰশীল ভাৰতীয় উদ্যোগসমূহে গুৰুতৰ নাটনি আৰু মূল্যবৃদ্ধিৰ সন্মুখীন হ'ব পাৰে।

একে সময়তে লোহিত সাগৰৰ পৰিস্থিতি অধিক অৱনতি ঘটিছে। ১৪-১৫ জুনত হুথি বিদ্ৰোহীৰ ওপৰত ইজৰাইলৰ বিমান আক্ৰমণৰ পিছত উত্তেজনা বৃদ্ধি পাইছে, যাৰ ফলত ভাৰতৰ পশ্চিমমুখী ৰপ্তানি নতুনকৈ বিপদত পৰিছে। ইউৰোপ, উত্তৰ আফ্ৰিকা আৰু আমেৰিকাৰ পূব উপকূললৈ ভাৰতৰ প্ৰায় ৩০ শতাংশ ৰপ্তানি বাব এল-মাণ্ডেব ষ্ট্ৰেইটৰ মাজেৰে সৰবৰাহ হয়— যিটো এতিয়া ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছে। যদিহে নিৰাপত্তাৰ পৰিস্থিতিয়ে কেপ অৱ গুড হোপৰ মাজেৰে জাহাজ চলোৱাৰ পথ সলনি কৰিবলৈ বাধ্য হয়, তেন্তে ডেলিভাৰীৰ সময় দুসপ্তাহলৈকে বৃদ্ধি পাব পাৰে। এনে হোৱাৰ ফলত অভিযান্ত্ৰিক সামগ্ৰী, বস্ত্ৰশিল্প, ৰাসায়নিক পদাৰ্থ আৰু ভাৰতীয় ৰপ্তানিকৰ্তাসকলৰ খৰচ ভয়ংকৰভাৱে বৃদ্ধি পাব পাৰে। হৰমুজ ষ্ট্ৰেইট বন্ধ হ'লে সামৰিক ভাবুকিও তীব্ৰতৰ হ'ব। বাহৰেইনত ভিত্তি কৰি আমেৰিকাৰ নৌসেনাৰ পঞ্চম বহৰে ষ্ট্ৰেইটৰ মাজেৰে যাত্ৰাৰ স্বাধীনতা নিশ্চিত কৰিবলৈ হস্তক্ষেপ কৰিব পাৰে। শক্তিৰ মূল্যবৃদ্ধিৰ আশাত ৰাছিয়াই ইৰানৰ এই পদক্ষেপক মৌনভাৱে সমৰ্থন কৰিব পাৰে যদিও ইয়াৰ ফলত উপসাগৰীয় অংশীদাৰ দেশসমূহৰ সৈতে সম্পৰ্ক কঠোৰ হোৱাৰ আশংকা আছে। দীৰ্ঘদিন ধৰি ষ্ট্ৰেইট বন্ধ হোৱাৰ ফলত সমগ্ৰ উপসাগৰীয় অঞ্চলত বহল সামৰিক সংঘাতৰ সূচনা হ'ব। ফলত বিশেষকৈ ভাৰতৰ দৰে শক্তি নিৰ্ভৰশীল ৰাষ্ট্ৰৰ বাবে ভূ-ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰভাৱ ভয়াৱহ হ'ব।

বেইজিং আৰু মস্কোৱে এতিয়ালৈকে ৱাশ্বিংটনৰ সৈতে প্ৰত্যক্ষ সামৰিক সংঘৰ্ষৰ পৰা হাত সাৰিছে যদিও ইৰানৰ প্ৰতি তেওঁলোকৰ কূটনৈতিক সমৰ্থনে বিশ্বজুৰি উদ্বেগ বৃদ্ধি কৰিছে। আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সৈতে সামৰিকভাৱে মুখামুখি হোৱাৰ লগতে চীন আৰু ৰাছিয়াই তেহৰানক সমৰ্থন কৰাৰ লগে লগে বৰ্তমানৰ পৰিস্থিতিয়ে বিশ্বক দশক দশক ধৰি আশংকাৰ মাজত থকা তৃতীয় বিশ্বযুদ্ধৰ ইংগিত দিছে। যুদ্ধ সাময়িকভাৱে বন্ধ হৈছে যদিও ক'লীয়া ডাৱৰ আঁতৰা নাই। ভাৰতে এই পথৰ কথা চিন্তা কৰিয়ে নিজৰ বিপদ চপাই নলৈ ইজৰাইল বন্ধু ৰাষ্ট্ৰ হোৱাৰ পিছতো পোনপটীয়াকৈ সমৰ্থনৰ পৰা বিৰত থাকে। এয়া হৈছে ভাৰতৰ কূটনৈতিক সম্পৰ্কৰে দুয়ো দেশৰ সৈতে বন্ধুত্ব বৰ্তাই ৰখাৰ চাণক্য নীতি।

# রাজা ৰঘুবংশীৰ হত্যাকাণ্ড মেঘালয়ক অপমান কিয়?

কোনো এটা ঘটনাৰ আচল ৰহস্য বা আঁৰৰ কথা নজনাকৈ কাৰোবাক বদনাম দিয়াটো কিমান বেয়া কথা হ'ব পাৰে তাৰে প্ৰমাণ দাঙি ধৰিছে ইন্দোৰৰ পৰিবহণ ব্যৱসায়ী ৰাজা ৰঘুবংশীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই। গোচৰত অভিযুক্ত পত্নী সোনম ৰঘুবংশীৰ পিতৃৰ লগতে আন বহুতো ৰাজ্যৰ লোকে মেঘালয়ৰ লোক আৰু আৰক্ষীক যি অপবাদ জাপি দিছিল সেয়া মিছা বুলি প্ৰমাণিত হ'ল যেতিয়া আৰক্ষীৰ জালত পৰিল সোনম। শ্বিলং আৰক্ষীৰ জিম্মাত গাজীপুৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ৭২ ঘণ্টাৰ বাবে সোনমক গতাই দিয়াৰ পিছত নতুন নতুন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা প্ৰকট হৈ আহিছে।

সোনমৰ সমান্তৰালকৈ এই ঘটনাত জড়িতৰ সন্দেহত আৰক্ষীয়ে আটক কৰা আন তিনিজন লোককো ৭২ ঘণ্টাৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পিছত এতিয়া ক্ষোভত ফাটি পৰিছে মেঘালয়ৰ জনগণ। প্ৰথমতে এই ঘটনাৰ আঁৰত স্থানীয় লোকৰ হাত থকা বুলি সন্দেহ কৰা হৈছিল। পেছাত এগৰাকী পৰিবহণ ব্যৱসায়ী ৰাজা ৰঘুবংশীৰ সৈতে যোৱা ২১ মে'ত মেঘালয়লৈ হনিমুনলৈ গৈছিল সোনম। তাৰ মাজতে গুৱাহাটীৰ কামাখ্যা দেৱীৰ মন্দিৰলৈও যায় দম্পতীটো। ইয়াৰ পিছতহে তেওঁলোক শ্বিলঙলৈ যায়। যোৱা ২ জুনত উদ্ধাৰ হৈছিল ব্যৱসায়ীজনৰ মৃতদেহ। সেই সময়ছোৱাত নাছিল সোনমৰ কোনো খা-খবৰ। ইতিমধ্যে ভাড়াতীয়া হত্যাকাৰীৰ হতুৱাই

স্বামীক হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে সোনম ৰঘুবংশীৰ বিৰুদ্ধে। তেতিয়াৰে পৰা নিৰুদ্দেশ হৈ থকা সোনমক সোমবাৰে উত্তৰ প্ৰদেশৰ গাজীপুৰৰ এখন ধাবাত মুমুৰ্ষু অৱস্থাত পোৱা গৈছিল। এতিয়াও এই ঘটনাৰ প্ৰকৃত ছবিখন স্পষ্ট হোৱা নাই যদিও এটা কথা ঠিক যে এই ঘটনাত মেঘালয়ৰ কোনো মানুহে জড়িত নহয়। মাথোঁ ঘটনাক নাটকীয় ৰূপ দিবলৈহে মেঘালয়ৰ লোকৰ ওপৰত অপবাদ দিয়া হৈছিল। মেঘালয়ৰ লোকৰ মুখ্য উপাৰ্জনৰ উৎস হৈছে পৰ্যটন। উত্তৰ-পূৰ্বাঞ্চলৰ ছুইজাৰলেণ্ড হিচাপে পৰিচিত শ্বিলং, চেৰাপুঞ্জী, তুৰা আদি অঞ্চলত নিতৌ পৰ্যবেক্ষকৰ আগমন ঘটে। হাজাৰ হাজাৰ লোকে ভ্ৰমণ কৰে বাবে ইয়াৰ লোকসকলৰ আয় যথেষ্ট হয়। সেইবাবে ৰাজ্যখনৰ লোকসকলে পৰ্যটকসকলক আদৰাৰ লগতে সন্মানো কৰে। তেওঁলোকে ভালদৰে জানে যে কেনেবাকৈ যদি পৰ্যটকৰ আগমনৰ সংখ্যা হ্ৰাস পালে তেতিয়া তেওঁলোকৰ আয়ৰ ক্ষেত্ৰতো প্ৰভাৱ পৰিব নিশ্চয়। যদিহে এই ঘটনাটোৰ সত্যতা নিৰূপণ কৰিবৰ সক্ষম নহ'লহেঁতেন তেনেহ'লে মেঘালয়লৈ পৰ্যটকৰ আগমন কম হ'লহেঁতেন।

এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মেঘালয়ৰ মন্ত্ৰী আলেকজেণ্ডাৰ লালু হেকে। তেওঁ কয় যে ৰাজা ৰঘুবংশীৰ পৰিয়ালে মেঘালয় চৰকাৰ আৰু আৰক্ষীক দোষাৰোপ কৰিছে যদিও আৰক্ষীয়ে অপৰাধীক গ্ৰেপ্তাৰ কৰি এক 'উৎকৃষ্ট' কাম কৰিলে। মেঘালয়ৰ মন্ত্ৰীগৰাকীয়ে কৈছে যে সত্য পোহৰলৈ আহিছে। বিগত দিনবোৰত ৰাজা ৰঘুবংশীৰ পৰিয়াল আৰু তেওঁৰ বন্ধুবৰ্গই মেঘালয় আৰক্ষী আৰু মেঘালয় চৰকাৰক বদনাম কৰি আহিছে। কিন্তু আটাইতকৈ লজ্জাজনক কথাটো হৈছে যে তেওঁলোকে মেঘালয়ৰ জনসাধাৰণক অপমান কৰিছে। মেঘালয় আৰু ৰাজ্যখনৰ জনসাধাৰণৰ ভাবমূৰ্তিক অপমান কৰা সকলোৰে বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু কৰা উচিত। কাৰোবাৰ সন্মান তথা ভাবমূৰ্তিত আঘাত কৰিলে ভুক্তভোগীৰ খং আৰু ক্ষোভৰ সৃষ্টি হোৱাতো স্বাভাৱিক কথা। আনহাতে এখন ৰাজ্যৰ জনসাধাৰণ আৰু আৰক্ষীৰ বিৰুদ্ধে অপমান!

ৰাজাৰ ভাতৃ বিপুল ৰঘুবংশীয়ে মেঘালয় চৰকাৰক সমৰ্থন কৰি কয় যে তদন্তত তেওঁৰ ভাতৃক হত্যাৰ ষড়যন্ত্ৰত আন লোকৰ ভূমিকাৰ ইংগিত পোৱা

গৈছে। বিপুলে লগতে এই গোচৰত সোনম জড়িত থকাৰ সম্ভাৱনাক লৈ উদ্বেগ প্ৰকাশ কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ প্ৰতি থকা মনোভাৱ আজিও সলনি হোৱা নাই দেশৰ আন অঞ্চলৰ ৰাজ্যৰ জনসাধাৰণৰ। এতিয়াও জংঘলী ৰাজ্য বুলিয়ে ভাবে। মানুহবোৰ অশিক্ষিত বুলি গণ্য কৰা দেখা পোৱা যায়। তেনে সুৰতে এই অঞ্চলটোৰ লোকসকলৰ প্ৰতি মন্তব্য কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চল আগতে দিল্লীৰ পৰা দূৰত বুলি থকা মনোভাব সলনি কৰিব পৰা নাই। দেশৰ এই অঞ্চলটো এতিয়া যে আন অঞ্চলৰ তুলনাত বহু আগুৱাই গৈছে সেয়া বহুতেই উপলব্ধি কৰিব পৰা নাই। তদুপৰি যিটো অঞ্চলৰ নাম মহাভাৰতৰ যুগৰে পৰাই সকলোৱে জনি আহিছে, যিটো অঞ্চলত পৃথিৱী বিখ্যাত মঠ-মন্দিৰ আছে সেই ঠাইক লৈ আজিও কিছুমান ভ্ৰান্ত ধাৰণা লৈ থকাটো সঁচাকৈয়ে চৰম লজ্জাজনক বিষয়। যিসকলে এই ঘটনাটোক লৈ মেঘালয়ক বদনাম কৰিছে সেইসকলে এতিয়া ক্ষমা-প্ৰাৰ্থনা কৰিব লাগে।

# ড'নাল্ড ট্ৰাম্পৰ সংস্কাৰ নীতি ঃ ভাৰতৰ কিমান লাভ হ'ব?

দ্বিতীয়বাৰৰ বাবে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে শপত লৈয়ে ড'নাল্ড ট্ৰাম্পৰ সকীয়নি। পূৰ্বানুমান অনুসৰিয়ে এটাৰ পিছত আনটো সিদ্ধান্তৰে জোকাৰণি তুলিছে সমগ্ৰ বিশ্বত। ৪৭সংখ্যক ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি ট্ৰাম্পে কৰিছে গুৰুত্বপূৰ্ণ নিৰ্দেশনা। নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতি মতেই এই নিৰ্দেশনা জাৰি কৰিছে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই পেৰিছ জলবায়ু চুক্তি আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সদস্য পদ প্ৰত্যাহাৰ কৰাৰ নিৰ্দেশ দিয়ে।ট্ৰাম্পৰ এনে সিদ্ধান্তত আচৰিত হ'বলগীয়া বিশেষ কথা নাই। কাৰণ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীৰ পূৰ্বৰ কাৰ্যকালতেই বিশ্ব স্বাস্থ্য সংস্থাৰ বিৰুদ্ধে ক্ষোভ আছিল। বিশেষকৈ ক'ভিড অতিমাৰীৰ সময়ত বিশ্ব স্বাস্থ্য সংস্থাই চীনৰ পক্ষত থিয় দিয়া বাবে ট্ৰাম্প ক্ষুণ্ণ হৈ পৰিছিল। এই ক'ভিড পৰিস্থিতিৰ বাবে চীনক দোষাৰোপ কৰিবলৈ ট্ৰাম্প চৰকাৰে বিশ্ব স্বাস্থ্য সংস্থাক হেঁচা প্ৰয়োগ কৰিছিল যদিও তেওঁৰ কথাত বিশেষ গুৰুত্ব দিয়া নাছিল। ট্ৰাম্পৰ স্পষ্ট কথা— মাৰ্কিন যুক্তৰাষ্ট্ৰই বিশ্ব স্বাস্থ্য সংস্থাক প্ৰচুৰ পৰিমাণে ধন দিয়ে, কিন্তু চীনে সামান্য ধন দিয়াৰ পিছতো সেইখন দেশক গুৰুত্ব দি আহিছে। গতিকে কথা নুশুনিলে পৰিণাম এনে হ'বই। তদুপৰি আমেৰিকা যে চীনৰ পক্ষত নাই সেই কথা স্পষ্টভাৱে প্ৰকাশ কৰিছে। এই সকীয়নিয়ে চীনৰ লগতে পাকিস্তানলৈয়ো অশনি সংকেতৰে ইংগিত দিছে।

এতিয়া কথা হ'ল— ট্ৰাম্প ভাৰতৰ বাবে পূৰ্বৰ দৰে বন্ধু হৈ থাকিবনে? ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগত ড'নাল্ড ট্ৰাম্পৰ আছে সু-সম্পৰ্ক। প্ৰথমবাৰ মোদীয়ে কাৰ্যভাৰ লোৱাৰ পাছত ট্ৰাম্প ভাৰত ভ্ৰমণলৈ আহিছিল

এক বিশেষ বাৰ্তা লৈ। এই ভ্ৰমণে চীন আৰু পাকিস্তানৰ নিদ্ৰা হৰণ কৰিছিল। বিশেষকৈ পাকিস্তান চৰকাৰ উদ্বিগ্ন হৈছিল। কাৰণ ট্ৰাম্পে ইতিমধ্যেই আমেৰিকাই পাকিস্তানক আগবঢ়োৱা অনুদান বন্ধ কৰিছে। কাৰণ আমেৰিকাই যি কাৰণত পাকিস্তানক অনুদান দিছিল সেইমতে পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ প্ৰতিৰোধত ব্যৰ্থ হৈছে। এইবাৰো ট্ৰাম্প চৰকাৰে পাকিস্তানক সহায় কৰাৰ সম্ভাৱনা নাই। তদুপৰি আমেৰিকাই চীনৰ বিৰুদ্ধে অৰ্থনৈতিক যুদ্ধ চলাবলৈ হ'লে ভাৰতৰ সহায় ল'বই লাগিব। গতিকে ট্ৰাম্প ভাৰতৰ বাবে পৰোক্ষভাৱে সহায়কহে হ'ব। সেইবাবেই ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি বৈদেশিক মন্ত্ৰী এছ জয়শংকৰক প্ৰথম শাৰীত স্থান দিছিল। আমেৰিকাই ভালদৰেই জানে যে ভাৰতৰ সহায় অবিহনে এছিয়াত খোপনি পোতা সহজ নহয়। তদুপৰি আমেৰিকাৰ বৃহৎ বজাৰ হৈছে ভাৰত। গতিকে ট্ৰাম্প চৰকাৰে ভাৰতক এৰি এছিয়াত অন্য দেশৰ সৈতে বন্ধুত্ব স্থাপন কৰাৰ বাবে নিশ্চয় আগবাঢ়ি নাহে।

প্ৰব্ৰজনৰ সমস্যা প্ৰায়ভাগ দেশতে কম-বেছি পৰিমাণে আছে। আমি ভাবো— ভাৰত বা অসমত এই সমস্যা আছে, আমেৰিকাত নাই। কিন্তু শেহতীয়াভাৱে বিশ্বৰ শক্তিধৰ দেশখনতো এই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। মাৰ্কিন-মেক্সিকো সীমান্তত জৰুৰীকালীন শাসন বলৱৎ, অবৈধ প্ৰব্ৰজনকাৰীক বহিষ্কাৰৰ বাবেও গ্ৰহণ কৰিছে কঠোৰ পদক্ষেপ। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে দেশখনত উক্ত সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। ৰাষ্ট্ৰপতিৰ নিৰ্দেশনাৰ পিছতে প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে তালাচী আৰম্ভ কৰিছে। দেশখনত ১ কোটিৰো অধিক অবৈধ নাগৰিক আছে। অবৈধ নাগৰিকসকলক চিনাক্ত কৰি বহিষ্কাৰৰ দায়িত্ব অৰ্পণ কৰা হৈছে মাৰ্কিন শুল্ক সীমা সুৰক্ষা আৰু প্ৰব্ৰজন আৰু শুল্ক বলৱৎকাৰী বিভাগক। গতিকে এইবাৰ অবৈধ প্ৰব্ৰজন কৰা লোকসকলে আমেৰিকাত থাকিব নোৱাৰে।

একেদৰে পেৰিছ জলবায়ু চুক্তিৰ ক্ষেত্ৰতো গ্ৰহণ কৰে এক সিদ্ধান্ত যিটো পূৰ্বৰ বাইডেন চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিপৰীত স্থিতি। এই চুক্তিৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰ ওলাই আহি ট্ৰাম্প প্ৰশাসনে স্পষ্ট কৰি দিয়ে যে যুক্তৰাষ্ট্ৰই জীৱাশ্ম ইন্ধন অন্বেষণত অধিক গুৰুত্ব দিব। উল্লেখযোগ্য যে পূৰ্বৰ

কাৰ্যকালতো ট্ৰাম্পে জলবায়ু চুক্তিৰ পৰা যুক্তৰাষ্ট্ৰৰ সদস্যপদ প্ৰত্যাহাৰ কৰিছিল। কিন্তু ট্ৰাম্পৰ সিদ্ধান্তক নাকচ কৰি জো বাইডেনে ক্ষমতাত অধিষ্ঠিত হৈয়ে পুনৰ জলবায়ু চুক্তিত যুক্তৰাষ্ট্ৰক অন্তৰ্ভুক্ত কৰিছিল। সেইবাবে ট্ৰাম্পে ক্ষমতা লাভ কৰি এনে পদক্ষেপ গ্ৰহণ কৰিছে। এই বিষয়টোক লৈ দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দুই বিপৰীতমুখী স্থিতি গ্ৰহণ কৰিছে। তাৰমানে এইবাৰ ট্ৰাম্পে নেৰে— দ্বিতীয়টো কাৰ্যকালৰ বাবে দায়িত্ব লৈ বিলোপ ঘটাই প্ৰব্ৰজনকাৰীৰ জন্মসূত্ৰে নাগৰিকত্ব লাভৰ সাংবিধানিক ব্যৱস্থা। শতাব্দী-প্ৰাচীন এই নাগৰিকত্ব লাভৰ ব্যৱস্থা বাতিলকৰণৰ সিদ্ধান্তৰ প্ৰভাৱ হ'ব সুদূৰপ্ৰসাৰী। ট্ৰম্পক লাগে কৰ্মদক্ষ কৰ্মচাৰী। ৰেটাৰৰ পৰা আৰম্ভ কৰি বিষয়ালৈ সকলোবোৰ কৰ্মদক্ষ হ'লে দেশৰ প্ৰগতি আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হ'ব। অৰ্থাৎ মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত ট্ৰাম্প প্ৰশাসনে অধিক গুৰুত্ব প্ৰদানৰ বাবে এখোজ আগুৱাইছে। কেইবা দশকৰ পিছত আমেৰিকাই গ্ৰহণ কৰা সিদ্ধান্তই দেশখনৰ অন্তৰ্ভাগত হৈ থকা প্ৰতিফলিত কৰিছে। এইবাৰ ট্ৰাম্পে কাকো এৰি নিদিয়ে। সুৰা বিশেষজ্ঞৰ পৰা ৰেস্তোৰাঁৰ ৱেইটাৰলৈকে প্ৰতিটো ক্ষেত্ৰতে উত্তম লোকৰ প্ৰয়োজন আছে বুলি ট্ৰাম্প মন্তব্য কৰিছে।

আন এক নিৰ্দেশনাযোগে ট্ৰাম্পে তৃতীয় লিংগৰ স্বীকৃতি বাতিল কৰি সমগ্ৰ বিশ্বত ড্ৰাগছ্ আসক্তৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। সন্ত্ৰাসবাদী সংগঠনৰ ধন আহৰণৰ অন্যতম উৎস হৈছে ড্ৰাগছ। এই সন্ত্ৰাসবাদী সংগঠনৰ শিপা সকলো ঠাইতে বিয়পি পৰিছে। ক'ব নোৱাৰাকৈ দেশৰ পৰা বৃহৎ পৰিমাণৰ ধন এনে সংগঠনৰ হাতলৈ গৈ আছে। সেইবাবেই যুক্তৰাষ্ট্ৰত ড্ৰাগছৰ প্ৰচলন ৰোধৰ বাবে কঠোৰ ট্ৰাম্পে বিদেশী ড্ৰাগছ সৰবৰাহকাৰী চক্ৰক বিদেশী সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰি নিৰ্দেশনা জাৰি কৰে। এইবোৰ এনে চক্ৰই ত্ৰাহি মধুসূদন দেখিব। নাগৰিকৰ জীৱন নিৰ্বাহৰ ব্যয় হ্ৰাসৰ বাবে ব্যৱস্থা ল'বলৈয়ো প্ৰতিটো বিভাগ আৰু চৰকাৰী সংস্থাক নিৰ্দেশনা জাৰি কৰে নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে। অৰ্থাৎ নাগৰিকসকলে যাতে বেছিকৈ সঞ্চয় কৰিব পাৰে তাৰ বাবে উৎসাহ যোগাবলৈকে এনে পদক্ষেপ গ্ৰহণ কৰিছে।

# বৈষ্ণোদেৱীৰ পাহাৰত দুদিন

যোৱা ৫ জুলাইত বিমানযোগে যাত্ৰা কৰিলো জম্মুলৈ। লক্ষ্য বৈষ্ণদেৱী মন্দিৰ দৰ্শন কৰা। ইয়াৰ পূৰ্বে কেইবাবাৰো এই মন্দিৰটো দৰ্শনৰ বাবে গৈছিলো। এটা কথা ঠিক যে যিমানবাৰেই এই মন্দিৰটোলৈ নাযাওক কিয় বাৰে বাৰে দৰ্শন কৰিলেও ইচ্ছা নকমে। আমি জম্মু বিমানবন্দৰত নামি এখন সৰু বাহনেৰে কাত্ৰালৈ যাত্ৰা কৰিলো। বৈষ্ণোদেৱী মন্দিৰ দৰ্শনৰ বাবে সকলোৰে হেঁপাহ থাকে। কাৰণ প্ৰতিগৰাকী হিন্দু ধৰ্মাৱলম্বী লোকেই এই মন্দিৰটো দৰ্শন কৰিব পাৰিলে নিজকে ধন্য মানে। জম্মুত থকা এই মন্দিৰটো হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ সৰ্বাধিক চৰ্চিত মন্দিৰৰ অন্যতম হিচাপে গণ্য কৰা হয়। বৈষ্ণোদেৱী মন্দিৰ কেইবাবাৰো দৰ্শনৰ সৌভাগ্য ঘটিছে। মন্দিৰটোৰ মাহাত্ম্য তথা ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যই সকলোকে হাত বাউলি মাতি থাকে।

বিমানৰ পৰা নামি এখন সৰু বাহনেৰে কাত্ৰালৈ যাত্ৰা কৰিলোঁ। কাৰণ বৈষ্ণোদেৱী মন্দিৰলৈ যোৱাৰ অন্যতম কেন্দ্ৰ হৈছে কাত্ৰা। বিমানবন্দৰৰ পৰা কাত্ৰালৈ দূৰত্ব প্ৰায় ৬০ কিলোমিটাৰ। সিদিনা পূৰ্বতে বুক কৰি থোৱা হোটেল এখনতেই থাকিলো। গধূলিপৰত মোৰ লগত যোৱা বন্ধু স্বপন তালুকদাৰৰ লগত হোটেলৰ আশে-পাশে ঘূৰিলো।

সাধাৰণতে জম্মু-কাশ্মীৰ বুলি ক'লে মানুহৰ মনত যিধৰণৰ শংকা থাকে সেয়া আমি ঘূৰি ফুৰা ঠাইত দেখা নাপালোঁ। খুব সুন্দৰ পৰিৱেশ। গধূলি

সময়ত ঘূৰি ভাল লাগিল। কিছুসময় ঘূৰি হোটেললৈ উভতি আহিলো। কাৰণ পিছদিনা পুৱা আমি পূৰ্বৰ নিৰ্ধাৰিত সূচী অনুসৰি যাত্ৰা কৰিব লাগে।

৬ জুলাইৰ পুৱাই শ্ৰীমাতা বৈষ্ণোদেৱী চাইন ব'ৰ্ডৰ কাত্ৰাত থকা মুখ্য কাৰ্যালয়লৈ যাত্ৰা কৰিলো। সাধাৰণতে এই কাৰ্যালয়ৰ পৰাই দৰ্শন সম্পৰ্কীয় সকলো কাম নিয়ন্ত্ৰিত হয়। নীহাৰিকা কমপ্লেক্স নামৰ এই কাৰ্যালয় চৌহদটোত প্ৰৱেশ কৰাৰ পিছতে তেওঁলোকে আমাক কৰিবলগীয়া যাৱতীয় কামখিনি দেখুৱাই দিলে। আমি এই মন্দিৰ কৰ্তৃপক্ষৰ স'তে দুমাহ আগতে টিকট বুকিং কৰিছিলো। 'শ্ৰদ্ধা সুমন বিশেষ পূজা'ৰ বাবে আমি আগতে বুকিং কৰি থোৱা কাগজ-পত্ৰ দেখুৱালো। খুব সুন্দৰ ব্যৱস্থা। দৰাচলতে এনেধৰণৰ মন্দিৰত ইমান পৰিপাটিকৈ ব্যৱস্থা কৰাৰ ছবিখন খুব কমসংখ্যকতহে দেখা যায়। আমাৰ কামাখ্যা মন্দিৰত এনে ব্যৱস্থাৰ কথা কল্পনাই কৰিব নোৱাৰো। অৱেশ্যে এইবাৰ আমি এই পূজাৰ বাবে অনলাইনযোগে পেকেজত গৈছিলো। এই পেকেজত মন্দিৰলৈ হেলিকপ্টাৰেৰে যোৱাৰ পৰা আৰম্ভ কৰি পাহাৰত থকা-খোৱা আৰু বিশেষ পূজা কৰা আদি সকলো সামৰি লয়। দিনৰ ১১ বজাত হেলিপেডলৈ হোৱালৈকে হেলিকপ্টাৰ সেৱাও অব্যাহত আছিল। কিন্তু আমি গৈ পোৱাৰ পিছত হঠাতে বতৰ ডাৱৰীয়া হোৱাত হেলিকপ্টাৰ সেৱা বাতিল কৰে। এক মিনিটমানৰ ভিতৰতে বতৰ বেয়া হোৱাত মন্দিৰৰ লোকসকলে আমাক সময় নষ্ট নকৰি ঘোঁৰাৰে অৰ্ধকুমাৰীলৈ গ'লো। তলৰ পৰা ইয়ালৈ প্ৰায় ১২ কিলোমিটাৰ দূৰত্বত মন্দিৰ। ডেৰঘণ্টা এনেদৰে ঘোঁৰাৰে যোৱাৰ পাছত অৰ্ধকুমাৰী পালো। তাৰ পৰা আকৌ আমি মন্দিৰলৈ যাত্ৰা কৰিলো বেটাৰীচালিত বাহনেৰে। ইয়াৰ পৰা মন্দিৰলৈ দূৰত্ব প্ৰায় ৬ কিলোমিটাৰ। বেটাৰী বহনত প্ৰতিগৰাকী যাত্ৰীৰ পৰা লয় ৪৫০ টকাকৈ। এই বাহন আকৌ দুমাহ আগেয়ে অনলাইনযোগে বুক কৰিব লাগে। দিনটোৰ ভিতৰত হেজাৰ হেজাৰ ভক্তই মাতৃক দৰ্শনৰ বাবে এই পথেৰেই অহা-যোৱা কৰি আছে। ভক্তসকলে অহা-যোৱা কৰি থাকে বাবে কোনোৱে ক্লান্তি অনুভৱ নকৰে।

বৈষ্ণোদেৱী মন্দিৰ চৌহদত প্ৰৱেশ কৰাৰ পিছত মন্দিৰৰ ওচৰতে থকা গংগা ভৱনত উপস্থিত হ'লো। তাৰ পিছত মন্দিৰ কৰ্তৃপক্ষই মন্দিৰৰ কাষৰে ভৱনত থকাৰ ব্যৱস্থা কৰি দিলে। কাৰণ 'শ্ৰদ্ধা সুমন বিশেষ পূজা'ৰ বাবে

পুৱাই মন্দিৰলৈ যাব লাগে। যদিহে আগদিনা তাত থকা নহয় তেন্তে এই পূজা কৰাটো সম্ভৱ নহয়। সেইবাবে আমি আগতীয়াকৈ বুকিং কৰিবলগীয়া হৈছিল। কিছুসময় জিৰণি ল'লো। আমাৰ হাতত যথেষ্ট সময় থকা বাবে সন্ধিয়া ছয় বজাত আয়োজিত বিশেষ আৰতিত অংশগ্ৰহণ কৰিলো। নিতৌ সন্ধিয়া এইধৰণৰ বিশেষ আৰতিৰ ব্যৱস্থা কৰা হয়। এই আৰতিত প্ৰৱেশ কৰিবলৈ প্ৰতিগৰাকী ভক্তই দুহেজাৰ টকাকৈ দিব লাগে। ইয়াত মাত্ৰ ১০০গৰাকী ভক্তইহে অংশগ্ৰহণ কৰিব পাৰে। সন্ধিয়া ৬ বজাৰ পৰা ৭.৩০ বজালৈ এটা বিশেষ আৰতিৰ লগতে ভজন চলে। মাতা বৈষ্ণোদেৱীৰ ভজন শুনিলে মন-প্ৰাণ হৰি নিয়ে। ইমান মিঠা সুৰেৰে গোৱা হয় দেৱীৰ ভজন। এইখিনিতে এটা কথা উল্লেখ কৰিবই লাগিব যে এনেধৰণৰ আৰতি সৰ্বসাধাৰণ ৰাইজৰ বাবে মুকলি নাথাকে। এই আৰতিত অংশ লোৱা ভক্তসকলে মন্দিৰ দৰ্শনৰ বাবে সুবিধা লাভ কৰে। এনেদৰে দ্বিতীয় দিনা মন্দিৰত থাকি খুবেই ভাল লাগিল। নিশা কোঠালৈ উভতি আহি শুই পৰিলোঁ।

পিছদিনা পুৱাই অৰ্থাৎ ৭ জুলাইত গা-ধুই সাজু হ'লো শ্ৰদ্ধা সুমন বিশেষ পূজাৰ বাবে। সেইবাবে আমি চাৰি নম্বৰ কোঠাত উপস্থিত হওঁ। তাৰ পৰাই মন্দিৰ কৰ্তৃপক্ষই আমাক নিৰ্দিষ্ট স্থানলৈ লৈ গ'ল। উল্লেখ্য যে মন্দিৰৰ গৰ্ভগৃহত হোৱা এই পূজাত এবাৰত মাত্ৰ ৬ গৰাকী ভক্তইহে অংশগ্ৰহণ কৰিব পাৰে। প্ৰায় ৪০ মিনিট সময় পূজা চলে। পুৰোহিতে আমাক আশীৰ্বাদ দি বৈষ্ণোদেৱীৰ মাহাত্ম্যৰ বিষয়ে বৰ্ণনা কৰিছে। যিহেতু পুৱা ৬ বজাৰ পৰা ৮ বজালৈ এই বিশেষ পূজা অৰ্চনা চলে, সেয়ে এই সময়খিনিৰ আন দৰ্শনাৰ্থীৰ বাবে বন্ধ থাকে। পূজা কৰি পোৱা ১০ বজাত কাত্ৰালৈ যাত্ৰা কৰিলো। মাৰ দৰ্শন কৰি থাকিলেও মনটো খুব পৱিত্ৰ লাগে। হয়তো সেই কাৰণেই নিতৌ হাজাৰ হাজাৰ লোকে পাহাৰত থকা মন্দিৰলৈ ঢাপলি মেলে।

# নীলাচলৰ বুকুত ভক্তই কিয় কৰে ভিৰ ?

ভাৰতৰ পবিত্ৰ ভূমিৰ বিভিন্ন প্ৰান্তত অৱস্থিত ৫১টা শক্তিপীঠৰ দৰ্শন আৰু পূজাৰ দ্বাৰা ভক্তৰ বিভিন্ন মনোকামনা পূৰণ হয়। তেনে এক শক্তিপীঠ আছে— যাক মহা শক্তিপীঠ বুলি কোৱা হয় আৰু সেয়াই হৈছে নীলাচলৰ বুকুত অৱস্থিত 'দেৱী কামাখ্যাৰ মন্দিৰ'। গুৱাহাটীত অৱস্থিত এই শক্তিপীঠ আন শক্তিপীঠতকৈ অলপ পৃথক। কাৰণ এই ঠাইখন তন্ত্ৰ সাধনাৰ বাবেও অতি বিখ্যাত। অহা ২২ জুনৰ পৰা উখল-মাখল হ'ব এই নীলাচল পাহাৰ। এই দিনটোৰ পৰাই নীলাচলৰ বুকুত আৰম্ভ হ'ব অম্বুবাচী মহাযোগ। মা-কামাখ্যাৰ আশিস বিচাৰি নীলাচলৰ বুকুত লাখ লাখ ভক্তই ভিৰ কৰিবহি।

শক্তিপীঠ মা কামাখ্যা মন্দিৰত ২২ জুনৰ পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মহাযোগৰ ২৬ জুনত সামৰণি পৰিব। অম্বুবাচী মহাযোগৰ সময়ত দেশী-বিদেশী পৰ্যটকেৰে ভৰি পৰিব নীলাচলৰ বুকু। ভক্তৰ লগতে দেশী-বিদেশী পৰ্যটকক আদৰিবলৈ চৰকাৰ তথা মন্দিৰ কৰ্তৃপক্ষ সাজু হৈছে।

আদ্য নক্ষত্ৰ মিথুন ৰাশিত সংযুক্ত হোৱাৰ লগে লগে দেৱী মা কামাখ্যা ৰজঃস্বলা হোৱা বুলি এক প্ৰবাদ আছে। পৰম্পৰা অনুসৰি এই সময়ছোৱাত কোনোধৰণৰ পূজা-অৰ্চনা আদি কৰাৰ পৰা বিৰত থকা হয়। সেয়ে অম্বুবাচীৰ প্ৰবৃত্তি ঘটাৰ পৰা নিবৃত্তিলৈকে কামাখ্যা মন্দিৰৰ মূল দ্বাৰ বন্ধ ৰখা হয় আৰু চাৰিদিনৰ দিনা নিত্য পূজাৰ পাছত মন্দিৰৰ মূলদ্বাৰ ভক্তসকলৰ বাবে খুলি দিয়া হয়।

'অম্বুবাচী' হ'ল এক বিশেষ ঋতুকালীন উৎসৱ। 'অম্বুবাচী' শব্দৰো আছে এক সুকীয়া অৰ্থ। 'অম্বু' মানে হ'ল পানী আৰু 'বাচী' শব্দৰ অৰ্থ হৈছে সূচনা। জেঠ মাহৰ শেষৰ তিনিদিনৰ পৰা আহাৰ-জেঠৰ সংক্ৰান্তি আৰু আহাৰ মাহৰ ৩ তাৰিখলৈ যাঁঠ লগা বুলি কোৱা হয়। এই সময়ছোৱা শস্যৰ বাবে উপযোগী সময় বুলি কোৱা হয়। লগতে পৰম্পৰা অনুসৰি এই সময়ছোৱাত কৃষিভূমিত হাল বোৱা আদি কামৰ পৰা বিৰত থকা যায়। এই সময়ছোৱাত বহুতে ব্ৰত পালন কৰে। যাঁঠৰ পিছত আহাৰ মাহৰ প্ৰায় ৭ তাৰিখে আদ্য নক্ষত্ৰ মিথুন ৰাশিত সংযুক্ত হোৱাৰ লগে লগে দেৱী মা কামাখ্যা ৰজঃস্বলা হোৱা বুলি এক বিশ্বাস আছে। পৰম্পৰা অনুসৰি এই সময়ছোৱাত দেৱালয়ৰ ভিতৰত কোনোধৰণৰ পূজা-অৰ্চনা আদি কৰাৰ পৰা বিৰত থকা হয়। সেয়ে অম্বুবাচীৰ প্ৰবৃত্তি ঘটাৰ পৰা তিনিদিনলৈ কামাখ্যা মন্দিৰৰ মূলদ্বাৰ বন্ধ ৰখা হয় আৰু ৪ দিনৰ দিনা নিত্য পূজাৰ পিচত মন্দিৰৰ মূলদ্বাৰ ভক্তসকলৰ বাবে খুলি দিয়া হয়।

পৰম্পৰা অনুসৰি এই সময়ত বিধবা মহিলাসকলে অন্ন গ্ৰহণ নকৰে। লগতে যিসকলে এই সময়ছোৱাত প্ৰকৃততে ধ্যানত ব্ৰতী হয় তেওঁলোকে এই সময়ত ফলাহাৰ গ্ৰহণ কৰে। দৰাচলতে এই সময়ছোৱা ধ্যান-ধাৰণৰ উপযুক্ত সময়। এই সময়ছোৱাত যদি ভক্তসকলে শুদ্ধ মনেৰে ধ্যান-ধাৰণত ব্ৰতী হয় তেন্তে তেওঁলোকৰ মনোকামনা পূৰ্ণ হয় বা সিদ্ধি লাভ কৰে বুলি বিশ্বাস কৰা হয়। যিসকল লোকৰ পিতৃ-মাতৃৰ বিয়োগৰ প্ৰথম বৰ্ষ, তেওঁলোকেও এই সময়ত ব্ৰতত থকা দেখা যায়।

এই মন্দিৰত দেৱীৰ কোনো মূৰ্তি নাই, ইয়াত মা সতীৰ যোনি অংশটো পৰিছিল, গতিকে ইয়াত কেৱল দেৱীৰ যোনি অংশহে পূজা কৰা হয়, যিটো শিলৰ ৰূপত বিৰাজমান। মা কামাখ্যা দৰাচলতে ইয়াত নীলা শিলৰ যোনিত বাস কৰে। যিসকলে এই শিলটোক পূজা কৰে, দেখে আৰু স্পৰ্শ কৰে, তেওঁলোকে দেৱী কৃপা আৰু মোক্ষৰে মা ভাগৱতীৰ আশীৰ্বাদ লাভ কৰে। এই শক্তিপীঠত দেৱী মাতাৰ ৬৪ জন যোগিনী আৰু দহটা মহাবিদ্যাৰে সন্নিৱিষ্ট কৰা হৈছে। ভূৱনেশ্বৰী, বগলা, ছিন্ন মস্তিকা, কালি, তাৰা, মাতংগী, কমলা, সৰস্বতী, ধূমাৱতী আৰু ভৈৰৱী এটা স্থানতে বিৰাজমান। যদিও সকলো

শক্তিপীঠৰ নিজস্ব গুৰুত্ব আছে, কিন্তু কামাখ্যা শক্তিপীঠক আন সকলোতকৈ শ্ৰেষ্ঠ বুলি গণ্য কৰা হয়। কালিকা পুৰাণৰ মতে, এই স্থানতেই কামদেৱক শিৱই ত্ৰিনেত্ৰৰে ভস্ম কৰিছিল আৰু পূৰ্বৰ ৰূপৰ বৰদানো লাভ কৰিছিল। কোৱা হয় যে ইয়াত আকাংক্ষিত ফল পোৱা যায়।

অম্বুবাচী পৰ্ব কি?

প্ৰতিবছৰে জুন মাহত মা কামাখ্যা ঋতুমতী হৈ থাকিলে এই মেলা অনুষ্ঠিত হয়। অম্বুবাচী যোগ উৎসৱৰ সময়ত মা ভাগৱতীৰ অভয়াৰণ্যৰ দুৱাৰ স্বয়ংক্ৰিয়ভাৱে বন্ধ হৈ পৰে আৰু ভক্তসকলৰ দৰ্শনো নিষেধ কৰি দিয়া হয়। তিনিদিন পিছত মা ভাগৱতীৰ ৰজঃস্বলাৰ শেষত তেওঁৰ বিশেষ পূজা আৰু ধ্যান কৰা হয়। চতুৰ্থ দিনা ব্ৰহ্মমুহূৰ্তত দেৱীক স্নান কৰাৰ পিছতহে ভক্তৰ দৰ্শনৰ বাবে মন্দিৰ মুকলি কৰি দিয়া হয়। যাত্ৰীয়ে প্ৰথম দিনাই কামেশ্বৰী দেৱী আৰু কামেশ্বৰ শিৱৰ দৰ্শন কৰে আৰু তাৰ পিছত মহামুদ্ৰা দৰ্শন কৰে। দেৱীৰ যোনিমুদ্ৰাপীঠ দহ খোজ তললৈ নামি অহা এটা গুহাত অৱস্থিত— য'ত অখণ্ড বন্তি সদায় জ্বলি থাকে। ইয়ালৈ অহা-যোৱাৰ সুকীয়া বাট তথা ইয়াত প্ৰসাদ ৰূপত ভক্তক তিতা কাপোৰ দিয়া হয়, যাক অম্বুবাচী বস্ত্ৰ বোলা হয়।

কোৱা হয় যে, দেৱীৰ ঋতুস্ৰাৱ হোৱাৰ পূৰ্বে গৰ্ভগৃহত অৱস্থিত মহামুদ্ৰাৰ চাৰিওফালে বগা বস্ত্ৰ মেলি দিয়া হয়, আৰু তিনিদিনৰ পিছত যেতিয়া মন্দিৰৰ দুৱাৰ খুলি দিয়া হয়, তেতিয়া এই বস্ত্ৰখিনি মাতৃৰ তেজেৰে ৰাঙলী হৈ পৰে। পিছত এই কাপোৰখন প্ৰসাদ হিচাপে ভক্তসকলৰ মাজত বিতৰণ কৰা হয়। এই কাপোৰ পিন্ধি পূজা কৰিলে ভক্তৰ সকলো ইচ্ছা পূৰণ হয় বুলিও বিশ্বাস কৰা হয়। অম্বুবাচী উৎসৱৰ উপৰি কামাখ্যাত আৰু দুটা উৎসৱ পালন কৰা হয়, তাৰ ভিতৰত এটা হৈছে 'দেৱধ্বনি', যাক 'দেউধাবী' বুলিও কোৱা হয়, য'ত বাদ্যযন্ত্ৰৰে নৃত্য প্ৰদৰ্শন কৰা হয়। পুহ মাহৰ কৃষ্ণ পক্ষৰ পূষ্য নক্ষত্ৰত পূষ্যভিষেক উৎসৱ পালন কৰা হয়, য'ত কামেশ্বৰ মন্দিৰত কামেশ্বৰৰ চলন্ত মূৰ্তি স্থাপন কৰা হয়। দ্বিতীয় দিনা ভাগৱতীৰ পঞ্চৰত্ন মন্দিৰত দুয়োটা মূৰ্তিৰ হৰ-গৌৰী বিবাহ অনুষ্ঠান উদ্‌যাপন কৰা হয়। মহাকুম্ভ নামৰ এই মেলাৰ সময়ত তান্ত্ৰিক শক্তিক অত্যন্ত গুৰুত্ব দিয়া হয়। ইয়াত শ শ তান্ত্ৰিক নিজৰ নিৰ্জনতাৰ পৰা ওলাই আহি নিজৰ শক্তি প্ৰদৰ্শন কৰে।

অম্বুবাচী মেলাত বিশেষ পূজা অৰ্চনা কৰে নাগা বাবাসকলে। পৌৰাণিক ৰীতি অনুসৰি আৰম্ভ হৈছে সাধু-সন্ন্যাসীসকলৰ কাৰ্যসূচী। প্ৰথমে মন্দিৰ চৌহদত পৰিক্ৰমা কৰে দেশী-বিদেশী বাবাসকলে। পৰম্পৰা অনুসৰি সমাজৰ শান্তিৰ হকে মাৰ পৰিক্ৰমা কৰে সাধু-সন্ন্যাসীসকলে।

ধৰ্মৰ নামত কামাখ্যাত ভণ্ড বাবাৰ আৱিৰ্ভাৱ। আনহাতে, এই ভণ্ড বাবাৰ কাণ্ডত অতিষ্ঠ হৈ পৰিছে কামাখ্যা দেৱালয় সমিতি। অনলাইন পূজা-অৰ্চনাৰ নামত সামাজিক মাধ্যমত একাংশ ভণ্ড বাবাই ভুৱা প্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন হৈছে। একাংশ ভণ্ড পাণ্ডা আৰু বাবাই সামাজিক মাধ্যম ইউটিউব আৰু ফেচবুকত কামাখ্যা দেৱালয়ৰ ভুৱা ছবি প্ৰচাৰ কৰি কামাখ্যাক পূজা-অৰ্চনা অনলাইনৰ জৰিয়তে কৰাৰো অভিযোগ উঠি আহিছে। কিছুমানে আজিও নৰবলি দিয়া হয় বুলি প্ৰচাৰ চলাই আছে। এইসকল লোকো কামাখ্যাৰ লগতে অসমৰো বদনাম কৰে। সেইবাবে এনে লোকৰ বিৰুদ্ধে সকলোৰে সজাগ হোৱা উচিত।

# মহাকুম্ভ ঃ আস্থা আৰু বিশ্বাস

যোৱা ২৭ জানুৱাৰীত মহাকুম্ভ মেলালৈ বুলি গুৱাহাটীৰ পৰা লক্ষ্ণৌ অভিমুখে যাত্ৰা কৰিলো উৰাজাহাজেৰে। লক্ষ্ণৌৰ পৰা ২০০ কিলোমিটাৰ দূৰত্বত অৱস্থিত প্ৰয়াগৰাজলৈ সৰু বাহনৰে যাত্ৰা কৰিলো। পৰিয়ালৰ সদস্যৰ লগত গৈছিলো এই ঐতিহাসিক ক্ষণৰ সাক্ষী হ'বলৈ। ২৯ জানুৱাৰীত মৌনী অমাৱস্যাৰ স্নানৰ বাবে আগদিনা যাতায়াতত সমস্যাৰ সৃষ্টি হোৱাৰ কথা ভাবিয়ে আমি দুদিন আগতে তালৈ গৈছিলো। কিন্তু প্ৰশাসনে ২৭ জানুৱাৰীতে কোনো বাহনেই নিৰ্দিষ্ট অঞ্চলত প্ৰৱেশ কৰিব দিয়া নাছিল। আমি প্ৰায় ৬ কিলোমিটাৰ খোজ কাঢ়িয়েই গ'লো। আমি নিজৰ নিজৰ বস্তু-বাহানি হাতত লৈ আখাড়ালৈ যাত্ৰা কৰিলো।

মকৰ সংক্ৰান্তি উপলক্ষে প্ৰথমে সাধু-সন্ন্যাসী তথা ভক্তসকলে মহাকুম্ভ মেলাত 'অমৃত স্নান' কৰে। শ্ৰীপঞ্চায়তি আখাড়া মহানিৰ্বাণী আৰু শ্ৰীশম্ভু পঞ্চায়তি অটল আখাড়াই প্ৰথমে মকৰ সংক্ৰান্তিত 'অমৃত স্নান' কৰে। আধ্যাত্মিক গুৰু স্বামী কৈলাশানন্দ গিৰিয়ে প্ৰথমে মকৰ সংক্ৰান্তিৰ পৱিত্ৰ ক্ষণত মহাকুম্ভৰ প্ৰথম অমৃত স্নানৰ বাবে নিৰঞ্জনী আখাড়াৰ পৰা উলিওৱা শোভাযাত্ৰাৰ নেতৃত্ব দিয়ে।

এই প্ৰথম 'অমৃত স্নান' বিভিন্ন ধৰণে বিশেষ। সংগমস্থলত 'পুহৰ পূৰ্ণিমা' উপলক্ষে প্ৰথম পবিত্ৰ 'স্নান'ৰ এদিন পিছতে অমৃত স্নান কৰা হয়। উল্লেখ্য যে বিভিন্ন সম্প্ৰদায়ৰ ১৩ আখাড়াই এই মহাকুম্ভত অংশগ্ৰহণ কৰে। যোগ,

ধ্যান আৰু আধ্যাত্মিক জ্ঞানৰ অন্বেষণত গুৰুত্ব দিয়াৰ বাবে প্ৰসিদ্ধ নিৰঞ্জনী আখাড়া হৈছে এই পবিত্ৰ সমাৱেশত অংশগ্ৰহণ কৰা অন্যতম আখাড়া।

## পবিত্ৰ স্নানত ১৩ আখাড়াৰ সাধুৰ অংশগ্ৰহণ

১৩টা আখাড়াক তিনিটা গোটত বিভক্ত কৰা হৈছে— সন্ন্যাসী (শৈৱীত), বৈৰাগী (বৈষ্ণৱ) আৰু উদাসীন। শৈৱীত আখাড়াবোৰৰ ভিতৰত আছে— শ্ৰীপঞ্চ দশনাম জুনা আখাড়া, শ্ৰীপঞ্চায়তি আখাড়া নিৰঞ্জনী, শ্ৰীশম্ভু পঞ্চায়তি অটল আখাড়া, শ্ৰীপঞ্চায়তি আখাড়া মহানিৰ্বাণী, শ্ৰীশম্ভু পাঞ্চাগ্নি আখাড়া, শ্ৰীপঞ্চদশনাম আৱাহন আখাড়া আৰু তপনিধি শ্ৰীআনন্দ আখাড়া পঞ্চায়তি। আমি সকলোৰে আছিলো আনন্দ আখাড়াত।

তালৈকে গৈ প্ৰথমে গুৰু স্বামী বালকানন্দি গিৰিক সেৱা জনাই আমাৰ লগত নিয়া ফুলাম গামোচা পিন্ধালো। তেওঁৰ পৰা আশীৰ্বাদৰ ল'লো। প্ৰায় ২০০ যাত্ৰীয়ে ইয়াত থাকিব পাৰে। প্ৰতিটো আখাড়াত যাত্ৰী এদিন বা দুদিন থাকে আৰু স্নান কৰি গুচি যায়। ইয়াত পদাৰ্পণ কৰি মনটো আনন্দৰে ভৰি পৰিল। থকা-খোৱাৰ সুন্দৰ ব্যৱস্থা। তদুপৰি ভাগৱত, কীৰ্তন, ৰামায়ণ, মহাভাৰত আদিৰ ব্যাখ্যা দিনে-নিশাই চলি থাকে।

সিদিনা তাত কটাই পিছদিনা অৰ্থাৎ ২৮ জানুৱাৰীৰ পুৱাই ত্ৰিবেণী সঙ্গমত স্নান কৰিলো। পুৱা পাঁচ বজাত স্নান কৰিলো। আমি পুৱা ৪ বজাত ওলালো। ডেৰ কিলোমিটাৰ দূৰত্ব যাবলৈ আমাক সময় লাগিল প্ৰায় এঘণ্টা। পুৱতিনিশা ইমান ভক্ত একেলগে দেখাও পৰম সৌভাগ্য বুলি ক'ব লাগিব। স্নান কৰাৰ পিছত আমি তেনেকৈয়ে থাকিলো। জনবিশ্বাস অনুসৰি— স্নান কৰাৰ পিছত গা মচিব নালাগে। আমি এঘণ্টা সময় থাকি ভক্তসকলে কৰা তৰ্পণ আদি প্ৰত্যক্ষ কৰিলো। লাখ লাখ মানুহৰ সমাগম। কিমান মানুহ আহিছে আৰু হৈছে তাৰ হিচাপ নাই। সকলোৰেই ত্ৰিবেণী সঙ্গমত স্নান কৰি পুণ্য অৰ্জন কৰিবলৈ আহিছে। সকলো ভক্তই আনকো সহায় কৰিছে। হাত-মূৰত বোজা লৈ বহুত দূৰ পথ খোজ কাঢ়ি আহিছে। তথাপি নাই কোনো ক্লান্ত হোৱাৰ লক্ষণ। ইমান ভক্ত একেলগে সমৱেত হোৱাৰ পিছতো সিমান লেতেৰা হোৱা নাই প্ৰয়াগৰাজ।

সিদিনাই দুপৰীয়া আমি শ্ৰীপঞ্চ দশনাম জুনা আখাড়ালৈ গ'লো। জুনা আখাড়ালৈ মুৰব্বী স্বামী অৱধেশানন্দ গিৰিয়ে তেওক সৰ্বোচ্চ পৰ্যায়ৰ সন্ন্যাসী মহামণ্ডলেশ্বৰক অভিষিক্ত কৰিছিল।

তাত গুৰুক সেৰা জনাই অসমীয়া গামোচা পিন্ধালো। খুব ভাল পালে। তেওঁ অসমৰ কথা ভালদৰে জানে। কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ অসমলৈ আহিছিল। এইটো হৈছে দ্বিতীয় বৃহৎ আখাড়া। এই আখাড়াৰ লগত প্ৰায় ২৫ লাখ সাধু-সন্ন্যাসীয়ে জড়িত হৈ আছে। এইবোৰ হৈছে অস্থায়ী শিবিৰ। অস্থায়ী শিবিৰ হ'লেও আছে উন্নত পৰ্যায়ৰ সা-সুবিধা। কিছুসময় তাত অতিবাহিত কৰাৰ পিছত আমি আমাৰ পূৰ্বৰ স্থানলৈ উভতি আহিলো।

২৯ জানুৱাৰীত আছিল মৌনী অমাৱস্যা। এই অমাৱস্যাতে কৰা হয় অমৃত স্নান। মহাকুম্ভৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ৰীতি-নীতিসমূহৰ অন্যতম বুলি কোৱা হয়। এইবাৰ ১৪৪ বছৰৰ পিছত সংঘটিত হোৱা এক বিৰল মহাকাশীয় ঘটনা 'ত্ৰিবেণী যোগ'ৰ দিনটোৰ আধ্যাত্মিক তাৎপৰ্য বৃদ্ধি পাইছে। ইয়াত প্ৰায় ১০ কোটি তীৰ্থযাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। গংগা, যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলীত এই দিনটোত স্নান কৰিবলৈ বহুতেই সমৱেত হয়। ত্ৰিবেণী সংগমক হিন্দুসকলে আটাইতকৈ পৱিত্ৰ বুলি গণ্য কৰে। ইয়াত মহাকুম্ভৰ সময়ত আৰু বিশেষকৈ মৌনী অমাৱস্যাত স্নান কৰিলে মানুহৰ পাপ খণ্ডন হয় বুলি জনবিশ্বাস আছে। আমিও পুৱা ৩ বজাতেই ওলালো। আমাৰ আখাড়াৰ গুৰুৱে ৰথত উঠি যাত্ৰা কৰিলে। পিছে পিছে লাখ লাখ মানুহৰ সমাগম। পিছে ইমান দিনে মনতে পুহি ৰখা সপোন বাস্তৱত ৰূপায়ন নহ'ল। আধাতে যাত্ৰা সামৰি উভতি আহে। কাৰণ সিদিনা প্ৰায় ১০ কোটি ভক্তই পুৱতি নিশাই ওলাইছিল স্নান কৰি পুণ্য অৰ্জন কৰিবলৈ। পদপিষ্ট হোৱা ঘটনাটো সংঘটিত হোৱাত সকলো কাৰ্যসূচী বাতিল কৰিবলগীয়া হয়। অৱশ্যে পিছত পৰিস্থিতি শান্ত হোৱাত সাধু-সন্ন্যাসীসকলক স্নানৰ বাবে অনুমতি দিয়ে। আমিও সন্ধিয়াৰ আগে আগে স্নান কৰিলো।

৩০ জানুৱাৰীত পুনৰ পুৱা ৪ বজাত নাৱত উঠি ত্ৰিবেণী সঙ্গমৰ নিৰ্দিষ্ট মাজভাগত গা ধুলো। পানী খুব ঠাণ্ডা যদিও বিশেষ তেনে অনুভৱ নহ'ল। নাৱৰীয়াৰ সৈতে আমি বন্দোৱস্ত কৰি মাজলৈ গৈছিলো। কিন্তু ইয়াত এক

পৰম্পৰা আছে যে নাৱৰীয়াক হাতৰ মুঠিতে সেৱা কৰি দিব লাগে। ইয়াত ধৰা-বন্ধা নিয়ম নাই। যাত্ৰীসকলে যি দিয়ে সেয়াই আনন্দ মনে গ্ৰহণ কৰে নাৱৰীয়াই। তাত নাৱৰীয়াক কেওট বুলি কয়। প্ৰায় ৪০ কিলোমিটাৰ সামৰি এক বৃহৎ এলেকাত আয়োজন কৰা হৈছে এই মহাকুম্ভৰ।

### ১৪৪ বছৰৰ পিছত বিৰল যোগ বুলি কিয় কোৱা হয়?

কুম্ভমেলা বহু প্ৰকাৰৰ— কুম্ভ, অৰ্ধ কুম্ভ, পূৰ্ণ কুম্ভ, মহাকুম্ভ। এই বছৰ মহাকুম্ভ ১৪৪ বছৰৰ ব্যৱধানৰ পিছত অনুষ্ঠিত হৈছে। কুৰ্মা পুৰাণৰ মতে, পৃথিৱীত ৪টা কুম্ভ আয়োজন কৰা হয় আৰু শেষৰ ৮ কুম্ভ স্বৰ্গত অনুষ্ঠিত হয়। জনবিশ্বাস অনুসৰি— মহাকুম্ভ প্ৰতি ১৪৪ বছৰত অনুষ্ঠিত হয়। কুম্ভ ৪ বছৰত, অৰ্ধ কুম্ভ ৬ বছৰত, পূৰ্ণ কুম্ভ ১২ বছৰত আৰু মহাকুম্ভ ১৪৪ বছৰত উদ্‌যাপন কৰা হয়। এই ১৪৪ বছৰীয়া মহাকুম্ভ এক বিৰল সংমিশ্ৰণ।

প্ৰতি ৪ বছৰত এবাৰ হয় মেলা। মেলাখন চাৰিটা স্থানত হয়— হৰিদ্বাৰ, প্ৰয়াগৰাজ, উজ্জয়িনী আৰু নাছিক। মেলাৰ সময়ত লাখ লাখ ভক্ত আৰু সাধুসকলে পাপৰ পৰা মুক্তি বিচাৰি পৱিত্ৰ নদীত গা ধুবলৈ একত্ৰিত হয়। কুম্ভমেলা মধ্যপ্ৰদেশৰ শিপ্ৰাৰ পাৰত মহাৰাষ্ট্ৰৰ নাছিকৰ গোদাবৰীৰ পাৰত আৰু উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত গঙ্গা, যমুনা আৰু সৰস্বতীৰ সঙ্গমস্থলত হৰিদ্বাৰত গঙ্গাৰ পাৰত উজ্জয়িনী অনুষ্ঠিত হয়।

# মহাকালেশ্বৰ-ওমকাৰেশ্বৰ জ্যোতির্লিংগ মন্দিৰ দৰ্শন

যোৱা ৯ ছেপ্টেম্বৰত মধ্যপ্ৰদেশৰ উজ্জয়িনীৰ শ্ৰীমহাকালেশ্বৰ মন্দিৰ দৰ্শন কৰিবলৈ পুৱা ১০:৩০বজাত গুৱাহাটীৰ পৰা বিমানযোগে দিল্লীলৈ যাত্ৰা কৰো। কাৰণ বিমানখন পোনপটীয়াকৈ মধ্যপ্ৰদেশলৈ নাযায়। দিল্লীৰ পৰা মধ্যপ্ৰদেশৰ ইন্দোৰ পাওঁতে সন্ধিয়া সাত বাজিল। ইন্দোৰৰ পৰা প্ৰায় ৬০ কিলোমিটাৰ দূৰত থকা মন্দিৰলৈ সৰু বাহনেৰে যাত্ৰা কৰো। পূৰ্বতে বুক কৰি থোৱা হোটেলত কিছুসময় জিৰণি লৈ মন্দিৰলৈ ওলালো। আগতে বুক কৰা বিশেষ প্ৰৱেশপত্ৰযোগে নিশা ১২:৩০ বজাত মন্দিৰৰ আগত শাৰী পাতিলো। কাৰণ বিশেষ পূজাৰ বাবে দুপৰ নিশাৰ পৰা শাৰী পাতিব লগা হয়। ১০ ছেপ্টেম্বৰৰ পুৱতি নিশা ৪ বজাত মন্দিৰৰ মূল দুৱাৰ খোলাৰ লগে লগে ভিতৰত প্ৰৱেশ কৰি মহাকাল জ্যোতির্লিংগ দৰ্শন কৰিলো। মোৰ লগত যোৱা তিনি বন্ধুৰ সৈতে প্ৰায় দুঘণ্টা ধৰি বিভিন্ন ৰূপত থকা মহাকালৰ মূৰ্তিত পূজা কৰা দেখিলো।

মহাকালৰ পূজা কৰাৰ সময়ত আমি ভস্ম আৰতিও চালো। পৰম্পৰা অনুসৰি এই ভস্ম আৰতি দিয়াৰ সময়ত মহিলাই ইয়াক চাব নাপায়। পুৱতি নিশা হোৱা এই ভস্ম আৰতিত মাত্ৰ ১৫০-২০০ মানুহে অংশগ্ৰহণ কৰিব পাৰে। পুৱা ৪ বজাৰ পৰা নিশা ৯:৩০ বজালৈ মন্দিৰৰ মূল দুৱাৰ খোলা হয়। এই সময়ত নিতৌ অতি কমেও ৬০-৭০ হেজাৰ দৰ্শনাৰ্থীৰ ভিৰ হয় যদিও

সকলো শৃংখলিতভাৱে চলি থাকে। আগতে দৰ্শনাৰ্থীৰ বাবে শিৱলিংগত স্পৰ্শ কৰিব পাৰিছিল যদিও ক'ভিডৰ সময়ত স্পৰ্শ কৰাৰ সুবিধা বন্ধ কৰি দিয়ে। আমি মন্দিৰৰ চৌহদতে অভিষেক পূজা আগবঢ়ালো। মন্দিৰৰ পৰা ওলাই আহি কিছু দূৰত থকা ভৈৰৱ মন্দিৰ দৰ্শন কৰো। মহাকালেশ্বৰ মন্দিৰত গৈ যদি ভৈৰৱ মন্দিৰ দৰ্শন নকৰে তেন্তে দৰ্শন আধৰুৱা হৈ ৰয় বুলি জনবিশ্বাস আছে। এই মন্দিৰত ভক্তই সোমৰস প্ৰসাদ হিচাপে আগবঢ়াই আহিছে। ইয়াৰ পিছত আমি ইন্দোৰ লৈ উভতি আহো।

উজ্জয়নীৰ শ্ৰীমহাকালেশ্বৰ ভাৰতৰ বাৰটা বিখ্যাত জ্যোতিৰ্লিংগৰ ভিতৰত অন্যতম। মহাকালেশ্বৰ মন্দিৰৰ মহিমাৰ বিষয়ে বিভিন্ন পুৰাণত বিতংভাৱে বৰ্ণনা কৰা হৈছে। কালিদাসৰ পৰা আৰম্ভ কৰি বহু কবিয়ে এই মন্দিৰক আৱেগিকভাৱে সমৃদ্ধ কৰিছে। আগতে ভাৰতীয় সময় গণনাৰ বাবে উজ্জয়নী কেন্দ্ৰীয় বিন্দু আছিল আৰু মহাকালক উজ্জয়নীৰ নিৰ্দিষ্ট অধ্যক্ষ দেৱতা হিচাপে গণ্য কৰা হৈছিল। কালৰ দেৱতা শিৱই সমস্ত মহিমাৰে উজ্জয়ীনত চিৰকাল ৰাজত্ব কৰে। ভাৰতৰ ১২টা জ্যোতিৰ্লিংগৰ ভিতৰত এটা মহাকালত থকা লিংগ (নিজৰ পৰাই) নিজৰ ভিতৰৰ পৰাই শক্তি (শক্তি) আহৰণ কৰে বুলি বিশ্বাস কৰা হয়। যিদৰে আন প্ৰতিমূৰ্তি আৰু লিংগৰ বিপৰীতে যিবোৰ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠিত আৰু মন্ত্ৰ জপ কৰা হয়। মহাকালেশ্বৰৰ মূৰ্তি দক্ষিণমুখী হোৱাৰ বাবে দক্ষিণমূৰ্তি বুলি গণ্য কৰা হয়। এইটো এটা অনন্য বৈশিষ্ট্য, তান্ত্ৰিক পৰম্পৰা অনুসৰি ১২টা জ্যোতিৰ্লিংগৰ ভিতৰত মহাকালেশ্বৰতহে পোৱা যায়। মহাকাল মন্দিৰত থকা অভয়াৰণ্যত ওমকাৰেশ্বৰ শিৱৰ মূৰ্তি স্থাপন কৰা হৈছে। অভয়াৰণ্যৰ পশ্চিম, উত্তৰ আৰু পূবত গণেশ, পাৰ্বতী আৰু কাৰ্তিকেয়ৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। নামনিত নন্দীৰ প্ৰতিমূৰ্তি আছে। তৃতীয় মহলাত থকা নাগচন্দ্ৰেশ্বৰৰ মূৰ্তিটো নাগপাঞ্চমীৰ দিনাহে দৰ্শনৰ বাবে খোলা থাকে। মহাশিৱৰাত্ৰিৰ দিনা মন্দিৰৰ ওচৰতে এখন বিশাল মেলা অনুষ্ঠিত হয় আৰু ৰাতি পূজা কৰা হয়।

বিশ্বাস অনুসৰি দুষান নামৰ এটা অসুৰৰ বাবেই আগতে অৱন্তিকাত আতংকৰ সৃষ্টি হৈছিল। নগৰবাসীয়ে ভগৱান শিৱৰ ওচৰত প্ৰাৰ্থনা কৰিলে যে তেওঁক ধ্বংস কৰা হওক, ইয়াত ভগৱানে তেওঁক জ্বলাই দিলে আৰু

তেওঁৰ ছাইৰে নিজকে শোভা পালে। ইয়াৰ পিছত ভগৱান শিৱ মহাকাল হিচাপে আবিৰ্ভাৱ হয় আৰু এই কাৰণে এই মন্দিৰৰ নাম মহাকালেশ্বৰ ৰখা হয়। প্ৰতিদিনে পুৱা কাল মহাকালৰ স্থানত ভস্ম আৰতি কৰা হয়। এই আৰতিৰ বিশেষত্ব হ'ল ভগৱান মহাকাল সতেজ মৃতদেহৰ ছাইৰে সজোৱা। এই আৰতিত উপস্থিত থাকিবলৈ আগতীয়াকৈ বুকিং কৰা হয়।

**উজ্জয়নীত মহাকাল, কালভৈৰৱ, গধকালিকা আৰু অৰ্ধকাল ভৈৰৱ**

১২টা জ্যোতিৰ্লিংগৰ ভিতৰত মহাকাল একমাত্ৰ শ্ৰেষ্ঠ শিৱলিংগ। কোৱা হয় যে আকাশত তাৰকাম, পাতাল, হাটকেশ্বৰম। পৃথিৱীৰ জগতত মহাকাল হে তিনি অংগ, তোমাক নমস্কাৰ। অৰ্থাৎ আকাশত তাৰক শিৱলিংগ, পাতালত হাটকেশ্বৰ শিৱলিংগ আৰু পৃথিৱীত মহাকালেশ্বৰ বৈধ শিৱলিংগ।

মহাকালেশ্বৰ জ্যোতিৰ্লিংগৰ তিনিটা ভাগত আছে— বৰ্তমানৰ মহাকালেশ্বৰ জ্যোতিৰ্লিংগ ৩টা ভাগত বিভক্ত। তলৰ অংশত মহাকালেশ্বৰ মন্দিৰ, মধ্য অংশত ওমকাৰেশ্বৰ মন্দিৰ আৰু ওপৰৰ অংশত শ্ৰী নাগাচন্দ্ৰেশ্বৰ মন্দিৰ অৱস্থিত।

গৰ্ভগৃহত বহি থকা প্ৰভু মহাকালেশ্বৰৰ দক্ষিণমুখী বিশাল শিৱলিংগ আছে। ইয়াৰ লগতে গৰ্ভগৃহত মাতৃ পাৰ্বতী, ভগৱান গণেশ আৰু কাৰ্তিকেয়ৰ আকৰ্ষণীয় প্ৰতিমূৰ্তিও আছে। সদায় জ্বলি থকা অভয়াৰণ্যত নন্দী লেম্প স্থাপন কৰা হয়। অভয়াৰণ্যৰ সন্মুখৰ বিশাল কোঠাটোত নন্দীৰ মূৰ্তিটো সন্নিৱিষ্ট কৰা হৈছে উজ্জয়নীৰ ৰজা এজনহে।

আৰু সেইজনেই মহাকাল বাবা। বিক্ৰমাদিত্যৰ শাসনৰ পৰা কোনো ৰজাই ইয়াত ৰাতি থাকিব নোৱাৰে। যাৰ এই সাহস আছিল, তেওঁ বিপদে ঘেৰি ধৰিছিল আৰু মৃত্যুবৰণ কৰিছিল। যদি আপুনি মন্ত্ৰী বা ৰজা তেন্তে ইয়াত ৰাতিটো নাথাকিব। বৰ্তমান সময়তো কোনো ৰজা, মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী আদি ইয়াত ৰাতি থাকিব নোৱাৰে।

শাওণ মাহৰ প্ৰতি সোমবাৰে বাবাই চহৰখন ভ্ৰমণ কৰি নিজৰ প্ৰজাক দেখে। কোনোধৰণৰ মদ্যপানৰ প্ৰভাৱত মহাকাল যাত্ৰাত অংশগ্ৰহণ নকৰিব। মহাশিৱৰাত্ৰিৰ দিনা সমগ্ৰ নগৰখন শিৱসদৃশ হৈ পৰে। চৌদিশে শুনা যায়

কেৱল ভগৱান শিৱৰ গুণগুণনি। গোটেই চহৰখন বিবাহ শোভাযাত্রা হৈ শিৱ বিবাহত অংশগ্ৰহণ কৰে। ইয়াক কিয় মহাকাল বুলি কোৱা হয় এটা সময় আৰু আনটো মৃত্যু। মহাকালক 'মহাকাল' বুলি কোৱা হয়। কাৰণ প্ৰাচীন কালত সমগ্ৰ বিশ্বৰ মানক সময় ইয়াৰ পৰাই নিৰ্ধাৰণ কৰা হৈছিল, সেইবাবেই এই জ্যোতিৰ্লিংগক 'মহাকালেশ্বৰ' নামেৰে নামকৰণ কৰা হৈছে। অৱশ্যে মহাকাল কোৱাটোও পৌৰাণিক বিশ্বাসৰ লগত জড়িত।

ইয়াৰ পিছদিনা অৰ্থাৎ ১১ ছেপ্টেম্বৰত আমি ইন্দোৰ চহৰৰ পৰা ১০০ কিলোমিটাৰ দুৰত অৱস্থিত ওমকাৰেশ্বৰ মন্দিৰলৈ গৈ দৰ্শন কৰো। আমি পূৰ্বে বুক কৰা টিকট লৈ শাৰী পাতি থিয় হওঁ। মন্দিৰটো দৰ্শন কৰিবলৈ দীঘলীয়া শাৰী পাতি ভক্তই পুৱতি নিশাৰ পৰাই অপেক্ষা কৰি আছে। ইমান ভক্ত একেলগে দেখি খুব ভাল লাগিল। আমি মন্দিৰ দৰ্শন কৰি পূজাৰীৰ দ্বাৰা অভিষেক কৰো। বিশ্বাস অনুযায়ী ইয়াত অভিষেক কৰিলে মনৰ আশা পূৰণ হয়।

ভাৰতৰ মধ্যপ্ৰদেশ ৰাজ্যৰ খাণ্ডৱা জিলাৰ খাণ্ডৱা চহৰৰ ওচৰৰ মান্ধাত অৱস্থিত শিৱৰ প্ৰতি উৎসৰ্গিত এটা হিন্দু মন্দিৰ। শিৱৰ ১২টা পূজনীয় জ্যোতিৰ্লিংগ মন্দিৰৰ ভিতৰত ই অন্যতম। ভাৰতৰ মধ্যপ্ৰদেশৰ খাণ্ডৱা জিলাত নৰ্মদা নদীৰ খাণ্ডৱা চহৰৰ ওচৰত মান্ধাতা নামৰ দ্বীপ এটাত; দ্বীপটোৰ আকৃতি দেৱনাগৰী প্ৰতীকৰ।

এই মন্দিৰটো মালৱাৰ পৰমৰা ৰজাই খ্ৰীষ্টীয় একাদশ শতিকাত নিৰ্মাণ কৰা বুলি কোৱা হয়। পৰমৰা ৰজাৰ পিছত মন্দিৰৰ প্ৰশাসন চৌহান শাসকসকলে দখল কৰে। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত মাহমুদ গাজনীৰ পৰা আৰম্ভ কৰি মুছলমান আক্ৰমণকাৰীয়ে মন্দিৰটো ধ্বংস আৰু লুটপাতৰ সন্মুখীন হয়। তথাপি মন্দিৰটো সম্পূৰ্ণ ধ্বংস নোহোৱাকৈ অক্ষত অৱস্থাত থাকিল। সমগ্ৰ মোগল শাসনকালত এই মন্দিৰটো চৌহান ৰজাৰ অধীনত আছিল, বিশেষ সংস্কাৰ নোহোৱাকৈ। ১৯ শতিকাত এই মন্দিৰটো হোলকাৰ শাসকসকলে, প্ৰধানকৈ ৰাণী অহল্যাবাই হোলকাৰে পুনৰ্নিৰ্মাণ কৰে। ঔপনিৱেশিক যুগত এই মন্দিৰটো ব্ৰিটিছৰ শাসনৰ অধীনলৈ আহিছিল।

১৯৪৭ চনত স্বাধীনতাৰ পিছত ভাৰতৰ প্ৰত্নতাত্ত্বিক জৰীপ সংস্থাই

খাণ্ডৱা প্ৰশাসনৰ সহায়ত মন্দিৰৰ দায়িত্ব গ্ৰহণ কৰে। মন্দিৰলৈ যোৱাৰ পথত নৰ্মদা নদী দেখাৰ সৌভাগ্য হৈছিল। খুব ভাল লাগিল। ইয়াৰ পিছত আমি ইন্দোৰ চহৰলৈ উভতি আহি হোটেলত কিছু সময় জিৰণি লৈ সন্ধিয়া চহৰখন ঘূৰিলো। তাত সম্পন গেটত বিভিন্ন ধৰণৰ খাদ্যৰ জুতি লওঁ। স্থানীয় খাদ্য খাই খুব ভাল লাগিল।

ইন্দোৰ হৈছে স্মাৰ্ট চিটিছ মিছনৰ অধীনত স্মাৰ্ট চিটি হিচাপে গঢ়ি তোলা ভাৰতীয় ১০০খন চহৰৰ ভিতৰত অন্যতম। তদুপৰি ই স্মাৰ্ট চিটিজ মিছনৰ প্ৰথম ৰাউণ্ডত যোগ্যতা অৰ্জন কৰে আৰু স্মাৰ্ট চিটি হিচাপে গঢ়ি তোলা প্ৰথম বিশখন চহৰৰ ভিতৰত অন্যতম হিচাপে নিৰ্বাচিত হয়। ইন্দোৰ আৰম্ভণিৰে পৰা স্বচ্ছ সুৰক্ষাৰ অংশ আছিল আৰু ২০১৬ চনত ২৫ নম্বৰ স্থান লাভ কৰিছিল। ইফালে স্বচ্ছতা সুৰক্ষা ২০২১ৰ অধীনত ইন্দোৰক ভাৰতৰ প্ৰথমখন 'ৱাটাৰ প্লাছ' চহৰ হিচাপেও ঘোষণা কৰা হৈছে। ইন্দোৰে আন্তঃৰাষ্ট্ৰীয় স্বচ্ছ বায়ু অনুঘটক কাৰ্যসূচীৰ বাবে নিৰ্বাচিত হোৱা একমাত্ৰ ভাৰতীয় চহৰ হিচাপে পৰিগণিত হয়। ইন্দোৰ চহৰ স্বচ্ছ ভাৰত অভিযানৰ অন্যতম পৰিষ্কাৰ চহৰ হিচাপে স্বীকৃতি লাভ কৰিছে। পিছদিনা পুৱাই গুৱাহাটীলৈ উভতি আহিলো বিমানযোগে।

# মনৰ প্ৰশান্তি বিচাৰি কেদাৰনাথত

পাহাৰৰ মাজত মনোৰম প্ৰাকৃতিক পৰিৱেশত থকা কেদাৰনাথ মন্দিৰটো দৰ্শনৰ বাবে সকলোৱে মনতে আশা পুহি ৰাখে। এই মন্দিৰটো দৰ্শন কৰিব পাৰিলে সকলোৱে নিজকে ধন্য মানে। মোৰো এই মন্দিৰটো দৰ্শন কৰাৰ ইচ্ছা আছিল। সেয়ে যোৱা ১৮ মে'ত মই মোৰ বন্ধু দেৱজিত গোস্বামীৰ সৈতে যাত্ৰা কৰো। গুৱাহাটীৰ পৰা দিল্লী হৈ আবেলি ৪ বজাত ডেৰাডুন পালো। জলি গ্ৰেণ্ট বিমানবন্দৰত উপস্থিত হৈ এখন সৰু বাহনেৰে কেদাৰনাথলৈ যাত্ৰা কৰিলো। কেদাৰনাথলৈ যাত্ৰা মানে ফাটালৈ গ'লো। য'ত হৈছে উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাৰ এখন সৰু গাঁও। ইয়াতে আছে হেলিপেড সেৱা। ডেৰাডুন বিমানবন্দৰৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰ দূৰত্ব এই গাঁওখনলৈ। এখন সৰু বাহনেৰে এই গাঁওখনলৈ যাত্ৰা কৰা সময়ত পথৰ দুয়োকাষে দেখা প্ৰাকৃতিক সৌন্দৰ্য দেখি অভিভূত হৈ পৰিলো। পথৰ মাজে মাজে কেদাৰনাথলৈ যোৱা যাত্ৰীৰ বাবে সুন্দৰ শৌচ-প্ৰস্ৰাৱ কৰিব পৰা সুবিধা আছে। যিহেতু প্ৰায়ভাগ লোকে নিতৌ ইয়ালৈ আহি থাকে, সেয়ে চৰকাৰে সুন্দৰভাৱে এইবোৰ বনাই দিছে। আমি প্ৰায় দুমাহ আগতে বুকিং কৰা টিকটেৰে হেলিকপ্টাৰত যোৱাৰ সুযোগ লাভ কৰিলো। তলৰ পৰা ওপৰলৈ যাওঁতে মাত্ৰ ৬ মিনিট লাগে। খোজকাঢ়ি গ'লে তলৰ পৰা প্ৰায় ২২ কিলোমিটাৰ যাব লাগে। এই মন্দিৰটো ভূপৃষ্ঠৰ পৰা প্ৰায় ২২০০০ ফুট উচ্চতাত অৱস্থিত। হেলিকপ্টাৰত যাবলৈ আগতীয়াকৈ বুক কৰিবই লাগিব। নিশা হোৱাৰ বাবে

ফাটালৈ যাওঁতে ৮ বজাত শ্ৰীনগৰ নামৰ ঠাই এখনত থাকিলো। ১৯ মে'ৰ পুৱা ৭ বজাত ফাটালৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলো। ১১ বজাত হেলিপেডত উপস্থিত হৈ যথা সময়ত দুপৰীয়া ১২ বজাত হেলিকপ্টাৰত উঠিলো। হেলিকপ্টাৰখনত ছয়খন আসন আছে। ইয়াত আকৌ এজন মানুহৰ ওজন ৮০ কিলোগ্ৰামতকৈ বেছি হ'লে অতিৰিক্ত ১৫০ টকা ভৰিব লাগে। তদুপৰি বেগৰ ওজন ২ কিলোগ্ৰামৰ বেছি হ'লে অতিৰিক্ত ১৫০ টকা ভৰিবলগীয়া হয়। সাধাৰণতে তলৰ পৰা খোজ কাঢ়ি যোৱাৰ উপৰি ঘোঁৰাত যাব পাৰি। ইয়াৰ বাবে প্ৰায় ৪০০০ টকা ভৰিব লাগে। কিছুমানে মানুহৰ পিঠিত উঠি ওপৰলৈ যায়। এনেদৰে যাব লাগিলে একোজনৰ ১২ হাজাৰ টকা দিব লাগে। এনেদৰে যোৱাক 'পিঠু' বুলি কোৱা হয়। সাধাৰণতে নেপাল আদি দেশৰ পৰা অহা লোকসকলে পিঠুৰ কাম কৰে।

পাহৰখন থুনুকা। বৰষুণ বা ডাৱৰ বিস্ফোৰণ হোৱাৰ আশংকা থাকে। ভূমিস্খলন হ'লে পথৰ পৰা মাটি আঁতৰ নকৰালৈকে যাত্ৰী আবদ্ধ হৈ থাকিবলগীয়া হয়। এই মন্দিৰলৈ যোৱাৰ আগতে সকলোৰে পঞ্জীয়ন কৰাটো বাধ্যতামূলক। অনলাইন অথবা ঠাইত গৈ শাৰী পাতি পঞ্জীয়ন কৰিব পাৰে। নহ'লে কোনোৰে মন্দিৰ দৰ্শন কৰিব নোৱাৰে।

এই ঠাইখনৰ সৌন্দৰ্যই সকলো লোককে মুগ্ধ কৰিব পাৰে। ইয়াৰ জলবায়ুৰ পাৰ্থক্য আছে। পাহাৰৰ তলত আমি যেতিয়া হেলিকপ্টাৰত উঠিবলৈ গৈছিলো তেতিয়া তলত ৩৫ ডিগ্ৰী চেলছিয়াছ উত্তাপ আছিল। কিন্তু ৬ মিনিটৰ পিছত পাহাৰত উঠাৰ লগে লগে ১ ডিগ্ৰী চেলছিয়াছ পালো। এনে পৰিৱৰ্তন দেখি আচৰিত নহৈ নোৱাৰিলো। হেলিপেডৰ পৰা প্ৰায় আধা কিলোমিটাৰ খোজ কাঢ়ি মন্দিৰ চৌহদ পালো। আগতে চিনাকি পুৰোহিতে বন্দোৱস্তি কৰি দিয়া এটা ৰুমত থাকিলো। তাত এটা সৰু ৰুমতে প্ৰায় ৬০০০ টকা ভৰিব লাগে। পইচা গ'লেও এটা ৰুম যে পাইছো সেয়াই আমাৰ বাবে যথেষ্ট। ইয়াত বস্তুৰ দাম বেছি। অৱশ্যে বেছি হোৱাতো কোনো অস্বাভাৱিক নহয়, কাৰণ পাহাৰলৈ বস্তু নিবলৈ হ'লে একোটা ঘোঁৰাই প্ৰায় ৫০০০ টকা লয়। ইমান ওপৰত বস্তু পোৱাটোহে অধিক ভাবিবলগীয়া।

সন্ধিয়া মন্দিৰটো ঘূৰিলো। এইবাৰ অসমৰ জাপি এই মন্দিৰটোৰ সন্মুখত

জিলিকি আছে। ইয়াত দৰ্শন কৰিবলৈ কমেও ৬-৭ ঘণ্টা সময় শাৰী পাতিবলগীয়া হয়। সন্ধিয়া সাত বজাৰ আৰতি চালো। ৩০ মিনিট সময় দিয়া আৰতি চাই ৰুমলৈ আহিলো। কাৰণ নিশা এক বজাতে অভিষেক কৰিব লাগিব। খুব ঠাণ্ডা। অলপ সময় জিৰণি লৈ গা ধুই মন্দিৰত উপস্থিত হ'লো। আগতে ঠিক কৰা পুৰোহিতে আমাক ২:৩০ বজাত অভিষেক কৰালে। নিশা এক বজাৰ পৰা পোৰা পাঁচ বজালৈ বিশেষ বুকিং কৰি টিকটত লোৱা ভক্তসকলেহে অভিষেক কৰিব পাৰে। আমি পুৱা ৩ বজাত ৰুম পালো।

পুৱা বৰফৰ ওপৰত বেলি পৰিলে কেনে পৰিৱেশৰ সৃষ্টি হয় এবাৰ কল্পনা কৰকচোন। বৰফৰ মাজে মাজে মেঘ আৰু এই মেঘৰ মাজে মাজে বেলিৰ লুকা-ভাকু। কিজে অপূৰ্ব দৃশ্য! শব্দৰে বৰ্ণনা কৰিব নোৱাৰি। ইয়াত বোলে ভক্তই মাজে মাজে হৰ-পাৰ্বতীৰ আকৃতি মেঘৰ মাজে মাজে দেখা পায়। এয়া অলৌকিক বুলি কোৱা হয়।

তিনি ঘণ্টা জিৰণি লৈ পোৱা ৬ বজাত হেলিপেডলৈ আহিলো। দিনৰ ১১ বজাত তললৈ নামি আহিলো। ইয়াতে তিনিটা হেলিপেড আছে। ৩-৪ কিলোমিটাৰৰ দূৰত্বত থকা এই হেলিপেডৰ যাত্ৰী অহা-যোৱা কৰি থাকে।

কেদাৰনাথ মন্দিৰ উত্তৰ ভাৰতৰ অন্যতম পৱিত্ৰ তীৰ্থস্থান হিচাপে প্ৰসিদ্ধ। ভগৱান শিৱৰ প্ৰতি উৎসৰ্গিত মন্দিৰ বুলি কোৱা হয়। ভাৰতৰ উত্তৰাখণ্ড ৰাজ্যৰ গড়ৱাল হিমালয়ত, মন্দাকিনী নদীৰ পাৰত অৱস্থিত। চাৰিধামৰ অন্যতম হৈছে কেদাৰনাথৰ জ্যোতিৰ্লিংগ। কিম্বদন্তি অনুসৰি মহাভাৰতত বৰ্ণিত এই মন্দিৰটো পাণ্ডৱসকলে ভগৱান শিৱক সন্তুষ্ট কৰিবলৈ তপস্যা কৰিবলৈ নিৰ্মাণ কৰিছিল। সেইবাবে আজিও হিন্দুসকলে এই মন্দিৰটো দৰ্শনৰ বাবে হেতা-ওপৰা কৰে। এই মন্দিৰটো ছয়মাহ খোলা থাকে। ইয়াৰ আঁৰত আছে এক কাহিনী।

এই মন্দিৰটো আদি শংকৰে নিৰ্মাণ কৰিছিল প্ৰায় ১২০০ বছৰ পুৰণি বুলি বিশ্বাস কৰা হয়। ই পঞ্চ কেদাৰ তীৰ্থস্থানৰ ভিতৰত প্ৰথম আৰু ভাৰতৰ ১২টা জ্যোতিৰ্লিংগৰ ভিতৰত অন্যতম। উত্তৰ হিমালয়ৰ ছোটা চাৰধামৰ চাৰিটা প্ৰধান তীৰ্থস্থানৰ ভিতৰত ই অন্যতম।

২০১৩ চনৰ বিধ্বংসী ক্ষন্তেকীয়া বানপানীৰ সময়ত কেদাৰনাথ মন্দিৰ

অলৌকিকভাৱে ধ্বংসৰ পৰা ৰক্ষা পৰে। এই ঘটনাই মন্দিৰৰ প্ৰতি মানুহৰ বিশ্বাস বৃদ্ধি কৰিলে।

মন্দিৰৰ ওচৰতে ভীম শিলা নামেৰে জনাজাত এটা প্ৰকাণ্ড শিল। এই শিলটোৱেও ২০১৩ চনৰ বানপানীৰ পৰা ৰক্ষা কৰি মন্দিৰটোক ৰক্ষা কৰিছিল। সেইবাবে শিলটো এই নামেৰে জনাজাত।

কেদাৰনাথ মন্দিৰ কেৱল ঐতিহাসিক মন্দিৰ নহয়, ৰহস্যময় স্থানো। কাৰণ ইয়াৰ লগত জড়িত পৌৰাণিক কাহিনী যেনে ২০১৩ চনৰ বানপানী আৰু ভীম শিলাৰ জীয়াই থকাৰ কথাই ইয়াক এক বিশেষ স্থান হিচাপে গঢ়ি তুলিছে আৰু বিশ্বৰ সকলো ভক্তৰ আগমন ঘটে।

## শুভ বৰফৰ দলিচাত মনৰ প্ৰশান্তি বিচাৰি যায় লক্ষ লক্ষ ভক্তই

পাহাৰৰ মাজত মনোৰম প্ৰাকৃতিক পৰিবেশত থকা কেদাৰনাথ মন্দিৰটো দৰ্শনৰ বাবে সকলোৱে মনতে আশা পুহি ৰাখে। এই মন্দিৰটো দৰ্শন কৰিব পাৰিলে সকলোৱে নিজকে ধন্য মানে। মোৰো এই মন্দিৰটো দৰ্শন কৰাৰ ইচ্ছা আছিল। সেয়ে যোৱা ১৮ মে'ত মই মোৰ বন্ধু দেবজিত গোস্বামীৰ সৈতে যাত্ৰা কৰো। গুৱাহাটীৰ পৰা দিল্লী হৈ আবেলি ৪ বজাত ডেৰাডুন পালো। জলি গ্ৰেণ্ট বিমানবন্দৰত উপস্থিত হৈ এখন সৰু বাহনেৰে কেদাৰনাথলৈ যাত্ৰা কৰিলো। কেদাৰনাথলৈ যাত্ৰা মানে ফাটালৈ গ'লো। যত হৈছে উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাৰ এখন সৰু গাঁও। ইয়াতে আছে হেলিপেড সেৱা। ডেৰাডুন বিমাবন্দৰৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰ দূৰত্ব এই গাঁওখনলৈ। এখন সৰু বাহনেৰে এই গাঁওখনলৈ যাত্ৰা কৰা সময়ত পথৰ দুয়োকাষে দেখা প্ৰাকৃতিক সৌন্দৰ্য দেখি অভিভূত হৈ পৰিলো। পথৰ মাজে মাজে কেদাৰনাথলৈ যোৱা যাত্ৰীৰ বাবে সুন্দৰ শৌচ-প্ৰস্ৰাৱ কৰিব পৰা সুবিধা আছে। যিহেতু প্ৰায়ভাগ লোকে নিতৌ ইয়ালৈ আহি থাকে, সেয়ে চৰকাৰে সুন্দৰভাৱে এইবোৰ বনাই দিছে। আমি প্ৰায় দুমাহ আগতে বুকিং কৰা টিকটেৰে হেলিকপ্টাৰত যোৱাৰ সুযোগ লাভ কৰিলো। তলৰ পৰা ওপৰলৈ যাওঁতে মাত্ৰ ৬ মিনিট লাগে। খোজকাঢ়ি গ'লে তলৰ পৰা প্ৰায় ২২ কিলোমিটাৰ যাব লাগে। এই মন্দিৰটো ভূপৃষ্ঠৰ পৰা প্ৰায় ২২০০০ ফুট উচ্চতাত অৱস্থিত।

হেলিকপ্টাৰত যাবলৈ আগতীয়াকৈ বুক কৰিবই লাগিব। নিশা হোৱাৰ বাবে ফাটালৈ যাওঁতে ৮ বজাত শ্ৰীনগৰ নামৰ ঠাই এখনত থাকিলো। ১৯ মে'ৰ পুৱা ৭ বজাত ফাটালৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলো। ১১ বজাত হেলিপেডত উপস্থিত হৈ যথা সময়ত দুপৰীয়া ১২ বজাত হেলিকপ্টাৰত উঠিলো। হেলিকপ্টাৰত ছয়খন আসন আছে। ইয়াত আকৌ এজন মানুহৰ ওজন ৮০ কিলোগ্ৰামতকৈ বেছি হ'লে অতিৰিক্ত ১৫০ টকা ভৰিব লাগে। তদুপৰি বেগৰ ওজন ২ কিলোগ্ৰামৰ বেছি হ'লে অতিৰিক্ত ১৫০ টকা ভৰিবলগীয়া হয়। সাধাৰণতে তলৰ পৰা খোজ কাঢ়ি যোৱাৰ উপৰি ঘোঁৰাত যাব পাৰি। ইয়াৰ বাবে প্ৰায় ৪০০০ টকা ভৰিব লাগে। কিছুমানে মানুহৰ পিঠিত উঠি ওপৰলৈ যায়। এনেদৰে যাব লাগিলে একোজনৰ ১২ হাজাৰ টকা দিব লাগে। এনেদৰে যোৱাক 'পিঠু' বুলি কোৱা হয়। সাধাৰণতে নেপাল আদি দেশৰ পৰা অহা লোকসকলে পিঠুৰ কাম কৰে।

পাহৰখন থুনুকা। বৰষুণ বা ডাৱৰ বিস্ফোৰণ হোৱাৰ আশংকা থাকে। ভূমিস্খলন হ'লে পথৰ পৰা মাটি আঁতৰ নকৰালৈকে যাত্ৰী আবদ্ধ হৈ থাকিবলগীয়া হয়। এই মন্দিৰলৈ যোৱাৰ আগতে সকলোৱে পঞ্জীয়ন কৰাটো বাধ্যতামূলক। অনলাইন অথবা ঠাইত গৈ শাৰী পাতি পঞ্জীয়ন কৰিব পাৰে। নহ'লে কোনোৱে মন্দিৰ দৰ্শন কৰিব নোৱাৰে।

এই ঠাইখনৰ সৌন্দৰ্যই সকলো লোককে মুগ্ধ কৰিব পাৰে। ইয়াৰ জলবায়ুৰ পাৰ্থক্য আছে। পাহাৰৰ তলত আমি যেতিয়া হেলিকপ্টাৰত উঠিবলৈ গৈছিলো তেতিয়া তলত ৩৫ ডিগ্ৰী চেলছিয়াছ উত্তাপ আছিল। কিন্তু ৬ মিনিট পিছত পাহাৰত উঠাৰ লগে লগে -১ ডিগ্ৰী চেলছিয়াছ পালো। এনে পৰিৱৰ্তন দেখি আচৰিত নহৈ নোৱাৰিলো। হেলিপেডৰ পৰা প্ৰায় আধা কিলোমিটাৰ খোজ কাঢ়ি মন্দিৰ চৌহদ পালো। আগতে চিনাকি পুৰোহিতে বন্দোৱস্তি কৰি দিয়া এটা ৰুমত থাকিলো। তাত এটা সৰু ৰুমতে প্ৰায় ৬০০০ টকা ভৰিব লাগে। টকা গ'লেও এটা ৰুম যে পাইছো সেয়াই আমাৰ বাবে যথেষ্ট। ইয়াত বস্তুৰ দাম বেছি। অৱশ্যে বেছি হোৱাতো কোনো অস্বাভাৱিক নহয়, কাৰণ পাহাৰলৈ বস্তু নিবলৈ হ'লে একোটা ঘোঁৰাই প্ৰায় ৫০০০ টকা লয়। ইমান ওপৰত বস্তু পোৱাটোহে অধিক ভাবিবলগীয়া।

সন্ধিয়া মন্দিৰটো ঘূৰিলো। এইবাৰ অসমৰ জাপি এই মন্দিৰটোৰ সন্মুখত জিলিকি আছে। ইয়াত দৰ্শন কৰিবলৈ কমেও ৬-৭ ঘণ্টা সময় শাৰী পাতিবলগীয়া হয়। সন্ধিয়া সাত বজাৰ আৰতি চালো। ৩০ মিনিট সময় দিয়া আৰতি চাই ৰুমলৈ আহিলো। কাৰণ নিশা এক বজাতে অভিষেক কৰিব লাগিব। খুব ঠাণ্ডা। অলপ সময় জিৰণি লৈ গা ধুই মন্দিৰত উপস্থিত হ'লো। আগতে ঠিক কৰা পুৰোহিতে আমাক ২:৩০ বজাত অভিষেক কৰালে। নিশা এক বজাৰ পৰা পোৱা পাঁচ বজালৈ বিশেষ বুকিং কৰি টিকটত লোৱা ভক্তসকলেহে অভিষেক কৰিব পাৰে। আমি পুৱা ৩ বজাত ৰুম পালো।

পুৱা বৰফত বেলি পৰিলে কেনে পৰিৱেশৰ সৃষ্টি হয় এবাৰ কল্পনা কৰকচোন। বৰফৰ মাজে মাজে মেঘ আৰু এই মেঘৰ মাজে মাজে বেলিৰ লুকা-ভাকু। কিযে অপূৰ্ব দৃশ্য! শব্দৰে বৰ্ণনা কৰিব নোৱাৰি। ইয়াত বোলে ভক্তই মাজে মাজে হৰ-পাৰ্বতীৰ আকৃতি মেঘৰ মাজে মাজে দেখা পায়। এয়া অলৌকিক বুলি কোৱা হয়।

তিনি ঘণ্টা জিৰণি লৈ পোৱা ৬ বজাত হেলিপেডলৈ আহিলো। দিনৰ ১১ বজাত তললৈ নামি আহিলো। ইয়াতে তিনিটা হেলিপেড আছে। ৩-৪ কিলোমিটাৰৰ দূৰত্বত থকা এই হেলিপেডৰ যাত্ৰী অহা-যোৱা কৰি থাকে।

কেদাৰনাথ মন্দিৰ উত্তৰ ভাৰতৰ অন্যতম পৱিত্ৰ তীৰ্থস্থান হিচাপে প্ৰসিদ্ধ। ভগৱান শিৱৰ প্ৰতি উৎসৰ্গিত মন্দিৰ বুলি কোৱা হয়। ভাৰতৰ উত্তৰাখণ্ড ৰাজ্যৰ গড়ৱাল হিমালয়ত, মন্দাকিনী নদীৰ পাৰত অৱস্থিত। চাৰিধামৰ অন্যতম হৈছে কেদাৰনাথৰ জ্যোতিৰ্লিংগ। কিংবদন্তি অনুসৰি মহাভাৰতত বৰ্ণিত এই মন্দিৰটো পাণ্ডৱসকলে ভগৱান শিৱক সন্তুষ্ট কৰিবলৈ তপস্যা কৰিবলৈ নিৰ্মাণ কৰিছিল। সেইবাবে আজিও হিন্দুসকলে এই মন্দিৰটো দৰ্শনৰ বাবে হেতা-ওপৰা কৰে। এই মন্দিৰটো ছয় মাহ খোলা থাকে। ইয়াৰ আঁৰত আছে এক কাহিনী।

এই মন্দিৰটো আদি শংকৰে নিৰ্মাণ কৰিছিল প্ৰায় ১২০০ বছৰ পুৰণি বুলি বিশ্বাস কৰা হয়। ই পঞ্চ কেদাৰ তীৰ্থস্থানৰ ভিতৰত প্ৰথম আৰু ভাৰতৰ ১২টা জ্যোতিৰ্লিংগৰ ভিতৰত অন্যতম। উত্তৰ হিমালয়ৰ ছোটা চাৰ ধামৰ চাৰিটা প্ৰধান তীৰ্থস্থানৰ ভিতৰত ই অন্যতম।

২০১৩ চনৰ বিধ্বংসী ক্ষন্তেকীয়া বানপানীৰ সময়ত কেদাৰনাথ মন্দিৰ অলৌকিকভাৱে ধ্বংসৰ পৰা ৰক্ষা পৰে। এই ঘটনাই মন্দিৰৰ প্ৰতি মানুহৰ বিশ্বাস বৃদ্ধি কৰিলে।

মন্দিৰৰ ওচৰতে ভীমশিলা নামেৰে জনাজাত এটা প্ৰকাণ্ড শিল। এই শিলটোৱেও ২০১৩ চনৰ বানপানীৰ পৰা ৰক্ষা কৰি মন্দিৰটোক ৰক্ষা কৰিছিল। সেইবাবে শিলটো এই নামেৰে জনাজাত। মন্দিৰৰ ওচৰতে ভেলোবাবাৰ আছে।

কেদাৰনাথ মন্দিৰ কেৱল ঐতিহাসিক মন্দিৰ নহয়, ৰহস্যময় স্থানো। কাৰণ ইয়াৰ লগত জড়িত পৌৰাণিক কাহিনী যেনে ২০১৩ চনৰ বানপানী আৰু ভীমশিলাৰ জীয়াই থকাৰ কথাই ইয়াক এক বিশেষ স্থান হিচাপে গঢ়ি তুলিছে আৰু বিশ্বৰ সকলো ভক্তৰ আগমন ঘটে।

আনহাতে উল্লেখনীয় কথাটো হ'ল যে, কেদাৰনাথ মন্দিৰৰ দুৱাৰ শীত ঋতুত বন্ধ কৰি দিয়া হয়। মন্দিৰৰ পুৰোহিতে এগছি বন্তি জ্বলাই সন্মানসহকাৰে ৬ মাহৰ বাবে কেদাৰনাথ মন্দিৰৰ দুৱাৰ বন্ধ কৰি দিয়ে। আৰু এই ৬ মাহ কেদাৰনাথ মন্দিৰৰ ওচৰে-পাঁজৰে কোনো লোকে বসবাস নকৰে। আচৰিত কথাটো হ'ল যে, এই ৬ মাহ চাকি এগছি নুনুমোৱাকৈ নিৰন্তৰ জ্বলি থাকে। এই কথাৰ অন্তত প্ৰতিজন অন্তৰ লোকৰ শিৱভক্তিত গোট গোট হৈ পৰে।

# খটৰা সত্ৰৰ পাচেতি উৎসৱ

দৰং জিলাৰ সত্ৰসমূহৰ ভিতৰত অন্যতম হৈছে খটৰা সত্ৰ। এই সত্ৰখন ১৫৬৮ চনতেই স্থাপন কৰা হৈছিল। দৰং জিলাৰ অন্তৰ্গত দিপীলাৰ খটৰা গাঁৱত লেচাকনীয়া গোবিন্দ আতাই খটৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰখনৰ বিষয়ে আগৰে পৰা শুনি আছিলো যদিও যোৱা হোৱা নাছিল। যোৱা ১৬ ছেপ্টেম্বৰত এই সত্ৰখনলৈ গৈছিলো পাচতি মহোৎসৱত প্ৰদৰ্শিত আৱাহন থিয়েটাৰৰ নাট উদ্বোধন কৰিবলৈ। সত্ৰখনৰ সত্ৰাধিকাৰ যাদৱচন্দ্ৰ মহন্তই এদিন দৰঙৰ আন এখন সত্ৰত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়ত লগ পাই খটৰা সত্ৰলৈ আমাক মাতিছিল। সত্ৰাধিকাৰগৰাকীৰ অনুৰোধমৰ্মে সিদিনা গৈ নাট উদ্বোধন কৰিবলৈ পাই নিজকে ধন্য মানিছো। কাৰণ এনে এখন পুৰণি সত্ৰত তিনিদিনীয়াকৈ আয়োজিত এই পাচেতি উৎসৱ পূৰ্বতে দেখা নাছিলো। এই উৎসৱৰ জনসমাগম মন কৰিবলগীয়া। উৎসৱৰ কেইদিনত ইয়াত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে। এই সত্ৰখনৰ লগতে বছৰ বছৰ ধৰি পালন কৰি অহা উৎসৱৰ আছে এক গৌৰৱময় ইতিহাস।

এই সত্ৰখনৰ সৈতে এগৰাকী ব্যক্তিৰ নাম সংপৃক্ত হৈ আছে। এই ব্যক্তিগৰাকী হৈছে গোবিন্দ আতা। তেওঁ আছিল শ্ৰীশ্ৰী মাধৱদেৱৰ অন্যতম শিষ্য। তেওঁৰ ঘৰ ৰঙিয়াৰ লেচাকণিয়া গাঁৱত আছিল। মাধৱদেৱৰ আজ্ঞা অনুসৰি গোবিন্দ আতাই প্ৰথমে বৰপেটাৰ বিভিন্ন ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰে। এই ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰি একেবাৰে শেষত আহে দৰঙলৈ। ইয়ালৈ আহিয়ে তেওঁ দিপীলাৰ খটৰা গাঁৱত খটৰা সত্ৰ পাতে। তথ্য অনুসৰি তেৱেঁই খটৰা

সত্রত পোনপ্রথমে পাচেতি আৰু দধিমথন উৎসৱৰ পৰম্পৰা আৰম্ভ কৰিছিল। উল্লেখ্য যে এই সত্রখনত প্রতি বছৰে ভাদ আৰু আহিনৰ সংক্রান্তিত এই উৎসৱ উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। পাচেতি শব্দটো বিভিন্ন ঠাইত পচতি, পচেতি বুলিও কোৱা হয়। দৰঙত ইয়াক পাচেতি নামেৰে জনা যায়। পাচেতি শব্দটো সংস্কৃতৰ পৰা আহিছে। সংস্কৃত পৰা 'পঞ্চ' শব্দৰ আঁৰত আছে এই উৎসৱত আয়োজন কৰা দধিমথন কৃষ্টি, নাম-প্রসংগ, পালনাম, লোকগীত, বিভিন্ন ধৰণৰ লোকনৃত্য আদি। দধিমথনত শিশু কৃষ্ণৰ লীলাসমূহ নৃত্য-গীতৰ জৰিয়তে প্রদৰ্শন কৰা হয়। জিলাখনৰ এই অঞ্চলটোৰ ৰাইজে ভাদ আৰু আহিনৰ সংক্রান্তিত পালন কৰা এই উৎসৱ আগতে কেৱল সত্রৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ আছিল। সময়ত লগে লগে অঞ্চলটোৰ ৰাইজে পাছলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পাচেতি উৎসৱ পালন কৰিবলৈ লয়। এই উৎসৱৰ সৈতে সংগতি ৰাখি দধিমথন কৃষ্টি প্রদৰ্শন, ভাগৱত পাঠ, সত্রীয়া সংস্কৃতি প্রদৰ্শন, অংকীয়া ভাওনা, শ্রীকৃষ্ণৰ ৰূপসজ্জা আদিৰ আয়োজন কৰি অহা হৈছে।

খটৰা সত্রত প্রাচীন কালৰে পৰাই প্রতিবছৰে বিভিন্ন সময়ত বিভিন্ন উৎসৱ ধৰ্মীয় পৰম্পৰাৰে চলি আহিছে। অঞ্চলটোৰ লোকসকলে এই উৎসৱসমূহত অংশগ্রহণ কৰি আহিছে। সময়ে সময়ে পালন কৰি অহা এই উৎসৱসমূহৰ ভিতৰত পাচেতি, ফাকুৱা উৎসৱ, ১৫ ব'হাগৰ দেউল উৎসৱ, ব'হাগৰ পূৰ্ণিমা তিথিত বৰগোপিনী সবাহ, জেঠ মাহৰ প্রথম সপ্তাহত বৰসবাহ, মাঘী পূৰ্ণিমাত গোবিন্দ আতাৰ জয়ন্তী, শাওণ মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত গোবিন্দ আতাৰ তিৰোভাৱ তিথি, গুৰু দুজনাৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি, জন্মাষ্টমী, নন্দোৎসৱ, বিহু উৎসৱ, থিয়নাম আদি বিশেষভাৱে উল্লেখযোগ্য।

সত্রত পালিত উৎসৱসমূহৰ ভিতৰত পাচেতি উৎসৱ সু-প্রসিদ্ধ বুলি কোৱা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমৰ বিভিন্ন ঠাইত উদ্‌যাপন কৰা পাচেতি উৎসৱৰ ভিতৰত খটৰা সত্রৰ পাচেতি উৎসৱ আছে নিজা বৈশিষ্ট্য। যিদৰে বৰপেটা সত্রৰ দৌলৰ আছে এক নিজা বৈশিষ্ট তেনেদৰে এই সত্রৰ পাচেতি উৎসৱৰ আছে অন্য এক ব্যতিক্রমী বৈশিষ্ট্য। অসমৰ লোক উৎসৱসমূহৰ ভিতৰত খটৰা সত্রৰ পাচেতি উৎসৱৰ নাম নিশ্চিতভাৱে

উল্লেখযোগ্য বুলি আখ্যা দিব পাৰি। পাচেতি কৃষ্ণৰ জন্মবৃত্তৰ লগত সম্পৃক্ত। কংস মামাই গম নোপোৱাকৈ নন্দ ৰজাই কৃষ্ণ ওপজাৰ পঞ্চম দিনা এই উৎসৱ পালন কৰিছিল আৰু পিছলৈ 'পঞ্চতি' বা 'পচতি' ৰূপে পালিত হ'ল। 'পচতি' পদটো দৰঙত পাচেতি ৰূপেহে অধিক চৰ্চিত হৈ আহিছে।

অসমৰ জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ পৰম শিষ্য শ্ৰীশ্ৰী গোবিন্দ আতাৰ প্ৰচেষ্টাৰ ফলশ্ৰুতিত গঢ়লৈ উঠা ঐতিহ্যমণ্ডিত খটৰা সত্ৰখনৰ যশ-খ্যাতি আজি সমগ্ৰ ৰাজ্যৰ লগতে অসমৰ চুবুৰীয়া ৰাজ্যতো ব্যাপী পৰিছে। এয়া দৰংবাসীৰ বাবে গৌৰৱ বুলিয়ে ক'ব লাগিব। প্ৰবাদ অনুসৰি ৰঙিয়াৰ লেচাকণীয়া গোবিন্দ আতাই ভেকুলীয়ে সৰ্প ভক্ষণ কৰা বিস্ময়জনক দৃশ্য দেখি ১৫৬৮ চনত প্ৰতিষ্ঠা কৰা সত্ৰখন বৈষ্ণৱ আদৰ্শত প্ৰতিষ্ঠিত। অৱশ্যে এই সত্ৰখনে উদাৰ নীতি গ্ৰহণ কৰি আহিছে। সেইবাবেই শাক্ত, শৈৱ, বৈষ্ণৱ আদি সকলো শ্ৰেণীৰ ৰাইজক আকৰ্ষণ কৰি একতাৰ দোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠা কালৰ পৰাই খটৰা সত্ৰখন সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত হৈ আহিছে।

দ্বিজ ভবানন্দ মিশ্ৰ প্ৰণীত 'গোবিন্দ চৰিত'ত আতাই সত্ৰত সূত্ৰ, ভটিমা, বহুৱা, যাত্ৰা প্ৰবৰ্তন কৰা উল্লেখ পোৱা যায়। ই সত্ৰ প্ৰতিষ্ঠাৰ পথা প্ৰচলিত হ'লে পাচেতি উৎসৱৰ বয়স চাৰিশ বছৰৰো যে অধিক হ'ব সি নিঃসন্দেহ। অঞ্চলটোৰ ৰাইজে সদায় এই উৎসৱ পালন কৰিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছে। দূৰ-দূৰণিত থকা লোকসকলেও এই উৎসৱৰ সময়ত ঘৰলৈ আহি এই সত্ৰখনত পালিত উৎসৱত অংশগ্ৰহণ কৰে। সকলোৰেই গৌৰৱবোধ কৰে। আজিকালি আধুনিকতাৰ প্ৰভাৱৰ বাবে বহু ঠাইত স্থানীয়ভাৱে উদ্‌যাপিত উৎসৱ লোপ পাবলৈ ধৰিছে। তদুপৰি যুৱ প্ৰজন্মৰ মাজত অতীজৰ পৰা পালন কৰা উৎসৱৰ গুৰুত্ব হ্ৰাস পাবলৈ ধৰিছে। ইয়াৰ মাজতো যে দৰঙৰ যুৱ প্ৰজন্মৰ মাজত এই উৎসৱকলৈ উৎসাহ আছে সেয়া প্ৰশংসা কৰিবই লাগিব। এইক্ষেত্ৰত সত্ৰ পৰিচালনা সমিতি আৰু আয়োজকসকলকো ধন্যবাদ জ্ঞাপন কৰিব লাগিব। সত্ৰ পৰিচালনা সমিতি সম্পাদক গংগাৰাম বৈশ্যৰ লগতে আন লোকসকলকো প্ৰশংসা কৰিব লাগিব।

# চূণপোৰা ভিঠি থান ঃ আমিয়ে কৰিব লাগিব প্ৰচাৰ

অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা যুগনায়ক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ কৰা যাত্ৰা আছিল এক পৰিক্ৰমা। এই পৰিক্ৰমাৰ মাজতে ভক্তি আন্দোলনৰ বীজ মানুহৰ মাজত ৰোপণ কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। এই যাত্ৰা আছিল বিভিন্ন কাহিনীৰে ভৰপূৰ। সকলোকে একত্ৰিত কৰি অসমীয়া জাতিটো গঢ়িবলৈ সংকল্প লৈছিল শ্ৰীমন্ত শঙ্কৰদেৱে। সেইবাবেই বৰঅসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ভকতক লগত লৈ ওলাওঁতে কেইবাঠাইতো বসতি স্থাপন কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ যি ঠাইত বসতি স্থাপন কৰিছিল কালক্ৰমত এইবোৰ সকলোৰে মাজত জনাজাত হৈ পৰিছিল। এতিয়া এই স্থানক লৈ প্ৰত্যেকে গৰ্ব অনুভৱ কৰে। কৰাটো স্বাভাৱিক। কাৰণ মহাপুৰুষ এগৰাকীৰ পদধূলি যি ঠাইত পৰে সেই ঠাইখিনি পুণ্যভূমি হিচাপে আখ্যা দিয়া হয়। অৱশ্যে এটা কথা ঠিক যে মহাপুৰুষজনাৰ পদধূলি পৰা বহুতো ঠাই এতিয়াও অৱহেলিত আৰু অনাদৃত হৈ আছে। প্ৰচাৰৰ অভাৱত এইদৰে অৱহেলিত হৈ আহিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে ওলাই অহাৰ পিছত অৰ্থাৎ এই উদ্দেশ্যে উজনিৰ পৰা নামনিলৈ অহাৰ সময়ত বেছি সময় কটোৱা ঠাইখিনিয়ে হৈছে বৰপেটা। উজনিৰ পৰা ভকত সমন্বিতে ভটিয়াই আহি নামনি অসমত প্ৰৱেশ কৰোতে প্ৰথমে ছমাহ বসতি কৰা থানখনেই হৈছে বৰপেটা চহৰৰ তেতিয়াৰ পালেংদিবৰীৰ চূণপোৰা ভিঠি থান। পৰিতাপৰ বিষয় মহাপুৰুষ

শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই প্ৰথমে পদাৰ্পণ কৰা চূণপোৰা ভিঠি থান আজিও অৱহেলি-অনাদৃত আৰু বহুতৰ বাবে অপৰিচিত। সেয়েহে চূণপোৰা ভিঠি থান সম্বন্ধে নৱ প্ৰজন্মক পৰিচয় কৰাই দিয়াৰ লগতে গুৰুজনাক আৰিৰ্ভাৱ মহোৎসৱত স্মৰণ কৰাৰ উদ্দেশ্যে বিগত তিনি বছৰৰ দৰে এইবাৰো বৃহত্তৰ বৰপেটাবাসী ৰাইজৰ উদ্যোগত আৰু চূণপোৰা ভিঠি থান পৰিচালনা সমিতিৰ সহযোগত চূণপোৰা ভিঠি থানত এই মহোৎসৱৰ আয়োজন কৰাটো এক ইতিবাচক দিশ বুলি ক'ব লাগিব। কাৰণ এইবোৰ বিষয় সকলোৰে জানিবলৈ এনেধৰণৰ আলোচনাৰ আয়োজন। যিমানে আলোচনা কৰা হয় সিমানেই নতুন নতুন বিষয় আৰু দৃষ্টিভংগীয়ে স্থান লাভ কৰিব সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ চিন্তা-ভাবনাৰ সলনি হৈছে। এতিয়া বহুতেই অতীতৰ সমল বিচাৰি আৰম্ভ কৰে অভিযান। আনকি সেইবোৰ বিষয়ত কিছুমানে গৱেষণাও চলাই আছে। লাভ কৰিবলৈ সক্ষম হৈছে বহুতো সমল। ইতিহাসে গৰকা ঠাই সমূহৰ অৱস্থান আৰু সঠিক তথ্য নৱ প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উদ্দেশ্য যিসকলে আগ্ৰহ প্ৰকাশ কৰি দিনে-নিশাই পৰিশ্ৰম কৰিছে সেয়া আজি বাস্তৱত পৰিণত হৈছে। এই দৃষ্টিকোণৰ পৰা যদি আমি বৰপেটাৰ চূণপোৰা ভিঠি থানৰ কথা বিশ্লেষণ কৰো তেতিয়া ক'ব পাৰো যে আমি এতিয়া এই ঠাইখনক কিবা কাৰণত প্ৰচাৰ নকৰিলেও এতিয়া সময় আহি পৰিছে। কাৰণ নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ যদি আমি নকৰো তেতিয়াহ'লে ভৱিষ্যতে এই প্ৰজন্মই একো নাজানিব। আজিৰ প্ৰজন্মৰ মাজত অতীতত বিচৰাৰ সংখ্যা বেছি নহয়। তেওঁলোক সকলো ৰেডিমেড লাগে। ইণ্টাৰনেট অথবা গুগলত বিচাৰিলে পোৱা বিষয়টোহে জানিব খোজে। সেইবাবেই চূণপোৰা ভিঠি থানৰ প্ৰচাৰৰ প্ৰয়োজন আহি পৰিছে। যদিহে আমি সকলোৰে এই ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণ নকৰো তেনেহ'লে আমি সকলোৰে চিৰদিনৰ বাবে বহুতো বিষয় হেৰুৱাব লাগিব। এতিয়া আমি এইবোৰ সংৰক্ষণ কৰাৰ সময় আহি পৰিছে। বিশ্বৰ প্ৰতিখন দেশেই পুৰণি সম্পদ অথবা স্মাৰক সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে আমি আমাৰ এনে সম্পদ সংৰক্ষণৰ লগতে ক্ৰমশঃ প্ৰসাৰৰ আৰু প্ৰচাৰৰ পৰা হেৰাই যোৱা সকলোবোৰ নৱ প্ৰজন্মৰ মাজত প্ৰচাৰ কৰিব লাগিব।

# বিশ্বায়নে কাঢ়িলে পূজাৰ কাপোৰ কিনাৰ আনন্দ

পূজা বুলিলেই নতুন কাপোৰ পৰিধান কৰাৰ আনন্দ। দুৰ্গা পূজাৰ এমাহমান শ্বপিং মলবোৰো পৰাই নতুন কাপোৰ কিনাৰ পৰিকল্পনা। কোনে কি কাপোৰ কিনিব তাৰেই যেন হিচাপ-বিকাচ। পিতৃ-মাতৃয়ে পূজাৰ কাপোৰ কিনিব নুখুজিলে ল'ৰা-ছোৱালীৰ মুখ ফুলাই ঠেহ ধৰা, কন্দা-কটা কৰা এক পৰিচিত দৃশ্য। ঘৰৰ মানুহৰ লগত দোকানলৈ পূজাৰ কাপোৰ কিনিব যোৱাৰ আনন্দই বেলেগ। নিজৰ পছন্দৰ কাপোৰযোৰ নাপালে দোকানীৰ সন্মুখতে কান্দোন আৰম্ভ হোৱা তেনেই সাধাৰন ঘটনাৰ দৰে আছিল। এতিয়া এইবোৰ সকলোৰে নষ্টালজিয়া। নৱপ্ৰজন্মৰ বাবে এইবোৰ সাধুকথাৰ লেখীয়া। কাৰণ এতিয়া আৰু পূজাৰ কাপোৰ কিনিবলৈ যোৱাৰ দিন উকলিল। ঘৰতে কোম্পানীয়ে দি থৈ যায় কাপোৰ, খোৱা বস্তু আৰু বহুত কিবা-কিবি।

এতিয়া ৰাজ্যৰ ঠায়ে ঠায়ে বহুজাতিক কোম্পানীবোৰৰ শ্বপিংমলবোৰো মুকলি হ'ল। সৰু- বৰ বিভিন্ন ধৰণৰ শ্বপিংমলৰ পয়োভৰ। ঘৰৰ পৰা ওলালেই এনে মলৰ ছাইনবোৰ্ড আদি জিলিকি থাকে। ইফালে যোৱা প্ৰায় ছয় বছৰৰ ভিতৰত ই-কমাৰ্চৰ জগতখনতো অভূতপূৰ্ব অভ্যুত্থান দেখিবলৈ পোৱা গৈছে। ফলত মাত্ৰ এটা ম'বাইল ফোনৰ সহায়ত বিদেশৰ বজাৰত উপলব্ধ বহু দামী কাপোৰো অসমৰ একেবাৰে ভিতৰুৱা গাঁৱৰ এঘৰ মানুহেও সহজতে ক্ৰয় কৰিব পাৰে। সহজ অৰ্থত ম'বাইলতেই থূপ খাই আছে পৃথিৱীৰ বজাৰখন। বিশ্বায়নে সমগ্ৰ পৃথিৱীক ওচৰ চপাই অনাৰ এনেকুৱা সময়তে অসমৰ মফচলত থকা কাপোৰৰ দোকানীসকলৰ বাৰু অৱস্থা কেনে হৈছে এবাৰ

ভাবি চাইছেনে ? এতিয়াও বাৰু আগৰদৰে এই সৰু সৰু দোকানবোৰত কাপোৰ কিনিবলৈ গ্ৰাহকে ভিৰ কৰেনে— এই বিষয়ে চৰ্চা হৈছে জানো ? এতিয়া এনে এক পৰ্যায় পাইছে যে দোকানলৈ কাপোৰ কিনিব গ'লে বহুতে পুৰণিকলীয়া মানুহ বুলি ভাবে। একেবাৰে হোজা মানুহ বুলি গণ্য কৰে।

আজিকালি পূৰ্বৰ তুলনাত পূজাত কাপোৰৰ বিক্ৰী যথেষ্ট কম। অনলাইন শ্বপিং প'ৰ্টেলৰ লগতে শ্বপিংমলবোৰৰ বাবে বৰ্তমান দোকানসমূহত বিক্ৰী একেবাৰে নোহোৱাৰ দৰে হৈছে। পূৰ্বতে গ্ৰাহকে গিজগিজাই থকা দোকানবোৰত যোৱা কিছু বছৰৰ পৰা গ্ৰাহকৰ সংখ্যা কমি আহি বৰ্তমান প্ৰায় নোহোৱা হৈ পৰিছে। ফলত সাধাৰণ ভাৱে দৈনন্দিন জীৱন যাপনৰ বাবেও অভাৱত পৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে এইসকল লোকৰ মাজত। বহুসংখ্যক দোকানীয়ে কোনো বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ধাৰ লৈ ব্যৱসায় চলাই আহিছে যদিও বৰ্তমান ধাৰৰ কিস্তিপৰ্যন্ত পৰিশোধ কৰিবলৈ অপৰাগ হৈছে এইসকল ক্ষুদ্ৰ ব্যৱসায়ী। পূজাৰ বজাৰত পূৰ্বৰ দৰে নাই প্ৰাণচঞ্চল ভিৰ। ফলত বহু ব্যৱসায়ীৰ জীৱিকালৈ আহি পৰিছে প্ৰত্যাহ্বান। পূজাৰ বজাৰ বুলিলেই সততে মনলৈ আহে ফাঁচী বজাৰৰ কথা; কিন্তু অনলাইন ব্যৱসায়ে বজাৰ দখল কৰি লোৱাত পূজাৰ বতৰত পূৰ্বৰ ভিৰ নাই মহানগৰীৰ ফাঁচী বজাৰত । গুৱাহাটীৰ লগতে ওচৰ চুবুৰীয়া অঞ্চলসমূহৰ লোকে পূজাৰ প্ৰায় এমাহ আগৰে পৰা পূজা উপলক্ষে কাপোৰৰ লগতে নিজৰ নিজৰ প্ৰয়োজনীয় সামগ্ৰী বিচাৰি ভিৰ কৰে ফাঁচীবজাৰত। এতিয়া তেনে পৰিৱেশ নাই। ওচৰ চুবুৰীয়া ঠাইৰ লোকসকলে ফাঁচীবজাৰলৈ অহাৰ বিপৰীতে নিজ নিজ স্থানৰ শ্বপিং মলৰ পৰা কাপোৰ লোৱাৰ লগতে অনলাইন কাপোৰ ক্ৰয় কৰিবলৈ আৰম্ভ কৰিছে। ফলত ফাঁচী বজাৰৰ কাপোৰৰ ব্যৱসায়ীসকলৰ বিক্ৰী হ্ৰাস পাইছে।

কিছুবছৰ আগলৈকে পূজাৰ বতৰত স্বাভাৱিকতে দেখা যায় বস্ত্ৰৰ বিপণীসমূহত গ্ৰাহকৰ ভিৰ। যোৱা কেইবছৰমানৰ পৰা দেখা গৈছে বস্ত্ৰৰ বিপণীসমূহত পূৰ্বৰ তুলনাত হ্ৰাস পাইছে গ্ৰাহকৰ ভিৰ। ফলত সৰু সৰু ব্যৱসায়ীসকলে মূৰে-কপালে হাত দিবলগা হৈছে। আনকি তেওঁলোকে আগতে এই সময়ত যিমান কাপোৰ আদি ক্ৰয় কৰিছিল এতিয়া তাৰ আধাও এতিয়া নানে। কাৰণ ইমানবোৰ কাপোৰ আনিলেও সেইবোৰৰ বিক্ৰী নহয়।

সেয়েহে থলুৱা বস্ত্ৰ ব্যৱসায়ীলৈ অশনি সংকেত অহা বুলি ক'লেও ভুল নহয়। আমি আজি যিবোৰ কথা জানিব খোজা নাই, এদিন সেইবোৰেই সৰু সৰু থলুৱা ব্যৱসায়ীলৈ বিপৰ্যয় নমাই আনিব।

সাধাৰণতে যিকোনো উৎসৱ বুলিলে স্বাভাৱিকতে বস্ত্ৰ ব্যৱসায়ীসকলে অন্যান্য সময়ৰ তুলনাত অধিক বস্ত্ৰ বিক্ৰী কৰিবলৈ সক্ষম হয়; কিন্তু নগদ লেনদেন নোহোৱা তথা অনলাইন শ্বপিঙে বিশেষকৈ এই পূজাৰ সময়ত বস্ত্ৰ ব্যৱসায়ীসকললৈ নমাই আনিছে দুৰ্যোগ। সকলোৰে মাজত স্থায়ী বিপণীৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ বিপৰীতে নিজৰ পছন্দৰ সামগ্ৰী অনলাইনত অৰ্ডাৰ কৰি কৰা ক্ৰয়ৰ প্ৰৱণতা বৃদ্ধি পাইছে। আনকি ঘৰৰ ওচৰতে থকা চিনাকি দোকানখনৰ পৰাও এখন সাধাৰণ কাপোৰ কিনিবলৈকে যাব ইচ্ছা নকৰে। যদি আমি এইসকল দোকানীৰ পৰা কাপোৰ ক্ৰয় নকৰো তেনেহ'লে তেওঁলোকৰ পূজাৰ কাপোৰ বিক্ৰী কেনেকৈ হ'ব?

অতিসম্প্ৰতি নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকল অনলাইন শ্বপিঙৰ প্ৰতি অধিক আকৰ্ষিত হৈছে। ইয়াৰ মাধমাৰ পৰিছে থলুৱা বস্ত্ৰৰ ব্যৱসায়ীসকলৰ ওপৰত। অৱশ্যে এই অনলাইন শ্বপিং ব্যৱস্থাত স্থানীয় বহুতো শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিছে। কিন্তু অনলাইন শ্বপিঙৰ জনপ্ৰিয়তাই সময়ত যে থলুৱা বস্ত্ৰ ব্যৱসায়ত বিৰূপ প্ৰভাৱ পেলাব সেয়া নিশ্চিত বুলি ক'ব পাৰি। ইয়াৰ লগে লগে পূজাৰ কাপোৰ বিক্ৰী আৰু কিনাৰ যি আনন্দ আৰু উৎসাহ আগতে আছিল, এতিয়া এইবোৰ দেখিবলৈ পোৱা নাযায়। পূজাৰ এমাহ আগৰে পৰাই কাপোৰ কিনিবলৈ যোৱাৰ বাবে কৰা পৰিকল্পনা, দোকানীয়ে ধুনীয়াকৈ সজাই থোৱা ভিন্ন ৰঙী কাপোৰ বিক্ৰীৰ বাবে অপেক্ষা কৰি গ্ৰাহক অহাৰ পিছত মুখত বিৰিঙি উঠা হাঁহি আজি যেন ম্লান পৰিবলৈ আৰম্ভ কৰিছে।

# হৰিশিঙাৰ শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰৰ পালনাম

হৰিশিঙাৰ শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰত ৭-৯ মাৰ্চলৈ শৰণপৰ্ব আৰু ২৪ ঘণ্টীয়া পালনামভাগি অনুষ্ঠিত হয়। বিগত সময়ৰ দৰে এইবাৰো সত্ৰখনত এনেধৰণৰ অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছে। ১৯৯৯ চনতে হৰেকৃষ্ণ মহন্ত বাপে গঠন কৰা শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ কেন্দ্ৰীয় সমিতিৰ অন্তভুক্ত সত্ৰসমূহৰ ভিতৰত হৰিশিঙা সত্ৰখন অন্যতম। ২৪ ঘণ্টীয়া পালনাম আজিকালি প্ৰায়ভাগ সত্ৰতে অনুষ্ঠিত কৰা দেখা নাযায় যদিও এই সত্ৰখনে প্ৰতিবছৰে কৰি অহাৰ বাবে বহু লোকৰ সমাগম হোৱা দেখা যায়। বৰপেটা, লক্ষীমপুৰৰ উপৰি নামনি অসমৰ প্ৰায়সংখ্যক সত্ৰৰ পৰা বহুতো ভকত বাপৰ আগমন হয়। দৰাচলতে এই সত্ৰখনে অনুষ্ঠিত কৰা পালনাম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে কেবাটাও বিশেষ কাৰণত। সত্ৰখনত উপস্থিত হ'লেই মনটো পুলকিত হৈ পৰে। সত্ৰখনৰ আয়োজক সমিতিয়ে ইমান সুন্দৰকৈ সজাই-পৰাই তোলে চৌহদটো। ইয়াৰ প্ৰৱেশ কৰিলেই মনটো নাচি উঠে। কাৰণ ইয়াত দেখা যায় দুটা প্ৰজন্মৰ সমন্বয়। জ্যেষ্ঠসকলে কনিষ্ঠসকলক আগুৱাই নিয়াৰ বাবে গ্ৰহণ কৰিছে পদক্ষেপ। নৱ প্ৰজন্মই সমাজসেৱাৰ কামত ইমান সুন্দৰভাৱে উপস্থাপন কৰিছে যে কোনোৱে ক'ব নোৱাৰে তেওঁলোকে নতুনকৈ এই কাৰ্যত আত্মনিয়োগ কৰিছে। তাত উপস্থিত হৈ ভাল লাগিছিল। এই সত্ৰ প্ৰতিষ্ঠা কৰিবলৈ হৰেকৃষ্ণ মহন্ত বাপে আগভাগ লৈছিল। আজি বাপগৰাকী নাথাকিলেও ভকতসকলে তেওঁৰ আদৰ্শৰে উদ্বুদ্ধ হৈ আছে।

এই সত্ৰ থকা গাঁওখনত তিনিশ পৰিয়াল আছে। প্ৰতিটো পৰিয়ালেই এই সত্ৰখনৰ প্ৰতি শ্ৰদ্ধাশীল। সত্ৰখনত প্ৰতিটো পৰিয়ালে মাহে ৩০ টকা

সেৱা কৰ আগবঢ়াইছে আহিছে। কিছুমান পৰিয়ালে অধিকো সেৱা কৰ আগবঢ়ায় ।সকলোৱে ইয়াৰ বাবে এই সেৱা কৰি আগবঢ়াই ভালো পায়। কোনোবাই এবাৰত দিব পাৰে আৰু কোনোবাই সময়মতে দিব নোৱাৰিলেও কিন্তু এই বাৰ্ষিক পালনামৰ সময়ত আদায় দিয়ে। এই সত্ৰখনে অনুষ্ঠান অনুষ্ঠিত কৰিলে কাৰো পৰা চান্দা সংগ্ৰহ নকৰে। সত্ৰৰ প্ৰতি আনুগত্য থকা লোকসকলে যি বৰঙনি আগবঢ়াই তাৰ দ্বাৰাই অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। যিসময়ত বহুতো অনুষ্ঠান প্ৰতিষ্ঠানে অনুষ্ঠান আয়োজনৰ নামত বলপূৰ্বক চান্দা সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে সেই সময়ত এই সত্ৰখনে দেখুৱাইছে এক সুন্দৰ নিদৰ্শন।

পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ সুমধুৰ সুমঙ্গল নামেই নামবস্তু, বৰ্তমান প্ৰচলিত গুৰু দুজনাৰ একশৰণ হৰিনাম ধৰ্মই মুল বস্তু। তেৰাৰ এই মহান আদৰ্শৰাজি সশ্ৰদ্ধাৰে সাৰোগত কৰি সমাজত দেখা দিয়া বিচ্ছিন্নতাবাদৰ বিপৰীতে ঐক্য, শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ সমাজ গঢ়াৰ প্ৰচেষ্টাৰে শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰ, হৰিশিঙাত তিনিদিনীয়া কাৰ্য্যসূচীৰে শৰণপৰ্ব আৰু ২৪ ঘণ্টীয়া পালনামভাগি অনুষ্ঠিত কৰা হয়।

উক্ত পালনামৰ সমূহ কাৰ্যসূচী সফলভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত সভাপতি সনাতন শইকীয়া, অখিল পাটোৱাৰীৰ লগতে সম্পাদক অজিত চন্দ্ৰ দাস আৰু ৰামেশ্বৰ দাসৰ লগতে অনিৰুদ্ধ ভৰালী, নৃপেন দাস, অৰবিন্দ ওজাৰো নামো উল্লেখ কৰিব লাগিব। দৰাচলতে এই সময়ত পালনাম আদিয়ে সকলোৱে মাজত সমন্বয় ৰক্ষা কৰিবলৈ সক্ষম হয়। কাৰণ ইয়াত থাকে ধৰ্মীয় ভাবৰ লগতে এক শৃংখলিত ব্যবস্থা। অসমৰ বিভিন্ন সত্ৰৰ পৰা আহি এই সত্ৰখনত পালনাম উপভোগ কৰাটোৱেই প্ৰমাণ কৰিছে ইয়াৰ আঁৰত থকা গুৰুত্ব আৰু গভীৰতা।

# সত্ৰৰ সমস্যা সমাধানৰ বাবে সুন্দৰীদিয়া সত্ৰৰ পদক্ষেপ

যোৱা ৩০ মাৰ্চত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰৰ এক অনুষ্ঠানত অংশ লোৱাৰ বাবে উপস্থিত হৈছিলো। সত্ৰখনৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীদেৱৰ অনুৰোধ ৰক্ষা কৰি সত্ৰখনলৈ গৈ তাৰ সুন্দৰ পৰিৱেশ দেখি ভাল লাগিল। কাৰণ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে প্ৰতিষ্ঠা কৰা এই সত্ৰখনৰ সৈতে অসমীয়া জাতিৰ গৌৰৱ জড়িত হৈ আছে। এই সত্ৰখনৰ আদৰ্শৰে চলি থকা শাখা সত্ৰ আৰু সহযোগী সত্ৰ সমূহক লৈ দুদিনীয়াকৈ আয়োজিত সমাৰোহত অংশগ্ৰহণ কৰি এতিয়াও বহুতো সত্ৰই সন্মুখীন হৈ থকা সমস্যাসমূহৰ বিষয়ে জানিব পৰিলো। সুন্দৰীদিয়া সত্ৰৰ অধীনত ৩৭খন শাখা আৰু সহযোগী সত্ৰ আছে। এইবোৰ সত্ৰই এতিয়াও বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈ আছে। আনকি কিছুমান সত্ৰ আজিও এখন চালিৰ তলতে চলি থাকিবলগীয়া হৈছে সত্ৰৰ সত্ৰাধিকাৰ আৰু সদস্যৰ গতিশীল মানসিকতা নোহোৱা বাবে। মহাপুৰুষ দুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠিত হোৱা এইবোৰ সত্ৰই সত্ৰখনৰ উন্নয়নৰ বাবে কেনে পদক্ষেপ গ্ৰহণ কৰিব লাগে সেইখিনি কথাকে অনুধাৱন কৰিব পৰা নাই। সমাৰোহখনত বিভিন্ন সত্ৰই বিগত সময়ত সন্মুখীন হৈ অহা সমস্যা সমাধানৰ বাবে আলোচনা কৰা হয়। আজিকালি চৰকাৰে সত্ৰৰ উন্নয়নৰ বাবে বহুতো আঁচনি গ্ৰহণ কৰিছে। সহায় সহযোগিতাও কৰিছে। তাৰ পিছতো কিয় উন্নতি সাধন কৰিব পৰা নাই সেয়া সঁচাকৈয়ে আলোচনাৰ বিষয়। আজিলৈকে বহুতো সত্ৰই নিজৰ মাটিখিনি নামজাৰি কৰি লোৱা নাই। পৰম্পৰাগতভাৱে চলি আহিছে আৰু তেনেদৰে থাকিব বুলি থকা মনোভাবৰ বাবে আজিও সমস্যাৰ সন্মুখীন হৈছিল আছে। বহুতো সত্ৰই নৱপ্ৰজন্মৰ হাতত সত্ৰৰ কাম-কাজ অৰ্পণ কৰা নাই। জ্যেষ্ঠসকলৰ

মাজত এতিয়াও এনে মনোভাৱ গঢ় লৈ আছে যে যেন নৱপ্ৰজন্মৰ হাতত দায়িত্ব অৰ্পণ কৰিলে সত্ৰৰ গৌৰৱ হেৰুৱাব বুলি আশংকা কৰি আছে। এইবোৰ সত্ৰই সন্মুখীন হৈ অহা সমস্যা সমাধানৰ বাবে সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীদেৱৰ লগতে ভকতসকলে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। কাৰণ এই সত্ৰৰ সমস্যা সমাধানৰ বাবে যদি মুকলিমুৰীয়াকৈ আলোচনা কৰা নহয় তেতিয়াহে কেতিয়াও সমাধানৰ পথো নোলাব। এইধৰণৰ পদক্ষেপ হাতত লৈ সকলোৱে একেলগে আগবাঢ়ি গ'লে নিশ্চয় উন্নয়নৰ পথ প্ৰশস্ত হ'ব। আন্তঃসত্ৰ সংস্কৃতি তথা ভাব বিনিময় নহ'লে সত্ৰসমূহে একেলগে আগুৱাই যোৱাটো সম্ভৱ নহয়। নৱপ্ৰজন্মক আকৰ্ষণ কৰিবলৈ কিছুমান অনুষ্ঠানৰ সঘনাই আয়োজন কৰাৰ খুবেই প্ৰয়োজন। শিশুসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, গুৰু আসনৰ ছবি অঁকাৰ প্ৰতিযোগিতা আদি আয়োজন কৰাৰ সময় আহি পৰিছে। সত্ৰসমূহৰ মাজত যেতিয়ালৈকে ভেদ ভাব থাকিব তেতিয়ালৈকে সমস্যা সমাধানৰ পথো মসৃণ নহ'ব। সুন্দৰীদিয়া সত্ৰৰ দৰে আন সত্ৰই যদি পদক্ষেপ গ্ৰহণ কৰে তেতিয়া বহুতো সত্ৰ ধ্বংস হোৱাৰ পৰা ৰক্ষা পৰিব।

উল্লেখ্য যে ১৫৭০-১৫৮৩ খ্ৰীঃলৈ বৰপেটালৈ যোৱাৰ আগলৈকে একেৰাহে ১৪ বছৰ আৰু ১৫৯১ খ্ৰীঃত ছমাহ থাকি সুন্দৰীদিয়াক অনন্য মাত্ৰা প্ৰদান কৰিছিল মহাপুৰুষ মাধৱদেৱে। মহাপুৰুষে নিজে গঢ় দিয়া সত্ৰত স্থাপিত আদৰ্শ আৰু মাধৱোত্তৰ সময়ত হোৱা বিভিন্ন বিপৰ্যয় আৰু প্ৰত্যাহ্বানৰ মাজতো সুন্দৰীদিয়া সত্ৰই নিজৰ স্থিতিত অটল থাকি মহাপুৰুষীয়া ধৰ্মৰ সৌৰভ বিলাই আছে। ১৫৭০ খ্ৰীঃত মাধৱদেৱ গুৰুজনাই সুন্দৰীদিয়াত সত্ৰৰ পাতনি মেলা বুলি কোৱা হয়। ইয়াতে গুৰুজনাই একেৰাহে চৈধ্য বছৰ সুন্দৰীদিয়াত থাকি নাম-ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ কৰিছিল। পৰৱৰ্তী ছমাহ 'নাম-ঘোষা' ৰচনাত মনোনিৱেশ কৰিছিল। এই সুন্দৰীদিয়াতেই ৰচনা কৰিছিল অমূল্য গ্ৰন্থ 'নাম-ঘোষা'। সুন্দৰীদিয়া সত্ৰৰ সৈতে জড়িত হৈ আছে অসমীয়া জাতিৰ আৱেগ। নামনি অসমত প্ৰতিষ্ঠিত সত্ৰসমূহৰ ভিতৰত বৰপেটা সত্ৰৰ পিছতেই স্থান দিয়া হয় এই সত্ৰখনক। সেইবাবে এই সত্ৰখনৰ লগতে ইয়াৰ শাখা আৰু সহযোগী সত্ৰসমূহক সংৰক্ষণ কৰাটো সকলোৱে কৰ্তব্য আৰু দায়িত্ব।

# হৰেকৃষ্ণ মহন্ত বাপৰ অবৰ্তমানতো পালনামৰে মুখৰিত বৰঙাজুলি সত্ৰ

যোৱা ৬ এপ্ৰিলত ওদালগুৰি জিলাৰ বৰঙাজুলি সত্ৰত অনুষ্ঠিত হয় পালনাম। এই সত্ৰখনত প্ৰতিবছৰে পালনাম অনুষ্ঠিত হৈ আহিছে। উল্লেখ্য যে বৰঙাজুলি সত্ৰ প্ৰতিষ্ঠা কালৰে পৰাই এই পালনাম অনুষ্ঠিত কৰি অহা হৈছে। এইবাৰ উক্ত অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় তিনি হাজাৰ লোকে অংশগ্ৰহণ কৰে। বিশেষকৈ বৰপেটা, শুৱালকুছি, নলবাৰী, লখিমপুৰ আদি ঠাইৰ পৰা বহুতো লোকে অংশগ্ৰহণ কৰে। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই অনুষ্ঠানটোত অংশ লয়। হৰেকৃষ্ণ মহন্ত বাপে প্ৰতিষ্ঠা কৰা সত্ৰখনত আয়োজিত পালনামভাগিয়ে সকলোকে আকৰ্ষণ কৰাৰ আঁৰত মহন্ত বাপৰ কৰ্মৰাজি নিহিত হৈ আছে। এই অনুষ্ঠানটো হৰেকৃষ্ণ মহন্ত বাপৰ অবৰ্তমানতো আয়োজকসকলে ইমান সুন্দৰকৈ আয়োজন কৰিব পাৰিছে। আয়োজকসকলৰ পদক্ষেপ শলাগিবলগীয়া। মহন্ত বাপ নথকাৰ কোনো প্ৰভাৱ পৰিবলৈ দিয়া নাই। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা লোকসকলে ইমান ভক্তিভাৱে ইয়াত একাত্ম হৈ পৰিছে দেখিলেই ভাল লাগি যায়। নাই কোনো ভেদাভেদ। সকলোৱে গুৰুক বিচাৰি পোৱা যেন অনুভৱ হয়।

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে দেখা সপোন যেন বাস্তৱত ৰূপায়িত কৰি থৈ গৈছে হৰেকৃষ্ণ মহন্ত বাপে। সমাজত মিলা-প্ৰীতিৰে সকলোৱে গুৰুক সেৱা কৰাৰ ছবিখন সুন্দৰ ৰূপত প্ৰতিফলিত কৰাত সফল হৈছিল হৰেকৃষ্ণ মহন্তই। বাপে এৰি যোৱা কৰ্ম এতিয়া সুচাৰুৰূপে পৰিচালনা কৰাত ব্যস্ত হৈ পৰিছে বৰ্তমানৰ বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়ো

বাপে। অসমৰ সত্ৰৰ ইতিহাসত প্ৰথমগৰাকী জনজাতীয় লোকে সত্ৰাধিকাৰ হোৱাৰ কৃতিত্ব অৰ্জন কৰা নিৰঞ্জন বড়োৱে বিগত সময়ত সত্ৰখনৰ বাবে যি ত্যাগ স্বীকাৰ কৰিলে সেয়া ক'বই লাগিব। আন বহুতো সত্ৰতকৈ নীতি-নিয়মৰ ক্ষেত্ৰত বৰঙাজুলি পৃথক। শিষ্যই নহয়, ইয়াত সত্ৰাধিকাৰেহে শিষ্যক সেৱা কৰে।

সত্ৰীয়া সংস্কৃতিৰ সাধক হৰেকৃষ্ণ মহন্তই বহুতো ঘাত-প্ৰতিঘাত, প্ৰত্যাহ্বান নেওচি বৰঙাজুলিৰ দৰে এখন ঠাইত সত্ৰ প্ৰতিষ্ঠাৰ লগতে সত্ৰীয়া সংস্কৃতি প্ৰসাৰৰ বাবে যিখিনি কৰি থৈ গ'ল সেয়া আমাৰ সত্ৰীয়া সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য দিশ হিচাপে চিৰদিন স্বীকৃত হৈ থাকিব। বৃহত্তৰ অঞ্চলটোৰ লগতে ওদালগুৰি জিলাত ৩৩খন সত্ৰ প্ৰতিষ্ঠা কৰা হৰেকৃষ্ণ মহন্ত আছিল প্ৰচাৰবিমুখ এক জীৱন্ত কিংবদন্তি। শৈশৱ-কৈশোৰ বৰপেটা সত্ৰৰ বেষ্টনীত অতিবাহিত হ'লেও জীৱনৰ বেছিভাগ সময় কটাইছিল ওদালগুৰি জিলাত। পঞ্চাশৰ দশকতে বৰপেটাৰ পৰা সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ বাবে ওদালগুৰি জিলালৈ ঢাপলি মেলা হৰেকৃষ্ণ মহন্তই ১৯৫৩ চনত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পূৰ্বে কেইবছৰমান খৈৰাবাৰীত আছিল। তেওঁ যিসময়ত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা কৰিছিল সেই সময়ত তাত সত্ৰীয়া সংস্কৃতিৰ কোনো প্ৰভাৱ নাছিল। বড়ো, ৰাভা, গাৰো, আদিবাসী আদি সম্প্ৰদায়ৰ লোকেৰে পৰিপূৰ্ণ বৃহত্তৰ অঞ্চলটোত এখন সত্ৰ প্ৰতিষ্ঠা কৰাটো প্ৰত্যাহ্বান আছিল। সমাজৰ বহুতো লোকৰ বাধা নেওচি তেওঁ সাত দশকতকৈয়ো অধিককাল যি সেৱা আগবঢ়াই গ'ল তাৰ বাবে হৰেকৃষ্ণ মহন্ত চিৰস্মৰণীয় হৈ থাকিব।

হৰেকৃষ্ণ মহন্তৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল তেওঁ যিবোৰ সত্ৰ প্ৰতিষ্ঠা কৰিছে তাৰ বেছিভাগ সত্ৰতেই প্ৰায়সংখ্যক ভকত হ'ল বড়ো, গাৰো, ৰাভা আদিবাসী লোক। সাধাৰণতে সত্ৰৰ ভকতৰ ক্ষেত্ৰত এনেধৰণৰ ঘটনা কমসংখ্যক সত্ৰাধিকাৰৰ জীৱন পৰিক্ৰমাত সংঘটিত হৈছে। বৰপেটা অথবা মাজুলীৰ দৰে কোনো এটা অঞ্চলৰ সাদৃশ্য নথকা উক্ত অঞ্চলত সত্ৰ প্ৰতিষ্ঠা কৰি মহন্ত বাপে প্ৰমাণ কৰিছে আদৰ্শৰে সকলোৰে মন আকৰ্ষণ কৰাটো সম্ভৱ। জিলাখনত প্ৰথমদিনা খোজ পেলোৱাৰে পৰা জীৱনৰ অন্তিম

দিনটোলৈ তেওঁ যি কৰ্মৰাজি সম্পন্ন কৰি গ'ল তাৰ বাবে কোনোদিনেই কাৰোৰে পৰা একো বিচৰা নাছিল। প্ৰতিদান বিচৰাটো তেওঁ কেতিয়াও ভবা নাছিল। মাথোঁ সমাজত সত্ৰীয়া সংস্কৃতিক শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰাটোৱে আছিল তেওঁৰ জীৱনৰ লক্ষ্য। সেইবাবে তেওঁ খৈৰাবাৰী, ভেৰগাঁও, পুৰণি টংলা, থানাপাৰা ইত্যাদি অঞ্চলত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ কৰি বড়ো, ৰাভা আদিবাসী লোকক শিষ্যত্ব গ্ৰহণৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। সিদিনাৰ পালনামতো পূৰ্বৰ দৰে ছবি এখন দেখিবলৈ পাই খুব ভাল লাগিল। বাপজনাই যি আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে সেয়া নিৰঞ্জন বড়ো বাপেও অব্যাহত ৰাখিছে আৰু ভৱিষ্যতে থাকিলে নিশ্চয়কৈ সকলোৰে উপকৃত হ'ব পাৰিব।

# পঞ্চতীৰ্থ নগৰীৰ ধূলিকণাই কয় ইতিহাসৰ কথা

যোৱা ১৪ মাৰ্চত তীৰ্থ নগৰী হাজোলৈ গৈছিলো মন্দিৰ দৰ্শন কৰিবলৈ। গুৱাহাটীৰ পৰা হাজোৰ দূৰত্ব বৰ বেছি নহয় যদিও মন্দিৰ দৰ্শন কৰিবলৈ যোৱা হোৱা নাছিল। সেইফালে পথেৰে প্ৰায়ে অহা-যোৱা কৰা হয় যদিও মন্দিৰ দৰ্শন কৰাৰ সৌভাগ্য ঘটা নাছিল। আচলতে ওচৰত অথবা দূৰত থকা বুলি কথা নাই,মন্দিৰ বা ধৰ্মীয় অনুষ্ঠান দৰ্শন কৰাৰ ভাগ্যও থাকিব লাগিব। হয়তো ইমান ওচৰত অৱস্থিত হোৱাৰ পিছতো দৰ্শন কৰাৰ সৌভাগ্য হোৱা নাছিল। সি যি নহওক, কিয় আমি তীৰ্থ নগৰীলৈ গৈ যি অনুভৱ হ'ল যে আমাৰ ওচৰতে ইমান সুন্দৰ মন্দিৰ অৱস্থিত অথচ আমি গুৰুত্ব নিদিওঁ। আমি তালৈ গৈ মন্দিৰৰ দলৈ শিৱ শৰ্মাক ফোন কৰিলো যদিও সিদিনা তেওঁ তাত উপস্থিত নাছিল। তেওঁ নৱ শৰ্মা বুলি মন্দিৰৰ সদস্য এজনক আমাৰ লগত দিলে।

হাজো বুলিলে আমি হায়গ্ৰীৱ মাধৱ মন্দিৰৰ কথাকে বুজো। সিদিনা একেলগে কেদাৰ মন্দিৰ, কমলেশ্বৰ মন্দিৰ, কামেশ্বৰ মন্দিৰ আৰু গণেশ মন্দিৰ দৰ্শনৰ সুযোগ পালো। হাজো অঞ্চলত কি নাই? বহুতো মন্দিৰ বিশেষকৈ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ লগতে আছে বিখ্যাত কেদাৰ মন্দিৰ। হয়গ্ৰীৱ মাধৱৰ পূব-দক্ষিণ দিশত প্ৰায় দুই কিলোমিটাৰ দূৰত এই মন্দিৰটো অৱস্থিত। কেদাৰ মন্দিৰৰ পৰা ১০০ ফুট দূৰত্বত অৱস্থিত পঞ্চতীৰ্থৰ এই কমলেশ্বৰ মন্দিৰটো। কামেশ্বৰ মন্দিৰৰ কাষতে ইয়াত আছে গণেশ মন্দিৰ। এই ঐতিহাসিক ঠাইত থকা উল্লেখযোগ্য ধৰ্মীয় অনুষ্ঠানসমূহৰ ভিতৰত অন্যতম হৈছে জয়দুৰ্গা দেৱালয়, ধাৰেশ্বৰ দেৱালয়, পোৱামক্কা দৰগাহ শ্বৰীফ, চৈতন্যঘোপা সিদ্ধেশ্বৰ দেৱালয়, কপিল মুনিৰ আশ্ৰম, ভৃঙ্গেশ্বৰ দেৱালয়, সৌভাগ্য কুণ্ড, হৰ-গৌৰী মন্দিৰ, অগ্নি বাণেশ্বৰ দেৱালয় অপুনৰ্ভৱ কুণ্ড, বিষ্ণু পুষ্কৰ (মাধৱ পুখুৰী), মাৰ্কণ্ডেয় হ্ৰদ,ব্ৰহ্ম সৰোবৰ কুণ্ড আদি।

হাজোত আছে কেইবাখনো সত্ৰ। ইয়াত আছে হাজো ধোপৰগুৰি সত্ৰ। তদুপৰি বৰদধি সত্ৰ, ৰামদিয়া সত্ৰ, ক্ষুদ্ৰদধি কেৰলিয়া সত্ৰ, দিহনা দামোদৰীয় বৰ্ণ সত্ৰ আদি। এই অঞ্চলটোত আছে ভীমৰ চৰিয়া, পাখামেলা গোঁসাইৰ থান, দুমুখীয়া গোসাঁইৰ থান।

ঐতিহ্যমণ্ডিত হাজো অঞ্চল নানা উৎসৱ-পাৰ্বণেৰে ভৰা। হাজো অঞ্চলৰ প্ৰাচীন কৃষ্টি বুলি ক'লে দেৱদাসী নৃত্যৰ ছবিখনেই মনলৈ আহে। এই নৃত্য দেৱতাসকলৰ মনোৰঞ্জনৰ বাবে দেৱতাৰ পূজা-অৰ্চনাৰ তালে তালে পৰিৱেশন কৰা হৈছিল। এই নৃত্য অকুমাৰী ছোৱালীৰ দ্বাৰা পৰিৱেশন কৰা হৈছিল। নৃত্য কৰা ছোৱালীসকলক দেৱতাৰ নামত উচৰ্গা কৰা হৈছিল যদিও কালক্ৰমত এই নৃত্যৰ অৱসান ঘটে।

শেহতীয়াভাৱে ন্যায়ালয়ে বাধা আৰোপ কৰিলেও কেইবছৰমান আগলৈকে মাধৱ মন্দিৰৰ এটা প্ৰধান উৎসৱ আছিল বুলবুলি চৰাইৰ যুঁজ। মাঘ মাহৰ বিহুৰ দিনা এই যুঁজৰ আয়োজন কৰা হৈছিল। প্ৰকৃতিপ্ৰেমী সংগঠন তথা ব্যক্তিৰ বাবে এই প্ৰতিযোগিতা আজি অতীত হৈ পৰিল।

অসমৰ পৌৰাণিক স্থানসমূহৰ ভিতৰত অন্যতম হৈছে হাজো। পিছে ইমান সমল থকাৰ পিছতো প্ৰচাৰৰ ক্ষেত্ৰত এতিয়াও বহু পিছপৰি আছে। বহুতে হয়তো ক'ব যে ইয়াক পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। হয়, এনে কৰা হৈছে। পিছে এই ঠাইখনত থকা ঐতিহাসিক সমলৰ বিষয়ে বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে কিছুমান ঠাইৰ বিষয়ে এতিয়াও বহুতে নাজানে বাবে দৰ্শনৰ কাৰণে আগ্ৰহী নহয়। ইমান সমল হয়তো নামনি অসমৰ আন ঠাইত নাই বুলি ক'লেও ভুল নহ'ব। মঠ মন্দিৰ দেৱালয় বুৰঞ্জীপ্ৰসিদ্ধ ঠাই, পুখুৰী আৰু সত্ৰ থকাৰ পিছতো দৈনিক পৰ্যটকৰ আগমন আশাব্যঞ্জক নহয়। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ যোৱাৰ পাছত ইয়াত থকা পুখুৰীৰ কাছ আদিৰ বিষয়ে এতিয়া প্ৰচাৰ স্তিমিত। আমি একোটা অঞ্চলত সমল থকাৰ পাছত ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নতুন নতুন কৌশল প্ৰয়োগ কৰিব লাগিব। কাৰণ সময়ৰ সৈতে খোজ মিলাই আগুৱাই যাব নোৱাৰিলে আন অঞ্চলৰ তুলনাত বহুখিনি পিছপৰি যাব লাগিব। সেয়ে নৱ প্ৰজন্মক আমি এই বিষয়ত উৎসাহিত কৰিব লাগিব।

হাজোক হিন্দু আৰু মুছলমানৰ সম্প্ৰীতিৰ মিলনভূমি বুলিও কোৱা হয়। মাঘ মাহত উলিওৱা শোভাযাত্ৰা এই সম্প্ৰীতিৰ সাক্ষী। গতিকে এনে এখন মিলনভূমিক আমি এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত আবদ্ধ ৰাখিলে নহ'ব।

# এদিনতে ধনী হোৱাৰ সপোন দেখিলেই বিপদ নিশ্চিত

মানুহৰ প্ৰয়োজনৰ অন্ত নাই। এটা অভাৱ পূৰণ হ'লে অন্য অভাৱে দেখা দিয়ে। অভাৱ মানেই প্ৰয়োজন। এই অভাৱ পূৰণৰ বাবে মানুহে কৰিব লাগে কঠোৰ পৰিশ্ৰম। বাস্তৱ জীৱনত দেখা যায় যে সকলো মানুহৰ সকলো অভাৱ পূৰণ নহয়। আনহাতে, সকলো মানুহে সমানে পৰিশ্ৰম কৰিব নোৱাৰে। সকলোৰে জীৱনলৈ সমানেই সাফল্য নাহে। সেইবাবে নিজকে আনৰ সৈতে কেতিয়াবা বেছিকৈ ৰিজাব নালাগে। বেছিকৈ ৰিজালেই বিপদ। মনটো খেলিমেলি লাগে। আজিৰ পৃথিৱীত মানুহৰ ৰিজনি বেছি হৈছে। অমুকে অমুক কৰিছে, তমুক কৰিছে আদিত বেছি গুৰুত্ব দিয়ে। আনৰ সৈতে বেছি ৰিজাই থকা বাবে এসময়ত মনটো দুৰ্বল হৈ পৰে। যেতিয়া মানুহে আনৰ সৈতে ৰজাই নিজৰ জলঙাত কম সম্পত্তি দেখা পায় তেতিয়া আনৰ সমান সম্পত্তিৰ গৰাকী হ'বলৈ ইচ্ছা কৰে। যেতিয়া আশা কৰাধৰণে ধন সম্পত্তিৰ অধিকাৰী হ'ব নোৱাৰে তেতিয়া মনটো পিছল খায়। মনটো পিছল খায় মানুহৰ মনত থকা লোভৰ বাবে। লোভ যিমানে বেছি হয় সিমানে নৈতিকতাৰ অধোগতি হ'বলৈ ধৰে। মানুহে তেতিয়া নৈতিকতা বিসৰ্জন দিয়ে যেতিয়া বস্তুসৰ্বস্ব হৈ পৰে। এই অৱস্থাই জীৱনটো ক'ৰপৰা ক'লৈ লৈ যায় তাৰ হিচাপ কোনোৱে কৰিব নোৱাৰে। আধুনিক সমাজব্যৱস্থাত মানুহৰ মাজত মূল্যবোধ হেৰাই যোৱাৰ উপক্ৰম হৈছে। সকলোকে লাগে কেৱল ধন-সম্পত্তি। এতিয়া এনে অনুভৱ হৈছে যে ধন থাকিলেহে সুখ থাকে আৰু নাথাকিলে জীৱনটো অসাৰ। এনে মানসিকতাৰ বাবে আজিৰ পৃথিৱীত মানুহ আটাইতকৈ অসুখী বুলি গণ্য কৰা হয়। সকলো থাকিও যেন একো নাই, তেনে মানসিকতাৰ বাবে লোভ বাঢ়ি গৈ আছে। এই ধৰণৰ লোভৰ বাবে মানুহে হিতাহিত জ্ঞান হেৰুৱাই নকৰিবলগীয়া কাম কৰাৰ প্ৰৱণতা বেছি হৈছে। ফলত মানুহে কিছুমান এনে পাকচক্ৰত সোমাই পৰিল যে

তাৰ পৰা ওলাই অহাৰ পথ ৰুদ্ধ হৈ পৰে। এই চক্ৰবেহুত প্ৰৱেশ কৰি বহুতে বিনা কষ্টৰে কোটিপতি হ'বলৈ গৈ পথৰ ভিখাৰী হ'বলগীয়া হৈছে। আজিকালি কাম কৰাৰ পৰিৱৰ্তে বিনা কষ্টৰে অতি কম সময়ৰ ভিতৰতে ধনী হোৱাৰ প্ৰৱণতা বৃদ্ধি হোৱাত ইয়াৰ সুবিধা লৈছে একাংশ দুষ্ট চক্ৰই। এই চক্ৰবেহুত প্ৰৱেশ কৰিবৰ বাবে মানুহক প্ৰলোভন দিছে। নিশাৰ ভিতৰতে ধনী হোৱাৰ সপোন দেখুৱাইছে। বিভিন্ন ক্ষেত্ৰত এই চক্ৰবোৰে জাল পেলাইছে আৰু এই ধৰণৰ জালত পৰা লোকৰ সংখ্যা বাঢ়ি গৈ আছে আৰু থাকিবও। মানুহক হয় মানে নাতে। অৰ্থাৎ ধন-সম্পত্তি হোৱাৰ পিছতো আৰু লাগে। প্ৰয়োজনৰ দীঘলীয়া তালিকাৰ অন্তৰ্ভুক্ত কৰোতে কৰোতে এদিন সকলো সুখ হেৰাই যাব ধৰে।

কোটিপতি হ'লেই মানুহ সুখী হয়নে? এই সংসাৰত জীয়াই থাকিবলৈ অৰ্থৰ প্ৰয়োজন। কিন্তু এই ধৰণৰ প্ৰয়োজনৰ সীমা থকা উচিত। কাৰণ যিমানে প্ৰয়োজন আৰু লোভ বাঢ়ি গৈ থাকিব সিমানে মানসিক চাপ বৃদ্ধি পায়। এনে হ'লে দুষ্টচক্ৰই সুবিধা লৈ সকলো লুটি নিব। কেতিয়াবা যদি অনলাইন ট্ৰেডিঙৰ নামত, আন কোনোৱে ঋণ প্ৰদান কৰিব বুলি অথবা বেংকৰ পৰা ফোন কৰা বুলি মিছা মাতি প্ৰৱঞ্চনা কৰি আহিছে। মানুহক লোভ দেখুৱাই যে এইবোৰ কাম কৰি আছে সেইবিষয়ে ভাবিবলৈ কাৰো আহৰি নাই। আনকি বেংকৰ পৰা ফোন কৰা বুলি কোৱা লোকৰ পৰিচয় নজনাকৈ নিজৰ ঘৰখনৰ লগতে বেংকৰ সবিশেষ তথ্য অচিনাকি মানুহৰ আগত প্ৰকাশ কৰে। এনেদৰে আগ-পাছ নভবাকৈ আনৰ আগত গোপনীয় তথ্য প্ৰকাশ কৰি নিজৰ বিপদ নিজেই মাতি অনা লোকৰ সংখ্যা বাঢ়ি আহিছে।

আজিকালি দুষ্টচক্ৰই সমাজক মাধ্যমৰ জৰিয়তে এনে জাল পেলাইছে। যিহেতু এতিয়া সামাজিক মাধ্যম ব্যৱহাৰ কৰা লোকৰ সংখ্যা বেছি সেইবাবেই এনে চক্ৰই সাধাৰণ মানুহক লক্ষ্য কৰি লৈছে। আজি ৰাজ্যত সৰ্বাধিক চৰ্চিত বিষয়টোৱে হৈছে অনলাইন ট্ৰেডিং। এবাৰ ভাবি চাওকচোন ইয়াৰ বাবে দায়ী কোন? গতিকে সজাগ আৰু সতৰ্ক থাকিবৰ সময় আহি পৰিছে। সুখ এদিনতে কিনিম বুলি ভাবিলে নহ'ব। এদিনতে আলাউদ্দিনৰ চাকি পোৱাটো সম্ভৱ নহয়। নিজৰ দায়িত্ব পালন কৰি থাকিলে আপোনা-আপুনি আহিব ধন-সুখ। সময়ৰ লগে লগে মানুহৰ মাজত দৃষ্টিভঙ্গীৰ সলনি হোৱা স্বাভাৱিক কথা। পিছে এই দৃষ্টিভংগী হ'ব লাগিব বাস্তৱ।